সুহৃদ

Suhrid

SOUVENIR '22



ALUMNI ASSOCIATION
COLLEGE OF FISHERIES, RAHA

সুহৃদ

Suhrid

Alumni Association of College of Fisheries-Raha

Date : 10 December, 2022

Chief Editor
Dr. Hari Charan Das

Editors
Dipanjan Kashyap
Pratul Deka
Leelakanta Payeng



SUHRID : A souvenir published by Alumni Association of College of Fisheries-Raha (AACoF-R), edited by Dr. Haricharan Das, Dipanjan Kashyap, Pratul Deka & Leelakanta Payeng. Year : 2022

©AACoF-R

Chief Editor
Dr. Hari Charan Das

Editors
Dipanjan Kashyap
Pratul Deka
Leelakanta Payeng

Publish
10 December, 2022

Cover
Anurag Bhuyan

Printed at
Rumi Jumi Enterprise
Six Mile, Guwahati-781022

Meaning of 'Suhrid'
'SUHRID' is an Assamese word meaning FRIENDS,
who represent people with good heart.

শ্রদ্ধাঞ্জলি



সৌমাৰজ্যোতি মেধি



ফকৰুদ্দিন আলী আহমেদ



মংগল কুমাৰ চৌধুৰী



হিমাংশু দলে



ৰফিকুল হক



যতীন দাস



অভিলাষ কোঁৰৰ



প্রসন্নজ্যোতি হাজৰিকা



টেমচু ইমচঙ



সপোনৰ বাটত তোমালোকক হেৰুৱালো
অশ্রুৰ বাহিৰে আৰু কিনো দিব পাৰো
য'তেই থাকা, যেন শান্তিত থাকা
প্রণিপাত!!



—সুহৃদ

In memorium



Dr. P. N. Das



Dr. S. C. Pathak



Dr. A. K. Bhagawati



Ajay Borah



Durlov Gogoi



Promod Chandra Gohain



Ratnaprabha Saikia



Prabin Borgohain



Dulu Das



Pradip Deka



Pradip Musahary



Golap Senapati



Nitai Pator



Bhaskar Gogoi



Tinku Bordoloi



Photo not available : Thaneswar Nath, Tarik Chakraborty, Dhurba Dutta, Bhaben Bora, Kanak Patar, Nipen Nath, Lalit Baruah, Naren Nath, Nandi Nath, Anil Das.



Felicitation to our great teachers



Dr. Omeo Kumar Dutta
Service life in AAU
02/02/1974 - 15/05/2001

You are a renowned scientist in the field of Aquaculture in India. We do feel fortunate enough to have a personality like you as our teacher. Your devotion and contribution towards the College of Fisheries, Raha was outstanding. We do pray God for your good health, peace, happiness and long life.



Dr. Pradyut Kumar Goswami
Service life in AAU
02/08/1991 – 31/10/2013

It is our great pleasure to felicitate a teacher like you. Your friendly behaviour inspired the students to perform the best in any sphere during their college days. Your contribution to the College of Fisheries, Raha will be remembered forever. We do pray God for your long, healthy, peaceful and joyful life.



Dr. Krishna Kanta Tamuli
Service life in AAU
05/05/1982 – 31/12/2020

You were not only a teacher but also the local guardian of the students of College of Fisheries, Raha. Your devotion and love for the College is highly admirable. Your dedicated service towards the college will be remembered forever. We do pray God for your long, sound, peaceful and happy life.



Dr. Sushanta Borthakur
Service life in AAU
30/10/1987 – 31/03/2022

The students of College of Fisheries, Raha were lucky enough to have you as teacher. Joy, laughter and sleepless nights while going for practical field trips to Pabhoi, Nameri etc. are still fresh in every alumni's mind. We do pray God for your sound and long healthy life, and happiness.

Editorial Board

Advisor



Dr. Pradip Chandra Bhuyan

Chief Editor



Dr. Hari Charan Das

Editors



Dipanjan Kashyap



Pratul Deka



Leelakanta Payeng

Members



L to R: Jebin Akhtar Ahmed, Pranjit Saikia, Daiba Bani Baruah, Suprity Sharma, Semina Yasmin

ড° হিমন্ত বিশ্ব শর্মা
Dr. Himanta Biswa Sarma

সত্যমেব জয়তে

মুখ্যমন্ত্রী, অসম
Chief Minister, Assam



Dispur
30 Kārtikaḥ, 1429 Bhaskarabda
17th November, 2022

MESSAGE

It gives me immense happiness to learn about the initiative of College of Fisheries, Raha to organize an alumni meet on December 10, 2022.

Assam has traditionally been a State with a huge demand for fish. There was a time when a major percentage of demand for fish in the State were met with supply from outside. Apart from having economic ramifications, this trend also led to health worries arising from use of harmful chemicals as preservatives. However, in the past couple of years, we are witnessing a reversing trend as Assam. This has been possible owing to concerted and relentless efforts from all quarters. Youths of Assam taking to fish farming has been a large contributing factor. The biggest accolades, however, must go the people such as the alumni of College of Fisheries, Raha who have diligently been working towards the uplift of the fish farming sector in the State, using their knowledge in the field.

I am certain, the alumni meet of College of Fisheries, Raha, would provide a potent platform to discuss steps to augment fish production.

I extend my best wishes to everyone associated with the alumni meet on their endeavor.

(Dr. Himanta Biswa Sarma)

Atul Bora
Minister
Agriculture, Horticulture, Animal Husbandry & Veterinary, Border Protection & Development, Implementation of Assam Accord.



सत्यमेव जयते

GOVERNMENT OF ASSAM

MESSAGE

It is indeed a great pleasure for me to know that the Alumni Association of College of Fisheries, Assam Agricultural University, Raha, Assam is organizing an Alumni Meet on 10th December, 2022.

It is understood that the College of Fisheries, AAU, Raha is imparting quality education in fisheries science. I take this opportunity to compliment the faculty members and well as students in their endeavour for achieving the honour and pride for the College. I appreciate the effort of the College for their dedication towards the human resource development in fisheries science of the region.

Fishery sector in India has contributed a lot and has many promising opportunities. The meet will provide a platform for the former students to exchange innovative ideas for bringing the positive changes in the fisheries sector. I am sure that this Alumni Meet will explore new ideas among juniors and it will be a step forward to attract young talents in this sector.

I wish the Alumni Meet a grand success.

Date : 30th November, 2022

(ATUL BORA)

Block - C, Ground Floor, Assam Sachivalaya, Dispur, Guwahati - 781006, Tel. : 0361-2237008 (O), E-mail : ministeratulbora@gmail.com

Parimal Suklabaidya
Minister
Transport, Fisheries and
Excise Departments,
Government of Assam.

सत्यमेव जयते

Room No.009, Block-B
Ground Floor, Janata Bhawan
Dispur, Guwahati-781006
Telephone : 0361-2237005
E-mail : parimalsuklabaidyamla@gmail.com

Dated, Dispur 06/11/2022



MESSAGE

It gives me immense pleasure to learn that the Alumni Association of the College of Fisheries, Assam Agricultural University, Raha is organizing Alumni Meet on December 10, 2022.

Over the years the College of Fisheries has shaped itself as one of the finest institution of fisheries education and has produced many illustrious scholars.

I am delighted to know that the alumni of the college are making significant contributions for the upliftment of the fisheries sector as well as for the progress and prosperity of the society and the nation. This meet will bring alumni of the college spread across the globe under one roof and will enable them to interact and share their experiences. I hope this Meet will generate a strong, active and everlasting relationship between the College and the alumni and contribute to the development of the college.

I extend my warm greetings to all the alumni visiting the College of Fisheries, Raha and wish the Alumni Meet a great success.

(Parimal Suklabaidya)

सत्यमेव जयते
डॉ. हिमांशु पाठक
सचिव, एवं महानिदेशक
Dr HIMANSHU PATHAK
SECRETARY (DARE) & DIRECTOR GENERAL (ICAR)

भारत सरकार
कृषि अनुसंधान और शिक्षा विभाग एवं
भारतीय कृषि अनुसंधान परिषद
कृषि एवं किसान कल्याण मंत्रालय, कृषि भवन, नई दिल्ली 110 001
GOVERNMENT OF INDIA
DEPARTMENT OF AGRICULTURAL RESEARCH & EDUCATION (DARE)
AND
INDIAN COUNCIL OF AGRICULTURAL RESEARCH (ICAR)
MINISTRY OF AGRICULTURE AND FARMERS WELFARE
KRISHI BHAVAN, NEW DELHI 110 001
Tel.: 23382629; 23386711 Fax: 91-11-23384773
E-mail: dg.icar@nic.in

MESSAGE

I am happy to learn that the Alumni Association of the College of Fisheries, Assam Agricultural University is organizing Alumni Meet on 10th December, 2022. Alumni of an institution are greatest strength and is one of the success indicators of the organization. Fisheries is one of the key sub-sectors of agriculture having enormous economic potential for the livelihood support and income augmentation of the farmers in Assam and elsewhere. The fisheries education has contributed enormously in capacity building of the professionals for development of new technologies and their dissemination amongst farmers and fishers. The College of Fisheries, Raha, Nagaon, Assam has contributed progressively towards the growth of fisheries sector in the State of Assam since its inception. The Alumni Meet provides an opportunity to the graduates of the college to meet each other and exchange their experiences for strengthening the professionalism for the development of the fisheries and the institution.

I compliment the Editorial Board for their efforts in bringing out the Souvenir on this occasion. My best wishes for the success of the Alumni Meet and publication of the Souvenir.

(Himanshu Pathak)

30th November, 2022
New Delhi

Dr. Bidyut C. Deka
Vice Chancellor

ASSAM AGRICULTURAL UNIVERSITY
JORHAT-785013, ASSAM (INDIA)

(Recipient of Sardar Patel Outstanding Institution Award)



Message

I am happy to learn that the Alumni Association of College of Fisheries, Raha is organizing Alumni Meet on 10th December, 2022 which will reflect the deep attachment and commitment of our former students for the development of the institution of repute.

As the members of the alumni association remain as flag-bearers of the success stories of the College of Fisheries of our university, their meeting at the college will revitalize the spirit of the students, teachers and the other stakeholders who have already nurtured their minds for working for the growth of the college as well as the society. I sincerely hope that meaningful discussion and interaction among the alumni members will open up new avenues for education and research in fishery sector too. I am also happy to know that the organizers are going to bring out a souvenir by capturing the memories of their student and service life.

I wish the Alumni Meet a great success.

(Bidyut C. Deka)

Phone: (91) 376 2340013(O), 2340050(R) Fax: (91) 376 2340001 Website: www.aau.ac.in Email: vc@aau.ac.in

"Healthy Soils for a healthy life"

Nirmal Kanti Debnath, ACS

Directorate of Fisheries
Assam, Guwahati



Message

I am happy and immensely pleased that Alumni Association of College of Fisheries (AACOF-R), Raha is organizing an Alumni Meet on 10th December, 2022 at the college premise in Raha. College of Fisheries, Assam Agricultural University is the sole institution in Assam which is associated with producing quality human resources in the field of fishery science. It is a matter of great pride that alumni from this reputed institution have been excelling in different organizations including the Department of Fisheries, Government of Assam. This meet will give a platform to all the graduates of the college to share their ideas and encourage the young generation.

I whole-heartedly wish the meet a great success.

Date : 30-11-2022

Director of Fisheries
Assam, Guwahati

COLLEGE OF FISHERIES
Assam Agricultural University
Raha-782103, Nagaon, Assam.

Message

It gives me immense pleasure to know about the initiative of Alumni Association of College of Fisheries Raha (AACOF-R) to organize an Alumni Meet on 10th December, 2022 at the college. The need for such a meet was strongly felt as the last alumni meet was held in the year 2017. I am sure this meet will provide a strong platform to the entire professional fisheries graduates of the college for discussing the various forthcoming issues, opportunities and challenges of the sector in a nostalgic environment. It will be a great opportunity for the newly passed out graduates and the present students of the college to interact with their successful seniors and learn from their valuable experience. I hope that the meet will build a strong bridge between the past and present which will eventually lay a powerful foundation for the entire fisheries fraternity of the state for our future endeavors.

I would like to congratulate the organizers for their tireless effort in bringing out a Souvenir on this auspicious occasion as it will give an opportunity to all to know each other better. I pray to the Almighty for grand success of the Alumni Meet 2022 and once again appeal each and every member of this small yet cohesive family to be a part of overall growth and development of the Alma Mater.

College Of Fisheries
Date 04/12/22
Assam Agricultural University Raha

(B. Kalita)
Dean (i/c)
College of Fisheries
AAU, Raha

Dean (i/c)
College of Fisheries
AAU: Raha

সম্পাদকৰ মেজৰ পৰা

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মীন খণ্ডত বিগত কেইবা দশক ধৰি দেখিবলৈ পোৱা ইতিবাচক পৰিৱৰ্তনত অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰহাস্থিত মীন মহাবিদ্যালয়ে উল্লেখযোগ্য অৱদান আগবঢ়াইছে। ১৯৮৭-৮৮ শৈক্ষিক বৰ্ষৰ পৰা পাঠদান আৰম্ভ হোৱা মহাবিদ্যালয়খনে চালুকীয়া অৱস্থাৰ পৰা আজি এক সুস্থিৰ অৱস্থাত উপনীত হোৱা বুলি ক'লেও ভুল কোৱা নহ'ব। এই সুদীৰ্ঘ কালছোৱাত প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে স্নাতক, স্নাতকোত্তৰ আৰু ডক্টৰেট ডিগ্ৰী লাভ কৰি মীন খণ্ডৰ লগত জড়িত লোকসকলৰ উন্নয়নৰ বাবে নিজৰ সেৱা আগবঢ়াইছে। উল্লেখযোগ্য যে ১৯৯৮ চনত কেন্দ্ৰীয় কৃষি বিশ্ববিদ্যালয়, মণিপুৰৰ অধীনত ত্ৰিপুৰাৰ লেম্বুচেৰাত মীন মহাবিদ্যালয় স্থাপনৰ পূৰ্বে ৰহাস্থিত মীন মহাবিদ্যালয়েই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মীন খণ্ডত একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান হিচাপে বিবেচিত হৈছিল। আজিৰ পৰা ডেৰ দশক আগতে বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত মহাবিদ্যালয়খনে শিক্ষক তথা প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বৰ্তমান ভাৰতৰ বিভিন্ন মীন মহাবিদ্যালয়/ বিশ্ববিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান, মীন বিভাগ, বেংকৰ উপৰিও বিভিন্ন চৰকাৰী তথা বেচৰকাৰী প্ৰতিষ্ঠানত কৰ্মসংস্থাপন লাভ কৰি আশানুৰূপ ফলাফল দেখুৱাবলৈ সক্ষম হৈছে, যিটো নেকি সমগ্ৰ মীন মহাবিদ্যালয় পৰিয়ালৰ বাবেই গৌৰৱৰ বিষয়।

মীন মহাবিদ্যালয়ে ৩৫টা বসন্ত গৰকিলে যদিও বৰ্তমানলৈ অনুষ্ঠিত হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৱেহৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। ২০১১ আৰু ২০১৭ বৰ্ষত অনুষ্ঠিত হোৱা সমাৱেহ দুখন যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে সফল বুলি বিবেচিত হৈছিল। আশাব্যঞ্জক কথাটো হ'ল বৰ্তমান মীন মহাবিদ্যালয়ৰ স্নাতক শাখাত সৰ্বমুঠ আসনৰ সংখ্যা বৃদ্ধি পাইছে। একেদৰে কেইবাটাও বিভাগত স্নাতকোত্তৰ তথা ডক্টৰেট ডিগ্ৰীৰ বাবে সীমিত সংখ্যক আসনৰ ব্যৱস্থা আছে। ২০০৫ চনত পোনপ্ৰথমবাৰলৈ মহাবিদ্যালয়ত ছোৱালীক নামভৰ্তিৰ সুযোগ দিয়াৰ পিছৰে পৰা প্ৰায় প্ৰতি বছৰেই বুজন সংখ্যক ছাত্ৰীয়ে মীন পাঠ্যক্ৰমত নামভৰ্তি কৰা দেখা গৈছে। বিভিন্ন ক্ষেত্ৰত ছাত্ৰৰ সমান্তৰালকৈ ছাত্ৰীয়ে ঈৰ্ষণীয় সফলতা লাভ কৰিছে। মীন মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা দহ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় পৰ্যায়ত বিজ্ঞানীৰ পদত মকৰল পাইছে। মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰাক্তন ছাত্ৰৰ বৰ্তমান ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত সঞ্চালক অথবা বিজ্ঞান-গুৰু আদি পদবীত নিৰ্বাচিত হ'বলৈ প্ৰয়োজনীয় নূন্যতম অৰ্হতা আছে। প্ৰতি বছৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সৰ্বভাৰতীয় বাচনি পৰীক্ষাতো সুন্দৰ ফলাফল দেখুৱাই আহিছে। এই আটাইবোৰ খবৰ আমাৰ সকলোৰে বাবে যথেষ্ট প্ৰেৰণাদায়ক।

মীন মহাবিদ্যালয় বুলি ক'লেই হিয়া উপচি পৰে। মহাবিদ্যালয় চৌহদত পতা যিকোনো অনুষ্ঠানত উপস্থিত থাকিবলৈ মনটোৱে বাৰে বাৰে ৰহালৈ উৰা মাৰে। পাঁচ বছৰৰ মূৰকত ১০ ডিচেম্বৰ, ২০২২ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৱেহ আয়োজনৰ বাতৰিয়ে সকলোৰে লগতে আমাকো অপাৰ আনন্দ দিছে। একে সময়তে আমি কিন্তু চিন্তাতো নপৰা নহয়, কিয়নো আয়োজক কমিটিয়ে স্মৃতিগ্ৰন্থখন সম্পাদনা কৰাৰ দায়িত্ব আমাৰ ওপৰত অৰ্পণ কৰি এক গধুৰ দায়িত্ব জাপি দিছিল। কাম ফেৰা সফলতাৰে সমাপ্ত কৰিবলৈ সময় আছিল মাথোঁ ৭-৮ সপ্তাহ। মহাবিদ্যালয়ৰ শ শ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ আৱেগ জড়িত হৈ থকা স্মৃতিগ্ৰন্থখন আমাৰ সীমিত জ্ঞানৰ পৰিসৰেৰে সৰ্বাঙ্গসুন্দৰ কৰি উলিয়াবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। এই যাত্ৰাত সৰ্ব দিশৰ পৰা উপচি পৰা মৰম তথা সহযোগে

আমাক সাহস প্রদান কৰিলে। আমাৰ অনুৰোধ ৰক্ষা কৰি ভিন্ন সোৱাদৰ লেখাৰে স্মৃতিগ্ৰন্থখনৰ গুণগত মান উন্নত কৰাত হাত উজান দিয়া সমূহ শিক্ষক, অতিথি লেখক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী তথা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীক আমাৰ অন্তৰৰ নিভৃত কোণৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। সম্পাদনা সমিতিৰ সদস্য জেবিন আখটাৰ আহমেদ, প্ৰাণজিত শইকীয়া, দৈব্য বাণী বৰুৱা, সুপ্ৰীতি শৰ্মা আৰু ছেমিনা য়াছমিনে সময়মতে প্ৰয়োজনীয় সহায়ৰ হাত আগবঢ়াই স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰি উলিওৱাত যথেষ্ট সহায় কৰিলে; তেওঁলোক ধন্যবাদৰ পাত্ৰ। স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ অনুৰাগ ভূঞাই স্মৃতিগ্ৰন্থখনৰ বাবে সুন্দৰ বেটুপাত সাজু কৰি দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ। শ্ৰদ্ধাৰ অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি সম্পাদনা সমিতিক সহায় কৰা অমূল্য কাকতিলৈও থাকিল আন্তৰিক ধন্যবাদ। প্ৰয়োজনৰ সময়ত দিহা-পৰামৰ্শ তথা সহায়ৰ হাত আগবঢ়োৱা ড° সাৰদা কান্ত ভাগৱতী, শৰত চন্দ্ৰ দাস, ভাস্কৰ চক্ৰৱৰ্তী, সমীপ ডেকা, পৱিত্ৰ কুমাৰ চহৰীয়া, ইনাম আখটাৰ হুছেইন প্ৰমুখ্যে সকলোকে আন্তৰিক ধন্যবাদ জনালোঁ।

মানুহ মাত্ৰেই ভুল হয়। আমাৰো স্মৃতিগ্ৰন্থখন সম্পাদনা কৰোঁতে ভুল ৰৈ যোৱাটো স্বাভাৱিক। ভুলখিনিক নিজৰ বুলি গ্ৰহণ কৰি স্মৃতিগ্ৰন্থখন আকোঁৱালি ল'বলৈ প্ৰতিজন সুহৃদক কৰ যোৰে অনুৰোধ জনালোঁ।

সম্পাদনা মণ্ডলী

অসমীয়া
বিভাগ

সূচীপত্র

❖	অভিনন্দন বার্তা ঃ নীলমণি ফুকন	বনতৃষ্ণ ফুকন	১

প্রবন্ধ

❖	ঊনবিংশ শতিকাৰ অসম ঃ আত্মপৰিচয় আৰু আত্মসন্মানৰ সন্ধান	ময়ূৰ বৰা	৩
❖	মীন মহাবিদ্যালয়, ৰহাৰ ওপৰত এক আলোকপাত	ড° সাৰদাকান্ত ভাগৰতী	৭
❖	ৰহাৰ চমু ইতিহাস আৰু ফুলগুৰি ধেৰা	ড° দিনেশ হাজৰিকা	১০
❖	মূল্যবোধৰ শিক্ষা	ড° কমলেশ্বৰ কলিতা	১৪
❖	চাৰিশ বছৰীয়া জন্মজয়ন্তীত মহাবীৰ লাচিত বৰফুকন ঃ এক আলোকপাত	দীপাঞ্জন কাশ্যপ	১৬
❖	অসমীয়া জনজীৱনত মাছ	ইন্দ্রমোহন বৰা	২০
❖	আর্দ্রভূমিৰ ধ্বংসলীলা বন্ধ হওক	অমূল্য কাকতি	২৬
❖	অসমৰ অনুসূচিত জাতিৰ ১৬টা উপজাতি	কংকণজ্যোতি ভূঞা	৩১
❖	হোমেন বৰগোহাঞিঃ ছাৰ, মাছ আৰু মই	ড° হৰিচৰণ দাস	৩৪
❖	ৰাস মহোৎসৱ ঃ এক অৱলোকন	বাণীমা দেৱী	৩৭
❖	নীলা পাহাৰৰ আতংক	পদ্মশ্রী ড° কুশল কোঁৱৰ শর্মা	৪০
❖	ভাষাবিদ পণ্ডিত প্রবৰ ড° বাণীকান্ত কাকতি	দেৱ কুমাৰ ডেকা	৪৭
❖	নিপন গোস্বামী ঃ চলচ্চিত্র আৰু মঞ্চৰ অনবদ্য কুশীলৱজন	বিতোপন বৰবৰা	৫২
❖	বিজ্ঞানীৰ সৰলতা	ড° অনুপম শর্মা	৫৬
❖	অসমৰ প্রাচীন খেলসমূহ ঃ ম'হ যুঁজ, কুকুৰা যুঁজ আৰু বুলবুলি চৰাইৰ যুঁজ	দিব্যজ্যোতি দেৱ নাথ	৫৮
❖	ফুল আৰু মানৱ জীৱন	পৰিণীতা দেৱী	৬০

গল্প

❖	ভেঁটফুলৰ পাত	অপূর্ব কুমাৰ শইকীয়া	৬২
❖	এটা সপোনৰ পম খেদি	শিল্পীশিখা গগৈ	৬৮
❖	সাফল্যৰ চকুপানী	সমীপ কুমাৰ ডেকা	৭১

❖	অসম বন্ধ	নাজনীন আহমেদ	৭৩
❖	অৱশেষ	প্রবীণ দত্ত	৭৬

সাক্ষাৎকাৰ

❖	সাহিত্য অকাডেমি বঁটা প্রাপ্রক বিশিষ্ট সাহিত্যিক অনুৰাধা শর্মা পূজাৰীৰ সৈতে কথোপকথন	অমূল্য কাকতি	৭৮

হাস্য-ব্যঙ্গ

❖	বিমান যাত্রাৰ লটি-ঘটি	অচিন্ত্য শইকীয়া	৮৩

নাটক

❖	অস্তিত্ব	সোণমইনা ভূঞা	৮৯

স্মৃতিলেখা

❖	মীন মহাবিদ্যালয়ত কটোৱা দিনবোৰলৈ এটি ওভতনি যাত্রা	ড° ধ্রুৱজ্যোতি শর্মা	৯৪
❖	ব্রহ্মপুত্রত এমাহ-দুমাহ... চাৰি বছৰ	অৱনী ডেকা	৯৬
❖	মীন খণ্ডৰ লগত জড়িত তিনি দশকৰ অভিজ্ঞতা	ড° সঞ্জয় শর্মা	১০১
❖	মীন মহাবিদ্যালয়, ব্রহ্মপুত্র হোষ্টেল আৰু কিছু নষ্টালজিক	লীলাকান্ত পায়েং	১০৩
❖	মনত পৰে মীন মহাবিদ্যালয়লৈ	প্রতুল ডেকা	১০৭
❖	স্মৃতিৰ পৃষ্ঠাত আওবার্ণ বিশ্ববিদ্যালয়	ড° ৰাজদীপ দত্ত	১০৯

কবিতা

❖	বীৰেন্দ্র নাথে যায় আগুৱাই	ধনজিৎ দত্ত	১১৬
❖	সুবাসিত ব'হাগ	অশ্লেষা শ্রাৱণী	১১৬
❖	সমন্বিত মীন পালন	ৰজিতা দেৱী	১১৭
❖	নৈ খনৰ বুকুতেই মোৰ ঘৰ	বিপুল ফুকন	১১৮
❖	দোমোজাত	সৌমাৰজ্যোতি মেধি	১১৮
❖	হাঁহি	মধুস্মিতা কলিতা	১১৯

জ্ঞানপীঠ বঁটাৰে সন্মানিত হৈ অসমীয়া কাব্যজগতলৈ গৌৰৱ কঢ়িয়াই অনা নীলমণি ফুকনদেৱলৈ অভিনন্দন জনাই তেওঁৰ দুটি কবিতাৰে বিশেষ পৃষ্ঠা

স্বপ্নবাসৱদত্তা



স্বপ্নত কোৱা কথা সঁচা, বাসৱদত্তা!
জন্মৰ আজি আকাশ ৰঙা, মেঘালীৰ ফাঁকে ফাঁকে পূ�ৱৰীৰ সুৰ
ৰাতিৰ অৰণ্যজুৰি বোবা বেদনাৰ সেয়া নিবিড় নিমগ্নতা
অকণ আশ্রয় দিয়া মোক, বাসৱদত্তা!
অকণ তোমাৰ আশ্রয়।

ভাৰতৰ প্রশান্তৰ আৰবৰ বংগৰ সাগৰৰ পাৰে পাৰে
বিচাৰি বিচাৰি ভাগৰি পৰিলো তোমাক ক'ত ঘৰ, ক'ত সেই
তোমাৰ চুলিৰ ৰাতিৰ আকাশ, ফুল আৰু মৌ অশোকবনৰ।

তোমাক কিয় ভাল পালোঁ, সপোনতে কিয় ভাল পালোঁ মই
ভাল পায়ো কিয় মোৰ বুলি বুকুত সাবটি নল'লোঁ
তাৰ বাবে তুমি মোক নকৰিবা ক্ষমা, স্বপ্নবাসৱদত্তা!
ম্লান হৈ গ'ল য'ত জ্যোতিৰ যমুনা।

মোৰ চকুলোৰ সাগৰত তোমাৰ মৰমৰ পদুম পাহিৰ নাও
পখিলাৰ পাখিৰ পালৰ, উটি উটি দিশ হেৰুৱাই
উপকূল য'ত নাই...

কবৰৰ পৰা উঠি অহা কোনো এক নাৰীৰ দৰে
আছে মাথোঁ জোনৰ অকণ সেমেকা পোহৰ, তৃষ্ণা আৰু তৃষ্ণা
সীমাহীন কোনো এক অন্ধকাৰ উত্তাল সমুদ্রৰ।

নাহৰ গুটিৰ তেল, দহিৰ শলিতা তোমাৰ ৰিহাৰ
শিখাটিৰ কঁপনিত নচা তুমি নপৰে মনত মোৰ, তথাপিও
বিহুল ৰাতিৰ সেই স্বপ্ন আৰু স্মৃতিৰ ধোঁৱাৰ সুৰভিৰে
কৰিলো স্বাক্ষৰ, প্রেম আৰু জন্মৰ মুক্তিৰ কামনাৰে এই পুৱতিৰ
স্বাক্ষৰ তোমাৰেই অনুৰক্ত মোৰ আদিম প্রেমৰ।

সময়ৰ অন্ধ বিবর্ণ নদীৰ পাৰে পাৰে চঞ্চল বন্তি জ্বলে
মানুহৰ জ্ঞানৰ, ক্লান্তি আৰু প্রণয়ৰ
ধ্রুৱৰ চিতাৰ ছাই বতাহত উটি উটি দময়ন্তীৰ আঁচল কঁপায়
তুমি মোক কোনোদিনে চিনি পোৱা নাই, ময়ো পোৱা নাই।
তথাপিও খন্তেক ৰোৱা, স্বপ্নবাসৱদত্তা!
আজি সপোনতে মোৰ

এই এটা মাত্র শব্দ

এই এটা মাত্র শব্দ— সেউজী
সাগৰৰ বুকুত জন্মা নগ্ন কোনো নাৰীৰ ওঁঠৰ পৰা
এদিন এজন কবিয়েই ছিঙি আনিছিল
এই শব্দটো



তেজ ৰঙা কৰা এই শব্দটোৰ মাজেৰে
সূর্যলৈ এটা বাট আছে
বতাহৰ মাজলৈ হৃদয়ক প্রসাৰিত কৰা
শব্দটো সেউজী

এই এটা মাত্র শব্দ—সেউজী
কেৱল এই এটা শব্দৰেই আছে
গান গাব পৰা এটা গভীৰ কণ্ঠ
বৈ থকা এখন সৰু নদীৰ দৰে

শৰীৰী এটি উজ্জ্বল স্বৰ❖❖

বতাহত কবিতাৰ নীলমণি গোন্ধ

মোৰ স্বদেশৰ বতাহত এতিয়া কবিতাৰ নীলমণি গোন্ধ

কবিয়ে জ্ঞানপীঠ পোৱাৰে পৰা, মোৰ দেশৰ পদুলিত কবিতাৰ ফুল
জুপুৰিত কবিতাৰ বর্ণমালা

এতিয়া মোৰ দেশৰ মানুহৰ উশাহত কবিতাৰ বতাহ,
বতাহত কবিতাৰ নীলমণি গোন্ধ।

বনতৃষ্ণা ফুকন
(সুহৃদৰ হৈ)

অতিথি লেখা

ঊনবিংশ শতিকাৰ অসম ঃ আত্মপৰিচয় আৰু আত্মসন্মানৰ সন্ধান

ময়ূৰ বৰা
বিশিষ্ট চিন্তাবিদ, লেখক আৰু সমালোচক

ঊনবিংশ শতিকা বুলি ক'লে প্রতিজন অসমপ্রেমীৰ মনত বিভিন্ন ভাবে হেন্দোলনি তোলে। কিছু লোক বিভ্রান্তিতো পৰে। অসমীয়া জাতিটোৱে সেই শতিকাটোত পালে বেছি নে হেৰুৱালে বেছি তাকে লৈ বিভ্রান্তিৰ সৃষ্টি হয়। আমি জানো ঊনবিংশ শতিকাতে আধুনিক অসমীয়া সত্তাটোৱে প্রাণ পাই উঠিছিল আৰু এটা পর্যায়লৈকে পূর্ণতাও পাইছিল। অৱশ্যে জাতিটোৰ নিজৰ আধুনিক সত্তাটো গঠন হোৱাৰ যিটো গতিপথ আছিল, তাত দেখা দিছিল কেতবোৰে বৃহৎ প্রত্যাহ্বানে। শতিকাটোৰ মাজৰ এটা-দুটা দশকত এনে লাগিছিল যে অসমীয়া সত্তাটোৱেই যেন নির্জীৱ আৰু নিষ্প্রাণ হৈ পৰিব। কিন্তু শতিকাটোৰ শেষত এই কথা প্রমাণ হ'ল যে অসমীয়া জাতিটোৱে তেনে বহু গতিৰোধকক ফলপ্রসূভাৱে মোকাবিলা কৰি ঠন ধৰি উঠিব পাৰিলে। আত্মপৰিচয় আৰু আত্মসন্মানৰ এক স্পষ্ট ৰূপৰেখা জাতিটোৱে অংকন কৰিবলৈ সক্ষম হ'ল। সেইবাবেই মোৰ দৃষ্টিত ঊনবিংশ শতিকা হ'ল জাতিটোৰ বাবে এটা প্রেৰণাসঞ্চাৰী শতিকা। বহু হেৰুওৱাৰ পিছতো জাতিটোৱে যে আন বহু কথা আহৰণ কৰিবলৈ সাহস আৰু দৃঢ়তা দেখুৱালে, সেয়াই হ'ব পাৰে সাম্প্রতিক অসমীয়া সমাজলৈ শতিকাটোৱে দিব পৰা সর্বোত্তম অনুপ্রেৰণা।

প্রখ্যাত ব্রিটিছ ইতিহাসবিদ এৰিক হবছব'মে ঊনবিংশ শতিকাৰ গুৰুত্বলৈ লক্ষ্য ৰাখি শতিকাটোক এশ বছৰতে সীমাবদ্ধ কৰা নাই। তেওঁৰ মতে ঊনবিংশ শতিকা ১৮০১ চনত আৰম্ভ হোৱা নাই আৰু ১৯০০চনত অন্তও পৰা নাই। ঊনবিংশ শতিকাৰ প্রভাৱ আৰু ব্যাপ্তি মানুহে নির্মাণ কৰা এশ বছৰীয়া বৃত্তটোৰ ভিতৰত শেষ কৰিব নোৱাৰি। তেওঁ কৈছে, শতিকাটো আৰম্ভ হৈছে ১৭৮৯ চনৰ ফৰাচী বিপ্লৱৰ লগে লগে আৰু শেষ হৈছে প্রথম বিশ্বযুদ্ধ আৰম্ভ হোৱা বর্ষটোত— অর্থাৎ ১৯১৪ চনত। হবছব'মৰ ঊনবিংশ শতিকা ১২৫ বছৰীয়া। মই বিশ্বাস কৰোঁ, অসমৰ ক্ষেত্রত ঊনবিংশ শতিকা তাতোকৈও দীঘল। মোৰ ক'বলৈ মন যায়, অসমত ঊনবিংশ শতিকাৰ আৰম্ভণি ঘটিছে ১৭৬৯ত আৰু শেষ হৈছে ১৯২১ত। অর্থাৎ আমাৰ ঊনবিংশ শতিকাটো ১৫২ বছৰীয়া। ১৭৬৯ আৰু ১৯২১ দুয়োটা বর্ষকেই মই অসম বুৰঞ্জীৰ দুটা উল্লেখযোগ্য বছৰ বুলি ভাবোঁ।

১৭৬৯ চনত প্রথম মোৱামৰীয়া বিদ্রোহৰ উক্মুকনি। শাক্ত-বৈষ্ণৱৰ বিভেদৰ উদাহৰণ দাঙি ধৰি এসময়ত কিছু ইতিহাসবিদে কৈছিল যে মূলতঃ ধর্মীয় কাৰণতে আহোম ৰজা লক্ষ্মী সিংহৰ দিনত এই বিদ্রোহৰ সূচনা হয়। শাক্ত ধর্ম ৰজাঘৰীয়া ধর্ম হৈ উঠাৰ পিছত আহোম ৰাজ্যৰ বিভিন্ন অঞ্চলত তেনে এক সংঘাতৰ সম্ভাৱনীয়তা কোনেও নুই নকৰে। যিহেতু ৰাজ্যখনৰ প্রজাৰ মাজৰ বৃহৎ এটা অংশ সত্রকেন্দ্রিক বৈষ্ণৱ পৰম্পৰাৰ লগত গভীৰভাৱে সংযুক্ত আছিল, সেয়ে তেনে কেতবোৰ ঘটনাৰ বিৱৰণ অসম বুৰঞ্জীৰ মাজত পোৱা যায়। কিন্তু মোৰ দৃষ্টিত ধর্মীয় পার্থক্যৰ কথাবোৰে সৃষ্টি কৰা ক্ষোভ আৰু তিক্ততা তৎকালীন কাৰণহে আছিল। মোৱামৰীয়া বিদ্রোহৰ মূল কাৰণ আছিল অর্থনৈতিক। পাইক প্রথা দুর্বল হৈ পৰাৰ সময়তে সামন্তীয় বা অর্ধসামন্তীয় শ্রমভিত্তিক শোষণৰ পথতো নানা অন্তৰায়ৰ সৃষ্টি হ'বলৈ ধৰিলে। এনেবোৰ উপাদানে আহোম ৰাজত্বৰ শেষৰফালে সমগ্র ব্যৱস্থাটোকে সোলোক-ঢোলোক কৰি পেলালে। তেনে পটভূমিতে দুর্বল ৰজাৰ শাসন আৰু বৃহৎসংখ্যক সাধাৰণ প্রজাৰ ক্রমবর্ধমান ক্ষোভে বিদ্রোহৰ বাটটো মসৃণ কৰি তুলিলে। মোৱামৰীয়া

বিদ্রোহৰ পিছতে মানৰ উপৰ্যুপৰি আক্ৰমণ আৰু নিৰ্বিচাৰ হত্যালীলাই অসমীয়া জাতিটোক সৰ্বদিশৰ পৰা কোঙা কৰি পেলালে। ৰাজেশ্বৰ সিংহ স্বৰ্গদেউৰ দিনৰ ২৪ লাখ জনসংখ্যা মানৰ আক্ৰমণৰ পিছত আঠ লাখলৈ অৱনমিত হ'ল। অৰ্থাৎ প্ৰায় দুই-তৃতীয়াংশ খিলঞ্জীয়া লোকৰ নিধন হ'ল।

তেনে এক হতাশাজনক প্ৰেক্ষাপটতে আধুনিক অসমীয়া সত্তাটোৰ বিকাশ আৰম্ভ হয়। পটভূমিত নৃশংস ধ্বংসযজ্ঞ, সন্মুখত হেজাৰটা প্ৰত্যাহ্বান; তথাপি অসমীয়া সত্তাটোৰ বিকাশ স্তব্ধ নহ'ল। এয়াই হ'ল অসমীয়াৰ আত্মপৰিচয় আৰু আত্মসন্মানৰ সন্ধানপৰ্ব।

এই সন্ধানপৰ্বই ১৯২১ চনৰ আগষ্টত মহাত্মা গান্ধী প্ৰথমবাৰৰ বাবে অসমলৈ আহোঁতে এক পূৰ্ণতা লাভ কৰিছিল। গান্ধীৰ আহ্বানত অসহযোগ আন্দোলনত যোগদান কৰাৰ সময়তে তথাকথিত মূলসুঁতিৰ ভাৰতীয় মানসিকতা আৰু 'প্ৰান্তীয় অসমীয়া মানসিকতা' একাকাৰ হৈ পৰিছিল। সাম্প্ৰতিক সময়তো মূলসুঁতি আৰু প্ৰান্তীয় জাতি-জনগোষ্ঠীৰ মানসিকতাৰ মাজৰ অদৃশ্য প্ৰাচীৰখনৰ উপস্থিতি অনুভৱ কৰা হয়। কিন্তু মহাত্মা গান্ধীৰ প্ৰথম অসম ভ্ৰমণৰ পৰা দেশে স্বাধীনতা লাভ নকৰালৈকে সেই সময়ছোৱা আছিল ব্যতিক্ৰমী। সেইবাবেই মই ১৯২১ৰ বৰ্ষটো ঊনবিংশ শতিকাৰ শেষৰটো বছৰ বুলি ভাবোঁ।

দ্বন্দ্ব আৰু স্ব-বিৰোধিতা মানৱ জীৱনৰ চিৰসংগী বুলি ক'লেও অতিৰঞ্জিত কৰা নহয়। কিয়নো তেজ-মঙহৰ মানুহৰ ব্যক্তিত্বৰ মাজত কিছু দ্বন্দ্ব আৰু স্ব-বিৰোধিতা থাকিবই। এই পৰ্যায়লৈকে ই গ্ৰহণযোগ্য। সীমাহীন দ্বন্দ্ব আৰু স্ব-বিৰোধিতাই সৃষ্টি কৰা সমস্যা আৰু বিভ্ৰান্তিৰ কথা অৱশ্যে সুকীয়া। পৰিমিত দ্বন্দ্বই মানৱ জীৱনৰ খলা-বমাবোৰ বুজাত সহায় কৰে। তেনে বিভিন্ন দ্বন্দ্ব আৰু মহৎ লোকৰ স্ববিৰোধিতা ঊনবিংশ শতিকাৰ মাজত বেছিকৈ দৃশ্যমান হয় যেন মোৰ অনুভৱ হয়।

১৮২৯ চনত বাংলা ভাষাত ৰচিত হলিৰাম ঢেকিয়াল ফুকনৰ 'আসাম বুৰঞ্জী' প্ৰকাশ পায়। গ্ৰন্থখন প্ৰকাশৰ লগত দুটা গুৰুত্বপূৰ্ণ কথা জড়িত আছে। আসাম বুৰঞ্জী আছিল আধুনিক বাংলা ভাষাত লিখা প্ৰথমখন ইতিহাসমূলক গ্ৰন্থ। এজন অসমীয়াই আধুনিক বাংলা ভাষাত প্ৰথমখন ইতিহাসৰ গ্ৰন্থ লিখাটো প্ৰতিজন অসমীয়াৰ বাবে গৌৰৱৰ বিষয়। লগতে মন কৰিবলগীয়া বিষয়টো হ'ল হলিৰাম ঢেকিয়াল ফুকনে অসমত ব্ৰিটিছে বাংলা ভাষা জাপি দিয়াৰ আগতেই বাংলা ভাষাত লিখিছিল। অৰ্থাৎ নতুনকৈ ঠন ধৰি উঠা শিক্ষিত আৰু সম্ভ্ৰান্ত অসমীয়া শ্ৰেণীটোৰ একাংশই বাংলা ভাষাক অধিক মৰ্যাদা দিছিল। অসমীয়া ভাষাটোক তেওঁলোকে কথিত ভাষাৰ বাবেহে যোগ্য বুলি ভবিছিল। হলিৰামৰ আপোন ভায়েক যজ্ঞৰাম খাৰঘৰীয়া ফুকনে কলিকতাৰ পৰা প্ৰকাশিত 'সমাচাৰ দৰ্পণ' কাকতত লিখিছিল যে অসমৰ ভাষা অসমীয়া বা বাংলা নহৈ হিন্দুস্তানী হ'ব লাগে। হলিৰামৰ পুত্ৰ আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম হৈছিল ১৮২৯ চনত। অৰ্থাৎ বাংলা ভাষাত ৰচিত আসাম বুৰঞ্জী প্ৰকাশ হোৱাৰ বছৰটোতে আনন্দৰামৰ জন্ম। আধুনিক অসমৰ প্ৰথমজন চিন্তাবিদ তথা বুদ্ধিজীৱী আনন্দৰাম ঢেকিয়াল ফুকনে অসমত অসমীয়া ভাষাৰ পুনৰ্নিবাসনৰ বাবে কৰা সংগ্ৰামৰ কথা প্ৰায় সকলোৱে জ্ঞাত। আনন্দৰামৰ সাত বছৰ বয়সতে অৰ্থাৎ ১৮৩৬ত সাম্ৰাজ্যবাদী ব্ৰিটিছে নিজৰ শাসন ব্যৱস্থাটো সুকলমে চলাই নিবলৈ অসমত বাংলা ভাষা প্ৰবৰ্তন কৰে। কোম্পানীৰ আমোলত বংগৰ পৰা আহি কেৰাণীৰ কাম কৰা বাঙালী লোকসকলৰ ভূমিকাও আছিল যথেষ্ট নেতিবাচক। সেই সকলো প্ৰত্যাহ্বান সাহসেৰে মোকাবিলা কৰিবলৈ আগবাঢ়ি আহিছিল আনন্দৰাম ঢেকিয়াল ফুকন। নিজৰ নাতিদীৰ্ঘ জীৱনটোত অসমত অসমীয়া ভাষাৰ পুনৰ্বাসন নেদেখিলে যদিও আনন্দৰামকে অসমীয়া আত্মপৰিচয় আৰু আত্মসন্মান সন্ধান শব্দটোৰ মূল নায়ক বুলি ক'ব লাগিব।



অসমীয়াৰ আত্মপৰিচয় আৰু আত্মসন্মানৰ বাবে কৰিবলগীয়া হোৱা যুঁজখনত ড° নাথান ব্ৰাউন, মাইল্‌ছ ব্ৰন্সন, অলিভাৰ কট্টৰৰ দৰে আমেৰিকান বেপ্টিষ্ট মিছনেৰী আৰু গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ দৰে বৰেণ্য অসমীয়াৰ ভূমিকাও আছিল যথেষ্ট গুৰুত্বপূৰ্ণ। ভাষাটোক চৌদিশৰ পৰা সমৃদ্ধিশালী কৰিবলৈ ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই 'হেমকোষ'কে মুখ্য কৰি কেইবাখনো অভিধান লিখি উলিয়ালে। হেমচন্দ্ৰৰ যুক্তি মানি লৈ বহল মনৰ মিছনেৰীসকলে ১৮৪৬ৰ পৰা প্ৰকাশ কৰা প্ৰথম অসমীয়া সংবাদ পত্ৰখনৰ নাম ১৮৪৯ত 'অৰুনোদই'ৰ পৰা 'অৰুণোদয়' কৰে। 'অৰুণোদয়'এ আধুনিক কালত ধৰ্ম আৰু আধ্যাত্মিক জগতৰ বাহিৰৰ জগতখনৰ লগতো অসমীয়া মানুহক চিনাকি কৰাই দিছিল। ব্ৰিটিছ চৰকাৰৰ উচ্চপদস্থ বিষয়া হৈও গুণাভিৰাম বৰুৱাই অসমীয়া ভাষা অসমত পুনৰ প্ৰৱৰ্তনৰ বাবে একাণপতীয়াকৈ লাগিছিল। লগতে অসমীয়া সাহিত্যৰ ভিন ভিন শাখা-প্ৰশাখাবোৰো তেওঁৰ সৃষ্টিকৰ্মৰ দ্বাৰা সমৃদ্ধ হৈছিল।



মণিৰাম দেৱানৰ চিন্তা-চৰ্চা আকৌ ভিন্ন ধৰণৰ আছিল। ভাষাৰ বিশুদ্ধতাক লৈ তেওঁ খুব উদ্বিগ্ন আছিল যেন নালাগে। তেওঁ লিখা 'বুৰঞ্জী বিবেক ৰত্ন'ৰ দ্বিতীয় খণ্ডটোৰ ভাষা অসমীয়া, বাংলা, সংস্কৃত আৰু পাৰ্চীমিশ্ৰিত। প্ৰথমে ব্ৰিটিছৰ সহযোগী হ'লেও পিছত মণিৰামে ব্ৰিটিছৰ দমনমূলক শাসন ব্যৱস্থাক আঁতৰাই পূৰ্বৰ আহোম নৃপতিকেন্দ্ৰিক ব্যৱস্থাক পুনঃসংস্থাপন কৰিব বিচাৰিছিল। মণিৰামৰ বাবে ৰাজনৈতিক স্বতন্ত্ৰতা আছিল মুখ্য আৰু আনহাতে আনন্দৰাম-গুণাভিৰাম-হেমচন্দ্ৰই ব্ৰিটিছৰ শাসনৰ মাজেদিয়েই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিয়ে উন্নতিৰ জখলা বগাবলৈ সক্ষম হ'ব বুলি ভাবিছিল।

ব্যৱসায়-বাণিজ্যৰ গুৰুত্ব সঠিকভাৱে উপলব্ধি কৰিব নোৱাৰা বুলি অসমীয়া জাতিটো বহু লোকৰে হাতত সমালোচিত। কথাটোৰ সত্যতা আছে। বৈধ উপায়েৰে সম্পদ সৃষ্টি কৰা মানুহক আমি যথোচিত সন্মান দিবলৈ কুণ্ঠাবোধ কৰোঁ। আমি তেওঁলোকলৈ আগবঢ়াই দিওঁ কেৱল চান্দাৰ বহীকেইখন। প্ৰখ্যাত উদ্যোগপতি হেমেন্দ্ৰ প্ৰসাদ বৰুৱাৰ মৃত্যুৰ সময়ত মই যোৰহাটতে কাম কৰিছিলোঁ। তেওঁৰ মৃত্যুৰ পিছত যি ধৰণে যোৰহাটবাসীয়ে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিলে, সিয়ে প্ৰমাণ কৰে মোৰ ওপৰৰ বাক্যশাৰীৰ সত্যতা। এই দোষটো কেৱল যোৰহাটবাসী অসমীয়াৰ নহয়, বৰং গোটেই জাতিটোৰ।

আনন্দৰাম ঢেকিয়াল ফুকনে কিন্তু তেতিয়াৰ দিনতে কলিকতাত 'নিউ প্ৰেছ যন্ত্ৰ' নামৰ এটা প্ৰেছ খুলিছিল আৰু গুণাভিৰাম বৰুৱাক ইয়াৰ মূল তত্ত্বাৱধায়ক পাতিছিল। সেইটো প্ৰেছৰ পৰাই ১৮৫৫ চনত প্ৰকাশ পাইছিল আনন্দৰামে বাংলা ভাষাত লিখা আইন সম্বন্ধীয় গ্ৰন্থ—'আইন ও ব্যৱস্থা সংগ্ৰহ।' আমাৰ বাবে গৌৰৱৰ কথা যে সেইখন আছিল আধুনিক বাংলা ভাষাত ৰচিত প্ৰথমখন আইন সম্পৰ্কীয় গ্ৰন্থ। মন কৰিবলগীয়া আনটো গুৰুত্বপূৰ্ণ কথা হ'ল, আনন্দৰামে ব্যৱসায়-বাণিজ্যৰ গুৰুত্ব সঠিকভাৱে উপলব্ধি কৰি নিজে কলিকতাত প্ৰেছ খুলিছিল।

ঊনবিংশ শতিকাৰ আশীৰ দশকৰ আৰম্ভণিতে দেশহিতৈষী মাণিক চন্দ্ৰ বৰুৱাই আনন্দৰাম ঢেকিয়াল ফুকনৰ দ্বিতীয় পুত্ৰ অন্নদাৰাম ঢেকিয়াল ফুকনৰ লগত মিলি গুৱাহাটীত 'বৰুৱা ফুকন 'ব্ৰাদাৰ্চ' নামৰ এটা কোম্পানী খুলি চাহপাত আৰু আন ব্যৱসায়ত নামে। সেইটো কোম্পানীৰ বাহাদুৰ নামৰ এখন জাহাজো আছিল। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা 'আসাম নিউচ' নামৰ দ্বিভাষিক কাকতখনৰ মালিকীস্বত্বও আছিল কোম্পানীৰ হাততে। মাণিক চন্দ্ৰৰ সম্বন্ধীয় ভায়েক ভোলানাথ বৰুৱাই সেইটো কোম্পানীতে মেনেজাৰ ৰূপে কৰ্মজীৱন আৰম্ভ কৰে। পিছৰ কালত ব্যৱসায়ী ৰূপে ভোলানাথে ঈৰ্ষণীয় সফলতা লাভ কৰিলেও অসমীয়াৰ প্ৰথম ডাঙৰ ব্যৱসায়ী মাণিকচন্দ্ৰহে। মই ক'ব খোজা কথাটো

হৈছে ঊনবিংশ শতিকাৰ মাজতেই অসমীয়াই ব্যৱসায়-বাণিজ্যৰ জৰিয়তেও নিজৰ প্ৰভাৱ কিছু বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

এ এছ এল ক্লাব, অসমীয়া ভাষা উন্নতি সাধিনী সভা আৰু 'জোনাকী' যুগৰ কালত অসমীয়া সাহিত্যৰ প্ৰখ্যাত ত্ৰিমূৰ্তি লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীয়ে লোৱা অগ্ৰণী ভূমিকাৰ কথা অসমত যথেষ্ট পৰিমাণে চৰ্চিত। তাৰ বিতং ব্যাখ্যালৈ মই যাব বিচৰা নাই। কিন্তু কমকৈ আলোচিত যোৰহাট সাৰ্বজনিক সভা, অসম এছ'চিয়েচন আদি সংগঠনৰ ভূমিকাৰ কথা স'ততে আওকাণ কৰা দেখা যায়। সেইবোৰ সংগঠনৰ ভূমিকাই অসমীয়াৰ আত্মসন্মান বৃদ্ধিৰ বিষয়টো কেনেদৰে আগবঢ়াই নিছিল, তাৰো নিৰাৱেগ বিশ্লেষণ হোৱা উচিত।

অসহযোগ আন্দোলনৰ আগৰ বিশটা বছৰতো অসমৰ বুকুৱেদি বহু ধুমুহা বৈছিল। ১৯০৫ৰ পৰা ১৯১১লৈ অসমৰ ৰাজধানী শ্বিলঙৰ পৰা ঢাকালৈ স্থানান্তৰণ হোৱাৰ উপৰি প্ৰদেশখনৰ নামটোও সলনি হৈছিল। অসমৰ নামটো যেনেতেনেহে শেষত ওলমি ৰৈছিল। ১৯০৫ চনত অসমৰ নামটো নতুনকৈ গঠিত প্ৰদেশৰ নামৰ পৰা সম্পূৰ্ণ বিলগ্ন কৰিবলৈ নিদিয়া ব্ৰিটিছ চাহ লবীটোৱে কিদৰে ১৪ বছৰৰ পিছত অসমক মণ্টেগু-ছেমছফ'ৰ্ড শাসন-সংস্কাৰৰ পৰা বাহিৰত ৰাখিব বিচাৰিছিল, সেইবোৰো অসমত বৰকৈ আলোচনা নহয়। বিলাতলৈ গৈ ব্ৰিটিছ শাসকক অসমক সংস্কাৰৰ অন্তৰ্ভুক্তিৰ বাবে প্ৰত্যয় নিয়াবলৈ সক্ষম হোৱা কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ শক্তিশালী ভূমিকা আমাৰ আত্মপৰিচয় আৰু আত্মসন্মান সন্ধান পৰ্বটোৰ অন্যতম আধাৰ হোৱা উচিত। নবীন চন্দ্ৰ বৰদলৈক ইংলেণ্ডলৈ পঠোৱাৰ বাবে চন্দ্ৰনাথ শৰ্মাই কৰা কঠোৰ পৰিশ্ৰমো হ'ব পাৰে বৰ্তমান শ্ৰমবিমুখ জাতি হিচাপে পৰিগণিত হোৱা অসমীয়াৰ বাবে এটা শিকনি।



পৰিশেষত ক'বলৈ হ'লে সৰ্বদিশৰ পৰা ঊনবিংশ শতিকা আছিল অসমীয়াৰ বাবে প্ৰত্যাহ্বানেৰে ভৰা। আগতে কল্পনা কৰিব নোৱাৰা বহু সমস্যা আহিছিল সাম্ৰাজ্যবাদী ব্ৰিটিছ শাসনৰ দমনমূলক নীতিৰ বাবে। নিজৰ স্বকীয়তা সন্দৰ্ভত নিৰ্লিপ্ত একাংশ লোকেও সমস্যাৰ তীব্ৰতা বৃদ্ধি কৰিছিল। আন একাংশ শিক্ষিত অসমীয়াই আকৌ বাংলা ভাষা-সাহিত্যৰ অন্ধ অনুকৰণৰ মাজতেই নিজৰ জীৱনৰ সাৰ্থকতা বিচাৰি পাইছিল। ইয়াৰ বিপৰীতে আছিল প্ৰকৃত জ্ঞান অন্বেষণৰ বাবে উদ্বাউল হৈ থকা এদল তৰুণ-তৰুণী। মূলতঃ কলিকতাত পঢ়া-শুনা কৰিছিল যদিও এইচাম ছাত্ৰৰ মাজত আছিল সুতীব্ৰ জাতিপ্ৰেম। আন জাতিক পেংলাই নকৰাকৈ তেওঁলোকে বিচাৰিছিল কেৱল অসমীয়াৰ উত্তৰণ। সেই উত্তৰণৰ বাবে নিঃস্বাৰ্থভাৱে তেওঁলোকে প্ৰাণপাত পৰিশ্ৰম কৰিবলৈকো আছিল সদা প্ৰস্তুত। ঊনবিংশ শতিকাৰ আত্মপৰিচয় আৰু আত্মসন্মান সন্ধান পৰ্বটোৰ এওঁলোক আছিল মূল নায়ক-নায়িকা। এওঁলোক প্ৰতিজন সচেতন অসমীয়াৰ বাবে প্ৰাতঃস্মৰণীয় হোৱা উচিত।❖❖

মীন মহাবিদ্যালয়, ৰহাৰ ওপৰত এক আলোকপাত

ড° সাৰদাকান্ত ভাগৰতী
সহযোগী অধ্যাপক
মীন মহাবিদ্যালয়, ৰহা

মানৰ সভ্যতাৰ প্ৰাচীনতম বৃত্তি চিকাৰৰ পিছতে হ'ল মাছ ধৰা (Fishing)। এই বৃত্তিটোৰ সাম্প্ৰতিক সময়ত প্ৰযুক্তিবিদ্যাৰ অভিনৱ বিকাশ ঘটিছে। মীন পালন পদ্ধতিৰ উন্নয়ন, আধুনিক পালন প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগেৰে অধিক উৎপাদনৰ লগতে মীন পালন খণ্ডক উদ্যোগ হিচাপে গঢ় দিবলৈ তেতিয়াৰ ব্ৰিটিছ চৰকাৰে পশ্চিমবংগৰ বেৰেকপুৰত ১৯৪৭ত প্ৰথমটো মীন গৱেষণা কেন্দ্ৰ 'কেন্দ্ৰীয় অন্তৰ্দেশীয় মীন গৱেষণা প্ৰতিষ্ঠান' (Central Inland Fisheries Research Institute) প্ৰতিষ্ঠা কৰে।

পঞ্চাশৰ পৰা ষাঠিক দশকৰ সময়ছোৱা আমাৰ দেশৰ মীন প্ৰযুক্তিবিদ্যা বিকাশৰ সোণালী অধ্যায় হিচাপে গণ্য কৰিব পাৰি। ১৯৫৭ চনৰ ১০ জুলাইত মাছৰ আৰিষ্ট প্ৰজনন আৰু পালন কৌশলৰ প্ৰযুক্তিৰ উদ্ভাৱন হয়। ১৯৬৯ চনত দেশৰ প্ৰথমখন মীন মহাবিদ্যালয় কৰ্ণাটক কৃষি বিশ্ববিদ্যালয়ৰ অধীনত মাংগালো�ৰত প্ৰতিষ্ঠা কৰি মীন শিক্ষা, গৱেষণা আৰু সম্প্ৰসাৰণৰ বাট মুকলি কৰা হয়। বৰ্তমান আমাৰ দেশত ভাৰতীয় কৃষি গৱেষণা পৰিষদ (Indian council of Agricultural Research) আৰু ৰাজ্যিক কৃষি বিশ্ববিদ্যালয় (State Agricultural University)সমূহৰ অধীনত ৩১খন মীন শিক্ষাৰ প্ৰতিষ্ঠান আছে।

অসম এখন নদীমাতৃক ৰাজ্য। দেশৰ আন ৰাজ্যসমূহৰ তুলনাত অসম মীন সম্পদত চহকী ৰাজ্য। ইয়াৰ অন্তৰ্দেশীয় মীন সম্পদসমূহৰ এক নিজস্ব বৈশিষ্ট্য আছে, যিয়ে নেকি ৰাজ্যখনলৈ মীন উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত প্ৰচুৰ সম্ভাৱনা কঢ়িয়াই আনিছে। তদুপৰি মাছে আমাৰ লোক পৰম্পৰা আৰু আৰ্থ-সামাজিক দিশত এক উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। দেশৰ জনসাধাৰণৰ প্ৰায় ৫৬ শতাংশ লোকে মাছ খায় যদিও অসমৰ প্ৰায় ৯৫ শতাংশ লোকৰেই মাছ প্ৰিয় খাদ্য। সেয়ে মাছৰ ক্ৰমবৰ্ধমান চাহিদা, আনহাতে নিম্নগামী উৎপাদকতাৰ হেতু মীন খণ্ডত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। ৰাজ্যখনৰ বিপুল জনসম্পদৰ উন্নয়ন, উচ্চ উৎপাদনক্ষম মীন প্ৰযুক্তিৰ প্ৰয়োগ, মীন প্ৰযুক্তিবিদ্যা (শিক্ষা), গৱেষণা আৰু সম্প্ৰসাৰণৰ বাবে উপযুক্ত মানৰ সম্পদ গঢ়াৰ উদ্দেশ্যে ১৯৮৮ৰ ৭ মাৰ্চত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ যাৱতীয় অনুমোদনত অসম চৰকাৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম আৰু ভাৰতৰ সপ্তমখন মীন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান 'মীন মহাবিদ্যালয়' মধ্য অসমৰ ৰহাত ঐতিহাসিক জোঙাল বলহু গড়ৰ ওচৰত স্থাপন কৰে।

প্ৰতিষ্ঠানটোৰ কৰ্তব্য ঃ কৃষি বিশ্ববিদ্যালয়ৰ বাধ্যতামূলক কৰ্তব্য (মেনডেট) অনুসাৰে এখন সংযুক্ত (constituent) মহাবিদ্যালয় হিচাপে মীন মহাবিদ্যালয়খনৰো শিক্ষা (Teaching), গৱেষণা (Research) আৰু সম্প্ৰসাৰণ শিক্ষাৰ (Extension Education) দায়িত্ব আছে। উপৰিউক্ত তিনিওটা ক্ষেত্ৰতে মীন মহাবিদ্যালয়খনে অহৰহ চেষ্টা অব্যাহত ৰাখিছে যাতে দেশ তথা ৰাজ্যখনত মীন সম্পদসমূহৰ সৰ্বাংগীণ বিকাশ হয়।

শিক্ষা ঃ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ ডীনসমূহৰ কমিটিৰ ছুপাৰিশ মৰ্মে সৰ্বভাৰতীয় ভিত্তিত চাৰি বছৰীয়া (৮টা ছিমেষ্টাৰযুক্ত) মীন স্নাতকৰ (Bechelor of Fisheries Science) চমুকৈ বি.এফ.এছ চি. (B.F.Sc.) পাঠ্যক্ৰমৰ ব্যৱস্থা

আছে। সম্প্রতি ৩৫খন আসন থকা এই পাঠ্যক্রমত অসম কৃষি বিশ্ববিদ্যালয়ৰ বিধি অনুসৰি আসন সংৰক্ষণৰ ব্যৱস্থা আছে। এই পাঠ্যক্রমত নামভর্তিৰ বাবে প্রার্থীসকলে এটা বাছনি পৰীক্ষাৰ সন্মুখীন হ'ব লগা হয় আৰু এই বাছনি পৰীক্ষাত বহিবৰ বাবে প্রার্থীসকল পদার্থবিদ্যা, ৰসায়ন বিদ্যা আৰু জীৱ বিদ্যাত ৫০ শতাংশ নম্বৰসহ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত উত্তীর্ণ হ'ব লাগে। অনুসূচিত জাতি আৰু জনজাতিৰ বাবে ৫ শতাংশ নম্বৰ ৰেহাইৰ ব্যৱস্থা আছে। ইয়াৰ উপৰি মীন মহাবিদ্যালয়খনত স্নাতকোত্তৰ পর্যায়ত (Master of Fisheries Science) চমুকৈ এম.এফ.এছচি. চাৰিটা বিভাগত জলসংবর্ধন (Aquaculture), মীন জলসম্পদ পৰিচালনা (Fisheries Research Management), জলীয় পৰিৱেশ পৰিচালনা (Aquatic Environment Management) আৰু মীন সংসাধন প্রযুক্তিবিদ্যা (Fish Processing Technology) পাঠ্যক্রমৰ ব্যৱস্থা আছে। ইয়াৰে জলবর্ধনত ৫খন, মীন জলসম্পদ পৰিচালনাত ৪খন, জলীয় পৰিৱেশ পৰিচালনাত ৪খন আৰু মীন সংসাধন প্রযুক্তিবিদ্যাত ৩খন আসনৰ ব্যৱস্থা আছে। এই মহাবিদ্যালয়খনত উপৰিউক্ত পাঠ্যক্রমসমূহৰ উপৰি ৪টা বিভাগত ডক্টৰেট ডিগ্রীৰ (Ph.D.) ব্যৱস্থা আছে। ইয়াৰে জলসংবর্ধনত ৩খন, মীন সম্পদ পৰিচালনাত ২খন, জলীয় পৰিৱেশ পৰিচালনাত ২খন আৰু মীন সংসাধন প্রযুক্তিবিদ্যাত ২খন আসনৰ ব্যৱস্থা আছে। আশা কৰা হৈছে মহাবিদ্যালয়খনৰ বাকী থকা বিভাগকেইটাতো অনতিপলমে স্নাতকোত্তৰ আৰু ডক্টৰেট ডিগ্রীৰ পাঠ্যক্রমৰ ব্যৱস্থা হ'ব।

বর্তমানে মীন মহাবিদ্যালয়খনত থকা জলবর্ধন (Aquaculture), মীন জলসম্পদ পৰিচালনা (Fisheries Resource Management), জলীয় পৰিৱেশ পৰিচালনা (Aquatic Environment Management), জলজ প্রাণীৰ স্বাস্থ্য পৰিচালনা (Aquatic Animal Health Management), মীন সম্প্রসাৰণ অর্থনীতি আৰু পৰিসংখ্যা (Fisheries Extension Economics and Statistics) আৰু মীন সংসাধন প্রযুক্তিবিদ্যা (Fish Processing Technology) মুঠ সাতটা বিভাগত মাত্র ২৭জন স্থায়ী উচ্চ প্রশিক্ষণপ্রাপ্ত শিক্ষক/বিজ্ঞানীৰ দ্বাৰা মহাবিদ্যালয়খনৰ পাঠ্যক্রমবোৰ চলি আছে। ২০২১-২২ শিক্ষাবর্ষ পর্যন্ত ৫০১জন ছাত্র-ছাত্রীয়ে বি.এফ. এছচি. পাঠ্যক্রম সমাপ্ত কৰিছে। ইয়াৰে বেছিভাগে ৰাজ্য চৰকাৰৰ মীন বিভাগৰ লগতে পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগত মীন উন্নয়ন বিষয়া (Fishery Development Officer) হিচাপে সংস্থাপন পাইছে। কিছুসংখ্যকে বেচৰকাৰী, ব্যক্তিগত বেংক আদি খণ্ডত নিয়োজিত হোৱাৰ উপৰি একাংশই স্ব-নিয়োজনৰ দ্বাৰা নিজকে প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। আন কিছুমানে উচ্চ শিক্ষা গ্রহণ কৰি ৰাজ্য তথা কেন্দ্রীয় চৰকাৰৰ বিভিন্ন বিভাগত কর্মৰত হৈ আছে। দুই-এজন বিদেশতো কর্মৰত হৈ আছে। সেয়েহে এই মহাবিদ্যালয়ৰ কর্মহীন মীন স্নাতক নাই বুলিয়েই ক'ব পাৰি। মুঠৰ ওপৰত এই মহাবিদ্যালয়খনে বিদ্যায়তনিক ক্ষেত্রত দেশৰ ভিতৰতে এক সুকীয়া স্থান অধিকাৰ কৰি আছে।

গৱেষণা ঃ এটা বিষয়ৰ সর্বাংগীণ বিকাশ নির্ভৰ কৰে বিষয়টোৰ ওপৰত চলি থকা নিৰবচ্ছিন্ন অধ্যয়ন আৰু গৱেষণাৰ ওপৰত। গৱেষণাই এটা বিষয়ৰ আয়ুসৰেখা। গুণগত উন্নত মানৰ প্রায়োগিক গৱেষণালব্ধ প্রযুক্তি জ্ঞানৰ সফল প্রয়োগ হ'ল বিকাশৰ ফল। প্রয়োজনীয় মানৰ সম্পদৰ অভাৱত মীন মহাবিদ্যালয়ে মীন প্রযুক্তি গৱেষণাত বিশেষ সফলতা লাভ কৰিব পৰা নাই যদিও অসমৰ জলবায়ৱীয় আৰু ভৌগোলিক পৰিৱেশৰ লগত ৰজিতা খুৱাই মীন পালক, কৃষক ৰাইজ, উদ্যোগী আদিৰ সহায়ক হোৱাকৈ মীন পালন প্রযুক্তিৰ উদ্ভাৱন কৰিবলৈ কিছু সক্ষম হৈছে। প্রয়োজনীয় মানৰ সম্পদৰ আৰু প্রতিষ্ঠানখনৰ আন্তঃগাঁথনিৰ আৰু কিছু উন্নত হ'লে গৱেষণাৰ ক্ষেত্রত প্রতিষ্ঠানটো আৰু এখোজ আগবাঢ়িব বুলি বিশ্বাস কৰিব পাৰি।

সম্প্রসাৰণ শিক্ষা ঃ বিশ্ববিদ্যালয়ৰ গৱেষণালব্ধ প্রযুক্তিগত জ্ঞান কৃষক ৰাইজ, উপভোক্তাসকলক হস্তান্তৰৰ বেলিকা সম্প্রসাৰণ শিক্ষাই প্রধান ভূমিকা গ্রহণ কৰে, অন্যথা কৃষক ৰাইজ পাৰস্পৰিক জ্ঞানৰ আধুনিকীকৰণৰ পৰা বঞ্চিত হয়। মীন পালন এক সহজ-সৰল নিশ্চিত ফলদায়ক জনপ্রিয় পদ্ধতি হ'লেও মীন উদ্যোগৰ ভেটি সুদৃঢ় কৰিব লাগিলে গৱেষণালব্ধ উচ্চ উৎপাদনক্ষম মীন পালন প্রযুক্তিৰ বহুল সম্প্রসাৰণৰ দৰকাৰ। তাকে কৰিবলৈ যাওঁতে অনুৰাগীসকলৰ মাজত কাৰিকৰী কৌশলৰ জ্ঞানৰ দৰকাৰ হ'ব। তাৰ বাবে লাগিব উপযুক্ত প্রশিক্ষণ। সেয়ে সম্প্রসাৰণ শিক্ষাৰ অধীনত মীন মহাবিদ্যালয়খনে সমাজৰ বিভিন্ন শ্রেণীৰ যেনে-শিক্ষিত

নিবনুৱা, যুৱক-যুৱতী, মীনপালক, ঔদ্যোগিক গোট, আত্মসহায়ক গোট, কেন্দ্রীয় আৰু ৰাজ্যিক বিভাগীয় বিষয়া-কর্মচাৰীসকলৰ সহায়ক হোৱাকৈ বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান, বেংক আৰু বেচৰকাৰী সংস্থাৰ আর্থিক সহযোগত মাহেকীয়া, পখেকীয়া, সাপ্তাহিক, পাঁচদিনীয়া, তিনিদিনীয়া প্রশিক্ষণ প্রদানৰ ব্যৱস্থা আছে। এসময়ত অসম চৰকাৰৰ মীন বিভাগৰ সহযোগত মীন মহাবিদ্যালয়ে ১৮খন জিলাৰ মুঠ ১০০০জন উদ্যোগী যুৱক-যুৱতী 'মৎস্যমিত্র' নামৰ অভিলাষী আঁচনিৰ জৰিয়তে মীন পালনৰ ওপৰত ১৫ দিনীয়া প্রশিক্ষণৰ দিহা কৰিছিল। সেই হিচাপত ১১খন জিলাৰ প্রায় ৩৫০জন লোকৰ প্রশিক্ষণ সমাপ্ত হৈছে। ইয়াৰ উপৰি বিভিন্ন আঁচনিৰ জৰিয়তে বর্তমানলৈকে মীন মহাবিদ্যালয়খনে প্রায় ১০০০জন উদ্যোগী লোকক মীন পালন আৰু ইয়াৰ সংলগ্ন বিষয়ৰ ওপৰত প্রশিক্ষণ প্রদান কৰিছে।

প্রতিষ্ঠানটোৰ আন্তঃগাঁথনি ঃ ৩৭ নং ৰাষ্ট্রীয় ঘাইপথৰ দুয়োকাষে মীন মহাবিদ্যালয় অৱস্থিত। যাতায়াতৰ ফালৰ পৰা ৰে'ল আৰু পথেৰে ই অতি সুচল ঠাইত অৱস্থিত। এই মহাবিদ্যালয়খন স্থাপন হোৱাৰ ৩৪টা বছৰ পাৰ হ'ল যদিও আজিৰ পৰা কেইবছৰমান আগলৈকে অস্থায়ী চৌহদতে ইয়াৰ কাম-কাজ চলি আছিল। ২০১৭ চনতহে ই বর্তমানৰ স্থায়ী চৌহদলৈ স্থানান্তৰ হ'ল। এতিয়া ইয়াৰ আন্তঃগাঁথনি উন্নত হ'ল যদিও উপযুক্ত সুবিধা থকা গৱেষণাগাৰৰ অভাৱ এতিয়াও কিছু পৰিমাণে পৰিলক্ষিত হয়। পুথিভঁৰালটো সৰু যদিও ইয়াত মীন বিজ্ঞানৰ মূল্যৱান পাঠ্যপুথি, বার্তালোচনী, বিভিন্ন প্রকাৰৰ বাতৰি কাকত আদি মেটমৰা সম্ভাৰেৰে পৰিপুষ্ট। ইয়াৰ শ্রেণীকোঠাসমূহ অতি উন্নতমানৰ। এই মহাবিদ্যালয়ত বিভিন্ন দেশৰ ভাষা অধ্যয়নৰ বাবে এটা গৱেষণাগাৰো প্রতিষ্ঠা কৰা হৈছে। ছাত্র-ছাত্রীসকলক ব্যৱহাৰিক জ্ঞান দিয়াৰ লগতে মাছৰ উৎপাদনলৈ লক্ষ্য ৰাখি মহাবিদ্যালয়খনত এখন পূর্ণাংগ পর্যায়ৰ মীন পামো আছে। ইয়াৰ সভাগৃহটো অতি আটকধুনীয়া আৰু সকলো সুবিধা ইয়াত উপলব্ধ। 'পিচিনা' নামৰ এখন বছৰেকীয়া আলোচনী মহাবিদ্যালয় ছাত্র-ছাত্রীসকলে সুন্দৰভাৱে প্রকাশ কৰি আহিছে। এখন চৰকাৰী মহাবিদ্যালয় হিচাপে ইয়াত পঢ়াৰ খৰচো বেছি নহয়। এই মহাবিদ্যালয়খন যে দেশ তথা ৰাজ্যৰ মীন ক্ষেত্রখনৰ মীন বিপ্লৱৰ গতিক ত্বৰান্বিত কৰিবলৈ অপৰিহার্য তাক কোনেও নুই কৰিব নোৱাৰে।❖❖

প্রঃ ভাৰত চৰকাৰে সাহিত্যৰ বাবে প্রদান কৰা এটা এতি সন্মানজনক পুৰস্কাৰ হ'ল জ্ঞানপীঠ বঁটা। এই বঁটা বিজয়ীজনে নগদ পাঁচ লাখ টকা, সোণ-তাম মিশ্রিত এখন উদ্ধৃতি ফলকৰ উপৰি আৰু এটা বস্তু লাভ কৰে। সেইটো কি?
উ ঃ ব্রঞ্জৰ এটা সৰস্বতীৰ মূর্তি

প্রঃ কোনজন বিখ্যাত কবি-সাহিত্যিকে কবিতা লিখিছিল নীলা কাগজত আৰু প্রবন্ধ-পাতি লিখিছিল হালধীয়া কাগজত?
উঃ আলেকজেণ্ডাৰ ডুমা

ৰহাৰ চমু ইতিহাস আৰু ফুলগুৰি ধেৰা

ড° দিনেশ হাজৰিকা
প্ৰধান বিজ্ঞানী
আঞ্চলিক গৱেষণা কেন্দ্ৰ
চিলঙনী, নগাঁও

মধ্য অসমৰ নগাঁও জিলাৰ মধ্য স্থলত অৱস্থিত ৰহা এখন ঐতিহ্যমণ্ডিত ঠাই। বৃহত্তৰ ৰহা অঞ্চল কলং, কপিলী, হাৰিয়া, ৰৱাপানী আৰু তিতাইমৰা এই পাঁচখন নৈৰে বিধৌত। ইতিহাসে পৰশা ঠাই ৰহাত আহোমসকলে চকী পাতি কছাৰী আৰু জয়ন্তীয়া সকলৰ লগত সম্পৰ্ক স্থাপন কৰিছিল। ৰহাৰ কলং নৈ পাৰ হৈয়ে অলপ আঁতৰত আছে প্ৰাচীন কছাৰী ৰাজ্য, পশ্চিমে জয়ন্তীয়া আৰু চহৰী, নেলী, গৌভা আদি দাতিয়লীয়া ৰাজ্যবোৰ আছে। অতীতৰ ৰহা অঞ্চল প্ৰাগজ্যোতিষপুৰ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল বুলি জনা যায়। প্ৰাগজ্যোতিষপুৰ ৰাজ্যক পাছত কামৰূপ নামে জনা গৈছিল। কালিকা পুৰাণ, বিষ্ণু পুৰাণ, যোগিনীতন্ত্ৰ, হৰ-গৌৰী সংবাদ আদি কাব্য গ্ৰন্থত কামৰূপ দেশৰ অধীনত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা, ভূটান, ৰংপুৰ, কোচবিহাৰ, উত্তৰ-পূৰ মৈমনসিং পৰ্যন্ত আছিল বুলি উল্লেখ আছে।

ৰহা নামৰ উৎপত্তি ঃ ৰহা, তিতাইমৰা, চাপৰমুখ স্থানৰ আৰু কলং-কপিলী নদী দুখনৰ নামৰ উৎপত্তিৰ লগত ডিমাছা, তিৰা বা তিৰাচা, কাৰ্বি আৰু খাচি ভাষাৰ প্ৰভাৱ দেখা যায় (ৰহাৰ ৰহিয়াল বৰুৱা আৰু পাঁচৰজা পোৱালি)। ৰহা নামৰ উৎপত্তিৰ লগত সম্পৰ্ক থকা এটা কিংবদন্তি মতে দ্বাপৰ যুগত শ্ৰীকৃষ্ণই কুণ্ডিলৰাজ ভীষ্মকৰ দুহিতা ৰুক্মিণীদেৱীক হৰণ কৰি ঘূৰি আহোতে এই ঠাইতে ৰৈছিল (ৰহিছিল)। সেইবাবে ৰহ্ ধাতুৰ পৰা ৰহা হোৱা বুলি জনমত প্ৰচলিত হৈছিল। দ্বিতীয়টো কিংবদন্তি মতে জোঙাল বলহুৱে যেতিয়া কছাৰীৰ লগত ৰণ কৰাৰ পাছত তিষ্ঠিব নোৱাৰিলে তেতিয়া কলং নৈত জাপ দি উজাই ভটিয়াই ইফাল-সিফাল কৰি আছিল, এসময়ত পানীত সাঁতুৰি ভাগৰুৱা হৈ ৰহাতে ৰৈছিল। এই ঠাইত জোঙাল বলহু ৰোৱাৰ বাবেই ৰহা নামৰ উৎপত্তি হোৱা বুলি মানুহে মত দাঙি ধৰে। যদিও এনে মতবাদ দাঙি ধৰা হৈছে, পিছে পণ্ডিত ধৰ্মসিংহ ডেকা দেৱৰ 'ৰহাৰ ৰহঁদৈ' নামৰ স্মৃতি গ্ৰন্থখনিত প্ৰকাশিত 'ৰহা ঃ এটা নাম আৰু ঐতিহ্য' প্ৰৱন্ধত উক্ত দুয়োটা মতকে গ্ৰহণযোগ্য নহয় বুলি কৈছে। ইয়াৰ কাৰণ হৈছে প্ৰথম মতবাদত শ্ৰীকৃষ্ণই লুইতৰ উত্তৰ পাৰেদিহে কুণ্ডিলৰ পৰা উভতি যোৱাৰ কথা শাস্ত্ৰত উল্লেখ আছে। আনটো কিংবদন্তিৰ বিপৰীতে কোৱা হৈছে যে জোঙাল বলহুৱ ৰাজত্বৰ আগৰে পৰা এই ঠাইৰ নাম ৰহা হৈয়ে আছিল।

উপৰোক্ত উৎপত্তি সম্পৰ্কীয় জনমত বাদ দি ৰহা নামৰ উৎপত্তি ডিমাছা শব্দ 'ৰাওবী হা'ৰ লগত মিল আছে বুলি মত দাঙি ধৰা হৈছে। এই অঞ্চল হৈছিল কপিলীৰ উত্তৰ পাৰে। আনহাতেদি কছাৰীৰ ৰাজ্য আছিল কপিলীৰ দক্ষিণ পাৰে। ডিমাছাসকলে সম্ভৱতঃ কপিলীৰ উত্তৰ পাৰক 'ৰাওবী হা' বুলিছিল। ডিমাছা ভাষাত 'ৰাওবী হা' অৰ্থাৎ 'সুন্দৰ মাটিৰ দেশ' বুলি কৈছিল। অনুমান কৰা হয় যে ৰাওবী হাৰ অভ্ৰংশ হৈ ৰাওই-হা—ৰাহা—ৰহা হয়গৈ (ৰহাৰ ৰহঁদৈ)।

ৰহাৰ বিষয়ে অতীত ইতিহাস সঠিককৈ পোৱা নাযায়। আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ শেষৰ ভাগৰ ৰজা চুচেংফা ওৰফে স্বৰ্গদেউ প্ৰতাপ সিংহৰ (১৬০৩-১৬৪১ খ্ৰীঃ) সময়ৰ পৰা কিছু তথ্য পোৱা যায়। এইজনা আহোম স্বৰ্গদেৱে শাসনৰ সুবিধাৰ অৰ্থে ৰহাত চকী পাতি এজন বৰুৱাক এই চকীৰ দায়িত্ব অৰ্পণ কৰিছিল। তেওঁক ৰহিয়াল বৰুৱা বোলা হৈছিল। উজনি অসমৰ গড়গাঁৱৰ বৰবৰুৱা বংশৰ পৰাই ৰহিয়াল বৰুৱা

পতাৰ নিয়ম আছিল। সামৰিক দিশত ৰহা চকীৰ গুৰুত্ব আছিল। সেই সময়ত কপিলী নৈৰ উত্তৰে আহোম ৰাজ্য আৰু দক্ষিণে কছাৰী ৰাজ্য নির্ধাৰিত আছিল। কছাৰী ৰাজ্যৰ পশ্চিমে আছিল জয়ন্তীয়া ৰাজ্য। কছাৰী ৰাজ্য আৰু জয়ন্তীয়া ৰাজ্যৰ মাজত মিলা-প্ৰীতি নাছিল। সেই সময়ৰ জয়ন্তীয়া ৰজা যশ মাণিকে চৰ্তসাপেক্ষে স্বৰ্গদেউ প্ৰতাপ সিংহৰ লগত মিত্ৰতা কৰি নিজৰ জীয়েক এজনী আহোম ৰজালৈ বিয়া দিলে। চৰ্তানুসৰি জয়ন্তীয়া কুঁৱৰীক কছাৰী ৰাজ্যৰ মাজেৰে নিবলৈ দিয়ে। আহোম ৰজাই সেয়ে কছাৰী ৰাজ্যৰ মাজেদি নিবৰ বাবে অনুমতি বিচৰাত কছাৰী ৰজা মান্তি নহ'ল। ফলস্বৰূপে দুয়ো ৰাজ্যৰ যুদ্ধ হয় আৰু কছাৰী ৰজাই পৰাস্তবৰণ কৰে।

চুৰাম্ ফা বা স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ (১৭৫২-১৭৬৯) ৰাজত্ব কালত বৰ্তমান মৰিগাঁও জিলাৰ জাগি চুকত (গুৱাহাটীৰ পৰা ২০ মাইল পূবত) জাগিয়াল গোঁহাইক দায়িত্ব দিয়ে। এই জাগিয়াল গোহাঁই উজনিৰ বুঢ়াগোহাঁই পৰিয়ালৰ লোক আছিল। সেই সময়ত নগাঁৱৰ এই অঞ্চল সৰু সৰু ৰাজ্যত বিভক্ত আছিল আৰু মুৰব্বীজনক 'পোৱালি-ৰজা' বোলা হৈছিল। শাসনৰ সুবিধাৰ অৰ্থে ৰহিয়াল বৰুৱাৰ লগত ৰহা অঞ্চল পাঁচো�ৰজা (ৰাজ্য) আৰু জাগিয়াল গোহাঁইৰ অধীনত সাতোৰজা (ৰাজ্য) আছিল। পাঁচোৰজা হ'ল-টোপাকুছি, বাৰপূজীয়া, মিকিৰগাঁও, সৰাগাঁও আৰু খাইগড়। জাগিয়াল গোহাঁইৰ অধীনত থকা সাতোৰজা হ'ল তেতেলীয়া, কুমৈ, বঘৰা, শুখনাগোগ, তৰানি-কলবাৰী, ঘগুৱা আৰু কছাৰী গাঁও। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত কীৰ্তিচন্দ্ৰ বৰবৰুৱা ৰহালৈ আহি এখন হাট পাতি চাৰিসীমা নির্ধাৰণ কৰি দিছিল। ৰহিয়াল বৰুৱা আৰু জাগিয়াল গোহাঁই ডাঙৰীয়াই জয়ন্তীয়া ৰাজ্যৰ লগত সু-সম্পৰ্ক ৰাখিছিল। চুক্লিংফা বা স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ (১৭৯৫-১৮১০) ৰাজত্বকালত কছাৰী আৰু মোৱামৰীয়াসকলক দমন কৰিবলৈ ১৮০৩ খ্ৰীষ্টাব্দতআহোম সৈন্য ৰহালৈ আনিছিল। ৰহাৰ ৰণথলীত আহোম সৈন্য আৰু মোৱামৰীয়াসকলৰ ৰণ হয়।

মান সৈন্যই ১৮২৪ খ্ৰীষ্টাব্দত পুনৰ আহোমৰ লগত যুদ্ধ লাগে। সেই বছৰ এপ্ৰিল মাহত মান সৈন্যই কলিয়াবৰ অধিকাৰ কৰে। মান সৈন্য পশ্চিমলৈ আগুৱাই আহি নগাঁও আৰু ৰহা দখল কৰে। সেই বছৰৰে অক্টোবৰ মাহৰ শেষৰ ফালে মান সৈন্য দমনৰ অৰ্থে ইংৰাজে ফৌজৰ সহায় লয় আৰু ফৌজদল দুভাগ হৈ এভাগ কলঙেদি আৰু আনভাগ ব্ৰহ্মপুত্ৰৰে উজাই আহে। ইংৰাজ চোৰাংচোৱা বিষয়া লেফটেনেণ্ট নিউভিলৰ গোপন বার্তাৰ সহায়ত কলঙেদি অহা ভাগটোৱে ৰহাত আৰু নগাঁৱত মান সৈন্য দলক পৰাজিত কৰে। অন্য এক সূত্ৰৰ মতে, ৰহাৰ ৰণথলীত পাঁচোৰজা আৰু সাতোৰজাৰ সৈন্যয়ো ভালেমান সেনা বধ কৰিছিল। মান সৈন্য আৰু ইংৰাজ ফৌজৰ মাজত হোৱা ৰহাৰ ৰণত ইংৰাজে পঞ্জাবৰ পৰা এটা শিখ সৈন্যবাহিনী আনিছিল। যুঁজত মাত্ৰ কেইজনমানহে বাচি থাকে আৰু সেইকেইজনে ৰহা-চাপৰমুখ অঞ্চলত নিগাজীকৈ বসতি কৰে। পৰৱৰ্তী সময়ত কিছু লোক বৰকলা আৰু হাতীপৰা ঠাইত বসবাস কৰিলে।

১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফেব্ৰুৱাৰীত চুক্তি স্বাক্ষৰিত হোৱা ইয়াণ্ডাবু সন্ধি অনুসাৰে অসমখন ব্ৰিটিছ চৰকাৰৰ অধীন হয়। অসমৰ ইংৰাজ শাসক প্ৰথম গৱর্নৰ জেনেৰেলৰ এজেণ্ট আৰু ছিনিয়ৰ কমিছনাৰ ডেভিদ স্কটে (১৮২৪-১৮৩১) খাজনা সংগ্ৰহৰ সুবিধার্থে ভূমি সংস্কাৰ নীতি প্ৰৱর্তন কৰি গোটেই দেশ খণ্ডক 'মৌজা' আৰু 'মহল'ত ভাগ কৰিছিল। সেই ভাগবোৰত মৌজাদাৰ, চৌধুৰী, পাটগিৰি আদি বিষয়া নিযুক্ত কৰিলে। আবাদী মাটিবিলাক বস্তি (য'ত বাস কৰা ঘৰ-দুৱাৰ থাকে), ৰূপিত (শালিতলী), বাওতলী (দ' মাটি য'ত বাওধান কৰে), ফৰিংগতি (যি মাটিত মাহ, সৰিয়হ বা আহু ধান কৰে) হ'ল। খাজনাৰ পৰিমাণ মাটিৰ শ্ৰেণী বিভাজনৰ ওপৰত ধার্য কৰি দিছিল। সেই অৰ্থে নগাঁও জিলাক ১৪টা মহলত ভাগ কৰি লৈছিল। শেনচোৱাৰ পৰা ফুলগুৰি, ৰহা বোকনী চাপৰিলৈকে ৰহা মহল বিস্তৃত আছিল। এই মহলটো পূৰ্বৰ আহোম ৰজাৰ পাঁচো ৰাজ্য ৰহিয়াল বৰুৱাৰ অধীনত শাসন ভাৰ আছিল।

১৮৫৫ৰ পৰা ৰহা মহলত ব্ৰিটিছৰ বিৰুদ্ধে ৰণৰ আখৰা হৈছিল। ৰহিয়াল বৰুৱাৰ যোগেদি মণিৰাম দেৱান ১৮৫৬ৰ জানুৱাৰীত পাঁচোৰজা আৰু সাতোৰজাৰ উপস্থিতিত গোপন আলোচনা কৰি পৰৱৰ্তী সময়ত 'ৰাইজ মেল' পতাৰ সিদ্ধান্ত লৈছিল। ১৮৫৭ৰ চিপাহী বিদ্ৰোহৰ সময়ত অসমত ৰহিয়াল বৰুৱা আৰু মণিৰাম দেৱান প্ৰধান সহযোগী আছিল। এই কথাবোৰ ইংৰাজে গম পাই ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত মণিৰাম দেৱানক ফাঁচি দিয়ে আৰু ৰহিয়াল বৰুৱাকো ক্ষমতাচ্যুত কৰি আটাইকেইটা মৌজা কাঢ়ি লয়। চিপাহী বিদ্ৰোহৰ পিছত ইংৰাজ চৰকাৰৰ ধনৰ নাটনি হ'বলৈ ধৰিলে। চৰকাৰে ধনৰ ভঁৰাল টনকিয়াল কৰিবলৈ ১৮৬০ত জেম্ছ উইলছনৰ উপদেশ

মতে কার্যকৰী কৰা আয়কৰ ১৮৬১ত অসমতো বলৱৎ কৰিলে। এয়াই হ'ল আৰম্ভণি 'ফুলগুৰি ধেৱা'। সাধাৰণ কৃষকৰ অৱস্থা লাহে লাহে কাহিল হ'বলৈ ধৰিলে। এটাৰ পিছত এটাকৈ কৰ আৰোপ কৰিলে। নদী-বিলৰ মৎস্য মহলত জলকৰ, কাঠৰ ওপৰত গড়আটি কৰ, ইকৰা-খাগৰিৰ বাবে বনকৰ, চৰণীয়া পথাৰৰ ওপৰত খুচাৰী কৰ আদি ধার্য কৰিলে। কৃষক ৰাইজ ইংৰাজ চৰকাৰৰ বিপক্ষে বেছিকৈ অগ্নিশর্মা হ'ল যেতিয়া ১৮৬১ৰ আগষ্ট মাহত অপ্রত্যাশিতভাৱে এখন আইন পাছ কৰি কানি খেতি আৰু বিক্রীৰ অধিকাৰ কৃষকৰ ক্ষেত্রত নিষিদ্ধ কৰিলে। সকলোৱে ভবাৰ দৰে কানি বন্ধ কৰাৰ আঁৰত ইংৰাজ চৰকাৰৰ কোনো সৎ উদ্দেশ্য নাছিল। ঔপনিৱেশিক অগ্রগতিৰ ফলশ্রুতিত কানি ৰপ্তানিৰ প্রয়োজন নাইকিয়া হোৱাতহে এই নিষেধাজ্ঞা জাৰি কৰা হৈছিল। ফলত বেছি দামত চৰকাৰী কানি কিনিব নোৱাৰি কৃষক ৰাইজ ৰৰকৈ বিতুষ্ট হ'ল।

জ্বলি থকা জুইত ঘিউ ঢালি এনে সময়তে ইংৰাজ চৰকাৰে লাইচেন্স টেক্স লগালে। ৰহা, ফুলগুৰি অঞ্চলৰ মানুহে বিশ্বাস কৰিলে যে অচিৰেই বাৰীৰ পাণ-তামোলৰ ওপৰতো কৰ লগোৱাটো নিশ্চিত। ৰাইজ ক্রমান্বয়ে অতিষ্ঠ হৈ পৰে আৰু ক্ষোভৰ বহিঃপ্রকাশ ঘটিবলৈ আৰম্ভ হয়। শান্তিকামী ৰাইজৰ ওপৰত ইংৰাজ শোষণকাৰীৰ অসংযত আচৰণ, অশালীন ব্যৱহাৰে কৃষকক অধিক উত্তেজিত কৰি তোলে। জনতাৰ প্রতিবাদ কেৱল দমনৰ চেষ্টা কৰে ইংৰাজ শাসকে আৰু নিজৰ নীতিত অটল থাকিল ব্রিটিছ চৰকাৰ। কৃষকে বিচাৰিলে পৰিত্রাণৰ উপায়। আৰম্ভ হ'ল ১৮৬১ৰ ১৪ অক্টোবৰৰ পৰা ১৮ অক্টোবৰলৈ পাঁচদিনীয়া ৰাইজ মেল। ১৪ অক্টোবৰত অঞ্চলৰ মুখিয়াল প্রমুখ্যে ৰাইজ একত্রিত হ'ল। কৰ পৰিশোধ নকৰাৰ আৰু ১৫ তাৰিখৰ পৰা সকলো সমৱেত হোৱাৰ সিদ্ধান্ত। ১৫ অক্টোবৰত হাজাৰ হাজাৰ মানুহৰ সমাৱেশ; একাংশৰ হাতে হাতে লাঠী, যাঠী। শেষ নিশা দাৰোগা হলধৰ বৰুৱা, এজন মহৰি জমাদাৰ, ১০ বৰকান্দাজৰ ফুলগুৰিত প্রৱেশ। পুনৰ ১৬ আৰু ১৭ অক্টোবৰত ফুলগুৰিত হাজাৰ হাজাৰ জনতাৰ সমাৱেশ। ১৮ অক্টোবৰত এদল পুলিচৰ স'তে পুৱা ১০ বাজি ২০ মিনিটত লেফটেনেণ্ট চিংগাৰ ফুলগুৰিত উপস্থিত। দুই বজাত লাঠী-যাঠী, ধনু-কাঁড় লৈ জনতাৰ সমাগম। কলং নৈৰ পাৰত তিনিজোপা আঁহতৰ তলত সমৱেত হোৱা ৰাইজক অস্ত্র জমা দি আঁতৰি যাবলৈ নির্দেশ চিংগাৰ চাহাবৰ। এই নির্দেশক গৰিষ্ঠসংখ্যক ৰাইজে কর্ণপাত নকৰিল। চিংগাৰ চাহাবে জোৰকৈ প্রজাক নিৰস্ত্র কৰিবলৈ পুলিচক হুকুম জাৰি কৰে। চাৰিওফালে ধৰ ধৰ, মাৰ মাৰ, টনা-আঁজোৱা; ফলস্বৰূপে চিংগাৰৰ চাহাবৰ মূৰত মৈৰা সিং নামৰ কৃষকজনৰ লাঠীৰে প্রহাৰ; শক্তিধৰ চিংগাৰে কাঢ়ি লয় মৈৰা সিঙৰ লাঠী। কিন্তু পিছ মুহূর্তে অন্য এজন কৃষক বাহু কৈৱর্তই চিংগাৰৰ মূৰত শোধালে প্রচণ্ড প্রহাৰ। ঢলি পৰিল চিংগাৰ চাহাব আৰু ৰাইজে কলঙত উটুৱাই দিয়ে। চিংগাৰক হত্যা কৰাৰ পিছত সদৰৰ খাৰঘৰ দখলৰ বাবে কলঙৰ দুয়োপাৰে দুটা সশস্ত্র দল ৰাওনা হ'ল। ডিমৌ বিলৰ কাষত চিংগাৰৰ সাহাযার্থে অহা চিপাহীৰ লগত মুখামুখি আৰু খণ্ডযুদ্ধ হয়। কলঙৰ দক্ষিণ পাৰৰ দলঙৰ দলটোৰ লগত ব্রিটিছ চিপাহীৰ ঘাঁহীগাঁৱত মুখামুখি হয়। দুয়োপক্ষৰ যুদ্ধত মুঠ ১১জনৰ মৃত্যু হৈছিল। ২০ অক্টোবৰত মেজৰ কেম্পবেল সসৈন্যৰে ফুলগুৰিত উপস্থিত হয়। কেম্পবেলৰ সৈন্যৰ হাতত বহু বিদ্রোহীৰ মৃত্যু হ'ল; আহত হ'ল অনেক। ২৩ অক্টোবৰত কেপ্টেইন চেম্বাৰছ ফুলগুৰিলৈ আহিল। ডেপুটী কমিছনাৰ স্কন্সে পোৱালি ৰজাহঁতক চিংগাৰৰ হত্যাৰ লগত জড়িত কৰি মুঠ ৪১জনক গ্রেপ্তাৰ কৰে। ফুলগুৰিত সৈন্য শিবিৰ পাতি কৃষকক অমানুষিক অত্যাচাৰ কৰিলে। ৩৯জনক নৃশংসভাৱে হত্যা কৰে। শত-সহস্র লোক আহত হ'ল। আহত ১৫জনৰ বিনা চিকিৎসাত মৃত্যু হ'ল। পৰিয়ালক শ সৎকাৰ বাবে নিবলৈ নিদিলে। শ গেলি-পচি যোৱাৰ পিছত নিবলৈ নির্দেশ দিয়া হ'ল। কোনো লোকে গম নোপোৱাকৈ আত্মীয়ৰ শ নি কলঙৰ দক্ষিণ পাৰে হাবিৰ মাজত বিলৰ পাৰত সৎকাৰ কৰিলে (বিলখনৰ নাম আজিও মানুহ পোৱা বিল নামে জনাজাত)। ইয়াৰ পিছতো জনতাৰ ওপৰত অত্যাচাৰ চলি থাকিল ছমাহলৈকে। পিছত ডেপুটী কমিছনাৰে বিনা জুৰীৰে নগাঁও সদৰত নামমাত্র বিচাৰ কৰি হলধৰ বৰুৱা, অনাদৰ পুলিচ, মহৰী জমাদাৰ, কীর্তিনাথ মহৰী আদিৰ জবানবন্দীৰ ভিত্তিত কটহগুৰিৰ লক্ষণ সিং ডেকা, টোপাকুছিৰ ৰংবৰ ডেকা, ঔগুৰিৰ চাংবৰ লালুঙক নগাঁও জেইলত ফাঁচি দিয়ে। কলীয়াপানীলৈ ৰূপসিং লালুং, চিবসিং লালুং, বাহুৱলী কৈৱর্ত আৰু বনমালী কৈৱর্তক দীপান্তৰ কৰিলে। কাটি লালুং, কটিয়া লালুং, মহি কোচ আৰু কলি ডেকাসহ ৩১জনক এবছৰৰ পৰা ১০ বছৰলৈ সশ্রম কাৰাদণ্ড বিহিলে। পাঁচোৰজা আৰু সাতোৰজাৰ সকলো চৰকাৰী পদ আৰু সুবিধা বাতিল কৰিলে। ৰহিয়াল বৰুৱা, জাগিয়াল গোহাঁইসহ সম্ভ্রান্ত লোকক কাছাৰীলৈ নি অপদস্থ কৰিলে। কেইবাজনো মৌজাদাৰৰ পদ খাৰিজ কৰিলে। এনেকৈয়ে বুৰঞ্জীত লিপিবদ্ধ হ'ল 'ফুলগুৰি ধেৱা।'

১৯৪২ৰ ভাৰত ত্যাগ আন্দোলন সমগ্ৰ ভাৰতবৰ্ষ ব্যাপি নগৰে-চহৰে, গাঁৱে-ভূঞে বিয়পি পৰিছিল। এই আন্দোলনৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত নগাঁও জিলাৰ ৰহা, বাৰপূজীয়া, টোপাকুছি, কপাহেৰা, ভকতগাঁও, চৰাইবাহী, ফুলগুৰি, নামগাঁও, বগৰীগুৰি আদি অঞ্চলৰ বহুত লোকে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। এই সংগ্ৰামত উক্ত অঞ্চলৰ বহুকেইজন লোক 'শ্বহীদ' উপাধিৰ গৰাকী হৈছিল। স্বাধীনতাৰ সপোন বুকুত বান্ধি 'বন্দে মাতৰম' ধ্বনিৰে মুখৰিত কৰি ৪২ৰ আন্দোলনত নিজৰ নাম লিপিবদ্ধ কৰা বৃহত্তৰ ৰহা অঞ্চলৰ ব্যক্তি কেইজনমান হ'ল হেমৰাম পাতৰ, গুণাভিৰাম বৰদলৈ, তিলক ডেকা, হেমৰাম বৰা, কলাই কোচ আদি। ভাৰত ত্যাগ আন্দোলনত ৰাইজৰ জংগী কাৰ্যসূচীৰ অংশৰূপে গুৱাহাটী-নগাঁও পথত ইংৰাজ সেনাৰ যাতায়াত বন্ধ কৰাৰ অৰ্থে জোঙাল বলহু গড়ৰ কাষত কছাৰীখন্দা জানৰ দলং ধ্বংস কৰিবলৈ গৈ হেমৰাম পাতৰ আৰু গুণভিৰাম বৰদলৈ ২৬ আগষ্টৰ দিনা ইংৰাজ সেনাৰ বন্দুকৰ গুলী বুকু পাতি লৈ শ্বহীদ হৈছিল। সেইদিনাই বেবেজীয়া অঞ্চলত ওলাই অহা পুৰুষ-মহিলাক (গৰ্ভৱতী মহিলাও আছিল) কাৰাবন্দী কৰি বহুত অত্যাচাৰ কৰিছিল। এই বাতৰি সংগ্ৰহ কৰিবলৈ যাওঁতে ইংৰাজ সেনাই হেমৰাম বৰা আৰু কলাই কোচক গুলীয়াই হত্যা কৰে। তাৰ দুদিনৰ পিছত অৰ্থাৎ ২৮ আগষ্টত বাৰপূজীয়াত ইংৰাজ সেনাৰ গতিবিধি ৰাইজক জনাবলৈ শিঙা বজাওঁতে তিলক ডেকাক গুলীয়াই হত্যা কৰিছিল।

১৯৭৯ৰ পৰা ১৯৮৫লৈকে অবৈধ বিদেশী বহিষ্কৰণৰ আন্দোলনত অসমৰ লাখ লাখ লোক বাটলৈ ওলাই আহিছিল। ৰহাও তাৰ পৰা বাদ পৰা নাছিল। ৰহাকে ধৰি ওচৰ-পাঁজৰৰ ঠাইবোৰৰ বহু লোক গুলিবিদ্ধ হৈছিল। তাৰ ভিতৰত পহুকটাৰ ভৱেন চন্দ্ৰ বৰুৱা, শিঙিয়া পথাৰ চুকৰ সৰুমল ডেকা, পূব শালমৰা ফুলগুৰিৰ নগেন চন্দ্ৰ শৰ্মা, আমতলা কামপুৰৰ দেৱকান্ত দাস, ৰহা বালিপাৰাৰ যোগেন ডেকাৰজা, ৰহা দেৱাগুৰিৰ প্ৰভাত কোঁৱৰ, বকুলগুৰি কামপুৰৰ দীপক লস্কৰ, গোপীনাথ বৰা, জোনাৰাম কাকতি, মদন চন্দ্ৰ বৰা, ৰহা বাৰপূজীয়াৰ পোৱাল সিং ডেকা, ৰুদ্ৰ দেউৰী, ৰহা খাপলাংকুছিৰ গোপীনাথ বৰদলৈ, ৰহা খালিকুছিৰ অতুল নাথ, পূব শালমৰা ফুলগুৰিৰ নাৰায়ণ ডেকা, আমতলা পূব গুইমাৰীৰ দেৱকান্ত দাস, কামপুৰ মাজৰ আটিৰ উমা শইকীয়া, বাৰপূজীয়াৰ কমল বৰা, পূব গুইমাৰী বগলাজানৰ বকুল চন্দ্ৰ বৰাকে ধৰি ৰহা অঞ্চল মুঠ ৭৫জনে প্ৰাণ আহুতি দিছিল।

ৰহাৰ আছে এক বৰ্ণিল ইতিহাস। বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰ পৰা আছে বহুত জনশ্ৰুতি, জনপ্ৰবাদ। বিশেষকৈ আহোম ৰাজত্বৰ আৰম্ভণিৰ পৰা পোৱা যায় অনেক সমল, অনেক তথ্য। আমাৰ এই চমু ৰচনাখনত সামৰিব পৰা নগ'ল বহুত উল্লেখনীয় ঘটনাপ্ৰবাহ। ঐতিহাসিক মঠ-মন্দিৰ, থান, গুৰুদ্বাৰ, সত্ৰানুষ্ঠান আদি সিঁচৰতি হৈ আছে। নামমাত্ৰ কিছু ছবি দেখুওৱা হৈছে। ৰহা প্ৰধানতঃ অনুসূচিত জাতি-জনজাতিৰ বাসস্থান। ত্যাগবীৰ হেম বৰুৱা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ইতিহাসবিদ ড° সূৰ্যকুমাৰ ভূঞা, প্ৰথম অসমীয়া ডেপুটী কমিছনাৰ সিদ্ধেশ্বৰ গোহাঞি, ৰচনা-বিচিত্ৰাৰ লেখক ধৰ্মসিংহ ডেকাই এই ৰহাতে জন্মগ্ৰহণ কৰিছিল। ৰহা ঠাইখন অসম চৰকাৰে জাননি যোগে ২০০৫ৰ ১৫ আগষ্টত ৭টা ৱাৰ্ডৰে নগৰ ঘোষণা কৰে। পৰৱৰ্তী সময়ত ২০২১ত ১০ ৱাৰ্ডলৈ বৃদ্ধি কৰিলে। নগৰ কমিটীৰ ঠাইত পৌৰসভা হ'ল। আহক আমি সকলোৱে হাতে-কামে লাগি ৰহাক এখন আটকধুনীয়া নগৰলৈ উন্নীত কৰোঁ।

তথ্য সূত্ৰ

ৰহাৰ ৰহৈদে, অসম সাহিত্য সভাৰ সপ্তচত্বাৰিংশ ৰহা অধিবেশন, ২০১৮ চন।

সূৰ্যৱতী, অসম সাহিত্য সভাৰ দশম বাৰ্ষিক ৰহা অধিৱেশনৰ স্মাৰক গ্ৰন্থ, ৩১ জানুৱাৰী, ১, ২, ৩ ফেব্ৰুৱাৰী, ২০১৯ খ্ৰীষ্টাব্দ, জোঙাল বলহু সমন্বয় ক্ষেত্ৰ, ৰহা, নগাঁও।

পাঁচ দশকৰ চিন্তন, ৰহা মহাবিদ্যালয়ৰ স্বৰ্ণজয়ন্তী অর্ঘ্য, ২৭, ২৮, ২৯ জানুৱাৰী ২০১৫ চন।

আহোমৰ দিন, হিতেশ্বৰ বৰবৰুৱা।

The comprehensive history of Assam, Vol II- HK Barpujari, P-32.❖❖

মূল্যবোধৰ শিক্ষা

ড° কমলেশ্বৰ কলিতা
অধ্যাপক
মীন মহাবিদ্যালয়, ৰহা

আজিকালি দৈনন্দিন জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে মূল্যবোধৰ অৱক্ষয় সমাজ-সচেতন লোকৰ বাবে যথেষ্ট উদ্বিগ্নতাৰ কাৰণ হৈ পৰিছে। এনেকুৱা বোধ হৈছে যেন বৰ্তমানৰ শিক্ষা ব্যৱস্থাই মূল্যবোধৰ প্ৰাসংগিকতাক ভালদৰে অৱলোকন কৰাত ব্যৰ্থ হৈছে। পাঁচ হাজাৰ বছৰীয়া সভ্যতা-সংস্কৃতিৰে বিধৌত পুৰণি ভাৰতীয় ঐতিহ্যমণ্ডিত শিক্ষা ব্যৱস্থা আছিল মূল্যবোধৰ আধাৰত প্ৰতিষ্ঠিত আৰু তেনে আধাৰৰ পটভূমিতে স্থাপিত সমাজ ব্যৱস্থা আছিল স্বচ্ছ, নিকা, নীতি-নৈতিকতাৰে পুষ্ট। কিন্তু বৰ্তমান সমাজ ব্যৱস্থাৰ পৰিৱেশগত, বিশ্বায়নৰ ধামখুমীয়াতে হওক বা কিছুসংখ্যক লোকৰ মাজত পশ্চিমীয়া কিছুমান পাবত গজা সংস্কৃতিৰ চাকনৈয়াত পৰিয়ে হওঁক ৰীতি-নীতিহীন, নৈতিকতাবিহীন, আধ্যাত্মিকতাশূন্য ছবি এখনহে আমাৰ মনত পৰিস্ফুট হয়। ৰাজপথত মহিলাৰ ওপৰত বলাৎকাৰ চলিছে। ছাত্ৰৰ দ্বাৰা শিক্ষক নিগৃহীত হৈছে, চৰকাৰী ধনৰ আত্মসাৎ কৰি নিজৰ উদৰ পূৰোৱাৰ লগতে সম্পত্তিৰ পাহাৰ গঢ়িছে, কোনোবাই নিজৰ বাহুবল-ধনবলেৰে সমাজত বিভীষিকাৰ সৃষ্টি কৰিছে, আকৌ কোনোবাই নিজৰ স্বাৰ্থসিদ্ধিৰ হকে ষড়যন্ত্ৰৰ মায়াজাল তৰি সৎ লোকক বদনামী কৰি যোগ্য--ভোগ্য বসুন্ধৰা বুলি কপট জীৱন-যাপন কৰিব লাগিছে। মুঠতে সমাজ জীৱনত কৌৱৰৰ এশৰ লগত থকা লোকৰ পৰিমাণ বৃদ্ধি পাব ধৰিছে। আচলতে অধিকাংশ লোক পাণ্ডৱৰ লগতহে থাকিব লাগিছিল; এনে নোহোৱাত সকলোবোৰ দিশতে মূল্যবোধৰ ঋণাত্মক দিশবোৰেই পৰিস্ফুট হৈছে। সেয়েহে মূল্যবোধৰ জ্ঞান সম্পৰ্কে আমাৰ উঠি অহা প্ৰজন্মৰ মাজত এটা সম্যক ধাৰণা থকাটো বৰ্তমান সময়ৰ এক আকুল আহ্বান। মূল্যবোধ দৰাচলতে সামাজিক জীৱনৰ পৰা আহৰিত এটা আদৰ্শ বা সত্তা। মূল্যবোধ কিছু কিছু ক্ষেত্ৰত জন্মগত বুলি ধৰিলেও মূলতঃ ইয়াক পৰিৱেশগত বুলি ক'লেহে বেছি সমীচীন হ'ব। আমি মূল্য বুলি প্ৰধানতঃ টকা-পইচা সম্পৰ্কীয় পাৰ্থিৱ ভাষাটোকে বুজো যদিও বিস্তৃত অৰ্থত মূল্য হ'ল এনে এটা বিষয়, যিটোৱে মানুহৰ ইচ্ছা, আকাংক্ষা, প্ৰয়োজন, ভোগবিলাস, তৃপ্তি আদি পূৰণ কৰিব পাৰে। সহজ অৰ্থত মানুহে প্ৰয়োজনত বিচৰা বস্তুটোৱে হ'ল মূল্য। আহাৰ, আশ্ৰয় আৰু আচৰণ মানুহৰ মৌলিক প্ৰয়োজন যদিও এনে প্ৰয়োজনৰ কোনো সীমা নাই। সেয়ে প্ৰয়োজনতকৈ সাঁচি ৰখা বস্তুবোৰৰ গৰাকীক একো একোজন চোৰ বুলি মহাত্মা গান্ধীয়ে উল্লেখ কৰিছিল। যদিহে এজন লোকে নিজৰ তথা পৰিয়ালৰ সকলোবোৰ সুখ-সুবিধা ভোগ কৰিব বিচাৰে আৰু ইচ্ছা পূৰ্ণ কৰিবলৈ গৈ যদি আনৰ অপকাৰ-অন্যায় কৰে, হিংসা কৰে, দুষ্কৰ্ম কৰে, সামাজিক জীৱন অনিষ্ট সাধন কৰে, তেনে কাৰ্যক মূল্য বুলি ন'কৈ এক সামাজিক ব্যাধি বা অপৰাধ বুলিহে গণ্য কৰিব পাৰি। মূল্যবোধৰ ধাৰণা মূলতঃ গুণগত শিক্ষা আৰু সামাজিকীকৰণৰ দ্বাৰা আয়ত্ত কৰিব পাৰি। সেয়ে অকপটে ক'ব পাৰি— শিক্ষাই হ'ল এটা জাতিৰ মেৰুদণ্ড বা আয়ুসৰেখা, জাতিৰ দাপোণ। তেনেহ'লে শিক্ষাৰ গুণনো কি? সংস্কৃত শ্লোকত কৈছে—

বিদ্যা দদাতি বিনয়ং বিনিয়াৎ যাতি পাত্ৰতাম
পাত্ৰ তাৎ ধনমপ্ৰাপ্নতি, ধনাৎধৰ্মঃ ততঃ সুখম্।

(বিদ্যাই বিনয়ী কৰে, বিনয়ী হ'লে উপযুক্ত হয়, উপযুক্ত হ'লে ধন-সম্পদ আহৰণ হয় আৰু পিছত ধনেই ধর্ম, তাৰ পিছত সুখ)

যিবোৰ নির্দেশিকা নীতিৰ দ্বাৰা মানুহৰ দৈহিক, মানসিক, আধ্যাত্মিক উৎকর্ষ সাধন হয়, সমাজৰ কল্যাণ হয়, হিত হয়-সমাজৰ প্রচলিত ধর্ম, বিশ্বাস, পৰম্পৰা, দর্শন, নৈতিকতা, ৰাজনৈতিক আদর্শ, দৈনন্দিন জীৱনৰ সমূহ কার্যাৱলী আদি সকলোবোৰকে মূল্যবোধে সামৰি লয়। মূল্যবোধৰ ধাৰণা আকৌ সৎসংগৰ জৰিয়তে বিকাশ হ'বলৈ সুবিধা পায়। কথাতে কয়—

'সৎ সংগত কাশী বাস্ অসৎ সংগত সর্বনাশ।'

সৎ সংগই বুদ্ধিৰ জড়তা নাশ কৰে, কথাৰ সত্য সংস্কাৰ কৰে, সন্মান বৃদ্ধি কৰে, যশ-কীর্তি প্রকাশ কৰে।

মূল্যবোধৰ অন্যতম আধাৰ হ'ল নৈতিকতা। নৈতিকতাৰ লগতে সামাজিক ৰীতি-নীতিৰ আদর্শ এটা মুদ্রাৰ ইপিঠি-সিপিঠি। মানুহ সামাজিক প্রাণী হিচাপে সমাজ পাতি থাকি ভাল পায় আৰু সমাজত মর্যাদা সহকাৰে জীৱন ধাৰণ কৰাৰ বাবে মানুহৰ থাকে এটা সহজাত প্রবৃত্তি আৰু এনে ধাৰণাৰ মূলতে হ'ল মূল্যবোধ নামৰ বস্তুটো, যিটো মানুহৰ দেহৰ কোনোবা এটা নিভৃত কোণত লুকাই থাকে। কিছুমান পৰিয়ালত লক্ষ্য কৰা যায় ল'ৰা-ছোৱালী উচ্চশিক্ষিত হৈ চাকৰি-বাকৰি কৰিছে যদিও অমার্জিত অভদ্র আচৰণ, পিতৃ-মাতৃৰ প্রতি অমানৱীয় কার্য আদি নৈতিকতাবিহীন ফোঁপোলা আভিজাত্যৰ এক জ্বলন্ত প্রতিভূ। তেনেবোৰ শিক্ষাক প্রকৃত শিক্ষা বুলি ক'ব নোৱাৰি। প্রকৃত শিক্ষা হ'ল মগজু আৰু অন্তৰ উভয়কে প্রশিক্ষণ দিয়া শিক্ষা। আজিৰ শিক্ষা ব্যৱস্থাত গ্রেড বা নম্বৰৰ বাবে প্রতিযোগিতা হয়, জ্ঞান আৰু বোধৰ বাবে নহয়। আনহাতে জ্ঞান হ'ল একোটা তথ্যৰ ভঁৰাল আৰু বোধ হ'ল সেই তথ্যসমূহৰ সৰলীকৰণ। জ্ঞানেই শক্তি নহয়। জ্ঞান হ'ল সম্ভাৱনীয় শক্তি আৰু যেতিয়াই জ্ঞানৰ যথাযথ প্রয়োগ হ'ব তেতিয়াই আমি ইয়াক শক্তি বুলি অভিহিত কৰিব পাৰিম।

জন্মৰ সময়ত আহৰণ কৰা প্রবৃত্তিসমূহে আমাক সামাজিক ৰূপত গঢ়ি নোতোলে, বৰং সমাজ সচেতন হ'বলৈ জন্মগত প্রবৃত্তিসমূহৰ কিছুমান সংশোধনীৰ দৰকাৰ হৈ পৰে। তাৰ বাবে লাগিব উচ্চ মনোভাব, সু-আদর্শ, উচ্চ মূল্যবোধ— যিবোৰ শৈক্ষিক বাতাৰৰণৰ দ্বাৰা আহৰণ কৰিব পাৰি। বর্তমানৰ ধনসর্বস্ব সমাজ ব্যৱস্থাত আৰু প্রযুক্তিবিদ্যা আৰু কাৰিকৰী জ্ঞানৰ প্রয়োগৰ সুবিধাৰ ফলত এক ফোঁপোলা আভিজাত্যপূর্ণ বিলাসিতাপূর্ণ জীৱনৰ প্রতি লালায়িত হোৱাৰ ফলস্বৰূপে নৈতিক মূল্যবোধৰ লোপ বা হ্রাস পাবলৈ ধৰাটো বর্তমান সমাজৰ সর্বাংগীণ বিকাশৰ বাবে এটা বৃহৎ প্রাচীৰ হৈ পৰিছে। বর্তমানৰ শিক্ষা ব্যৱস্থাত বৌদ্ধিক দিশটোক বেছি গুৰুত্ব দিয়া হয়, যিয়ে আমাৰ ওপৰত প্রভাৱ পেলায়। আনহাতে মূল্যবোধৰ শিক্ষাই অন্তৰত প্রভাৱ বিস্তাৰ কৰে। প্রকৃততে যি শিক্ষাই অন্তৰক প্রশিক্ষণ নিদিয়ে, তেনে শিক্ষা অত্যন্ত ভয়ংকৰ। বর্তমান সময়ত আমাক তথ্যগত শিক্ষাতকৈ মূল্যবোধৰ শিক্ষাহে প্রয়োজন। এজন উচ্চশিক্ষিত অর্হতাসম্পন্ন অথচ নৈতিকভাৱে দেউলীয়া লোকতকৈ নৈতিকভাৱে বলিয়ান, কম শিক্ষিত লোকৰ জীৱন যুদ্ধত জয়ী হোৱাৰ বহুত বেছি ক্ষমতা আছে। আমি স্পষ্টভাৱে ক'ব পাৰো শিক্ষিত হ'লেই জ্ঞানী নহয়। প্রকৃত শিক্ষাই জ্ঞানৰ উন্মেষ ঘটায়, শিকিবলৈ শিকাটোহে আচল কথা। ❖❖

বাটৰুৱা ঃ (ঘৰৰ বাৰাণ্ডাত বৈ থকা গৃহস্থক) হেৰি ডাঙৰীয়া, আপোনাৰ ল'ৰাই এইমাত্র মোলৈ এটা শিলগুটি মাৰি পঠিয়াইছে।
গৃহস্থ ঃ সেইটো আপোনাৰ গাত লাগিলনে?
বাটৰুৱা ঃ নাই, লগা নাই।
গৃহস্থ ঃ তেন্তে সেইটো মোৰ ল'ৰা হ'বই নোৱাৰে। তাৰ হাত বৰ পোন।

চাৰিশ বছৰীয়া জন্মজয়ন্তীত মহাবীৰ লাচিত বৰফুকন ঃ এক আলোকপাত

দীপাঞ্জন কাশ্যপ
প্ৰাক্তন ছাত্ৰ (২০০৯ বৰ্ষ)
সহকাৰী অধ্যাপক
কৃষি বাণ্যিজিক ব্যৱস্থাপনা বিভাগ
অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট

এটা বংশৰ উত্তৰসুৰী হিচাপে ৰজা হোৱাটো ডাঙৰ কথা নহয়। গুৰুত্বপূৰ্ণ কথাটো হ'ল নিজৰ শৌৰ্য-বীৰ্জ তথা পৰাক্ৰমেৰে ইতিহাসৰ পাতত জিলিকি থকা। কেৱল মাত্ৰ ৰজাইহে যে বীৰ-বিক্ৰম দেখুৱাই ইতিহাস ৰচনা কৰি গৈছে তেনে নহয়; বহুতো বীৰ-বীৰাঙ্গনাই ৰজাৰ আসন শুৱনি নকৰাকৈও পৰ্বতসম পৰাক্ৰমেৰে যুগ-যুগান্তৰলৈ নিজৰ নাম অমৰ কৰি গ'ল। সেইসকলৰ মাজত অন্যতম হৈছে এই বছৰ চাৰিশ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপন কৰা অসামান্য বীৰ লাচিত বৰফুকন। পিছে পৰিতাপৰ কথা যে অসমীয়া জাতিৰ অনীহাৰ বাবে আহোম যুগৰ বিখ্যাত বীৰ সেনাপতিগৰাকীক বিশ্বৰ ইতিহাসততো বাদেই, ভাৰতৰ ইতিহাসতো আজিকোপতি সঠিককৈ প্ৰতিষ্ঠা কৰিব পৰা নগ'ল।

মহাপৰাক্ৰমী বীৰ লাচিত বৰফুকনৰ জন্ম বৰ্ষ তথা জন্মস্থান লৈ বিভিন্ন বুৰঞ্জীভিত্তিক গ্ৰন্থত মতৰ অমিল হোৱা দেখা গৈছে। তৎসত্ত্বেও এক সূত্ৰ অনুসৰি লাচিতৰ জন্ম হৈছিল ১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে, এসময়ৰ আহোমৰ ৰাজধানী গড়গাঁৱৰ নিকতৱৰ্তী এখন গাঁৱত। চিন্তাবিদসকলে এই ঠাইখন নাজিৰা মহকুমাৰ হাঁহচৰা শুকতি আলি বুলি অনুমান কৰিছে। লাচিতৰ দেউতাক আছিল ম'-ছাই চেং কালুক, যি



আহোমৰ লুখুৰাখন ফৈদৰ লান-ফিমা বংশৰ আছিল। পিছলৈ তেখেতৰ নাম মোমাই তামুলী ৰৰবৰুৱালৈ সলনি হয়। লাচিতৰ মাতৃৰ নাম লৈও একাংশ ব্যক্তিৰ মতৰ অমিল থাকিলেও বিজ্ঞসকলে নাগেশ্বৰী বুলি নিশ্চিত কৰিছে। মোমাই তামুলী আৰু নাগেশ্বৰীৰ সাতোটা সন্তানৰ ভিতৰত লাচিত সৰ্বকনিষ্ঠ আছিল। লাচিতৰ মবাও-লাও আৰু লাপেট-লাও নামে দুই ভাতৃ আৰু লাইচেং নামে এগৰাকী বায়েক আছিল। পিছলৈ নাম সলনি হোৱা বায়েক পাখৰী গাভৰুক স্বৰ্গদেউ জয়ধ্বজ সিংহই বিবাহ কৰাইছিল। জন্মসূত্রে লাচিতক দিয়া নাম আছিল লা-চিত।

লাচিতৰ পিতৃ মোমাই তামুলী দক্ষ আৰু কৰ্মপটু আছিল। বৰা, শইকীয়া, হাজৰিকা আদি বিষয়বাবৰোৰ স্বৰ্গদেউ প্রতাপ সিংহৰ দিনত মোমাই তামুলীয়েই সৃষ্টি কৰিছিল। পাইক প্রথাও মোমাই তামুলীৰে সৃষ্টি। প্রত্যেক পৰিয়ালৰ পৰা এজনকৈ ব্যক্তিয়ে ৰজাঘৰত খাটি দিব লগাটোৱেই পাইক প্রথা। যুদ্ধ হ'লে তেওঁলোক ৰণলৈ যাব লাগিছিল। প্রত্যেকজন ব্যক্তিক পাইক বুলি কোৱা হৈছিল। ২০জন পাইকৰ ওপৰত এজন বৰা, এশজন পাইকৰ ওপৰত এজন শইকীয়া আৰু এহাজাৰজন পাইকৰ ওপৰত এজন হাজৰিকা বাব দি পাইকসকলৰ প্রশাসনৰ ব্যৱস্থা কৰা হৈছিল।

সৰুৰে পৰাই নিৰ্ভীক তথা বুদ্ধিয়ক লাচিতক শিক্ষানুৰাগী পিতৃ মোমাই তামুলীয়ে প্রাৰম্ভিক শিক্ষা ঘৰতে দিয়াৰ ব্যৱস্থা কৰিছিল। সকলো দিশতে পাৰ্গত হ'বলৈ উপযুক্ত শিক্ষক নিয়োগ কৰা হৈছিল। শিক্ষাগুৰুৰ পৰা লাচিতে আহোম জাতিৰ ইতিহাস আৰু সংস্কৃতি, দেশৰ ইতিহাস, হিন্দু-সংস্কৃতি আৰু ধর্মনীতি, অর্থশাস্ত্র আদিৰ বিষয়ে জ্ঞান লাভ কৰিছিল। সমান্তৰালভাৱে শাসনকার্য সম্পর্কীয় জ্ঞান, বিভিন্ন অস্ত্রচালনা, ঘোঁৰা চালনাৰ লগতে অন্যান্য সামৰিক শিক্ষাও গ্রহণ কৰিছিল। বয়সৰ লগে লগে লাচিতে সকলো ক্ষেত্রতে পাৰ্গত হৈ উঠিছিল।

ৰৰবৰুৱাৰ পুত্র হিচাপে লাচিতে স্বৰ্গদেউৰ ৰৰচ'ৰালৈও সঘন আহ-যাহ কৰাৰ সুবিধা লাভ কৰিছিল। ফলস্বৰূপে ৰাজসভা পৰিচালনাৰ ক্ষেত্রত ৰৰবৰুৱা আৰু আন ডা-ডাঙৰীয়াসকলৰ মাজত হোৱা আলোচনাবোৰ লাচিতে প্রত্যক্ষ কৰাৰ সুবিধা পাইছিল আৰু কম বয়সৰ পৰাই বহুতো জ্ঞান, অভিজ্ঞতা তথা আদব-কায়দা আহৰণ কৰিব পাৰিছিল। লাচিতে সামৰিক আৰু অসামৰিক দুয়োটা শিক্ষা গ্রহণ কৰিছিল। পিতৃ ৰৰবৰুৱা ৰাজপৰিয়ালৰ অন্যতম অংশীদাৰ হোৱা বাবে লাচিতেও কৈশোৰৰ পৰাই সততা, নম্রতা, দায়িত্ববোধ আৰু আনুগত্য গুণ উত্তৰাধিকাৰী সূত্রে লাভ কৰিছিল।

পিতৃ মোমাই তামুলী ৰৰবৰুৱা আহোম ৰাজ্যৰ প্রথমজন ৰৰবৰুৱা হোৱাৰ বাবে লাচিতে আহোম ৰজাৰ ৰাজসভাৰ গুৰুত্বপূর্ণ পদ পোৱা নাছিল। অত্যুৎসাহী তেজাল ডেকা লাচিতক ৰজাই প্রথমতে ৰাজমন্ত্রী ডাঙৰীয়াৰ 'হাঁচতিধৰা তামুলী'ৰ পদত নিযুক্তি দিছিল। এগৰাকী ব্যক্তিগত সহায়ক পর্যায়ৰ এই পদটোত নিয়োজিত হোৱাৰ প্রক্রিয়াৰে লাচিতে আহোম ৰাজ্যৰ ৰাজনীতিত প্রথমবাৰৰ বাবে প্রৱেশ কৰিছিল। ইয়াৰ পাছত কেইদিনমানৰ বাবে 'ঘোঁৰা বৰুৱা' পদত নিযুক্ত হৈছিল। 'ঘোঁৰা বৰুৱা' লাচিতৰ কামৰ দক্ষতাত সন্তুষ্ট হৈ আহোম ৰজাই পৰৱর্তী সময়ত তেওঁক 'দুলীয়া বৰুৱা' পদবীত নিযুক্তি দিছিল। পৰৱর্তী সময়ত তেওঁক শিমলুগুৰীয়া খেলৰ প্রধান বিষয়া 'শিমলুগুৰীয়া ফুকন'ৰ পদবী প্রদান কৰে। শিমলুগুৰীয়া ফুকন হিচাপে দায়িত্ব সম্পন্ন কৰাৰ কিছুদিন পাছত লাচিতে 'দোলাকাষৰীয়া বৰুৱা' পদতো নিযুক্ত হৈছিল। দোলাকাষৰীয়া বৰুৱাৰ কাম হিচাপে তেওঁ ৰজাই ৰাজ্যৰ কামত দোলাত উঠি যাওঁতে ৰজাৰ পালি-পহৰীয়া আৰু চাওদাংসকলৰ কামৰ তদাৰক আৰু সিহঁতক নিয়ন্ত্রণ কৰাৰ দায়িত্ব পালন কৰিব লাগিছিল।

লাচিতৰ পালি-পহৰীয়া আৰু চাওদাংবোৰক পৰিচালনা কৰাৰ কৌশল আৰু দক্ষতাত স্বৰ্গদেউ চক্রধ্বজ সিংহ মুগ্ধ হৈ পৰিছিল। লাচিতৰ দেহত ৰৰফুকন পদৰ বাবে প্রয়োজনীয় সকলো গুণেই ৰজাই বিচাৰি পাইছিল। সেয়েহে মনে মনে লাচিতক উচ্চপদত নিয়োগ কৰাৰ সিদ্ধান্ত লৈ দক্ষতাৰ এটা শেষ পৰীক্ষা ল'বলৈ মনস্থ কৰিলে। এদিন দোলনা এখনত বহি লৈ চাওফাই লাচিতক সুধিলে— 'বংগৰ শত্রু চৈয়দ ফিৰোজ আৰু চৈয়দ চালাহক আমি কেনেকৈ ধৰি আনিব পাৰো?' স-সম্মানে লাচিতে উত্তৰ দিলে— 'চাওফাৰ ৰাজ্যত মানুহ নাই নেকি? বঙালনো কি? মানুহহে! আমাৰ ৰাজ্যত নোলাব নেকি তেনে মানুহ? চাওফাই আদেশ দিবহে লাগে।' ৰজাই মনতে লাচিতক 'ফুকনলুঙ'ৰ দায়িত্ব অর্পণ কৰাৰ সিদ্ধান্ত ল'লে। ফুকনলুঙৰ পদ গ্রহণ কৰাৰ পূর্বে চাওফাই লাচিতৰ পৰাক্রম আৰু সাহস প্রমাণৰ বাবে লাচিতক নজনোৱাকৈ আন

এটা পৰীক্ষা লোৱাৰ বাবে মনতে বুদ্ধি পাঙিলে। লাচিতক চাওফাৰ সন্মুখলৈ মাতি অনালে। লাচিত আহি চাওফাইৰ আগত আঁঠু লৈ থাকোতে এজন লগুৱাই সাউৎকৰে লাচিতৰ মূৰৰ কাপোৰখন লৈ দৌৰ মাৰিলে। আচলতে চাওফাই এই কামটো কৰাৰ আদেশ দি থৈছিল। তীব্ৰ খঙত লাচিতে খাপৰ পৰা হেংদাং উলিয়াই লগুৱাজনক পিছে পিছে খেদি গ'ল। লগুৱাজনে চাওফাৰ বহা আসনৰ তলত সোমাই কেনেবাকৈ প্ৰাণ ৰক্ষা কৰিলে। চাওফাই লাচিতক ক্ষান্ত কৰিলে। স্বৰ্গদেউৱে লাচিতক বৰফুকন বা প্ৰধান সেনাপতি পদত অধিষ্ঠিত কৰিলে। নিজৰ অধ্যৱসায়, বীৰত্ব, সাহস আৰু কষ্টৰ বলত শিশু লাচিত যুৱ কালত লাচিত বৰফুকনলৈ পৰ্যবসিত হৈছিল।

১৬৬২ খ্ৰীষ্টাব্দৰ অতি গুৰুত্বপূৰ্ণ ঘটনাটো আছিল স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্বকালত মোগল সম্ৰাট ঔৰংজেৱৰ সেনাবাহিনীয়ে মীৰজুমলাৰ নেতৃত্বত অসম আক্ৰমণ কৰি আহোম ৰাজ্যক কৰতলীয়া ৰাজ্য হিচাপে অন্তৰ্ভুক্ত কৰাটো। স্বৰ্গদেউ জয়ধ্বজ সিংহই অসমৰ স্বাধীনতা ঘূৰাই আনিবলৈ অহোপুৰুষার্থ কৰিও সফল হোৱা নাছিল। তেওঁৰ মৃত্যুৰ পাছত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই হৃত গৌৰৱ উদ্ধাৰৰ প্ৰচেষ্টা হাতত লৈ লাচিত বৰফুকনক ইয়াৰ দায়িত্ব দিছিল। সেনাপতিৰ দায়িত্ব লৈয়েই লাচিতে সৈন্যবাহিনীক সুসংগঠিত কৰিলে। গুৱাহাটী উদ্ধাৰৰ বাবে যুদ্ধবিশাৰদ আতন বুঢ়াগোহাঁইৰ লগত যুদ্ধকৌশল ৰচনা কৰিছিল। ১৬৬৭ খ্ৰীষ্টাব্দৰ ২ নৱেম্বৰৰ মাজনিশা আহোম সৈন্যই ইটাখুলি আৰু গুৱাহাটী দুৰ্গ অধিকাৰ কৰি বহুতো মোগল সৈন্যক হত্যা কৰাৰ লগতে মীৰজুমলাই ১৬৬২ খ্ৰীষ্টাব্দত বন্দী কৰি নিয়া ভালেমান আহোম সৈন্যক উদ্ধাৰ কৰি মোগল সেনাক খেদি পঠিয়াইছিল। এনে পৰাজয়ৰ গ্লানিত অসহ্য হৈ মোগল সম্ৰাট ঔৰংজেৱে বিশাল সৈন্যবাহিনী সহ ১৬৬৮ খ্ৰীষ্টাব্দ ৬ জানুৱাৰীত সেনাপতি ৰামসিংহক অসম আক্ৰমণৰ বাবে যাবলৈ আদেশ দিলে। পৰাক্ৰমী লাচিত বৰফুকনে মোগলৰ বিশাল সৈন্যবাহিনী দেখিও বিচলিত নহৈ আহোম সৈন্যক নিজৰ কৰ্তব্যক অৱহেলা নকৰি মৰণপণ যুঁজ দি হ'লেও শত্ৰুক পৰাস্ত কৰিবলৈ সাজু হ'বলৈ আহ্বান জনালে। কামৰূপ জিলাৰ দলিবাৰীৰ ওচৰৰ আলাবৈ পৰ্বতৰ দাঁতিত বাহৰ পাতি থকা মোগল সেনাই ১৬৬৯ খ্ৰীষ্টাব্দৰ ৫ আগষ্টত অতৰ্কিতে আক্ৰমণ চলায়। দুখৰ কথা যে এই 'আলাবৈ ৰণ'ত একেদিনাই প্ৰায় ১০,০০০ আহোম সৈন্যই প্ৰাণ দিবলগীয়া হৈছিল। এই ৰণত লাচিত বৰফুকনৰ মন প্ৰথমতে ভাঙি পৰিছিল যদিও যুদ্ধবিচক্ষণ মহামন্ত্ৰী আতন বুঢ়াগোহাঁইৰ বুজনিত বৰফুকন পুনৰ দৃঢ় হৈ পৰিল আৰু দুয়ো মিলি মজবুত ৰণকৌশল ৰচনা কৰিলে। মোগলক ভেটা দিবলৈ ঠায়ে ঠায়ে গড় নিৰ্মাণ কৰিলে। উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ ওচৰত এৰাতিৰ ভিতৰতে গড় নিৰ্মাণৰ কাম চোৱা-চিতাৰ দায়িত্ব মোমায়েকক প্ৰদান কৰিছিল। নিৰ্মাণৰ কামত কৰা হেমাহিৰ বাবে খঙত অগ্নিশৰ্মা হৈ লাচিতে মোমায়েকক শিৰশ্ছেদ কৰি চিঞৰি উঠিছিল— 'দেশতকৈ মোমাই ডাঙৰ নহয়।' লাচিতৰ এই উগ্ৰমূৰ্তিত শংকিত হৈ সকলো ৰণুৱা-বনুৱাই দুগুণ শক্তিৰে কাম কৰি নিশাৰ ভিতৰতে গড় বন্ধা কাম সম্পূৰ্ণ কৰিছিল।

হেন সময়তে স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ মৃত্যু হৈছিল। এই সুবিধা লৈ ৰামসিংহই সন্ধিৰ প্ৰস্তাৱ আগবঢ়াইছিল যদিও নতুন স্বৰ্গদেউ উদয়াদিত্য সিংহই মোগলক চিৰদিনৰ বাবে খেদি পঠিয়াবলৈ বৰফুকনক কঢ়া নিৰ্দেশ দিলে। ইতিমধ্যে গৰিলা যুদ্ধ আৰু নৌ-যুদ্ধৰ বাবে আহোম সেনাক সাজু কৰি তোলা হৈছিল। ৰণ জিকাৰ বাবে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ ৰজা আৰু তেওঁলোকৰ সৈন্যবাহিনীৰো সহায় লৈছিল। বিধিৰ বিপাক যে সেই সময়তে লাচিত বৰফুকনৰ তীৰকঁপা জ্বৰ উঠা আৰম্ভ হৈছিল। এই বাতৰি ৰামসিংহৰো কাণত পৰিছিল। কুবুদ্ধিসম্পন্ন আৰু সুযোগসন্ধানী ৰামসিংহই লাচিতৰ গা অধিক বেয়াৰ ফালে যোৱালৈকে অপেক্ষা কৰিছিল। ইফালে, সুযোগ বুজি বৰফুকনলৈ কটকী পঠিয়াই সন্ধি-স্থাপনৰো প্ৰস্তাৱ দিছিল। 'অসমান' অসমত অশ্বাৰোহীৰে যুদ্ধ কৰি পোৱা অসুবিধাৰ কথা ৰামসিংহই ঔৰংজেৱক অৱগত কৰিছিল যদিও মহাৰাজে সেই কথাত পতিয়ন নগৈ ৰামসিংহক যেনে-তেনে গুৱাহাটী দখলৰ আদেশ দিয়ে। চৌদিশৰ গড় আৰু পাহাৰ-পৰ্বতৰ আৱেষ্টনী পাৰ হৈ অসমান মাটিত কৰিবলগীয়া হোৱা যুদ্ধক লৈ ৰামসিংহই ভয়ো খাইছিল। তদুপৰি আহোম কটকীসকলৰ ছলাহী কথায়ো ৰামসিংহক মানসিকভাৱে কিছু বিচলিত কৰিছিল। মোগলে পঠিওৱা নানা কাৰচাজিৰ বুঢ়াগোহাঁই আৰু বৰফুকনে ভেঙুচালি কৰি যথাযোগ্য উত্তৰ দিছিল। যথা সময়ত স্বৰ্গদেউৰ আজ্ঞা শিৰোধার্য কৰি নৰিয়া গাৰেই গুৱাহাটীৰ আমিনগাঁৱৰ শৰাইঘাট অঞ্চলৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজৰ আন্ধোৰুবালিৰ কাষত আহোম আৰু মোগল সেনাৰ মাজত নৌকা-যুদ্ধ আৰম্ভ হয়। মোগল সৈন্যবাহিনীৰ যুদ্ধ

জাহাজে তীব্র গতিৰে আগুৱাই আহিল। যুদ্ধ লগাৰ কিছু পাছতেই আহোম সেনাই ছেদেলি-ভেদেলি হৈ প্ৰাণৰ ভয়ত যুদ্ধ এৰি নৌকা পিছুৱাই নিবলৈ আৰম্ভ কৰিছিলহে। লাচিত বৰফুকনে এই দৃশ্য দেখি ৰৈ থাকিব নোৱাৰিলে। তীৰকঁপে উঠা জ্বৰৰ দেহাৰে লাচিত নৌকাত উঠিল আৰু আহোম সৈন্যক ধিক্কাৰ দি নিজে এফালৰ পৰা মোগল সৈন্যক কাটি-মাৰি নৌকা আগুৱাই নিবলৈ ধৰিলে। লাচিতৰ পৰাক্ৰমত পৰিক্ৰমী হৈ 'জয় লাচিতৰ জয়' বুলি গগনভেদি ধ্বনিৰে আহোম সেনাই শেনৰ দৰে চোঁচা মাৰি মোগল সেনাক টুকু�ৰা-টুকুৰকৈ কাটি-মাৰি লুইতৰ পানী ৰাঙলী কৰি আগুৱাই যাবলৈ ধৰিলে। ৰণত বহুত মোগল সৈন্যৰ মৃত্যু ঘটিল। সেনাপতি ৰামসিংহও তিষ্ঠিব নোৱাৰি পলাবলৈ বাধ্য হ'ল। আহোম সেনাই মোগল সেনাক মানাহ নদী পাৰ কৰাই খেদি পঠিয়ালে। ১৬৭১ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহৰ এই যুদ্ধখনেই হ'ল সোতৰবাৰকৈ অসম আক্ৰমণ কৰা মোগলৰ অসমত শেষ যুদ্ধ, বিশ্ববিশ্ৰুত— 'শৰাইঘাট যুদ্ধ'। দুখৰ কথা যে শৰাইঘাটৰ যুদ্ধত জয়ী হোৱাৰ পাছত ১৬৭২ খ্ৰীষ্টাব্দৰ ২৫ এপ্ৰিলত লাচিতৰ মৃত্যু হয়। পাছলৈ চাওফা উদয়াদিত্য সিংহই যোৰহাটৰ পৰা ১৬ কিল'মিটাৰ নিলগৰ হোলোঙাপাৰত বীৰজনাৰ স্মৃতিত 'লাচিত মৈদাম' নিৰ্মাণ কৰাইছিল। শৰাইঘাটৰ যুদ্ধত পৰাস্ত হোৱা ৰামসিংহই লাচিত বৰফুকনৰ বীৰত্বৰ প্ৰশংসা কৰি মন্তব্য কৰিছিল— 'বৰ নবাব লাচিত বৰফুকন সামান্য বীৰ নহয়, যন্ত্ৰাকৃতি গড়। মই একো ঠাইত ছিদ্ৰ নাপালো। ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য দেশ। একেটা সৈন্যই সকলো চলায়, মই হেন ৰামসিংহই থলত থাকিও একো ছিদ্ৰ নাপাওঁ।'

প্ৰতি বছৰৰ ২৪ নৱেম্বৰৰ দিনটোত লাচিত বৰফুকনৰ বীৰত্ব আৰু শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাৰ বিজয়ৰ স্মৃতিত লাচিত দিৱস হিচাপে পালন কৰা হয়। এই বছৰ অসমৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী বৰ্ষ হিচাপে পালন কৰা হৈছে। অসম চৰকাৰৰ উদ্যোগত দেশৰ ৰাজধানী নতুন দিল্লীত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে জন্মজয়ন্তী উদ্‌যাপন কৰা হয় য'ত দেশৰ মাননীয় প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আদিকে ধৰি বহু ৰাজনীতিবিদ, বুৰঞ্জীবিদ তথা চিন্তাবিদ উপস্থিত থাকে। অসম চৰকাৰে ভাৰতৰ জনসাধাৰণক উক্ত কাৰ্যসূচীৰ জৰিয়তে জনাবলৈ প্ৰয়াস কৰিছে যে ভাৰতৰ পৰাক্ৰমী বীৰ ৰাণা প্ৰতাপ, ছত্ৰপতি শিৰাজী আদিৰ দৰে অসমৰ লাচিত বৰফুকনৰ বীৰত্বও কোনোগুণে কম নহয়। আমাৰ আশা— এতিয়াৰ পৰা অসমৰ স্বাভিমান তথা শৌৰ্য-বীৰ্যৰ প্ৰতীক পৰাক্ৰমী সেনাপতিগৰাকী ৰাষ্ট্ৰত তথা বিশ্বৰ প্ৰেক্ষাপট উজলি উঠিব আৰু ভাৰতৰ লগতে বিশ্বৰ বুৰঞ্জীত মহাবীৰ লাচিত বৰফুকনৰ নাম সোণালী আখৰেৰে জিলিকি থাকিব।❖❖

- ভাগ্যক কাহানিও বিশ্বাস নকৰিবা, বিশ্বাস কৰিবা শক্তিক। —ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা
- শিক্ষা জাতিৰ মেৰুদণ্ড। এই মেৰুদণ্ড ভাঙিলে জাতিৰ উন্নতিৰ সকলো পথেই অবৰুদ্ধ হয়। — ৰাজা ৰামমোহন ৰায়
- কিতাপ নথকা ঘৰ, খিৰিকী নথকা কোঠালিৰ দৰে। - এইচ. মেনন
- খং নকৰিবা, নিজৰ সৰ্বনাশ হ'ব; অহংকাৰ নকৰিবা, পতন হ'ব; কাকো ঘৃণা নকৰিবা, নিজেও ঘৃণিত হ'বা; ফাঁকি নিদিবা, ফাঁকত পৰিবা। - স্বামী বিবেকানন্দ

সংগ্ৰাহক
প্ৰশান্ত মহন্ত
প্ৰাক্তন ছাত্ৰ (২০০৯ বৰ্ষ)
কাৰিকৰী বিষয়া
আই.চি.এ.আৰ.- আৰ.চি. — এন.ই.এইচ.
উমিয়াম, মেঘালয়

অসমীয়া জনজীৱনত মাছ

ইন্দ্রমোহন বৰা
প্রাক্তন অতিথি শিক্ষক
মীন মহাবিদ্যালয়, বহা

মাছ শীতলৰক্তি এবিধ জলচৰ প্রাণী। মাছ পৃথিৱীৰ প্রাচীন প্রাণীবিলাকৰ ভিতৰত অন্যতম।

হিন্দুৰ অৱতাৰবাদ মতে মাছ বিষ্ণুৰ প্রথম অৱতাৰ। প্রলয় জলৰ পৰা চাৰিবেদ উদ্ধাৰ কৰিবৰ বাবেই বিষ্ণুৱে মাছৰ ৰূপ ধাৰণ কৰিছিল বুলি বৈষ্ণৱসকলে বিশ্বাস কৰে। মৎস্য পু�ৰাণত অলেখ মাছৰ নাম পোৱা যায় আৰু এই মাছবোৰৰ উৎপত্তি সম্পর্কে অনেক কাহিনীৰে মৎস্য পুৰাণ ভৰপূৰ।

মাছ অসমীয়া মানুহৰ প্রিয় খাদ্য। অসমীয়া মানুহে মাছক অতিৰিক্ত খাদ্য হিচাপে ব্যৱহাৰ কৰে। গ্রীনলেণ্ড আৰু আইচলেণ্ডত বসবাস কৰা এস্কিমোসকলৰ বাবেহে মাছ একমাত্র আৰু প্রধান আহাৰ। ভাৰতৰ অন্যান্য ৰাজ্যত বৈষ্ণৱসকলে মাছ নাখায়। কিন্তু অসমত কি ব্রাহ্মণ, কি বৈষ্ণৱ সকলোৱেই মাছ খায়। অৱশ্যে শাল, শিঙি, মিৰিকা, গৰুৱা, নেৰিয়া আদি কেইবিধমান মাছ উচ্চ বর্ণৰ মানুহে এতিয়াও নাখায়। যোগিনীতন্ত্রৰ মতে, অসমৰ সকলো শ্রেণীৰ বাবেই মাছৰ ব্যৱহাৰ নিষিদ্ধ নহয় বুলি উল্লেখ আছে। অৱশ্যে উচ্চ বর্ণৰ লোকে দেখাত সাপৰ দৰে আৰু বাকলি নথকা মাছ নাখাইছিল। নিমখৰ সলনি পানীত গজা শাকেৰে মাছৰ আঞ্জা ৰন্ধা হৈছিল আৰু নানান ফলেৰে মাছৰ টেঙা খোৱা হৈছিল। কিছুমান পণ্ডিতে ক'ব খোজে সর্বসাধাৰণ মানুহে মাছ খোৱা নিয়মটো জনজাতিৰেই প্রভাৱ। 'সর্ব্বেশী যোগিনীপীঠে ধর্ম্ম কৈৰাতজঃমতঃ। কামৰূপে ন সনাস্তথা দীর্ঘব্রতং প্রিয়ে। নত্যজেৎ সামিয়ং দেৱী ব্রহ্মচর্য্য মতং ন চ।' তেনেহ'লে ভাৰতৰ অন্য অঞ্চলত আর্য্য হিন্দু সমাজত নচলা অথচ অসমত চলা আহাৰ-বিহাৰ জনজাতিৰেই প্রভাৱ। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই 'অসমৰ লোক-সংস্কৃতি' নামৰ তেখেতৰ গ্রন্থৰ এঠাইত লিখিছে— অসমৰ নদীবোৰেই অসমীয়া মানুহবোৰক আমিষভোজী কৰিছে। কোনো এটা দৃষ্টিকোণৰ পৰা হয়তো সঁচা। ভাৰতত নদী থকা অঞ্চলৰ মানুহ বোৰ অসমীয়া মানুহৰ দৰে আমিষভোজী নহয় কিয় সেয়া ভাবিবৰ থল নোহোৱা নহয়। ধর্মীয় বিশ্বাস বুলি ভাবিবৰো মন যায়। জনজাতীয় প্রভাৱৰ কথাকো একে আষাৰতে উৰুৱাই দিব নোৱাৰি। ভাৰতৰ অন্য ৰাজ্যৰ বৈষ্ণৱসকলৰ লগত অসমৰ বৈষ্ণৱসকলৰ এইখিনিতে পার্থক্য মন কৰিবলগীয়া। গুৰুচৰিতত উল্লেখ আছে শ্রীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে মাছ-পুঠি উভৈনদীকৈ পোৱা ঠাইসমূহতহে সত্র স্থাপন কৰিছিল।

কেৱল খাদ্যৰ বাবেই নহয়, মাছ নামৰ এই শীতলৰক্তি প্রাণীটোৱে অসমৰ আর্থ-সামাজিক আৰু সাংস্কৃতিক জীৱনত এৰাব নোৱাৰাকৈ বান্ধ খাই আছে। ধর্মীয় আচাৰ-অনুষ্ঠান পালনত, সামাজিক ৰীতি-নীতি পালনত, জীৱিকা নির্বাহৰ ক্ষেত্রত, নামকৰণৰ ক্ষেত্রত, ৰোগ নিৰাময়ৰ ক্ষেত্রত, অসমীয়া ফকৰা-যোজনা, অসমীয়া লোকগীত, প্রবচন আদিত মাছৰ বিশিষ্ট স্থান আছে আৰু এইবোৰে অসমীয়া মানুহৰ মৎস্যপ্রীতিৰ স্বাক্ষৰ বহন কৰি আহিছে। মাছক লৈ জনবিশ্বাস, জনশ্রুতিৰ সৃষ্টি হৈছে। সৃষ্টি হৈছে সাধু, গল্প, কবিতা, উপন্যাস আদি। চহকী হৈছে অসমীয়া সাহিত্যৰ ভঁৰাল। অসমীয়া সাংস্কৃতিক জীৱনত মাছৰ প্রভাৱ কি ইয়াৰ পৰাই অনুমান কৰিব পাৰি।

জীৱিকাৰ উপায় হিচাপেও মাছৰ গুৰুত্ব আছে। অসমৰ মুঠ জনসংখ্যাৰ এক বুজন অংশই মাছ মাৰিয়েই জীৱিকা নির্বাহ কৰি আছে। মাছুৱৈসকলে অসমৰ জান, জুৰি, নৈ, বিল আৰু

খালত মাছ মাৰে আৰু সেইবোৰ বজাৰত বেচি জীৱিকা উলিয়ায়। মাছ ধৰিবৰ কাৰণে বিভিন্ন মাছধৰা সঁজুলি তৈয়াৰ কৰি সেইবোৰ বেচিও উপার্জন কৰে। চুটিজাল, ঢেঁকী জাল, ফাঁচি জাল, লাঙি জাল, খেৱালী জাল আদি বিভিন্ন জাল তৈয়াৰ কৰি লয়। ইয়াৰ বাহিৰেও চেপা, থুহা, জকাই, পল', জুলুকি, দলঙা আদি মাছ মাৰিবৰ কাৰণে তৈয়াৰ কৰি লয় অথবা সেইবোৰ বেচি অর্থ উপার্জন কৰে। ইয়াৰ বাহিৰেও পচা, আফাৰি আদি তৈয়াৰ কৰিও অসমৰ এক শ্রেণীৰ লোকে জীৱিকা উলিয়ায়। অসমৰ দৰে কৃষিজীৱী সমাজৰ আর্থিক অৱস্থাৰ উন্নতি সাধন কৰাত মাছেও এক উল্লেখযোগ্য ভূমিকা ল'ব পাৰে, যদিহে 'মাছ মৰা'ক শিল্প হিচাপে গঢ়ি তুলিব পাৰি। এতিয়া মাছক পৃথিৱীত সম্পদৰূপে গণ্য কৰা হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে অসমত মাছৰ চাহিদাও বৃদ্ধি পাইছে। মাছৰ চাহিদালৈ লক্ষ্য কৰি এই কথা ক'ব পাৰি যে মাছ মৰাক শিল্প হিচাপে গঢ়ি তুলিব পাৰিলে অসমৰ লাভজনক শিল্পৰূপে গৰিগণিত হ'ব। বহু লোকৰ কর্মসংস্থাপনৰ সুবিধা ওলাব আৰু অসমৰ ৰাজ্যিক আয়লৈ শকত ৰৰঙণি আগবঢ়াব পাৰিব।

অর্থনৈতিক ক্ষেত্রতেই নহয়, অসমৰ সাংস্কৃতিক জীৱনত মাছৰ অৱদান উল্লেখযোগ্য। অসমত সামাজিক ৰীতি-নীতি



পালনত মাছ অপৰিহার্য। মাংগলিক অনুষ্ঠান, সভা-সমিতি, প্রেতকর্ম, জন্মোৎসৱ, অন্নপ্রাসন, আলহী অভ্যর্থনা আদিত মাছ নহ'লেই নহয়। অসমৰ মানুহবোৰ বৰ অতিথিপৰায়ণ। দুপৰীয়া অতিথি ওলালে সাক্ষাৎ দামোদৰ বুলি ভাবে। আলহীক শুশ্রূষা কৰি পৰম তৃপ্তি পায়। অতিথিক মাছেৰে ভাত খুৱাবলৈ নাপালে মনত শান্তি নাপায়। কাৰোবাৰ ঘৰত ল'ৰা উপজিলে ওচৰ-চুবুৰীয়াৰ ঘৰে ঘৰে 'মাছদান' প্রথা অসমতে আছে।

বিবাহ এক সংস্কাৰ। এই সংস্কাৰৰ অনুষ্ঠানত মাছ অপৰিহার্য। বিবাহ নামৰ এই মাংগলিক অনুষ্ঠানত মাছক শুভ কার্যৰ প্রতীক হিচাপে গণ্য কৰা হয়। নামনি অসমত 'ফোঁটদান' অনুষ্ঠানত মাছক শুভ কার্যৰ প্রতীক হিচাপে গণ্য কৰা হয়। নামনি অসমত 'ফোঁটদান' অনুষ্ঠানত এদল সধবা আৰু কুমাৰী ছোৱালীয়ে সেন্দূৰ, দৈ, তামোল-পাণ আদিৰ লগতে মাছো লৈ যায় আৰু ফোঁট পিন্ধাই বিবাহ চুক্তি সম্পাদন কৰে। দৰাপক্ষৰ পৰা 'তেলভাৰ' লৈ কন্যাৰ ঘৰলৈ যায় আৰু কন্যাক দিবলগীয়া আ-অলংকাৰৰ লগতে মাছো লৈ যায় (সাধাৰণতে ৰৌমাছ লৈ যায়। ৰৌমাছ নাপালে অৱস্থা চাই ব্যৱস্থা কৰে)। এই মাছেৰে অধিবাসৰ পিছত জ্ঞাতি-কুটুম্বক ভোজ খুৱায়। উজনি অসমৰো কোনো ঠাইত জোৰোণৰ দিনা দৰাঘৰৰ পৰা এযোৰ মাছ লৈ যায় আৰু তাৰে এটা মাছ কন্যাই হাতেৰে চুই দিব লাগে। কন্যাই চুই দিয়া মাছটো দৰাপক্ষই আনি তাৰে জ্ঞাতি-কুটুম্বক ভোজ খুৱায়। উজনি অসমৰ কোনো কোনো আহোম সম্প্রদায়ৰ 'ন পুৰুষৰ শ্রাদ্ধত' এযোৰ মাগুৰ মাছ উছর্গা কৰে। অসমৰ সকলো ঠাইতে 'খোবাউৰি' আৰু 'আঠমঙলা'ত মাছেৰে ভোজ খুওৱাৰ নিয়ম আছে। নামনিত 'বৰ-কইনাৰ পাতত ভাত দিয়া' অনুষ্ঠানৰ ভোজত মাছ ব্যৱহাৰ কৰে। অসমৰ প্রায় সকলো ঠাইতে ঘৰৰ মংগল কামনা কৰি যি ভোজ দিয়া হয়, সেই ভোজত মাছৰ বাহিৰে মাংস ব্যৱহাৰ নকৰে। ঠিক সেইদৰে নামকৰণ উৎসৱতো মাছেৰে ভোজ দিয়া হয়। নামনি অসমত ব্রাহ্মণসকলৰ মাজত 'পুংসৱন' নামৰ এটা ধর্মীয় অনুষ্ঠান প্রচলিত আছে। এই অনুষ্ঠান (পুংসৱন ধর্মীয় কার্য সম্পাদন কৰা হয় নাৰীৰ প্রথম গর্ভধাৰণৰ অষ্টম মাহত। গর্ভস্থ সন্তানৰ মংগল কামনা কৰি এই অনুষ্ঠান পালন কৰা হয়। বর্তমান এই অনুষ্ঠান পালন কৰাতো কমি আহিছে।) এযোৰ মাগুৰ মাছ (লোকে কয় মাগুৰ মাছৰ আয়ুস হেনো দীঘলীয়া) কইনাক দেখুৱাই পানীত মেলি দিয়া হয়। ইয়াৰ

উদ্দেশ্য হ'ল মাতৃৰ গৰ্ভস্থ সন্তানটো দীৰ্ঘজীৱী হোৱাৰ কামনা কৰা। 'পুহন বিয়া'ৰ বিয়ানামত ইয়াৰ উল্লেখ আছে—

'চৰিয়াত জীয়াবা মাগুৰ মাছ এহালি
কইনাৰ আগতে থ'বা
সেই মাছ হালিকে নৈত মেলি দিবা
দীৰ্ঘজীৱী পুত্ৰ পাবা।'

অসমত বাস কৰা আন আন জনগোষ্ঠীৰ মাজতো বিবাহ অনুষ্ঠানত মাছৰ ব্যাপক ব্যৱহাৰ আছে। উৰ্বৰতাৰ প্ৰতীক হিচাপে যোৰ মাছ দেখুওৱাৰ প্ৰথা অসমতো আছে। মাছক সৌভাগ্যৰো প্ৰতীক বুলি ধৰা হয় বাবেই অসমীয়া তিৰোতাই গামোচাত, চাদৰত মাছৰ চানেকি তোলে; ঘৰত মাছৰ ছবি আঁকে। মাটিৰে মাছ সাজি ঘৰত সজায়। অসমীয়া মানুহে প্ৰেতকৰ্মতো মাছ ব্যৱহাৰ কৰে। ঘৰত মানুহ মৰিলে অসমীয়া মানুহে অশৌচৰ দিনকেইটা মাছ নাখায়। কিন্তু শ্ৰাদ্ধৰ দিনা ৰাতি 'জ্ঞাতি লগ লয়' অৰ্থাৎ জ্ঞাতিৰে স'তে মাছেৰে নিৰামিষ ব্ৰত ভংগ কৰে। পিছদিনা গাঁৱৰ মানুহক মাতি মাছেৰে ভোজ-ভাত খুৱায়।

অসমীয়া মানুহে গ্ৰহৰ দোষ খণ্ডন কৰাৰ বেলিকাও মাছ অপৰিহাৰ্য। শনি গ্ৰহৰ দোষ খণ্ডন কৰিবলৈ প্ৰতি শনিবাৰে গৰৈ মাছ পুৰি খোৱাৰ নিয়ম আছে। ৰাহুৰ দোষ খণ্ডন কৰিবলৈ ৰঙা চাউল ৰঙা মাছেৰে ভকতক খুৱায়।

অসমত ধৰ্মীয় অনুষ্ঠান পালনতো মাছৰ প্ৰভাৱ মন কৰিবলগীয়া। দেৱ-দেৱীৰ পূজাত অসমীয়া শাক্তসকলে মাছ উছৰ্গা কৰাৰ নিয়ম আছে। হাজো দেৱালয়ত যি 'মৎস্যধ্বজ' পূজা কৰা হয় তাতো মাছ বলি দিয়া হয়। কামাখ্যা মন্দিৰত জীয়া ৰৌ মাছ বলি দিয়া হয় আৰু সেইদৰে কালী পূজাতো অন্যান্য বলিৰ দৰে এটা দোণাত এহাল জীয়া মাগুৰ মাছ ৰাখি তাৰ ওপৰত বেল দি মাছহালক নিয়ন্ত্ৰণ কৰি বলি দিয়া হয়।

মাছ প্ৰজননৰ প্ৰতীক। মাছৰ বংশবৃদ্ধি দ্ৰুতগতিৰে হয়। সেইবাবে কৃষি উৎসৱ পালনতো মাছে উল্লেখযোগ্য ভূমিকা পালন কৰে। উজনি অসমৰ কোনো কোনো ঠাইত 'লখিমী আদৰা' উৎসৱত তিৰোতা মানুহে বিল বা পুখুৰীত জাকৈ বায়। জাকৈত উঠা জাঁৱৰ-জোথৰ আৰু মাছ তুলি আনি বেদীত উৎসৰ্গা কৰে আৰু তাৰ পিছত ভঁৰাল নাইবা শস্যৰ পথাৰত ছটিয়াই দিয়ে। অসমীয়া মানুহে আশা কৰে মাছৰ বংশবৃদ্ধি দ্ৰুতগতিৰে হোৱাৰ দৰে পথাৰ শস্যৰে নদন-বদন হওক (কি সুন্দৰ কল্পনা!)।



মাছৰ নামেৰে অসমত বহুতো গাঁও আছে। গৰৈমাৰি, কাৰৈমাৰি, শ'লমাৰি, বাটমাৰি, পুথিমাৰি, শিঙিমাৰি, খলিহামাৰি, বেচামাৰি, পাভৈ, পাভমাৰি, চিতলমাৰি, কান্ধুলিমাৰি, মাগুৰগাঁও ইত্যাদি। অকল গাঁৱৰ নামেই নহয় মাছৰ নামেৰে মানুহৰ নামো আছে। কাৰৈটিলা, পাভৈ, চেংধৰ, চেংবৰ, বাহু, বাহপতি ইত্যাদি। ইয়াৰ বাহিৰেও ঔষধি গছ (বৰালি বুকুৰা), সৰু সৰু ল'ৰা-ছোৱালীৰ খেল (মাছবাকলীয়া), ধান (মাগুৰী) আদিতো মাছৰ নামৰ ব্যৱহাৰ দেখা যায়। এইবোৰেই প্ৰমাণ কৰে অসমীয়া সংস্কৃতিৰ লগত মাছৰ সম্পৰ্ক কিমান নিবিড়।

মাছক লৈ অসমীয়া সমাজত কিছুমান বিশ্বাসৰো সৃষ্টি হৈছে। অসমীয়া মানুহে মাছৰ শুকান হাঁড় আৰু মূৰ ঘৰৰ চালত আঁৰি থ'লে ভূত-প্ৰেত নাহে বুলি বিশ্বাস কৰে। চ'ত মাহত পুঠিমাছৰ কণী খালে মৃত্যু হ'ব পাৰে বুলি বিশ্বাস কৰে; সেইবাবে চ'ত মাহত অসমীয়া মানুহে পুঠিমাছ নাখায়। অসমীয়া মানুহৰ বিশ্বাস আছে, মাছ খাই গাখীৰ খালে বাত

বেমাৰ হয়। কাতি মাহত মাছ খালে শ্লেষ্মা হয়। ঠিক তেনেকৈ শাওণ মাহত বৰালি মাছ খালে ৰোগে পীড়া কৰে বুলি ভাবে। অসমীয়া মানুহে মাছ অপদেৱতাৰো প্ৰিয় বুলি বিশ্বাস কৰে। বিলু, পুখুৰী আদিত অপদেৱতা থাকে বুলি ধাৰণা কৰে। তেওঁলোকে এই অপদেৱতাক 'বাক' বুলি কয়। সমাজিকত মাছ দেখিলে সন্তান জন্ম নাইবা বিয়াৰ আগজাননী বুলি ভাবে। সপোনত বগা বাকলি থকা মাছ দেখিলে ঘৰলৈ টকা-পইচা আহে বুলি বিশ্বাস কৰে। সেইদৰে সপোনত ক'লা মাছ দেখা অশুভ লক্ষণ বুলি ভাবে।

অসমীয়া সমাজত মাছ ঔষধ ৰূপেও ব্যৱহাৰ হৈ আহিছে অতীত কালৰে পৰা। অসমীয়া মানুহে টোপনিত পেচাব কৰা সৰু-সৰু ল'ৰা-ছোৱালীক পাটীমুতুৰা মাছ খুৱায়। কোনো কোনো স্ত্ৰীৰোগত ডঁৰিকনা মাছ ঔষধত ব্যৱহাৰ কৰা হয়। দৃষ্টিশক্তিহীন মানুহক ৰৌমাছৰ পেটু খুৱায়। মাছৰ হাড় গুৰি কৰি চোবাই খালে দৃষ্টিশক্তি বাঢ়ে বুলি এটা বিশ্বাস আছে। ৰৌমাছৰ পিতত চাউল ভৰাই থৈ, পিতটো শুকাই যোৱাৰ পিছত পিতৰ ভিতৰত থকা চাউল খালে পিত্ত আৰু কৃমি নাশ হয়। পুঠি মাছৰ মূৰ ঘিউত ভাজি খালে বীর্য বাঢ়ে বুলি কয়। আই (বসন্ত) ওলোৱা মানুহক লোকাচাৰ মতে পকনি দিয়ে। ইয়াৰ বাবে চেঙা আৰু মোৱা মাছ উত্তম বুলি কয়। অসমীয়া আই নামত ইয়াৰ উল্লেখ আছে—

'মোৱা মাছ পকনি কলডিল শুকনি
আয়ে ভোজন বুলি লয়।'

ঠিক সেইদৰে শুকনিৰ বাবেও অসমীয়া মানুহে মাগুৰ মাছ কলডিলৰ স'তে ভাজি কৰি আই ওলোৱা মানুহক খুৱায়। উজনি অসমৰ কোনো কোনো ঠাইত কলডিলৰ পৰিৱর্তে খৰিচা ব্যৱহাৰ কৰে। আন বহুতো অসমীয়া ঔষধত মাছ ব্যৱহাৰ হয়। অকল সেয়ে নহয়, তান্ত্ৰিক কামতো (আদ্যদি কৰাৰ ক্ষেত্ৰত) অসমীয়া মানুহে মাছ ব্যৱহাৰ কৰে।

বিহু আনন্দৰ উৎসৱ। বিহুগীত আনন্দৰ গীত। মুক্ত প্ৰকৃতি এই বিহুগীতবোৰৰ উপজীব্য; প্ৰকৃতিৰ বুকুত বিচৰণ কৰা মাছ। চহা কবিৰ মনত মাছৰ কল্পনায়ো ঠাই পায়। সেয়ে বিহুগীতবোৰত মাছৰ উল্লেখ আছে। বিহুগীতবোৰত মাছক উপমা হিচাপে ব্যৱহাৰ কৰা হৈছে। গীতবোৰত বুৰঞ্জীৰ কথায়ো ঠাই পায়। চহা কবিয়ে স্বৰ্গদেৱৰ গজপুৰ শুৱনি কৰা কেঁকোৰা দোলাখনৰ উপমাও মাছেৰেই দিয়ে—

'চৰাই চিকুণ তেলীয়া সাৱেং
মাছৰ চিকুণ মালি,
স্বৰ্গদেৱৰ চিকুণ কেঁকোৰা দোলাখন
শুৱাই গজপুৰৰ আলি।'

বিহুগীতত সময়ৰো বোল লাগে। নাচিবলৈ ওলাই অহা বিহুৱতী গাভৰুজনীকো তুলনা কৰে উজোৱা মোৱা মাছজাকৰ লগত।

'জাকি মাৰি ওলালে মোৱা মাছ এজাকি
জাকি মাৰি ওলালে তৰা
আমাৰে নাচনী জাকি মাৰি ওলালে
সমাজৰ মাজৰে পৰা।'

বনঘোষাবোৰ যৌৱনৰ গীত। গতিকে পীৰিতিৰো গীত। বনঘোষাৰ সুৰ প্ৰেমৰ সুৰ। ডেকা-গাভৰুৰ জীৱনৰ অনুৰাগ, পূৰ্ৱৰাগ, প্ৰেম-প্ৰীতি, মান-অভিমান, হাঁহি-ধেমালি, বিৰহ-বিচ্ছেদ আদি প্ৰকাশ পায় বনঘোষাত। বনঘোষাবোৰত মাছক ছোৱালী আৰু মাছ ধৰাক প্ৰেমৰ প্ৰতীক হিচাপে লোৱা হয়।

'মাছ হোৱা হ'লে পৰিলোহেঁতেন গৈ
তোমাৰে খেৱালী জালত।'

বনঘোষাবোৰত মাছক স্ত্ৰী-সৌন্দর্যৰ উপমা হিচাপে ব্যৱহাৰ কৰা হয়। যৌৱন ধুনীয়া। ইয়াৰ পৰশত পৃথিৱীখনো ধুনীয়া হয়। পুৰুষ-নাৰী পৰস্পৰে পৰস্পৰৰ প্ৰতি আকর্ষিত হয়। অংগ বিশেষৰ আকর্ষণ বাঢ়ে।

'তোমাৰ গাল দুখনি পাভ মাছৰ নিচিনা
তোমাৰ মুখখনি মালি মাছৰ নিচিনা
বামি মাছৰ নিচিনা চুলি।'
(ডেকাৰ উক্তি)

মানুহৰ শাৰীৰিক সৌন্দর্য আৰু প্ৰকৃতিৰ সৌন্দর্যৰ ৰিজনিতেই এই উপমাবোৰ সজীৱ। দাম্পত্য সম্প্ৰীতিৰ আদর্শ ৰূপেও মাছক ব্যৱহাৰ কৰা হয়।

'কাক ডোঙাৰ বৰালি ডেৰছোৱাৰ বৰালি
কেনেকৈ মিহলি হ'ল
আমি নেঘেৰিয়াল তুমি যোৰহটীয়া
তেনেকৈ চিনাকি হ'ল।'

ডেকা-গাভৰুৱে ইজনে সিজনক ঠাট্টা-মস্কৰা কৰোঁতেও মাছৰ উপমা দিয়ে। ডেকাই গাভৰু শিপিনীক ঠাট্টা কৰাৰ উদ্দেশ্যে কয়—

‘আমাৰ শিপিনীয়ে হাঁচটি যাচিছে
মোৱা মাছ ধৰিব ভাল।’
‘ডেও দি সাৰিলে ডেও ডঁৰিকনা
লুটি মাৰি সাৰিলে শাল
কিনো চেলেংখন দিলা অ’ আইদেউ
জাল মাৰিবলৈ ভাল।’

গাভৰুৱে ডেকাকো জোকায়—

‘ভোগদৈ নৈত পাভ মাছ উজালে
দিখৌ নৈত উজালে নাৰ
মোক নিব খোজ তয়ে হেৰ’ পিলিঙা
কিমান ধন ভাঙিব পাৰ।’

ড° লীলা গগৈদেৱে ‘অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা’ত লিখিছে- ‘ডাকৰ বচন অসমীয়া জনজীৱনৰ ব্যৱহাৰিক জ্ঞানৰ এখন মৌলিক বিশ্বকোষ।’ অসমীয়া জনজীৱনত ডাকৰ বচনৰ মূল্য আছে। ডাকৰ বচনত মাছৰ ব্যঞ্জন আৰু ৰন্ধন প্রকৰণ সম্পর্কে উল্লেখ আছে—

‘পূৰৈ শাক ৰোহিত মাছ।
ডাকে বোলে সেহি ব্যঞ্জন সাঁচ।।’
‘কাৰৈ মাছক কচি কাটিয়া
হালধি মৰিষ তৈলে ভাজিয়া,
ওলট পালট কৰিয়া পিঠি
খাই পাইবা তেবেসে মিষ্টি।।’
‘পকা তেঁতেলি বুঢ়া বৰালি।
বিস্তৰ কৰিয়া দিবাহা জালি।
বাঢ়ি দিবাহা টেঙাৰ জোল।
খাবৰ বেলা মুণ্ড নোতোল।।’

অসমীয়া ফকৰা-যোজনা অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। এই ফকৰা-যোজনাসমূহতো মাছৰ ব্যাপক ব্যৱহাৰ আছে—

‘শালক শিঙিয়ে হাঁহে
তয়ো কাজী ময়ো কাজী
ভালেতো গৰাকী নাহে।’
‘যোৰো যোৰ পাভ যোৰ
এটা কাণকটা এটা চোৰ’
‘মাছৰ চিকুণ মোৱা
টোপনিৰ চিকুণ পুৱা।’
‘মাছৰ গাগল পহুৰ ছাগল
তাক খাই হয় মানুহ পাগল।’
‘বাৰ হাত জালৰ তেৰ হাত ফটা
ভাল মাৰিলি বাপৰ বেটা
ৰৌ বৰালি সৰকি গ’ল
পুঠি খলিহনা পাহে পাহে ৰ’ল।’

(ভকতীয়া ফকৰা)

অসমীয়া প্রবচনবোৰতো মাছৰ উল্লেখ আছে। এই প্রবচনবোৰত উপদেশমূলক কথা নিহিত হৈ থাকে; ‘অধিক মাছত বগলী কণা’, ‘উদৰ সাত পুৰুষ মৰি গ’ল কেঁচা মাছ খাই’ ইত্যাদি। অতি চালাক বুজাবলৈ উপমা দিওঁ মাছৰ- ‘সাত ঘাটৰ চেঙেলি’, আজলী বুজাবলৈ উপমা দিওঁ ‘ভেদেঙী’ মাছৰ। অতি ক’লা বা বগা নোহোৱা মানুহৰ বৰণ বুজাবলৈ উপমা দিওঁ মাগুৰ মাছৰ ‘মাগুৰ-বৰণীয়া’, কোনো মানুহ থৰ লাগিলে কওঁ ‘গৰৈ মাছে দৰক লোৱাদি দৰক ল’লে’, শেঁতা বুজাবলৈ উপমা দিওঁ ‘মৰা মাছৰ চকুৰ দৰে শেঁতা।’

অসমীয়া কৌতুকবোৰতো মাছৰ উল্লেখ আছে, উদাহৰণস্বৰূপে,

‘ৰৌ পাছ পাছ ব্রাহ্মণ তিনিজন
পাঁচ কাৰন মাছত ব্রাহ্মণ ক’তজন।’

বিয়াৰ সৰু-বৰ অনেক অনুষ্ঠান আছে। এই অনুষ্ঠানসমূহত গোৱা বিয়ানামবোৰতো মাছক উপমা হিচাপে লোৱা হৈছে—

‘পাভ মাছ যেন কঁপনি লাগিছে
বেইতে খোপনি ধৰি।’

বিবাহ কার্য সম্পাদন কৰা পুৰোহিতজনো যোৱানামৰ পৰা সাৰি নাযায়। ইয়াতো মাছৰ উপমা—

‘বৰালি মাছৰে তিনিটা টোটোলা
টেঙা দি খাবলৈ ভাল
আমাৰ গুৰু বাপুৰ পেটটো গেৰেলা
জয়ঢোল বাবলৈ ভাল।’

অসমীয়া কাহিনীমূলক চহা গীতসমূহতো মাছৰ উল্লেখ আছে। বৰফুকনৰ গীত, ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, জনা গাভৰু গীত আদি গীতত মাছৰ বিশেষ স্থান আছে—

‘শালেকৈ মাছৰে ছাল
ঘোৰা বৰুৱাই বাপেৰে ভাল।’
‘মাছৰ কুমলীয়া শ’ল
বাপেৰক ধৰিব ৰাতিয়েই গ’ল।’
‘কিনো মাছ মাৰিবৰ এলেং
গাত লৈ গৈছিলে গৰিয়লি চেলেং।’
‘দলনিৰ পোনা মাছে কান্দে

হিয়াত ভুকু মাৰি ফুকনৰ জীয়েকে কান্দে’ ইত্যাদি।

ইয়াৰ বাহিৰেও অসমীয়া কিছুমান ধেমেলীয়া গীততো মাছৰ উল্লেখ আছে।

‘মাছ মাৰিবলৈ গৈছিলো
মাছ পালো কাৰৈ,
শহুৰৰ ঘৰলৈ গৈছিলো
জীয়েকে বুলিলে তাৰৈ।
মাছ মাৰিবলৈ গৈছিলো
মাছ পালো শাল,
শহুৰৰ ঘৰলৈ গৈছিলো
জীয়েকৰ ওফণ্ডা গাল।
মাছ মাৰিবলৈ গৈছিলো
মাছ পালো চেনী (চেনী পুঠিমাছ),
শহুৰৰ ঘৰলৈ গৈছিলো
জীয়েকে নেপালে চিনি।’

এনেকৈয়ে দেখা যায় অসমীয়া জনজীৱনৰ সকলো ক্ষেত্ৰতে মাছৰ ব্যাপক ব্যৱহাৰ আছে। মৎস্যপ্ৰীতিৰ বাবেই অসমীয়া মানুহে মাছক লৈ অনেক কল্পনা কৰে। ধুনীয়া ধুনীয়া ৰং-বিৰঙৰ মাছ ড্ৰয়িং ৰূমত ‘একুৱিয়াম’ত ৰাখে। ডাঙৰ ডাঙৰ মাছৰ বাকলিৰে ধুনীয়া ধুনীয়া বস্তু তৈয়াৰ কৰি ড্ৰয়িং ৰূম সজায়। সৰু সৰু আকৃতিৰ জাকৈ-খালৈ সাজি ঘৰৰ বেৰত আঁৰে। গুৰি চালনীত ৰঙীন সূতাৰে জাকৈয়া ছোৱালীৰ ছবি তুলি ঘৰৰ কোঠা সজায়। মাছ হৈ পৰিছে সৌন্দৰ্য চৰ্চাৰ এক মনোমোহা সমল। এইবোৰেই প্ৰমাণ কৰে অসমৰ জনজীৱনত মাছৰ অৱদান কি আৰু মাছ কেনেকৈ অসমৰ সাংস্কৃতিক জীৱনত এৰাব নোৱাৰাকৈ বান্ধ খাই আছে।

বিঃদ্ৰঃ এই প্ৰবন্ধটো যুগুত কৰোঁতে উজনি আৰু নামনি অসমৰ কেইবাজনো ব্যক্তিৰ সহায় লোৱা হৈছে। অসমৰ সকলো ঠাইতে আচাৰ-অনুষ্ঠান একে নহয়। ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰিলে এই বিষয়ৰ বহুতো সমল ওলাব। উল্লেখিত ব্যক্তিসকলৰ বাহিৰেও তলৰ গ্ৰন্থকেইখনৰ সহায় লোৱা হৈছে।

১। বিহুগীত আৰু বনঘোষা- ড° লীলা গগৈ

২। অসমীয়া সংস্কৃতি—ড° লীলা গগৈ

৩। অসমীয়া লোক-সংস্কৃতি— ড° বিৰিঞ্চি কুমাৰ বৰুৱা

৪। মাছ আৰু মাছমৰীয়া— শ্ৰী সূৰ্য্য দাস

৫। বিবাহ বিচিত্ৰা— ড° মুকুণ্ড মাধৱ শৰ্মা

৬। কৌতুক— দণ্ডিৰাম দত্ত



আর্দ্রভূমিৰ ধ্বংসলীলা বন্ধ হওক

অমূল্য কাকতি
প্ৰাক্তন ছাত্ৰ (২০০২ বৰ্ষ)
কাৰিকৰী বিষয়া
ভাৰতীয় কৃষি অনুসন্ধান পৰিষদ
কেন্দ্ৰীয় অন্তৰ্দেশীয় মীন ক্ষেত্ৰ গৱেষণা প্ৰতিষ্ঠান

পৃথিৱীপৃষ্ঠৰ প্ৰায় সাত শতাংশ ভূমি আৰ্দ্রভূমিসমূহে আৱৰি আছে। বিশ্ব প্ৰকৃতিয়ে মানৱ সমাজলৈ যোগান ধৰা মুঠ উৎপাদন আৰু পৰিস্থিতি পৰিচৰ্যাৰ প্ৰায় পঞ্চল্লিশ শতাংশই আৰ্দ্রভূমিসমূহে বহন কৰি আহিছে। এছিয়া মহাদেশৰ ভিতৰত জাপান আৰু চীনৰ পিছতে আৰ্দ্রভূমিত চহকী দেশ হিচাপে ভাৰত পৰিগণিত। ভাৰতবৰ্ষৰ ভৌগোলিক ক্ষেত্ৰৰ ৪.৬ শতাংশ বিস্তৃত হৈ থকা প্ৰকৃতিপ্ৰদত্ত তথা মানৱসৃষ্ট আৰ্দ্রভূমিসমূহে দেশখনৰ প্ৰায় ৫৮.২ মিলিয়ন হেক্টৰ ভূমি আগুৰি আছে (Directory of Asian Wetlands, IUCN, ১৮৮৯)। অৱশ্যে ইয়াৰ ৭১ শতাংশ অঞ্চল দ-খেতিপথাৰ। ভাৰতবৰ্ষৰ পৰিৱেশ আৰু বন মন্ত্ৰণালয়ৰ (১৯৯৩)ৰ তথ্য মতে, দেশখনৰ ৪.১ মিলিয়ন হেক্টৰ মাটিকালি আৰ্দ্রভূমিসমূহে আৱৰি আছে। এই তথ্যত ম্যানগ্ৰোভ বন অঞ্চল সামৰি লোৱা হোৱা নাই। ৰামছৰ কনভেনচনৰ সংজ্ঞাৰ ওপৰত ভিত্তি কৰি দেশৰ আৰ্দ্রভূমিসমূহক শ্ৰেণীবিভক্ত কৰি আৰ্দ্রভূমিসমূহৰ বিস্তৃতিৰ প্ৰথম বিজ্ঞানসন্মত তথ্য আহমেদাবাদস্থিত Space Application Centre (SAC)-এ উপগ্ৰহৰ জৰিয়তে আহৰণ কৰে। SACৰ তথ্য মতে, দেশখনৰ প্ৰায় ৭.৬ মিলিয়ন হেক্টৰ ভূমি আৰ্দ্রভূমিসমূহে আৱৰি আছে। আৰ্দ্রভূমিৰ বিস্তৃতি সম্পৰ্কত দেশখনৰ বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ তথ্য প্ৰকাশ কৰি আহিছে। শেহতীয়াভাৱে SAC-এ প্ৰস্তুত কৰি উলিওৱা National Wetland Altas (২০১১)ত সম্বলিত দেশখনৰ আৰ্দ্রভূমিসমূহৰ তথ্যসমূহক সকলোৱে গ্ৰহণ কৰি আহিছে। SACৰ তথ্য মতে, ভাৰতবৰ্ষত প্ৰায় ২,০১,৫০৩খন আৰ্দ্রভূমি আছে।

গংগা, ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ নৈৰ এৰাসুঁতি তথা নৈৰ কাষৰীয়া দ-অঞ্চলত অৱস্থিত প্লাৱিত আৰ্দ্রভূমিসমূহে (Floodplain Wetlands) দেশখনৰ প্ৰায় ৩.৫ লাখতকৈ অধিক হেক্টৰ ভূমি আৱৰি আছে। গংগা, ব্ৰহ্মপুত্ৰ, বৰাক, নৰ্মদা, গোদাবৰী, কৃষ্ণা, কাবেৰী, তাপ্তী নৈৰ ওপৰত মুখ্যতঃ নিৰ্ভৰশীল নিৰ্মল বা মিঠা পানীযুক্ত এনে আৰ্দ্রভূমিসমূহ উত্তৰ প্ৰদেশ, বিহাৰ, পশ্চিমবংগকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ অসম, মেঘালয়, মণিপুৰ আদি ৰাজ্যসমূহত সিঁচৰতি হৈ আছে। এই আৰ্দ্রভূমিসমূহক ভিন ভিন ৰাজ্যত স্থানীয় ভাষাত বিল, ঝিল, মৌন, চোৰ ইত্যাদি নামেৰে জনা যায়। সাধাৰণ অর্থত জল আৰু স্থল পৰিস্থিতিতন্ত্ৰৰ মধ্যস্থ বা আন্তঃসম্পৰ্ক থকা আৰু জল-স্থল উভয়ৰে বৈশিষ্ট্যপূৰ্ণ গোটেই বছৰজুৰি বা সাময়িকভাৱে অথবা পর্যাবৃত্তভাৱে জলমগ্ন বা জলসংপৃক্ত ভূমিপৃষ্ঠই হ'ল আৰ্দ্রভূমি । অৱশ্যে ১৯৭১ত ইৰানৰ ৰামছৰ চহৰত অনুষ্ঠিত হোৱা ৰামছৰ কনভেনচনে আৰ্দ্রভূমিৰ এটা সংজ্ঞা আগবঢ়ায়। এই সংজ্ঞা অনুসৰি প্ৰকৃতিসৃষ্ট বা মানৱসৃষ্ট স্থায়ী বা অস্থায়ী জলাহ-পিতনি, দলনি, ডোবা বা হোলা, তৃণমৃত্তিকা ইত্যাদি যিসমূহ স্ৰোত বা স্ৰোতবিহীন নিৰ্মল বা অলৱণীয় অথবা লুণীয়া পানীৰে সিক্ত বা প্লাৱিত হৈ থাকে আৰু য'ত নিম্নভাটাৰ সময়ত পানীৰ গভীৰতা ছয় ফুটতকৈ বেছিনহয়, তেনে ভূমি, জলাশয়সমূহেই হ'ল আৰ্দ্রভূমি। সাগৰ,

মহাসাগৰৰ লগত সংলগ্ন উপকূলীয় বা সমুদ্ৰ তীৰৱৰ্তী অঞ্চলত থকা হ্ৰদ, ম্যানগ্ৰোভ পৰিবেষ্টিত অঞ্চল আদিও আৰ্দ্ৰভূমি হিচাপে চিহ্নিত কৰা হয়।

মাছমৰীয়া সম্প্ৰদায়ৰ জীৱন নিৰ্বাহৰ পৰা আৰম্ভ কৰি অন্যান্য আৰ্থ-সামাজিক দিশত অৱদান আগবঢ়াই অহা আৰ্দ্ৰভূমিসমূহে ভূমিপৃষ্ঠৰ সৌন্দৰ্যবৰ্ধন কৰাৰ লগতে সাংস্কৃতিক ঐতিহ্যৰ স্থান হিচাপেও বিবেচিত হৈ আহিছে। বিশ্বজুৰি প্ৰায় এক বিলিয়নতকৈও অধিক লোক পানী, খাদ্য আৰু জীৱন নিৰ্বাহৰ বাবে এই জলসম্পদৰাজিৰ ওপৰত নিৰ্ভৰশীল। স্থানীয় জলবায়ু নিৰ্ণায়কৰ লগতে জল পৰিশোধন, প্ৰদূষণমুক্তকৰণ, বানপানীৰ প্ৰাবল্য ৰোধ, ভূঃগৰ্ভস্থ জলৰ ভাৰসাম্য ৰক্ষাকৰণ ইত্যাদি কাৰ্যৰ উপৰি জলসিঞ্চন, নানা ধৰণৰ কৃষিকৰ্মৰ বাবে ব্যৱহৃত হৈ আহিছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে জগৰীয়া কাৰ্বন-ডাই-অক্সাইড গেছ জব্দকৰণৰ জৰিয়তে প্ৰকৃতি আৰু পৰিৱেশ সংৰক্ষণত এই জলসম্পদৰাজিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। জলস্তৰৰ সঘন তাৰতম্য, জলচক্ৰৰ পৰিৱৰ্তন, আকৃতিৰ অস্থিৰতা তথা অধ্যঃক্ষেপণৰ ফলত তলিত সৃষ্টি হোৱা পলসৰ বাবে এনে পৰিস্থিতিতন্ত্ৰসমূহ বিবিধ জীৱকুলৰ অপূৰ্ব ভঁৰাল। বায়'লজিকেল ছুপাৰ মাৰ্কেট হিচাপে অভিহিত আৰ্দ্ৰভূমিসমূহ স্বচক্ষে মনিব নোৱাৰা প্লৱকৰ পৰা সৰু-বৰ পোক-পতংগ, শামুক, কেঁকোৰা আদি বিবিধ খোলাধাৰী, সৰীসৃপ, উভচৰ আদি প্ৰণীজগতৰ লগতে ঔষধি তৰু-তৃণ, মূল্যৱান গছ-গছনি আদিৰে জৈৱ-বৈচিত্ৰ্যৰ এক বিশাল ভাণ্ডাৰ হিচাপে চিহ্নিত হৈ আহিছে। মাছ-কাছৰ প্ৰজননথলী আৰু এইসমূহৰ জীৱন প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰৰ আৱাসস্থল এই আৰ্দ্ৰভূমিসমূহ থলুৱা পক্ষীকুলৰ লগতে ভিন ভিন ঋতুত বিবিধ পৰিভ্ৰমী চৰাইৰ অতিথিগৃহ হৈ আমোদ-প্ৰমোদৰ এক উৎকৃষ্ট স্থান হিচাপেও মৰ্যাদা লাভ কৰি আহিছে। বিভিন্ন প্ৰজাতিৰ প্ৰায় ২,৫০০ চৰাইৰ বাসভূমি ভাৰতবৰ্ষৰ আৰ্দ্ৰভূমিসমূহলৈ পৰিভ্ৰমণ কৰা ৩৭০ বিধ প্ৰজাতিৰ ৮০ শতাংশতকৈ অধিক চৰাই অস্তিত্ব বিপদাপন্ন তালিকাৰ অন্তৰ্ভুক্ত।

কিন্তু অতি পৰিতাপৰ বিষয় এয়ে যে মানৱ সমাজৰ অবিবেচিত, অবৈজ্ঞানিক কৰ্মকাণ্ডই এই প্ৰাকৃতিক সম্পদৰাজিক ধ্বংস কৰি পেলাইছে। পৃথিৱীপৃষ্ঠৰ আন দুটা মুখ্য পৰিস্থিতিতন্ত্ৰ অৰণ্য আৰু মহাসাগৰতকৈ আৰ্দ্ৰভূমি পৰিস্থিতিতন্ত্ৰৰ ধ্বংসৰ হাৰ অধিক। প্ৰতিবছৰে দুইৰ পৰা তিনি শতাংশ হাৰত ধ্বংসপ্ৰাপ্ত হৈ থকা আৰ্দ্ৰভূমিসমূহৰ ধ্বংসৰ হাৰ অৰণ্যৰ ধ্বংসৰ হাৰতকৈ তিনি শতাংশ অধিক। বিশ্বত প্ৰায় এতিয়ালৈকে ৫০ শতাংশ আৰ্দ্ৰভূমিৰ বিলুপ্তি ঘটিছে। কিছু গৱেষকৰ তথ্য মতে, এই সম্পৰাজিৰ বিলুপ্তিৰ হাৰ ৫৪ৰ পৰা ৫৭ শতাংশৰ ভিতৰত। কুৰি আৰু একৈশ শতিকাত আৰ্দ্ৰভূমিসমূহৰ ধ্বংসৰ মাত্ৰাৰ হাৰ ৩.৭ গুণ বৃদ্ধি পাইছে আৰু প্ৰায় ৬৪ ৰ পৰা ৬৭ শতাংশ হাৰত বিলুপ্তি ঘটিছে। Wetlands International South Asaৰ তথ্য মতে, ১৯৭০ৰ পৰা ২০১৪ চনৰ সময়ছোৱাত প্ৰকৃতিসৃষ্ট আৰ্দ্ৰভূমিসমূহৰ প্ৰায় এক-তৃতীয়াংশ সম্পূৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হৈছে। আনহাতে, ভাৰতবৰ্ষত ১৯৯১ৰ পৰা ২০০১ বৰ্ষৰ ভিতৰত প্ৰায় ৩০ শতাংশ আৰ্দ্ৰভূমিৰ বিলুপ্তি ঘটিছে। এক সমীক্ষা অনুযায়ী, ১৯৭০ৰ পৰা ২০১৪ৰ ভিতৰত প্ৰায় ৭১ শতাংশ আৰ্দ্ৰভূমি ধ্বংস হৈছে মুম্বাইত। ইয়াৰ সমান্তৰালকৈ উক্ত সময়ছোৱাত আহমেদাবাদ, বাংগালুৰু, হায়দৰাবাদ, দিল্লী, আৰু পুণে চহৰত এই সম্পদৰাজিৰ ধ্বংসৰ হাৰ হ'ল ক্ৰমে ৫৭, ৫৬, ৫৫, ৩৮ আৰু ৩৭ শতাংশ। জনসংখ্যাৰ বিস্ফোৰণ, নগৰীকৰণ, নৱীকৰণ, প্ৰদূষণ আৰু কৃষিকাৰ্যৰ উন্মেষণেই হৈছে আৰ্দ্ৰভূমিসমূহৰ বিলুপ্তিৰ প্ৰধান কাৰণ। নগৰ-চহৰৰ আনুভূমিক বিস্তৃতি, ন ন কল-কাৰখানা তথা উদ্যোগ স্থাপনে এই সম্পদৰাজিক সংকুচিত কৰি ইয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। অবিজ্ঞানসন্মত কৃষিকাৰ্য তথা আৰ্দ্ৰভূমিক কৃষিভূমিলৈ ৰূপান্তৰকৰণে এনে সম্পদৰাজিৰ প্ৰকৃতিগত চৰিত্ৰ ধ্বংস কৰি ইয়াৰ জৈৱিক সম্প্ৰদায়ক বিপদাপন্ন কৰি তুলিছে। দিনে-দিনে বাঢ়ি অহা কল-কাৰখানা, উদ্যোগৰ বৰ্জিত বিষাক্ত পদাৰ্থৰ ডাষ্টবিন হিচাপে আৰ্দ্ৰভূমিসমূহ ব্যৱহাৰ কৰি অহাৰ ফলত এই জলৰাশিৰ জীৱকুলৰ ওপৰত পৰা বিৰূপ প্ৰভাৱৰ ফলস্বৰূপে ইতিমধ্যে প্ৰাণী তথা উদ্ভিদ জগতৰ বহু প্ৰজাতিৰ বিলুপ্তি ঘটিছে। কেন্দ্ৰীয় প্ৰদূষণ ব'ৰ্ডে প্ৰকাশ কৰা তথ্য মতে ৫০,০০০তকৈ অধিক জনাঞ্চলৰ নগৰ-মহানগৰৰ পৰা দৈনিক ৩৮,০০০ মিলিয়ন লিটাৰ দূষিত পানী বৰ্জিত হোৱাৰ পৰিৱৰ্তে ইয়াৰ পৰিশোধন কৰা হয় মাত্ৰ ২৯ শতাংশ। এনে অশোধিত বৰ্জিত দূষিত পানীৰ অন্তিম স্থল হ'ল দেশখনৰ নদ-নদী, জান-জুৰি তথা আৰ্দ্ৰভূমিসমূহ। তদুপৰি দাঁতিকাষৰীয়া অঞ্চলৰ কৃষিকাৰ্যত ব্যৱহৃত সাৰ, কীটনাশক, তৃণনাশক দ্ৰব্য আদি বৰষুণ, নলা-

নৰ্দমাৰ বোঁৱতী পানীয়ে এই জলৰাশিসমূহলৈ বোৱাই অনাৰ ফলত সৃষ্টি হোৱা জলপ্ৰদূষণে ইয়াৰ জৈৱ-বৈচিত্ৰ্যত আঘাত হনা পৰিলক্ষিত হৈছে। Fertilizer Association of Indiaৰ তথ্য অনুযায়ী সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষৰ কৃষিভূমিসমূহত সাৰ প্ৰয়োগৰ মাত্ৰা হ'ল প্ৰতি হেক্টৰত প্ৰতি বছৰত প্ৰায় ১২৮ কিঃগ্ৰাঃ। মাটিৰ উৰ্বৰতা বৃদ্ধিৰ বাবে প্ৰয়োগ কৰা এই সাৰসমূহৰ প্ৰায় ১০ৰ পৰা ১৫ শতাংশ বোৱঁতী পানীয়ে জলাশয়ৰ পৃষ্ঠলৈ বোৱাই অনাৰ ফলত জলপৃষ্ঠত পোষক দ্ৰব্যসমূহৰ প্ৰচুৰ্য বৃদ্ধি হৈ জলজ অপতৃণসমূহৰ শ্ৰীবৃদ্ধি ঘটিছে। জলজ অপতৃণই পানীৰ ভৌতিক, ৰাসায়নিক তথা জৈৱিক গুণাগুণ বিনষ্ট কৰি জৈৱিক সম্প্ৰদায়সমূহৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলায়। ইতিমধ্যে পানীমেটেকা আৰু ছেলভেনিয়া নামৰ দুবিধ বিদেশীমূলক জলজ অপতৃণই অধিকাংশ প্লাৱিত আৰ্দ্ৰভূমিত প্ৰভুত্ব বিস্তাৰ কৰি জীৱকুলৰ বাবে সংশয়ৰ কাৰণ হৈ পৰিছে। গছ-গছনি কাটি অৰণ্য ধ্বংস কৰাৰ ফলশ্ৰুতিত সৃষ্টি হোৱা ভূমিস্খলন আৰ্দ্ৰভূমিসমূহৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। চহৰাঞ্চলৰ বিস্তৃতি, ৰাস্তা-ঘাট নিৰ্মাণৰ নামত এই জলভূমিসমূহৰ লগত নদী সংযোগী নলা-নৰ্দমাসমূহ পুতি পেলোৱাৰ ফলত বিশেষতঃ মৎস্যকুলৰ প্ৰাকৃতিক প্ৰজনন প্ৰক্ৰিয়াত ব্যাঘাত জন্মি বহু প্ৰজাতি লুপ্তপ্ৰায় আৰু সংকটাপূৰ্ণ অৱস্থালৈ গতি কৰিছে। ২০০৭তUNESCO-এ প্ৰকাশ কৰা তথ্য অনুযায়ী জলবায়ুৰ পৰিৱৰ্তন আৰ্দ্ৰভূমিসমূহৰ ধ্বংসৰ আৰু পৰিৱৰ্তনৰ আন এক গুৰুত্বপূৰ্ণ কাৰণ। গোলকীয় উষ্ণতা বৃদ্ধিৰ লগে লগে সাগৰৰ জলপৃষ্ঠৰ উচ্চতাও বৃদ্ধি পাই আহিছে। এক গৱেষণাৰ মতে যদিহে ভাৰতবৰ্ষত জলবায়ুৰ পৰিৱৰ্তনৰ ফলত সাগৰ জলপৃষ্ঠৰ উচ্চতা ১ মিটাৰ বৃদ্ধি পায়, তেন্তে দেশখনৰ ৮৪ শতাংশ উপকূলীয় আৰ্দ্ৰভূমিৰ আৰু প্ৰায় ১৩ শতাংশ লুণীয়া পানীযুক্ত আৰ্দ্ৰভূমিৰ বিলুপ্তি ঘটিব।

অনুমান কৰা হৈছে যে ২০৫০লৈ ভাৰতবৰ্ষৰ জনসংখ্যা চীন আৰু সংযুক্ত ৰাষ্ট্ৰৰ মুঠ জনসংখ্যাৰ সমান হ'ব। সংযুক্ত ৰাষ্ট্ৰৰ অৰ্থনৈতিক আৰু সামাজিক মন্ত্ৰণালয়ৰ দ্বাৰা প্ৰকাশিত The 2018 Revision of World Urbainazation Prospectsৰ পূৰ্বানুমান অনুসৰি ২০৫০ৰ ভিতৰত ভাৰতবৰ্ষত আৰু প্ৰায় ৪১৬ মিলিয়ন লোকে চহৰাঞ্চললৈ গতি কৰিব। সম্পদ হিচাপে মাটি সীমিত। ইতিমধ্যে চহৰাঞ্চলৰ বিস্তৃতি, কল-কাৰখানা, উদ্যোগ স্থাপন, ৰাস্তা-ঘাট নিৰ্মাণ আদিৰ বাবে দিনে দিনে জনমূৰি ভূমিৰ পৰিমাণ কমি আহিছে। গতিকে চহৰলৈ এনে এক বিশাল জনস্ৰোতৰ পৰিণাম স্বৰূপে হয়তো আৰু অলেখ বননি, অৰণ্য আৰু আৰ্দ্ৰভূমিৰ দৰে জলাশয়সমূহ ধ্বংসৰ মুখত পৰিব। বিজ্ঞানী মহলে আশংকা কৰা মতে মানৱজাতিৰ কাৰ্যকলাপে এই শতিকাৰ মধ্যভাগত প্ৰকৃতি জগতৰ প্ৰায় দহ বিলিয়ন জীৱ-জন্তু, পোক-পৰুৱা সমন্বিতে উদ্ভিদ জগতৰ বহু প্ৰজাতিক পৃথিৱীৰ পৰা নিঃশেষ কৰি পেলাব।

আমাৰ ৰাজ্য অসম বিল সম্পদত যথেষ্ট চহকী। কাগজে-কলমে প্ৰায় এক লাখতকৈও অধিক হেক্টৰ ভূমি আৱৰি থকা এই জলসম্পদৰাজিয়ে ৰাজ্যখনৰ স্ৰোতবিহীন জলাশয়সমূহৰ প্ৰায় ৮৩ শতাংশ বহন কৰি আহিছে। অসমৰ এই জলৰাশিসমূহৰ ধ্বংসলীলাৰ উচিত খতিয়ান পাবলৈ নাই যদিও কিছু কিছু গৱেষকে তথা প্ৰকৃতিপ্ৰেমী সংগঠনে অসমৰ এই সম্পদৰাজিৰ বিলুপ্তি আৰু ধ্বংসৰ কাৰকসমূহৰ ওপৰত গৱেষণামূলক অধ্যয়ন অব্যাহত ৰাখিছে। ফেগুছ অৰ নেচাৰ নামৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ সমীক্ষা অনুসৰি, বিগত এটা দশকত অসমত প্ৰায় ২০ শতাংশ জলভূমিৰ বিলুপ্তি ঘটিছে। ভয়াৱহভাৱে বাঢ়ি অহা মানুহৰ অবিজ্ঞানসন্মত কাৰ্যকলাপে কিদৰে অসমৰ এই মূল্যৱান সম্পদৰাজিৰ অস্তিত্বৰ প্ৰতি ভাবুকি হৈ পৰিছে, সেয়া নিম্নোক্ত উদাহৰণকেইটাৰ পৰাই সহজে অনুমেয়। গুৱাহাটী মহানগৰৰ দক্ষিণ-পশ্চিম কোণত অৱস্থিত দীপৰ বিল বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে স্বীকৃত। জৈৱ-বৈচিত্ৰ্যৰ ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণৰ বাবে ২০০২ত ৰামছৰ কনভেনচনৰ আওতালৈ অনা এই বিলখন অতি গুৰুত্বপূৰ্ণ পক্ষী অঞ্চল হিচাপেও চিহ্নিত। অতি দুষ্প্ৰাপ্য আৰু অস্তিত্বৰ বিপদাপন্ন পক্ষীকে ধৰি আন আন প্ৰজাতিৰ প্ৰায় এশ পঞ্চাশবিধ পক্ষীৰ আবাসস্থল দীপৰ বিলক অসম চৰকাৰে ১৯৮৯ চনতে পক্ষী অভয়াৰণ্য হিচাপে ঘোষণা কৰি থৈছে। তৎসত্ত্বেও জৈৱ-বৈচিত্ৰ্যৰ অপূৰ্ব ভঁৰাল দীপৰ বিল আজি ধ্বংসৰ গৰাহত। প্ৰায় চাৰি হাজাৰ হেক্টৰ ভূমিৰে বিস্তৃত দীপৰ বিলৰ আশী শতাংশ ভূমিয়েই আজি ধ্বংসপ্ৰাপ্ত। বেদখলকাৰীয়ে বিল অঞ্চল পুতি ঘৰ-দুৱাৰ, সুউচ্চ অট্টালিকা সাজি বিলখনৰ নৈসৰ্গিক শোভা মষিমূৰ কৰি পেলাইছে। গুৱাহাটী মহানগৰ তথা দাঁতিকাষৰীয়া অঞ্চলত গঢ় লৈ উঠা বিভিন্ন ধৰণৰ উদ্যোগ, কল-কাৰখানাৰ বৰ্জিত বিষাক্ত দ্ৰব্যৰ

ডাষ্টবিন হিচাপে বিলখনক ব্যৱহাৰ কৰি অহাৰ ফলত সৃষ্টি হোৱা কদর্যময় পৰিৱেশে জল-জৈৱিক সম্প্রদায় তথা পক্ষীকুলৰ অস্তিত্বৰ প্রতি ভাবুকি কঢ়িয়াই অনাৰ লগতে বিলখনৰ জলপৃষ্ঠৰ ভয়াৱহ প্রদূষণে মৎস্যকুলৰ প্রতি অশনি সংকেত বহন কৰিছে। অতি তাৎপর্যপূর্ণ কথাটো এয়ে যে দীপৰ বিলক ৰামছৰ কনভেনচনৰ অন্তর্ভুক্তিকৰণৰ তিনি বছৰ নৌহওঁতেই গুৱাহাটী নগৰ পালিকাই বিলখনৰ পূব কোণত চৌৱিশ হেক্টৰ মাটিকালিৰে মহানগৰৰ আৱর্জনাৰ মেৰ স্থাপন কৰি ইয়াৰ পৰিৱেশ আৰু অধিক কদর্যময় কৰি তুলিছে। তদুপৰি বাহিনী আৰু বশিষ্ঠ নদীৰে উটি অহা আৱর্জনাসমূহে বিলখনৰ পৰিৱেশ আৰু প্রকৃতি বিনষ্ট কৰি পেলাইছে। গুৱাহাটী মহানগৰৰ আনুভূমিক বিস্তৃতিৰ ফলত নিঃশেষ হৈ যোৱা শিলসাঁকো বিল আন এক জ্বলন্ত উদাহৰণ। ঠিক একেদৰেই মহানগৰখনৰ পূব প্রান্তত থকা নুমলী জলাহ বিল ধ্বংসৰ মূল কাৰক হ'ল ন ন আৱাসিক অঞ্চল নির্মাণ। কল-কাৰখানা, উদ্যোগ, বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানৰ কার্যালয় স্থাপনে শিলসাঁকো আৰু নুমলী জলাহক ধ্বংস কৰি পেলাইছে। অকল যে চহৰাঞ্চলৰ বিস্তৃতিয়েই অসমৰ এই অমূল্য সম্পদৰাজিক ধ্বংস কৰি পেলাইছে এনে নহয়, আনকি গ্রামাঞ্চলত থকা বিলসমূহৰ ধ্বংসলীলাও চহৰাঞ্চলৰ সমান্তৰালভাৱে অব্যাহত আছে। দীর্ঘেশ্বৰী মন্দিৰৰ সমীপতে এক মনোমোহা প্রাকৃতিক সৌন্দর্যৰ মাজত অৱস্থিত শিলিগুৰিজান বিলৰ ভূমি কৃষিভূমিলৈ ৰূপান্তৰকৰণে বিলখনক ক্রমান্বয়ে সংকুচিত কৰি নিঃশেষ কৰি পেলাইছে। পানীমেটেকাৰ দৰে জলজ অপতৃণসমূহে বিলখনক গ্রাস কৰি অহাৰ ফলত প্রাকৃতিক উৎপাদন ক্ষমতা লোপ পাই আহিছে। মৎস্য উৎপাদন তথা আহৰণৰ বাবে অসমৰ বিলসমূহ প্রচুৰ সম্ভাৱনাময় জলসম্পদ হিচাপে গণ্য কৰা হয়। কিন্তু দুখৰ বিষয় প্রদূষণ, অঞ্চলৰ সংকোচন, নদ-নদীৰ লগত সংযোগ বিচ্ছিন্ন ইত্যাদিৰ ফলশ্রুতিত এইসমূহৰ পৰা উৎপাদিত মৎস্যভাৰৰ পৰিমাণ দ্রুতগতিত হ্রাস পাই আহিছে। অসম বিল উন্নয়ন নিগমৰ তথ্য অনুযায়ী, ২০০৫ত শিলিগুৰিজান বিলত মৎস্য উৎপাদন ১৩.৩ মেট্রিকটনৰ বিপৰীতে ২০১৫ বর্ষত ইয়াৰ পৰিমাণ হ'ল মাত্র ৬.১৫ মেট্রিকটন। অর্থাৎ এটা দশকতে বিলখনত মৎস্য উৎপাদন হ্রাসৰ শতকৰা হাৰ হ'ল ৪৫.০৩ শতাংশ। ঠিক একেদৰেই কামৰূপ জিলাৰ পছৰীয়াত অৱস্থিত দিঘেলী বিলত মৎস্য উৎপাদন হ্রাসৰ শতকৰা হাৰ হ'ল প্রায় ৩৭ শতাংশ। বিলখনৰ নিকটৱর্তী অঞ্চলত স্থাপন কৰা গজাল ফেক্টৰীৰ বর্জিত বিষাক্ত পদার্থই বিলখনৰ জলপৃষ্ঠ প্রদূষিত কৰি অহাৰ ফলত ইয়াৰ মৎস্যকুলৰ লগতে অন্যান্য জীৱকুলৰো মৃত্যুঘণ্টা বজাই আহিছে। তদুপৰি বিলখনৰ লগত নদী সংযোগী নলাৰ গাতে নকৈ গঢ়ি উঠা আন এক কাৰখানাই বিলখনৰ ওপৰত ব্যাপক প্রভাৱ পেলোৱাৰ আশংকা কৰা হৈছে। হাজোস্থিত গড়জান বিলত মাছৰ উৎপাদন মাত্র দুটা বছৰতে হ্রাস পাইছে ১১১ টন। আশ্চর্যকৰ কথাটো এয়ে যে অসমৰ আন কেতবোৰ বিলত এটা দশকতে প্রায় ৭৫.৫ শতাংশ মাছৰ উৎপাদন হ্রাস পাইছে। উক্ত বিলকেইখনৰ দৰেই ধ্বংসৰ গৰাহত পৰা আন এখন বিল হ'ল দৰং জিলাৰ ছিপাঝাৰত অৱস্থিত মাইলতা-দীপলিংগা বিল। বিলৰ পাৰতে স্থাপিত ইটা বনোৱা কাৰখানাই বিলখনক সংকুচিত কৰি আনি বিলৰ উৎপাদন ক্ষমতা নাই কিয়া কৰি পেলাইছে। মানুহৰ অবিজ্ঞানসন্মত কার্যকলাপ, অজ্ঞতামূলক কাণ্ড-কাৰখানা তথা জীৱকুলৰ অবাঞ্ছিত ব্যৱহাৰ-অপব্যৱহাৰে বিলসমূহৰ বহনক্ষম সমর্থতা বিনষ্ট কৰি বিবিধা জৈৱ-বৈচিত্র্যক ধ্বংস কৰি পেলাইছে।

খাদ্য উৎপাদনত বিশ্বৰ এখন চহকী দেশ হিচাপে ভাৰত খ্যাত যদিও এক বুজনসংখ্যক লোকে আজিও অনাহাৰে জীৱন পাৰ কৰি আহিছে। জনসংখ্যাৰ দ্রুত বিস্ফোৰণৰ লগত ফেৰ মাৰি খাদ্যশস্য আৰু পুষ্টিকৰ খাদ্য উৎপাদন উন্নয়নশীল ভাৰতবর্ষৰ বাবে ডাঙৰ প্রত্যাহ্বান। এশ উনৈশখন দেশৰ Global Hunger Indexৰ তালিকাত ভাৰতৰ স্থান এশ তিনি। পুষ্টিহীনতা ভাৰতৰ বাবে এক সামাজিক ব্যাধি। খাদ্য আৰু কৃষি সংস্থাৰ মতে সমগ্র বিশ্বৰ পুষ্টিহীনতাত ভোগা লোকৰ এক চতুর্থাংশই হৈছে ভাৰতৰ। Indian Council of Medical Research, Public Health Foundation of India আৰু National Institute of Nutritionৰ সমীক্ষামতে, ভাৰতবর্ষৰ পুষ্টিহীনতাত ভোগা লোকৰ অধিকাংশই হৈছে অসম, বিহাৰ, ৰাজস্থান আৰু উত্তৰ প্রদেশৰ। তথ্য মতে মাটিত উৎপাদিত বহু শস্যত পুষ্টিদ্রব্যৰ পৰিমাণ হ্রাস পাই আহিছে। মাছ হ'ল সহজলভ্য প্র'টিনৰ উৎস। উচ্চমানৰ প্র'টিন খাদ্য তথা পুষ্টিকৰ খাদ্য হিচাপে মাছ সর্বজনবিদিত। বিশ্বৰ পাঁচজন ব্যক্তিৰ এজন প্র'টিনৰ প্রাথমিক উৎস হিচাপে মাছৰ ওপৰত নির্ভৰশীল। আর্দ্রভূমিসমূহ হ'ল মৎস্যকুলৰ অপূর্ব ভাণ্ডাৰ।

বিশ্বৰ বহু কোটি মাছমৰীয়া লোকৰ জীৱন নিৰ্বাহৰ আশ্ৰয়স্থল হ'ল এই আৰ্দ্ৰভূমিসমূহ। অতি কম খৰচতে তথা কম পাৰিশ্ৰমিকৰ বিনিময়ত এই আৰ্দ্ৰভূমিসমূহৰ পৰা আহৰণ কৰা মাছ খাদ্য হিচাপে গ্ৰহণ কৰি শৰীৰক নিয়মিতভাৱে পুষ্টি যোগান ধৰিব পৰা যায়। বিশ্বৰ আৰ্দ্ৰভূমিসমূহৰ জৈৱ-বৈচিত্ৰ্যৰ ৰক্ষণাবেক্ষণ তথা সংৰক্ষণৰ অৰ্থে ইৰানৰ ৰামছৰ চহৰত ১৯৭১ত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰামছৰ কনভেনচন গঠন কৰা হৈছিল। ১৯৮১ৰ ১ ফেব্ৰুৱাৰীত ভাৰতবৰ্ষও ইয়াৰ অংশীদাৰ হয় আৰু বৰ্তমান সময়লৈকে দেশখনৰ সাতত্ৰিশখন আৰ্দ্ৰভূমি এই কনভেনচনৰ অন্তৰ্ভুক্ত কৰি এইসমূহৰ জৈৱ-বৈচিত্ৰ্য অটুট ৰখাৰ চেষ্টা কৰা হৈছে। উল্লেখ্য যে কনভেনচনৰ অন্তৰ্গত এই আৰ্দ্ৰভূমিসমূহত সৰীসৃপ, উভচৰ, মাছ, পক্ষী আৰু স্তন্যপায়ী প্ৰাণীৰ প্ৰায় ৫,০০০ বিধ প্ৰজাতি পোৱা যায়।

তদুপৰি আমাৰ দেশৰ বিভিন্ন ৰাজ্যত সিঁচৰতি হৈ থকা প্ৰায় এশ পোন্ধৰখন আৰ্দ্ৰভূমি National Wetland Conservation Programmeৰ জৰিয়তে ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণৰ দিহা কৰা হৈছিল। কিন্তু সেয়া বাস্তৱিক ক্ষেত্ৰত ফলপ্ৰসূ নহ'ল। তদুপৰি ২০১০ৰ Wetland (Conservation & Management) Ruleৰ জৰিয়তে ভাৰতবৰ্ষত আৰ্দ্ৰভূমিসমূহৰ ধ্বংস ৰোধ কৰাৰ বাবে আন এক প্ৰচেষ্টা চলোৱা হৈছিল যদিও ৰামছৰ কনভেনচন তথা UNESCO World Heritage Siteৰ অন্তৰ্ভুক্ত অতি নগণ্যসংখ্যক আৰ্দ্ৰভূমিহে এই বিধিত সাঙুৰি লোৱাৰ ফলত দেশৰ গৰিষ্ঠসংখ্যক আৰ্দ্ৰভূমিৰ ধ্বংসলীলা অব্যাহত হৈ থাকিল। স্থল বা সমুদ্ৰজাত জীৱকুলৰ ধ্বংসৰ মাত্ৰাতকৈ আৰ্দ্ৰভূমিৰ জীৱকুলৰ ধ্বংসৰ মাত্ৰাৰ হাৰ অধিক ত্বৰান্বিত হ'ল। দেশৰ সংবিধানে অনুচ্ছেদ ৩৯, ৪৮A আৰু ৫১A(g)ত সামূহিক হিত সাধনৰ অৰ্থে লোকসমাজৰ প্ৰাকৃতিক সম্পদৰাজিৰ স্থায়িত্ব, সংৰক্ষণ, নিয়ন্ত্ৰণ, উন্নয়নৰ দায়িত্ব জনগণৰ তথা চৰকাৰৰ ওপৰত ন্যাস্ত কৰা সত্ত্বেও এই মূল্যৱান সম্পদৰাজিৰ জৈৱ-বৈচিত্ৰ্য ধ্বংস হৈয়ে থাকিল। স্পষ্ট ভাষাত আমাৰ ৰাজ্যখনৰ প্লাৱিত আৰ্দ্ৰভূমিসমূহৰ ৰক্ষণাবেক্ষণ তথা সংৰক্ষণৰ ক্ষেত্ৰত সুকীয়াকৈ আইন-কানুনৰ ব্যৱস্থা নাই যদিও পৰোক্ষভাৱে এই সম্পদৰাজিক Indian Fisheries Act, 1857; Indian Forest Act, 1927; Wildlife (Protection) Act, 1972; Water (Prevention & Control Pollution) Act, 1974; Forest (Conservation) Act, 1986; Wildlife (Protection) Act, 1986; Wildlife (Protection) Amendment Act, 1991; Biodiversity Act, 2002; Scheduled Tribes & Others Traditional Forest Dwellers (Recognition of Forest Right) Act, 2006; National Conservation Strategy & Policy Statment on Environment & Development, 1992; National Policy & Macrolevel Action Strategy on Biodiversity, 1999 ইত্যাদিৰ আওতালৈ আনি উচিতভাৱে ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণৰ দিহা কৰিব পৰা যায়।

ভাৰতবৰ্ষৰ নিৰ্মল পানীৰ আৰ্দ্ৰভূমিসমূহে দেশখনৰ মুঠ জৈৱ-বৈচিত্ৰ্যৰ প্ৰায় ২০ শতাংশই বহন কৰি আহিছে। সমান্তৰালভাৱে অসমৰ বিলসমূহো অপূৰ্ব জৈৱ-বৈচিত্ৰ্যৰ মেটমৰা ভঁৰাল হিচাপে চিহ্নিত হৈ আহিছে। হাজাৰ হাজাৰ মাছমৰীয়াৰ জীৱন নিৰ্বাহৰ স্থল এই বিলসমূহে সহজলভ্য প্ৰ'টিন যোগানৰ জৰিয়তে মানৱ সমাজৰ পৰা পুষ্টিহীনতা দূৰীকৰণতো এক অনবদ্য ভূমিকা পালন কৰি আহিছে। কিন্তু এচাম স্বাৰ্থান্বেষী মানুহৰ বিবেচনাহীন কৰ্মকাণ্ড, প্ৰশাসন যন্ত্ৰৰ অবিজ্ঞানসন্মত দূৰদৰ্শিতাৰ অভাৱে এইপ্ৰাকৃতিক সম্পদৰাজিক ধ্বংসৰ মুখলৈ ঠেলি দিছে। আহক— আমিও সময় থাকোঁতে পৰিৱেশৰ বৃক্ষ স্বৰূপ এনে আৰ্দ্ৰভূমি, বিলসমূহৰ ধ্বংসলীলাৰ বিৰুদ্ধে সজাগ আৰু সচেতন হওঁ।❖❖

অসমৰ অনুসূচিত জাতিৰ ১৬টা উপজাতি

কংকণজ্যোতি ভূঞা
প্ৰাক্তন ছাত্ৰ (এম.এফ.এছচি., ২০২২)
ব্যক্তিগত সহায়ক, মাননীয় সাংসদ, লখিমপুৰ সমষ্টি

অসম মুলুকৰ অ-সম অভিলেখৰ কথা কৈ যেন কোনো কালেই শেষ নহয়। পাটকায়েদি নামি অহা চুকাফাই বিভিন্ন জাতি-জনগোষ্ঠীৰে মিলি যিখন অসম নিৰ্মাণ কৰিলে, সি সঁচাই অ-সম। দেশৰ ভিতৰতে চতুৰ্থ জনবহুল ৰাজ্য হিচাপে পৰিচিত এখন ৰাজ্য হৈছে অসম। অসম ভাৰতৰ ২.৫৮ শতাংশ (২০১১ৰ চূড়ান্ত লোকপিয়ল অনুসৰি ভাৰতৰ জনসংখ্যা ১২১,০৫,৬৯,৫৭৩) লোকৰ বসতি।

এইখন অসমৰে ভাৰতীয় তথা অসমীয়া জনগাঁথনিৰ এক অন্যতম উপাদান হ'ল অনুসূচিত জাতি। অসমত ১৬টা নৃগোষ্ঠীক অনুসূচিত জাতি আৰু ২৫টা নৃগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাভুক্ত কৰা হৈছে। ২০১১ৰ লোকপিয়ল অনুসৰি অসমত অনুসূচিত জাতিৰ জনসংখ্যা ২২,৩১,৩২১ যদিও ২০০১তকৈ এই সংখ্যা ২২.২০ শতাংশ বৃদ্ধি পোৱা বুলি জানিব পৰা গৈছে। প্ৰণিধানযোগ্য যে ৰাজ্যৰ নগাঁও জিলাত অনুসূচিত জাতিৰ সংখ্যা সৰ্বাধিক (২,৬৬,৩৫০), আৰু সৰ্বনিম্ন স্থানত আছে ডিমা হাছাও জিলা (৪,৩৩৭জন)। ২০১১ লোকপিয়লৰ তথ্য মতে, ৰাজ্যখনত অনুসূচিত জনজাতি লোকৰ সংখ্যা ৩৮,৮৪,৩৭১ যদিও ২০০১তকৈ এই সংখ্যা ১৭.৪০ শতাংশ বৃদ্ধি হৈছে। অসমৰ কাৰ্বি আংলং জিলাতেই অনুসূচিত জনজাতি লোকৰ সংখ্যা সৰ্বাধিক (৫,৩৮,৭৩৮) আৰু সৰ্বনিম্ন স্থানত আছে হাইলাকান্দি জিলা (মাত্ৰ ৬৯২জন)। স্মৰ্তব্য যে অসমৰ মুঠ অনুসূচিত জনজাতিৰ ৫.২০ শতাংশ লোক তিৱা, ১.২০ শতাংশ লোক দেউৰী, ১৭.৮০ শতাংশ লোক মিচিং, ৮.৪০ শতাংশ লোক ৰাভা, ৭.১০ শতাংশ লোক সোণোৱাল কছাৰী জনগোষ্ঠীৰ আৰু এই সকলোকে লৈ গঢ়ি উঠিছে বৃহত্তৰ অসমীয়া জাতি। অসমীয়া সমাজ গাঁথনিৰ অন্যতম এই অনুসূচিত জাতিৰ উপ-জাতিসমূহৰ বিষয়ে এটি চমু আলোকপাত তলত দাঙি ধৰা হ'ল।

কৈৱৰ্ত ঃ ভাষাতাত্ত্বিক দিশৰ পৰা অধ্যয়নত আমি জানিবলৈ পাওঁ যে 'ক' শব্দৰ অৰ্থ সংস্কৃতত হৈছে— পানী, জল, কাৰি, সলিল, নীৰ, নঞা ইত্যাদি। কৈৱৰ্ত ঃ কে বৰ্ততে ইতি (কে+বৃত+অন্)= কেৱৰ্ত, কেৱঁত, কেওট ইত্যাদি। বৃত= কৰ্মকৰণাৰ্থে নিযুক্তি, বৃত্+ক্তিক= থকা, স্থিতি, ব্যৱসায়, জীৱিকা, ('ত্ৰিবেদিকা', ডাঃ তাৰানাথ দাস, পৃঃ ২০২)। অৰ্থাৎ যিসকল লোকে পানীৰ লগত মিহলি হৈ থকা বা পানীৰ তলত থকা বস্তু আহৰণ কৰি জীৱিকা উপাৰ্জন কৰে, পানীৰ কাষতেই গাঁও পাতি বসবাস কৰে, এক কথাত সেইসকলেই কৈৱৰ্ত। মৎস্য সংগ্ৰহ, মৎস্য পোষণ, পানীৰ পৰা শামুক, শংখ, সোণ কমোৱা, জলপথক নিৰ্বাচন কৰি লৈ বেপাৰ-বাণিজ্য কৰা, নাও সজা-চলোৱা, ঘাট পাৰ কৰা, পানী জোখা, পানীৰ পৰা লোণ তৈয়াৰ কৰা আদিয়েই কৈৱৰ্তসকলৰ প্ৰধান কৰ্ম।

বুৰঞ্জীৰ পাতত লিপিবদ্ধ যে ৰামায়ণত শ্ৰীৰামচন্দ্ৰ ৰজাৰ মহামিত্ৰ, 'শৃংগাৱবেৰপুৰম' ৰাজ্যৰ ৰজা কৈৱৰ্ত ৰাজগুহৰ কথা। তদুপৰি মহাভাৰতৰ যুগতে 'কৈৱৰ্ত প্ৰস্থ' ৰাজ্যৰ ৰজা ধীবৰ ৰাজৰ কন্যা সত্যৱতী বা পদ্মাগন্ধাক কৌৰৱ-পাণ্ডৱৰ প্ৰপিতামহ কুৰুৰাজ শান্তনুৱে বিয়া কৰোৱাৰ সন্দৰ্ভত সবিশেষ উল্লেখ আছে। সেই দাস নন্দিনী সত্যৱতীৰেই পুত্ৰ মহৰ্ষি কৃষ্ণ দ্বৈপায়ন বেদব্যাস আছিল শ্ৰুতি, স্মৃতি আদি বেদ, শাস্ত্ৰৰ

অদ্বিতীয় ব্রাহ্মণ। তেৱেঁই আছিল অনেক পুৰাণ শাস্ত্র আৰু 'মহাভাৰত' মহাকাব্যৰ মূল ৰচনাকাৰী। মহাভাৰতৰ অন্তর্গত 'ভাগৱত গীতা' দর্শনৰ ৰচকো আছিল মহামুনি ব্যাসদেৱ। কৈৱর্ত ব্রাহ্মণ ব্যাসদেৱৰ পুত্র শুক মুনিয়েও ব্রাহ্মণ বুলি স্বীকৃতি পাইছিল বুলি ডাঃ তাৰানাথ দাসৰ 'ত্রিবেদিকা' শীর্ষক গ্রন্থৰ ২২৯ পৃষ্ঠাত সুন্দৰভাৱে লিখা আছে। স্মর্তব্য যে সর্বশ্রেষ্ঠ ভাৰতীয় সংস্কৃত নাট্যকাৰ কালিদাসৰ 'শকুন্তলা' শীর্ষক নাটকত শকুন্তলাৰ হেৰোৱা সোণৰ আঙঠিটো এজন মৎস্যজীৱীৰ এটা ৰৌ মাছৰ পেটত ওলোৱাৰ কথা উল্লেখ আছে। বুৰঞ্জীবিদ ড° লক্ষ্মী দেৱীয়ে অসম বুৰঞ্জীত উল্লেখ কৰা অনুসৰি, প্রাচীন অসমৰ জনগাঁথনিৰ এক বৃহৎ অংশই আছিল কৈৱর্ত। প্রাচীন কালৰে পৰা কৈৱর্তসকলক ডোম বুলি কোৱা হয় যদিও দৰাচলতে তেওঁলোক ডোম নহয়। ভাৰতীয় তথা অসমীয়া সমাজৰ এটি সংস্কৃতিৱান সম্প্রদায় বুলি বুৰঞ্জীৰ পাতত সোণালী আখৰেৰে জিলিকি আছে।

ডোম শব্দৰ উৎপত্তি সম্পর্কে বিভিন্নজনে বিভিন্নধৰণে মত পোষণ কৰিছে। সমাজবিদ জে এইচ হাটনৰ 'Caste in India' শীর্ষক গ্রন্থৰ এটি টোকাত উল্লেখ কৰিছে যে ডোম শব্দটো ভাৰতীয় সমাজৰ এটি খিলঞ্জীয়া অধিবাসী ডোমৰা (Domra) বা ডম্বু (Dombu)সকলৰ নামৰ পৰা উৎপত্তি হৈছে। তদুপৰি উক্ত গ্রন্থৰ পৃষ্ঠা ২৮১ত উল্লেখ কৰা অনুসৰি, ডোমৰা বা ডম্বুসকলে লেতেৰা আৱর্জনা পৰিষ্কাৰ কৰে, কোনো কোনো লোক বয়ন শিল্পৰ লগতো জড়িত আৰু সম্প্রদায়ৰে অন্য কোনো লোক ব্যৱসায়ৰ লগতো জড়িত। কিন্তু উক্ত ব্যৱসায়ৰ মৎস্য ব্যৱসায়ৰ স'তে কোনো সামঞ্জস্য নাই। ইতিত্মাক ৰাম শৰেণ শর্মাই তেখেতৰ 'Surdas in Ancient India' গ্রন্থৰ পৃষ্ঠা নং ২৯০ত উল্লেখ কৰিছে যে ডোমসকল হ'ল উত্তৰ ভাৰতৰ অস্পৃশ্য (Untouchables)সকলৰ এক বিশাল অংশ। ইফালে, জৈন সাহিত্যসমূহৰ মতে ডোমসকল এটি ঘৃণিত সম্প্রদায় (Despised Community)। বিশিষ্ট সমাজবিদ ড° ৰিগম্িৰ মতে, ভাৰতৰ এটি খিলঞ্জীয়া অধিবাসী হ'ল ডোম্বি (Dombi) সম্প্রদায়। এবিধ ডাঙৰ বাদ্য ঢোলক (Dholok) পৰিৱেশন কৰা এই ডোম্বিসকলৰ শব্দৰ পৰাই ডোম্ব বা ডোম শব্দৰ উৎপত্তি হৈছে। অসমৰ বিশিষ্ট লেখক মনো�ৰঞ্জন পণ্ডিতে তেখেতৰ গৱেষণা-পত্র 'Caste System and its Impact on Politics'ত উল্লেখ কৰিছে যে যিসকলে বাঁহৰ বয়-বস্তু তৈয়াৰ কৰে, খৰাহি-পাচি (Busket Weaving) আৰু অন্যান্য সামগ্রী তৈয়াৰ কৰি জীৱিকা উপার্জন কৰে, সেইসকলেই ডোম। আনহাতে এম এ ছেৰিঙছ (M.A. Sherring) নামৰ সমাজবিদজনে তেখেতৰ 'Hindu Tribes and Caste' নামৰ গ্রন্থত (পৃঃ ১৭৯) উল্লেখ কৰিছে যে সমাজৰ সেইসকল লোকেই ডোম, যিসকলে মৰা জীৱ-জন্তুৰ মাংস খায়, ফটা-ছিটা বস্ত্র পৰিধান কৰে, অতি দৰিদ্র।

নমঃশূদ্র ঃ ১৯৭১ৰ অনুসূচিত জাতিৰ লোক গণনাৰ তথ্য অনুসৰি, ৰাজ্যত নমঃশূদ্র সম্প্রদায়ৰ লোকৰ সংখ্যাই সর্বাধিক। এওঁলোক অসবর্ণ অনুলোম সন্তান যদিও এওঁলোকক মৎস্যজীৱী সম্প্রদায় বুলি কোৱা হয়।

ঢুলী ঃ যিসকল মানুহে বিয়া-সবাহ, উৎসৱ আদিত ঢোল বজায়, তেওঁলোকক ঢুলী বা ভূগালা বোলে। ঢুলী জাতিটো বিভিন্ন ঠালৰ পৰা অহা আৰু এটা সময়ত এই ঢুলী গোটটোক অস্পৃশ্য বুলি তালিকাভুক্ত কৰাত ই এটা সুকীয়া জাতি বুলি জনাজাত হ'ল। কাৰণ অসমৰ প্রায়বিলাক অনুসূচিত জাতিৰ মানুহ ঢোল, তাল আদি বাদ্যৰ লগত জড়িত।

ঝালো মালো ঃ ঝালো অর্থাৎ জল বা পানী আৰু মালো শব্দটো আৰবিক শব্দ 'মল্লাহ'ৰ পৰা আহিছে, যাৰ অর্থ নাও খোলা মানুহ; এওঁলোক মৎস্যজীৱী সম্প্রদায়ৰ মানুহ। ভাৰতৰ বিশেষকৈ অসম, বংগদেশ, ত্রিপুৰা আদি ৰাজ্যত এওঁলোকে বাস কৰে। এওঁলোক বিশেষকৈ দেশ বিভাজনৰ পিছত অসমলৈ আহে আৰু অবিভক্ত গোৱালপাৰা আৰু কামৰূপ জিলা আৰু কাছাৰ-কৰিমগঞ্জ অঞ্চলত বসবাস কৰি আছে।

মুচী বা ঋষি ঃ চামৰাৰ কাম কৰা মানুহসকলক সাধাৰণতে মুচী বুলি কোৱা হয়। এওঁলোকে ভাৰতৰ প্রায়বিলাক ঠাইত বসবাস কৰি আছে। অসমৰ কাছাৰ আৰু চিলেটত এওঁলোকৰ বসতি আছে বুলি জানিব পৰা গৈছে। এওঁলোক ১৯০১ৰ পিছতহে বিহাৰৰ পৰা অসমলৈ অহা। মুচী বা ঋষিসকল সাতটা ভাগত বিভক্ত।

মেতৰ বা ভংগী ঃ মেতৰ বা ভংগীসকলৰ শৌর্য-বীর্য সম্পর্কে Mr. E.A. Reade-এ মন্তব্য কৰিছে যে, 'Bhangis that, they are known to be brave, and to aspire to millitary service. Ranjeet Singh had one or more Bhangis corps. But they cannot be asserted with other classes without much prejudice.'

পাতনি ঃ এওঁলোকৰ বেছিভাগে বৰাক উপত্যকাত দেশ বিভাজনৰ আগৰ পৰাই বসবাস কৰি আহিছে বুলি তথ্য পোৱা গৈছে। ভাৰতৰ অন্যান্য ৰাজ্যতো এওঁলোকক কিছু পৰিমাণে পালেও অসম, পশ্চিমবংগ, ত্রিপুৰা, অৰুণাচল, মেঘালয় আৰু মিজোৰামত এওঁলোকৰ জনবসতি বেছি। উল্লেখ্য যে পশ্চিমবংগত এই পাতনি সম্প্রদায়ৰ লোকসকলক মহেশ্বৰ আৰু গেহটোৱান নামেৰে জনাজাত। এওঁলোকৰ কিছুমান সৰু সৰু ভাগ আছে, যেনে- জেট পাতনি, ঘাট পাতনি, বালাসী, ওয়াটাল, ডোম পাতনি আৰু মাছুৱা বা নাগৰাছি।

বণিয়া ঃ এওঁলোকক বৃত্তিয়াল বুলিও জনা যায়। গুণাভিৰাম বৰুৱাই এওঁলোকৰ দুটা ভাগৰ কথা কৈছে— হিৰা আৰু সোণাৰী। বণিয়াসকল অসমৰ ব্রহ্মপুত্র উপত্যকাৰ নিগাজি বাসিন্দা, এই সম্প্রদায়টো হাৰি সম্প্রদায়ৰ পৰা ফালৰি কাটি অহা। The Hindu Tribes and Castes Vol-1-অত M.A. Sherring (১৯৯৪)য়ে উল্লেখ কৰা মতে হিৰাসকল হৈছে Methor, Bhangi, Hala, Khar জাতিৰ সাতোটা ঠালৰ ভিতৰৰ এটা ঠাল।

জালকেওট ঃ এওঁলোকক বিশেষকৈ বৰপেটা, নলবাৰী আৰু কামৰূপ জিলাৰ কিছু অংশত বসবাস কৰা দেখিবলৈ পোৱা যায়। এওঁলোক কৈৱর্তৰ দৰে অসবর্ণ অনুলোম সন্তান। ইহঁতৰ দুটা ঠাল— হালোৱা কেওট আৰু জালোৱা কেওট। জালোৱা কেওটসকল জাল, নাও ইত্যাদিৰ লগত জড়িত। এওঁলোকৰ আদি বাসস্থান বংগদেশ।

ভুঁইমালী বা মালী ঃ অসমৰ Depressed Classৰ তালিকাত কেৱল সুৰমা উপত্যকাৰ মালীসকলেহে ১৯৩৫ত তালিকাভুক্ত হৈছিল। বাচাননৰ মতে, এওঁলোকক সাত ভাগত ভগোৱা যায়, যেনে— মাগাহী, চাৰসর্ভৰ, বেনাৰসীয়া, কনৌজীয়া, বাগেল, কুহলীয়া আৰু দেশী। এওঁলোক আচলতে অযোধ্যা আৰু কনৌজৰ বাসিন্দা।

সূত্রধৰ ঃ অসমৰ সূত্রধৰসকল দুটা ভাগত বিভক্ত। তাৰে এটা গোৱালপৰীয়া অসমীয়া, যাক স্থানীয় জলধা জাতি বুলিও অভিহিত কৰা হয় আৰু এওঁলোকে কাঠৰ আৰু খেতিৰ কাম কৰে। এওঁলোকৰ মাতৃভাষা অসমীয়া। দ্বিতীয়তে, দেশ বিভাজনৰ পিছত যিসকল আহিছে আৰু সুৰমা উপত্যকাত যিসকল আছে, এওঁলোকক চান্দ সদাগৰে অসমলৈ আনিছিল, বিশেষকৈ যিসকল অসমীয়াভাষী। ইয়াৰ পিছত দেশ বিভাজনৰ সময়ত বংগভাষী কিছু সূত্রধৰ অসমৰ ব্রহ্মপুত্র উপত্যকাত আহি বসবাস কৰিবলৈ লয়। খেতিৰ কামৰ লগতে এওঁলোকৰ মূল ব্যৱসায় হ'ল কাঠৰ আচবাব-পত্র বনোৱা।

হীৰা ঃ অসমৰ হীৰাসকলৰ আদি বাসস্থান উৰিষ্যা বুলি ইতিহাস অধ্যয়ন কৰিলে জানিব পৰা যায়। ইতিহাসত উল্লেখিত অনুসৰি, প্রায় ছয় শতিকাৰ সিফালে মহেন্দ্র মহাপাত্র নামৰ এজন ব্রাহ্মণ মানুহে তেওঁৰ দুই পুত্র আৰু পৰিবাৰক লৈ কামাখ্যা মন্দিৰ চোৱাৰ বাবে অসমলৈ আহে। কিন্তু কিছুদিনৰ পিছত তেওঁৰ মৃত্যু হয়। তেতিয়া বিধৱা পত্নীয়ে ল'ৰা দুটাৰ স'তে নিজকে ভৰণ-পোষণ দিয়াৰ বাবে ব্রহ্মপুত্র নৈৰ পলসুৱা মাটিৰে পাত্র বনাই কামাখ্যা মন্দিৰত যোগান দিয়া আৰম্ভ কৰিলে আৰু এই মাটিৰ ৰং হীৰাৰ নিচিনা হোৱাৰ বাবে, পিছলৈ এওঁলোকৰ বংশাৱলী হীৰা জাতি নামে জনাজাত হ'ল।

ধুবী বা ধোপা বা ধুপী ঃ বাইচিলিৰ মতে, ধোপা বা ধুপীসকল উৰিষ্যা আৰু বংগদেশৰ পৰা অহা আৰু ধুবীসকল বিহাৰৰ পৰা অহা। আচলতে এওঁলোক বর্ণ হিন্দুৰ লগত চলাচল কৰি আহিছে আৰু মন্দিৰত সোমাব পাৰিছিল।

বাসফোঁৰ ঃ প্রথমতে অসমত অস্পৃশ্য কাম কৰাৰ মানুহ নথকাত বিভিন্ন ৰজা-মহাৰজাই এওঁলোকক আনিছিল বুলি প্রবাদ আছে। উল্লেখ্য যে বাসফোঁৰসকলে বাঁহৰ কাম কৰি জীৱিকা নির্বাহ কৰি আছে।

এইকেইটা অনুসূচিত জাতিৰ লগতে আৰু কেইটামান অনুসূচিত জাতিৰ লোক অসমত বাস কৰি আছে যিসকলে সমাজত এৰাব নোৱাৰা সেৱা আগবঢ়োৱা সত্ত্বেও তেওঁলোকক অতি শূদ্র বুলি কোৱা হয়। সেইবোৰ হ'ল— 'লালবেগী' আৰু 'মাহাৰ'।

উপৰিউক্ত ১৬টা অনুসূচিত জাতিৰ উপজাতি বা সম্প্রদায়ৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে তেওঁলোকৰ সামাজিক ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ধর্মীয় আচৰণ বেলেগ বেলেগ।❖❖

বিঃ দ্রঃ বিভিন্ন উৎসৰ পৰা সংগৃহীত

হোমেন বৰগোহাঞি ছাৰ, মাছ আৰু মই

ড° হৰিচৰণ দাস
প্ৰাক্তন ছাত্ৰ (১৯৯৩ বৰ্ষ)
গ্ৰন্থাগাৰিক আৰু পৰিৱেশ অধ্যয়নৰ অধ্যাপক
বিলাসীপাৰা কলেজ



ৰহাৰ মীন মহাবিদ্যালয়ত পঢ়ি থকাৰ সময়ত যিকেইজন মহান ব্যক্তিৰ সান্নিধ্যলৈ আহিছিলোঁ তেওঁলোকৰ ভিতৰত অন্যতম আছিল স্বনামধন্য লেখক হোমেন বৰগোহাঞি ছাৰ। তেওঁৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিলোঁ 'সূত্ৰধাৰ' নামৰ সেই সময়ত তেওঁ সম্পাদনা কৰি থকা আলোচনীখনত লিখাৰ সূত্ৰ ধৰি। জীৱন শিল্পী লক্ষ্যধৰ চৌধুৰীৰ ওপৰত আলোকপাত কৰি লিখা এটা লেখা সূত্ৰধাৰত প্ৰকাশ পোৱাৰ পিছত মই এদিন তেওঁক লগ কৰিবলৈ গ'লোঁ। সেয়া সম্ভৱতঃ ১৯৮৯ৰ কথা। মই তেওঁক যথানিয়মে তেওঁৰ কার্যালয়ত লগ কৰিলোঁ। কার্যালয়টো আছিল পাণবজাৰত, কটন কলেজৰ কাষত। যথা নিয়মে বুলি কৈছোঁ এইকাৰণেই যে হোমেন বৰগোহাঞি ছাৰে সততে যাকে-তাকে সাক্ষাৎ নিদিছিল। কার্যালয় সহায়কৰ হাতত তেওঁক লগ কৰাৰ কাৰণ সম্পর্কে জনাই কাগজ এখন দিব লাগিছিল। যদি তেওঁ ভাবে যে কাৰণ উপযুক্ত, তেনেহ'লেহে তেওঁ লগ কৰিছিল। ময়ো সেইধৰণে তেওঁক লগ কৰিবলৈ গ'লোঁ। অনুমতি আহিল। কার্যালয় সহায়কে দুৱাৰখন খুলি দিলে। মই নমস্কাৰ জনাই তেওঁৰ কোঠাত প্ৰৱেশ কৰিলোঁ। মোক তেওঁ আপুনি বুলি সম্বোধন কৰাত বিনম্ৰতাৰে ক'লোঁ, অনুগ্ৰহ কৰি তেওঁ মোক যেন আপুনি নোবোলে। তেওঁ কথাষাৰ মানি ল'লে। মোৰ ঘৰ ক'ত বুলি সোধাত মই যেতিয়া ক'লোঁ- ওৰাঙত, তেওঁ জাঁপ মাৰি উঠিল- মই অলপতে ওৰাঙলৈ গৈছিলোঁ। ওৰাং অভয়াৰণ্যৰ ওপৰত এটা বিশেষ সংখ্যা ওলাব, তুমি লিখিব লাগিব!

তেওঁ মোক কি কি তথ্য গোটাব লাগিব সেই বিষয়ে বুজাই দিলে আৰু ওৰাঙৰ বন সংপালকলৈ এখন চিঠি লিখি মোৰ হাতত দিলে, যাতে তেওঁ মোক সহায় কৰে। তেতিয়া ওৰাং ৰাষ্ট্ৰীয় উদ্যান হোৱা নাই, অভয়াৰণ্য হৈয়ে আছে। মই এটা ৰবিবাৰে ওৰাং ওলালোঁগৈ। ওৰাঙৰ বন সংপালক তেতিয়া ভূপেন তালুকদাৰ। এমুখ কেঁচা দাড়িৰে এজন সুঠাম যুৱক; মই তেওঁক বৰগোহাঞি ছাৰৰ চিঠিখন দিলোঁ। তালুকদাৰদেৱে মোক বিচৰা ধৰণে তথ্যখিনি দিলে আৰু সেই তথ্যৰ লগত মোৰ সম্যক জ্ঞানৰ সংযোজন কৰি লেখাটো জমা দিলোঁ। লেখাটো প্ৰচ্ছদ নিবন্ধ ৰূপে প্ৰকাশ পালে। তাৰ পিছৰ পৰা মই সূত্ৰধাৰৰ নিয়মীয়া লেখক হৈ পৰিলোঁ আৰু গুৱাহাটীলৈ গ'লে বৰগোহাঞি ছাৰক লগ কৰাটো মোৰ কর্তব্য হৈ পৰিল।

তেনেদৰে এদিন লগ কৰোঁতে মোক তেওঁ ক'লে- সূত্রধাৰত মাছৰ বিষয়ে লিখিব লাগে। মাছৰ ওপৰত এটা বিশেষ সংখ্যা ওলাব। মই যুদ্ধকালীন ক্ষিপ্রতাৰে লাগি গ'লোঁ আৰু তেওঁ দিয়া তাৰিখৰ আগতেই জমা দিবলৈ আহিলোঁ। সেইদিনা আছিল ৰবিবাৰ। সূত্রধাৰৰ কার্যালয় বন্ধ। গতিকে মই তেওঁৰ ঘৰ ওলালোঁগৈ। সম্ভৱতঃ ব্যস্ত আছিল আৰু ক'ৰবালৈ যাবলৈ ওলাইছিল। মই কলিং বেল টিপাৰ লগে লগে তেওঁ ওলাই আহিল আৰু খং কৰিলে। কাৰণ মই তেওঁ নির্দিষ্ট কৰি দিয়া তাৰিখে নগৈ তাৰ আগতেই ওলালোঁগৈ। মই তেতিয়া কাৰণ দর্শাই ক'লোঁ যে যিটো তাৰিখে তেওঁ মাতিছিল সেইদিনা মোৰ পৰীক্ষা। লগে লগে তেওঁৰ খং নাইকিয়া হ'ল আৰু মোক সুধিলে মই কোনফালে যাম। মই গণেগুৰিলৈ যাম বুলি কোৱাত তেওঁৰ গাড়ীত উঠাই মোক গণেশগুৰিত নমাই দিলেহি। পৰীক্ষাৰ শেষত এদিন তেওঁক লগ কৰিবলৈ আহিলোঁ। মই অনুমতি লৈ যেতিয়া সোমাবলৈ ধৰিলো, তেওঁ মোক সম্বোধন কৰিলে ড° দাস বুলি; মই থতমত খালোঁ। বি.এফ.এছচি.য়েই হোৱা নাই তেতিয়া মই; আচলতে তেওঁ ধেমালিতে কৈছিল। অৱশ্যে ইয়াৰ কাৰণ এটা আছিল। সেয়া হ'ল, তেওঁ মাছৰ ওপৰত লিখা লেখাটো বৰ ভাল পাইছিল। লগত ফটোবোৰ দিছিলোঁ। প্রবীণ দত্ত দাহঁতৰ ঘৰত কাঁহৰ কাঁহীত ভাতৰ আৰু মাইহাং বাটিত মাছৰ আঞ্জাৰ ফটো লৈছিলোঁ। প্রবীণ দত্ত দা আমাৰ কলেজৰ নির্মাণ বিভাগৰ কর্মচাৰী আছিল। আমাক খুব মৰম কৰিছিল। তেওঁৰ ঘৰখন আমাৰ ভাতঘৰৰ দৰে আছিল। হোমেন বৰগোহাঞি ছাৰে ড° দাসক, অর্থাৎ মোক বহিবলৈ কৈ কার্যালয় সহায়কজনক মাতি কৈছিল- আজি আৰু কাকো আহিবলৈ নিদিবা, মই আজি মাছৰ কথা পাতিম, তেওঁ সেইদিনা মোৰ লগত বহু সময় ধৰি মাছৰ কথা পাতিছিল। সূত্রধাৰৰ সেই মীন বিশেষ সংখ্যাত সেই সময়ৰ মীন মহাবিদ্যালয়ৰ কথাও ওলাইছিল।

তেওঁৰ সম্পাদনাত আৰু এখন কাকত একে সময়তে ওলাইছিল— 'জনক্রান্তি'। 'জনক্রান্তি'তো মই নিয়মীয়াকৈ লিখিছিলোঁ। সূত্রধাৰ আৰু জনক্রান্তিৰ জৰিয়তেই লেখক ৰূপে পৰিচিত হৈ পৰিছিলোঁ। তেতিয়া আমি মীন মহাবিদ্যালয়ৰ ছাত্র হিচাপে দক্ষিণ ভাৰতলৈ শিক্ষামূলক ভ্রমণলৈ যোৱা ভ্রমণ কাহিনীটোও মই সূত্রধাৰ আৰু জনক্রান্তিত লিখিছিলোঁ। এই দুখন আলোচনী আৰু কাকতত লিখি মাহে তিনিশ-চাৰিশমান টকা পাইছিলোঁ। মাননিৰ ধন মানি অর্ডাৰ কৰি পঠিয়াই দিছিল। তেতিয়া ৰহাৰ ডাকঘৰত এজন ধুতী পিন্ধা ডাকোৱাল আছিল; নামটো পাহৰিলোঁ। তেওঁ মোক মাননিৰ ধন ছাত্রাৱাসত আহি দি থৈ গৈছিল, নিয়মীয়াকৈ। তেতিয়া আমাৰ ছাত্রাৱাসৰ মাহিলি খৰচ ২৫০ টকা। গতিকে সেই পইচাৰেই মই চলিব পাৰিছিলোঁ।

১৯৯৩ চনত বি.এফ.এছচি. হ'লোঁ আৰু এদিন বৰগোহাঞি ছাৰক দেখা কৰিবলৈ গ'লোঁ। তেওঁ মোক ক'লে ডিব্রুগড় বিশ্ববিদ্যালয়ত তেওঁৰ এজন আত্মীয়ই চাকৰি কৰে। অভিযন্তা। তেওঁ মাগুৰ মাছৰ হেট্ছাৰি খুলিব, মানুহ লাগে। মই পাৰিম নেকি সুধিলে। মই ক'লোঁ—ছাৰ দুজন হ'লে ভাল। তেওঁ হ'ব বুলি ক'লে। মই অনুপমক খবৰ কৰিলোঁ। অনুপম মানে এতিয়া গোৱালপাৰা জিলা মীন বিষয়া ড° অনুপম শর্মা। তেওঁ আগ্রহ প্রকাশ কৰিলে। আমি দুয়ো ডিব্রুগড় বিশ্ববিদ্যালয় পালোঁগৈ। আমাক অতিথিশালাত থাকিবলৈ দিয়া হৈছিল। আমি পোন্ধৰ দিন মান থাকিলোঁ। কিন্তু কাম আৰম্ভ নহ'ল। অভিযন্তাগৰাকীয়ে আমাক মাকুমৰ এখন মীন পামলৈ লৈ গ'ল। তাত চি এম হো নামেৰে এজন চীনা লোকে মীন পাম খুলিছিল। আচলতে তেওঁ এজন উদ্যোগপতি আছিল। চাহ বাগিচাৰ সৰঞ্জাম আৰু যন্ত্র বনাইছিল। সেই যন্ত্র আফ্রিকা, উগাণ্ডা আদিলৈ ৰপ্তানি হয়। মীন পাম তেওঁৰ চখহে। আমাক কৈছিল— ঘৈণীৰ পিছতে মই মাছ ভাল পাওঁ। পামখন যিহেতু ব্যৱসায়িক নাছিল, দুজন মানুহৰ দৰকাৰো নাছিল। মই সেইবাবে গুচি আহিলোঁ। অনুপম থাকিল।

গুৱাহাটীলৈ আহি বৰগোহাঞি ছাৰক লগ কৰিলোঁ। তেওঁ ক'লে— আহি ভাল কৰিলা। মই অসমবাণীত সম্পাদকৰ দায়িত্ব লৈছোঁ, তুমি সহায় কৰিব লাগিব। তেওঁ মোক অসমবাণীৰ মুক্ত সাংবাদিক ৰূপে কামত নিয়োজিত কৰিলে। অসমবাণীত তেওঁ মোক কৃষি বিষয়ক বিশেষ সংখ্যা এটাও সম্পাদনাৰ দায়িত্ব দিছিল। কিন্তু চাকৰি হিচাপে যিহেতু অসমবাণীত মোৰ নিযুক্তি নাছিল, সেইবাবে 'নাগৰিক' কাকতত সহঃ সম্পাদকৰ চাকৰি পাই মই অসমবাণী এৰিছিলোঁ। 'নাগৰিক'তো দৰমহা বৰ কম আছিল। মাত্র সাতশ টকা। সেইবাবে নিৰুপমা বৰগোহাঞি বাইদেউৰ সম্পাদনাত প্রকাশ পোৱা 'চিত্রাংগদা'ত পোন্ধৰশ টকা দৰমহাৰ চাকৰি পাই 'চিত্রংগদা'ৰ উপ-সম্পাদকৰ দায়িত্ব ল'লোঁ। ডেৰ বছৰমান পিছত 'চিত্রংগদা' বন্ধ হ'ল। ১৯৯৫ৰ মার্চত 'অসমীয়া প্রতিদিন'

কাকতৰ জন্ম হয়। মে'ত মই তাত উপ-সম্পাদক ৰূপে যোগদান কৰোঁ। বৰগোহাঞি ছাৰে 'আমাৰ অসম' কাকতলৈ আহে। এই সময়ছোৱাত বৰগোহাঞি ছাৰৰ স'তে ঘনিষ্ঠতা কমিছিল যদিও সামাজিক কামত তেওঁক লগ ধৰিছিলোঁ। অৰণ্য সুৰক্ষা সমিতিয়ে ওৰাঙক ৰাষ্ট্ৰীয় উদ্যান ৰূপে ঘোষণা কৰা আৰু ইয়াৰ ৰাজীৱ গান্ধী নাম আঁতৰাই পুনৰ ওৰাং নাম বাহাল ৰখাৰ দাবীত অৰণ্য সুৰক্ষা সমিতি, অসমে ৰাষ্ট্ৰপতিলৈ লিখা চিঠিৰ অন্যতম স্বাক্ষৰকাৰী আছিল বৰগোহাঞি ছাৰ। সেই সময়তে আৰু এটা আন্দোলন হৈছিল, সেয়া হ'ল খানাপাৰাৰ মুগা পামখন উচ্ছেদ কৰি তালৈ ৰাজধানী সম্প্ৰসাৰণ কৰাৰ বিৰুদ্ধে। এই আন্দোলনৰ গুৰি বৰগোহাঞি ছাৰে নিজে ধৰিছিল আৰু আমি তেওঁৰ সহযোগী আছিলোঁ। বিশিষ্ট লেখিকা অনুৰাধা শৰ্মা পূজাৰী বাইদেৱো ইয়াত জড়িত আছিল। ২০০০ত বিলাসীপাৰা মহাবিদ্যালয়ত সোমো�ৰাৰ পিছত তেওঁৰ স'তে ঘনিষ্ঠতা কমি আহে। অৱশ্যে তেওঁ সম্পাদনা কৰা কাকতলৈ লেখা-মেলা ডাকযোগে পঠিয়াই আছিলোঁ। কিন্তু মুখামুখি হোৱাৰ সময় আৰু সাহস দুয়োটাই কমি আহিছিল। সাহস এইকাৰণেই কমিছিল যে তেওঁ প্ৰত্যাশা কৰাৰ দৰে মই একো কৰিব পৰা নাছিলোঁ। বৰগোহাঞি ছাৰে সদায় কামৰ কথা পাতিছিল, আমাৰ দৰে অনুজসকলৰ পৰা তেওঁ জাতিটোৰ বাবে বহুত আশা কৰিছিল। খুব প্ৰশংসা কৰিছিল। কিন্তু মই যে বিশেষ একো কৰিব পৰা নাছিলোঁ। ২০০০ৰ পৰা ২০২০ৰ ভিতৰত মাত্ৰ দুবাৰ তেওঁক লগ পাইছিলোঁ। এবাৰ বিলাসীপাৰাৰ এখন ৰাজহুৱা সভাত আৰু এবাৰ জয়পুৰ বনাঞ্চলত হোৱা প্ৰকৃতি সভাত। অৱশ্যে মই পেটে-পেটে অলপ সাহস গোটাই থৈছিলোঁ, ভাবিছিলোঁ অৰণ্য সুৰক্ষা সমিতিৰ ৰূপালী জয়ন্তীলৈ মাতিবলৈ যাম। প্ৰকৃতিপ্ৰেমী বৰগোহাঞি ছাৰে অৰণ্য সুৰক্ষা সমিতিৰ কাম ভাল পাইছিল। ভাৰতীয় নৃকুল গ্ৰন্থাগাৰ সংস্থাৰ আহ্বায়ক হিচাপেও অলপ কাম-কাজ কৰি আছো। অন্ততঃ সেইখিনিকে ক'ব পাৰিম। কিন্তু কাল ক'ৰোনাই সেই সুযোগ নিদিলে। বৰগোহাঞি ছাৰে আমাক কন্দুৱাই অকালতে গুচি গ'ল। তেওঁৰ সোঁৱৰণত ভাৰতীয় নৃকুল গ্ৰন্থাগাৰ সংস্থাৰ উদ্যোগত আৰু বিলাসীপাৰা মহাবিদ্যালয়ৰ ড° বাণীকান্ত কাকতি গ্ৰন্থাগাৰৰ সহযোগত এখন ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ পাতি তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাইছিলোঁ। এই আলোচনা-চক্ৰৰ বিষয় আছিল 'কথাশিল্পী হোমেন বৰগোহাঞি আৰু পাঠক সমাজ'। এই আলোচনা-চক্ৰত অসম সাহিত্য সভাৰ সম্পাদক যাদৱ শৰ্মা, অসম সত্ৰ মহাসভাৰ সভাপতি জিতেন্দ্ৰনাথ প্ৰধানী প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট লোকে অংশ লৈছিল। সাহিত্য সৃষ্টিৰ লগে লগে হোমেন বৰগোহাঞি ছাৰে কিন্তু এখন বিশাল পাঠক সমাজ গঢ়ি থৈ গৈছে। তেওঁৰ লেখাৰ এক অনন্য যাদুকৰী শক্তি আছিল। সাপ্তাহিক 'নীলাচল' কাকতৰ জৰিয়তে তেওঁ সাংবাদিকতাৰ জগতত যুগান্তকাৰী পৰিৱৰ্তন অনাই নহয়, বাতৰি কাকতৰ এক বিশাল পটুৱৈ সমাজ সৃষ্টি কৰিছিল। সৃষ্টিশীল লেখক হোৱাৰ উপৰি এজন 'ম'টিভেচনেল ৰাইটাৰ' হিচাপে তেওঁ আছিল অদ্বিতীয়। তেওঁৰ 'আত্মানুসন্ধান' মই কিজানি বিছ বাৰতকৈও বেছি পঢ়িছোঁ !❖❖

- *কিতাপৰ প্ৰতি ভয় খোৱা বেমাৰক কি বুলি কোৱা হয় ?*
  বিবলিঅ'ফ'বিয়া ***(Bibliophobia)***
- *ভাৰত আৰু চীনৰ মাজত থকা আন্তৰ্জাতিক সীমাৰেখা ডালক কি বোলে ?*
  মেকমোহন লাইন

ৰাস মহোৎসৱ ঃ এক অৱলোকন

ৰাণীমা দেৱী
ড° বিপুল কুমাৰ কাকতি
প্ৰাক্তন ছাত্ৰ (২০০১ বৰ্ষ)
সহকাৰী অধ্যাপক
মীন মহাবিদ্যালয়, ৰহা

সনাতন বৈদিক সংস্কৃতিৰ অনুগামীসকলৰ বাবে পূৰ্ণ পুৰুষোত্তম শ্ৰীকৃষ্ণৰ ৰাসলীলা এক অনুপম আনন্দদায়ক অপ্ৰাকৃত লীলা। সমগ্ৰ ভাৰতবৰ্ষৰ হিন্দু সমাজৰ আদৰণীয় ৰাসোৎসৱ অসমত অতি ভক্তিভাৱে মহাপুৰুষ শংকৰদেৱৰ সময়ৰ পৰা উদ্‌যাপিত হৈ আহিছে।

ৰাস শব্দটো মূলতঃ 'ৰস' শব্দৰ পৰা উৎপত্তি হৈছে। কীৰ্ত্তন ঘোষাৰ মতে, 'ৰসৰ আস্বাদনেই হৈছে ৰাস।' ইয়াৰ পাৰমাৰ্থিক অৰ্থ হৈছে ভক্ত আৰু ভগৱানৰ মিলনৰ আনন্দ। প্ৰচলিত এক পৌৰাণিক আখ্যান অনুসৰি পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণই ৰাসলীলা কৰাৰ আদি কথা এনেধৰণৰ—ত্ৰেতা যুগত দশৰথ তনয় ভগৱান শ্ৰীৰামচন্দ্ৰই যেতিয়া বনবাসলৈ গমন কৰিলে, তেতিয়া ঋষি-মুনিসকলে তেওঁক ধ্যান কৰি কৰি তেওঁৰ অপৰূপ সৌন্দৰ্যৰ প্ৰতি আপ্লুত হৈ পৰস্পৰে ৰমণ কৰাৰ অভীপ্সা কৰিছিল। তেতিয়া ৰামচন্দ্ৰই তেওঁলোকৰ মনৰ ভাব বুজি দ্বাপৰ যুগত কৃষ্ণ অৱতাৰত তেওঁলোকৰ মনৰ কামনা পূৰ্ণ কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। পৰৱৰ্তী যুগত সেই ঋষিসকলে দ্বাপৰ যুগত কৃষ্ণ অৱতাৰত মথুৰা নগৰীত ঠায়ে ঠায়ে গোপী হিচাপে জন্মগ্ৰহণ কৰিছিল।

সচ্চিদানন্দ পৰম পুৰুষ শ্ৰীকৃষ্ণই ত্ৰেতা যুগত ৰাম অৱতাৰত দিয়া প্ৰতিশ্ৰুতি অনুসৰি গোপীসৱৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ শৰতৰ পূৰ্ণিমা নিশা বৃন্দাবনৰ বাকৰিত বাঁহীত সুৰ তুলিলে। গোপীসৱে শ্যামলা দুৱৰীৰ সুকোমল কোলাত যমুনাৰ স্নিগ্ধ বালিত সুগন্ধিত মৃদু সমীৰণৰ তালে তালে কানাইৰ বাঁহীৰ মনোমোহা সুৰত হৃদয়ৰ জপনা খুলি প্ৰেমবিহ্বলা হৈ কৃষ্ণত আত্মসমৰ্পণ কৰিলে। কীৰ্ত্তনত আছে—

'এহি মতে ব্ৰজৰ যুৱতী প্ৰতি নিত।
একান্তে অৰ্পিলা গোপালতে প্ৰাণ চিত্ত।।'

শাৰদীয় জোনাক সিঁচা ৰাতি গোপীসকলক প্ৰেমৰ ৰসত আপ্লুত কৰি শ্ৰীকৃষ্ণয়ো তেওঁৰ লীলাৰে— 'কৰিলা ক্ৰীড়া কৃষ্ণে অসংখ্যাত।' যাতে গোপীসকলে তেওঁৰ সান্নিধ্যৰ জৰিয়তে পৰম শান্তি পাই মোক্ষ লাভ কৰিব পাৰে।

অসমীয়া সমাজখনক সু-সংস্কৃত কৰিবৰ বাবে মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ বিৰচিত 'কেলিগোপাল নাট'খন মহাপুৰুষজনাৰ লৌকিক, কাব্যিক আৰু মৌলিক সৌন্দৰ্যৰে ভৰপূৰ এখন অপূৰ্ব, অনন্য আৰু চিত্তাকৰ্ষক ৰাস বিষয়ক নাট। কেলিগোপাল নাটৰ বিষয়বস্তুৰ মূল কথাখিনি শংকৰদেৱে ভাগৱতৰ ২৮শ-৩৩শ অধ্যায়ৰ পৰা গ্ৰহণ কৰিছে।

কেলিগোপালৰ বিষয়বস্তু এনেধৰণৰ—ঋতুৰাণী শৰৎ মানেই সৌন্দৰ্য ঃ বিষাদৰ কলীয়া ডাৱৰ আঁতৰাই মন-বনত শুকুলা ডাৱৰে নাচি উঠে। এনে শাৰদীয় উৎফুল্ল ৰাতি চন্দ্ৰাৱলীৰ স্নিগ্ধ আলোকৰ জ্যোৎস্নাবিধৌত মায়াময় যমুনাৰ তীৰত সুগন্ধি কুসুমৰ মতলীয়া সুবাসত উন্মনা বৃন্দাবনত শ্ৰীকৃষ্ণই পঞ্চম ৰাগেৰে বেণুত সুৰ তুলিলে। ব্ৰজকামিনীগণ শ্ৰীকৃষ্ণৰ সুমধুৰ বংশীধ্বনিত মুগ্ধ হৈ যিয়ে যি অৱস্থাত আছিল সেই অৱস্থাতে য'ৰে কাম ত'তে পেলাই সংসাৰৰ সকলো মায়া-মোহ ত্যাগ কৰি বৃন্দাবনলৈ ঢাপলি মেলিলে। কীৰ্ত্তনত গুৰুজনাই উল্লেখ কৰিছে—

'বনকো দেখিল চন্দ্ৰ ৰশ্মিয়ে ৰঞ্জিত।
সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত।।

শুনি কামে উত্ৰৰল হুয়া গোপীগণে।
দিলেক লৰৰ গীত ধ্বনি নিৰীক্ষণে।।

শ্রীকৃষ্ণই তেতিয়া পতি সেৱাই যে নাৰী ধর্ম, এই কথা সোঁৱৰাই তেওঁলোকক উভতি যাবলৈ বুজনি দিয়ে এনেধৰণে—

'উপপতি সমে ক্রীড়া গৰিহিত কর্ম্ম।
স্বামীৰ শুশ্রূষা কুলস্ত্রীৰ মহাধর্ম।।'

গোপীগণে কৃষ্ণৰ বিপ্রিয় বাণী শুনি শোকত ব্যাকুল হৈ কৃষ্ণতে তন-মন-প্রাণ সঁপি দি তেওঁৰ সেৱা কৰিলেই পতি-পুত্রৰ সেৱা কৰা হ'ব বুলি তেওঁৰ শৰণাপন্ন হ'ল।

সমস্ত বিষয় এড়িয়া স্বামী।
ভজিলো তোমাৰ চৰণে আমি।।

শ্রীকৃষ্ণই গোপীসকলৰ দৃঢ় ভক্তি দেখি তেওঁলোকৰ মনোকামনা পূৰণার্থে যমুনাৰ ৰূপালী বালিত, জ্যোৎস্নাৰ প্লাৱন আৰু কুমুদগন্ধী সমীৰণৰ সংস্পর্শত কৃষ্ণই তেতিয়া গোপীগণৰ লগত ৰাসলীলা আৰম্ভ কৰিলে। কিন্তু যেতিয়াই পৃথিৱীৰ নাৰী জাতিৰ ভিতৰত নিজক শ্রেষ্ঠ আৰু সুভাগিনী বুলি ভাবি শ্রীকৃষ্ণ তেওঁলোকৰ অধীন বুলি গোপীৰ মন গর্ব-অহংকাৰত ভৰি পৰিল, তেতিয়াই শ্রীকৃষ্ণই গোপীসকলৰ মাজৰ পৰা অন্তর্ধান হৈ পৰিল। শ্রীকৃষ্ণ যেতিয়া ৰাধাক লৈ নোহোৱা হ'ল, তেতিয়াহে গোপীসকলে নিজৰ ভুল বুজিব পাৰিলে। ভগৱানক একমাত্র 'মোৰ' বুলি ভাবি অহংকাৰ কৰাৰ ফলত শ্রীকৃষ্ণক তেওঁলোকে হেৰুৱাবলগীয়া হ'ল। গোপীগণে তেতিয়া অতিকৈ ব্যাকুল আৰু অস্থিৰ হৈ বনৰ বৃক্ষৰাজি, পুষ্পসমূহ, হৰিণ আদিক তেওঁলোকৰ প্রিয় কৃষ্ণৰ বাতৰি সুধি অনাই-বনাই ফুৰিবলৈ ধৰিলে। কৃষ্ণাত্মিকা গোপীগণ অতিশয় বিহ্বলা হৈ কৃষ্ণৰ বিবিধ ক্রীড়াও অনুকৰণ কৰিলে। এইদৰে ফুৰোঁতে বৃন্দাবনৰ ভূমিত নন্দ নন্দনৰ পদচিহ্ন দেখিবলৈ পালে। এই পদচিহ্নৰ সমীপতে পৰিলক্ষিত হ'ল কোনো এজনী ৰমণীৰ পদচিহ্নও।

দেখা সখী খোজে কোনজনী যায় সংগে।
কৃষ্ণৰ কান্ধত হাত দিয়া লীলা ৰংগে।।
নিশ্চয়ে জানিলো আৰাধিলে দেৱ হৰি।
তাইক লগে নেন্ত আমি সমস্তকে এড়ি।।

গোপীগণে বুজিব পাৰিলে যে আৰাধনাৰ দ্বাৰা কোনো ৰমণীয়ে কৃষ্ণক সন্তুষ্ট কৰিছে আৰু সেয়েহে ভগৱান হৰিয়ে তেওঁলোকক এৰি সেই নাৰীৰ লগতে গৈছে। ইফালে সকলো গোপীৰ মাজৰ পৰা কৃষ্ণই কেৱল ৰাধাক লগত লৈ যোৱা বাবে তেওঁ গর্বিনী হৈ কয়— 'চলিতে নপাৰো আউৰ মই এক ভৰি।'

কৃষ্ণই ৰাধাৰ মনোভাব বুজিব পাৰি ক'লে— 'যাইবে যেৱে নৰাৰা কান্ধত উঠা আসি।'

গর্বিনী ৰাধাই তাকেই কৰিবলৈ উদ্যত হোৱাৰ লগে লগে কৃষ্ণ অন্তর্ধান হয়। গর্বিনীৰ গর্ব খর্ব হ'ল। অতিশয় ব্যাকুল হৈ ফুৰোতে ৰাধাই আন আন গোপীসকলকো লগ পায়। তেতিয়া সকলোৱে একেলগে কৃষ্ণক প্রার্থনা কৰিব ধৰিলে। গোপ-কামিনীৰ স্তুতি আৰু বিলাপত ভক্তবৎসল মদনমোহন কৃষ্ণ সন্তুষ্ট হ'ল। শ্রীকৃষ্ণ ত্রিজগতৰ পতি। তেওঁক কোনো মায়া বান্ধোনে বান্ধি ৰাখিব নোৱাৰে। গোপীসকলে একাগ্রচিত্তে শ্রীকৃষ্ণক স্তুতি-প্রার্থনা কৰাত ভক্তৰ ভক্তিত সন্তুষ্ট হৈ ভগৱানে গোপীসকলক মানৱ জীৱনৰ পৰমার্থ বুজাই দিলে। ব্রজকামিনীৰ অন্তৰ পৰিশুদ্ধ হোৱাত গোপীসকলৰ ইচ্ছাক সন্মান জনাই য'ত গোপী ত'ত কৃষ্ণ হৈ গোপীৰ মনৰ অভিলাষ পূর্ণ কৰিলে।

কেলিগোপালৰ কথাবস্তুৰ মাজত কুবেৰৰ অনুচৰ শংখচূড় যক্ষ আচম্বিতে উপস্থিত হৈ কাহিনীভাগ বৈচিত্র্যপূর্ণ আৰু কৌতূহলপূর্ণ কৰি তুলিছে। নাটত তিনিবাৰ শংখচূড়ৰ আবির্ভাৱ ঘটে। প্রথম কেলি ক্রীড়াৰ আৰম্ভণিতে আৰু দ্বিতীয়বাৰ ৰাসলীলাৰ আৰম্ভণিত শংখচূড় আবির্ভাৱ হয় যদিও কৃষ্ণই যক্ষক খেদি নি ভয়বিহ্বলা গোপীগণক সান্ত্বনা দিয়ে। পুনৰ ৰাস লীলাৰ শেষ অৱস্থাত গোপীক হৰণ কৰি নিয়াত ভক্তপ্রাণ কৃষ্ণই পাছে পাছে খেদি গৈ সেই যক্ষক বধ কৰে।

ৰাসমণ্ডলৰ পৰা গোপিনীক থাপ মাৰি লৈ যোৱাৰ আগতে শংখচূড়ৰ দুবাৰ অৱতাৰণাই কেলি-ক্রীড়া সজ্জা ব্রজাংগনাসকলক আতংকিত কৰি তোলে আৰু নাটকীয় কাহিনীৰ বৈচিত্র্য বঢ়ায়। আগৰে পৰা আতংকৰ সৃষ্টি হোৱা কাৰণেহে শেষত সেই দুৰাত্মাৰ বধত সুশান্তিৰ উপলব্ধি অনুভূত হৈছে।

ৰাস প্ৰধানতঃ এক নৃত্যপ্ৰধান নাট। ৰাসৰ লগত হল্লীসক নৃত্যৰ সাদৃশ্য বিদ্যমান। মণ্ডলাকাৰে নৃত্য কৰা অনেক নৰ্তকীৰ মাজত যদি কোনো নটে নৃত্য কৰে, সেই নৃত্যক হল্লীসক নৃত্য বোলে। আনহাতে হল্লীসক নৃত্য বিভিন্ন তাল-গতি-চলন সমন্বিতে পৰিৱেশন হ'লে ই ৰাসনৃত্য নাম পায়। বাহ্যিক দৃষ্টিত ৰাসলীলাত শৃংগাৰ বা আদিৰসৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়। সাংসাৰিক আসক্তিত পৰি সাধাৰণ লোকে ভগৱানৰ প্ৰতি আকৃষ্ট নহ'বও পাৰে, সেয়ে বহু সময়ত লৌকিক ৰসৰ জৰিয়তে ভগৱৎ ভক্তিলৈ সৰ্বসাধাৰণৰ মন ঢাল খুৱাবলৈ এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মহাপুৰুষ শংকৰদেৱে যদিও কীৰ্ত্তন ঘোষাত কৈছে— 'ইটো ৰাস ক্ৰীড়া কেলি নামে কাম-জয়।' প্ৰকৃততে এই ৰাসলীলা শ্ৰীকৃষ্ণৰ জীৱ-ব্ৰহ্মৰ আলিংগনৰ অভিনয়হে মাথোঁ। ই জীৱাত্মাৰ স'তে পৰমাত্মা শ্ৰীকৃষ্ণৰ লীলা। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত— 'গোপীসকলক ব্যাভিচাৰিণী পৰ নাৰীৰূপে থিয় কৰি ভগৱন্তৰ ভক্তক পাবৰ উৎকণ্ঠা দেখুওৱা হৈছে। অৰ্থাৎ জীৱনৰ এনেকুৱা উৎকণ্ঠা হ'লেও জীৱই ভগৱন্তক পাব। এয়ে ৰাসলীলাৰ ঘাই শিক্ষা। এই ৰাসলীলাত সম্ভোগ নাই; ফল আছে, কামনা নাই; তৃপ্তি আছে, সম্ভোগ নাই; আনন্দ আছে।' ৰাসলীলা কোনো দৈহিক ইন্দ্ৰিয় সুখৰ বস্তু নহয়। ই হৈছে ত্ৰিগুণাতীত প্ৰেমৰ সৰ্বোৎকৃষ্ট প্ৰকাশ।

অসমৰ বিভিন্ন প্ৰান্তত কাৰ্তিক পূৰ্ণিমাৰ দিনা ৰাস মহোৎসৱ অত্যন্ত আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰা হয়। অসমত প্ৰধানকৈ দুই প্ৰকাৰে ৰাস উদ্‌যাপন কৰা পৰিলক্ষিত হয়। উজনি অসম আৰু মধ্য অসমত জীৱন্ত ৰাস আৰু নামনি অসমত মৃন্ময় মূৰ্তিৰ দ্বাৰা ৰাস উদ্‌যাপন কৰা হয়।

সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নদীদ্বীপ মাজুলী ৰাসলীলা প্ৰদৰ্শনৰ স্বৰ্ণক্ষেত্ৰ। মাজুলীৰ দক্ষিণপাট সত্ৰত পোনপ্ৰথমে ১৭৬২ শকত ৰাস উৎসৱ আৰম্ভ হয়। পিছলৈ গড়মূৰ, আউনীআটী, বেঙেনাআটী, কমলাবাৰী আদি বিভিন্ন সত্ৰ আৰু মঞ্চলৈ ইয়াৰ প্ৰসাৰ ঘটে। মাজুলীৰ ৰাসসমূহ বিভিন্ন সময়ত সত্ৰৰ সত্ৰাধিকাৰসকলে সাময়িক ৰুচিৰ লগত ৰজিতা খুৱাই নিজে গীত-মাত, সংলাপ সংযোগ কৰি নাটক ৰচনা কৰে। ইয়াৰ ভাষা অসমীয়া বা কোনোখন অমৃত্ৰাক্ষৰ ছন্দত লিখা। ৰাসত দেশী-বিদেশী পৰ্যটকৰ আগমনে মৰতত সৰগীয় পৰিৱেশ গঢ়ি তোলে। সেয়ে উজনি অসমৰ ৰাসৰ এক সুকীয়া আস্বাদন দেখিবলৈ পোৱা যায়।

কেৱল মধ্য অসমতে মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ বিৰচিত কেলিগোপাল নাটৰ প্ৰচলন দেখিবলৈ পোৱা যায়। কেলিগোপাল নাটৰ ভাষা ব্ৰজাৱলী আৰু সংস্কৃত মিশ্ৰিত। হয়তো মহাপুৰুষজনাৰ জন্মস্থান মধ্য অসম (বৰদোৱা) হোৱা বাবে গুৰুজনাৰ নাটভাগৰ প্ৰচলন কেৱল মধ্য অসমতে বিস্তৃতভাৱে দেখিবলৈ পোৱা যায়।

আনহাতে নামনি অসমত মৃন্ময় প্ৰতিমাৰ জৰিয়তে শাস্ত্ৰত বৰ্ণিত শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ ভিন ভিন ভংগিমা, কাৰ্যকলাপ আদিত শৈল্পিক মাত্ৰা প্ৰদান কৰা হয়। ১৯২৮ চনত বৰনগৰৰ প্ৰসিদ্ধ ৰজা চণ্ডীবৰুৱাৰ ৰাজধানী হাউলীত আৰু ১৯৩৩ চনত নলবাৰী জিলাৰ পুৰণি হাটখোলাত পোন প্ৰথমবাৰৰ বাবে ৰাস উৎসৱ পালন কৰা হয়। কোৱা হয় নামনি অসমৰ ভিতৰত হাউলীৰ ৰাস আটাইতকৈ প্ৰাচীন আৰু নলবাৰীৰ ৰাস আটাইতকৈ ডাঙৰ। মৃন্ময় মূৰ্তিৰ প্ৰসাৰ আৰু প্ৰচাৰে নামনি অসমৰ ৰাসক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

বৰ্তমানৰ প্ৰেক্ষাপটত দেখা যায় ৰাসলীলাৰ জৰিয়তে আমাৰ সমাজত বিভিন্ন জাতি-জনজাতিৰ সম্প্ৰীতিৰ বান্ধোন সুদৃঢ় হৈছে। লগতে মানুহৰ মাজত মৰম-ভালপোৱাৰ এনাজৰীৰে আধ্যাত্মিক ভাবনাৰে এখন বৈষম্যহীন সমাজ গঢ়ি তোলাৰ আশা কৰিব পাৰি। ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱৰ পৰম্পৰা যাতে আধুনিকতাৰ গ্ৰাসত পৰি লুপ্ত বা বিকৃত হৈ নাযায় তাৰ বাবে আমি সকলোৱে মনোযোগ দিয়া উচিত।❖❖

অতিথি লেখা

নীলা পাহাৰৰ আতংক

পদ্মশ্রী ড° কুশল কোঁৱৰ শর্মা
প্রসিদ্ধ হস্তী বিশেষজ্ঞ তথা
মুৰব্বী অধ্যাপক
পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়

১৯৯৪ৰ ফেব্রুৱাৰীৰ ২১ তাৰিখ। গছে-পাতে শীতৰ ঠেঁটুৰৈ লগা বিষণ্ণতাখিনি জাৰি-জোকাৰি বসন্তক আদৰিব খুজিছে যেন, কিন্তু মেঘাচ্ছন্ন গোমা বছৰটোৱে মানুহবোৰক বেচ জাৰ লগাই গৃহবন্দী কৰি ৰাখিছে। নিশা আঠমান বজাত গুৱাহাটী ৰাজ্যিক চিৰিয়াখানাৰ ডি এফ অ' শ্রীবিষেণ সিং ব'নালে ফোন কৰি ক'লে যে উত্তৰ কাছাৰ পার্বত্য জিলাৰ হাফলঙৰ ডি এফ অ'ৰে খবৰ পঠিয়াইছে বোলে উমৰাংছ'ৰ ওচৰত এটা ঘৰচীয়া হাতী বলিয়া হৈ মানুহ-দুনুহ মাৰি সন্ত্রাসৰ সৃষ্টি কৰিছে। তেওঁ ইতিমধ্যে মোক তালৈ যাবৰ বাবে অনুৰোধ জনাই গাড়ী-মানুহ গুৱাহাটীলৈ পঠিয়াই দিছে। ব'নালেও নিজাববীয়াকৈ অনুৰোধ জনোৱাত মই ক'লোঁ যে পিছদিনা ৰাতিপুৱা ছয়গাঁৱৰ ওচৰৰ কুকুৰমাৰাত এটা গৰু-গাই ভেক্সিনেচন তথা চিকিৎসা শিবিৰত মই যোগদান কৰিব লাগে। বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা আয়োজন কৰা শিবিৰটোত মাননীয় উপাচার্য শ্রীইউ.চি. উপাধ্যায় ডাঙৰীয়াও উপস্থিত থাকিব। গতিকে নগ'লে নহ'ব, জগৰ লাগিব। মই ক'লোঁ যে ৰাতিপুৱা মোৰ সহকর্মী ডাঃ বিজয় দত্ত চিৰিয়াখানালৈ গৈ ট্রেংকুলাইজিং ৰাইফল আদি উলিওৱা তথা আন যাৱতীয় চৰকাৰী কাম-কাজখিনি কৰি থ'ব, মই আবেলি কেম্পৰ পৰা আহি পাই উমৰাংছ'লৈ যাত্রা কৰিম। লগে লগে মই বিজয়লৈ ফোন কৰি কথাখিনি বুজাই দি সকলোপিনৰ পৰা সাজু হৈ থাকিবলৈ ক'লোঁ, যাতে আবেলি আমি উমৰাংছ' অভিমুখে যাত্রা কৰিব পাৰো।

২২ ফেব্রুৱাৰীৰ ৰাতিপুৱা পাঁচ বজাতে যাত্রা কৰি কুকুৰমাৰাত আয়োজন কৰা শিবিৰটোত গৰু-গাইক চিকিৎসা সেৱা তথা প্রতিষেধক ছিটা দি আবেলি ৪ বজাত ঘৰ পাই ডাঃ বিজয়লৈ ফোন কৰি সবিশেষ সুধিলোঁ। বিজয়ৰ উত্তৰ শুনি হতভম্ব হ'লোঁ, সি ক'লে যে ৰাতিপুৱা ৭ বজাতে হাফলঙৰ পৰা গাড়ী আহি পালেহি। কিন্তু আমাৰ কলেজৰ ফালৰ পৰা লক্ষ্মণ ৰেখা টানি দিয়া হৈছে। হিলো মৎ। Don't move. বিজয়ক ক'লোঁ— চুটি লৈ যাওঁ ব'লা। সি ক'লে যে এবাৰ জনোৱা হ'লেই যেতিয়া হেড্ কোৱার্টাৰ লিভ্ পার্মিছন নোলোৱাকৈ কেনেকৈ যায়। এনেতে উমৰাংছ'ৰ পৰা অহা মানুহ দুজন মোৰ ঘৰ পালেহি। চা-চিনাকি হোৱাৰ পিছত থূলমূলকৈ হাতীটোৰ বিষয়ে যিখিনি জানিব পাৰিলো, তাৰ পৰা এটা সিদ্ধান্তলৈ আহিলোঁ যে যদি শীঘ্রে কিবা এটা কৰা নাযায়, হাতীটোৱে মানুহ-দুনুহ মাৰিব, ফলত নিজেই গুলী খাই মৰিব লাগিব। সৰুৰে পৰা কোনো এটা কামত ওলালে মা-পিতায়ো মোক মানা নকৰিছিল। কাৰণ মই য'লৈ যাওঁ, যি কৰোঁ বেয়া কাম অন্ততঃ নকৰোঁ বুলি তেওঁলোকৰ বিশ্বাস আছিল। এতিয়া চাকৰি জীৱনতহে পদে পদে বাধা পাবলগীয়া হৈছে। বহুতো কুচকাৱাজ কৰাৰ পিছত হেড কোৱার্টাৰ লিভ্ পার্মিছন পালোঁ । লক্ষ্মণৰেখা উঠাই দিলে, কিন্তু লিখি দিলে যে হাতী ট্রেংকুলাইজ কৰিবলৈ যাওঁতে যদি কিবা দুর্ঘটনা হয় বা মোৰ মৃত্যু হয় বিশ্ববিদ্যালয় কর্তৃপক্ষ তাৰ বাবে জগৰীয়া নহ'ব, মোৰ পৰিয়ালে কোনো ক্ষতিপূৰণ নাপাব। এইখিনি যেতিয়া লিখি দিলে তেতিয়া ৰাতি ১১.৩০ বাজিছে। মোৰ পত্নীৰ সাত মাহ চলিছে, প্রথম সন্তানটো আঢ়ৈ বছৰীয়া কেঁচুৱা, সিহঁতক এৰি ৰাতি ১২ বজাত চিৰিয়াখানালৈ গ'লোঁ, যাওঁতে মোৰ বেগটো সাজু কৰি থ'বলৈ ক'লোঁ। পাঞ্জাবাৰীত থকা

ঘৰৰ পৰা বিজয়ক উঠাই লৈ চিৰিয়াখানাত সোমাই ডি.এফ.অ' ৰ'নালক জগালো। চকীদাৰ পঠিয়াই বৰবাবুক মতাই আনি ট্ৰেংকুলাইজিং ৰাইফল ইত্যাদি ছমজি লওঁতে ৰাতি ১.৩০ বাজিছে। তাৰ পৰা ওলাই পল্টনবজাৰলৈ গৈ উমৰাংছ'ৰ পৰা অহা ফৰেষ্ট গার্ডজনক হোটেল ৰাজদূতৰ পৰা উঠাই ল'লোঁ। তাৰ পৰা ঘূৰি আহি আকৌ বিজয়ৰ বেগ আৰু মোৰ বেগ লৈ যেতিয়া অৱশেষত খানাপাৰা এৰিলো তেতিয়া ৰাতি ২.৩০ বাজিছে। নগাঁও-লংকা পথেৰে গ'লে ওচৰ হয়, কিন্তু বাটত ডকাইতৰ ভয়। তদুপৰি আমাৰ বুধিয়ক সহকর্মী বিজয়ে ক'লে যে পোন বাট পালে ড্ৰাইভাৰে টোপনিয়াব। বেচেৰা দুদিন-দুৰাতি একেৰাহে গাড়ী চলাই লেৰেজান হৈ আছে। দূৰ হ'লেও দুর্গতি নহওক বুলি শ্বিলঙৰ ৰাস্তা ধৰিলোঁ। ড্ৰাইভাৰৰ অৱস্থা দেখি সঁচাকৈয়ে ভয় লাগিবলৈ ধৰিলে, প্ৰায় কুৰি বছৰমান বয়সৰ নেপালী ল'ৰাটোৱে ভূতে পোৱা মানুহৰ নিচিনাকৈ শ্বিলঙৰ একা-বেঁকা পথটোৰে তাৰ প্ৰাক্-ঐতিহাসিক এম্বেছাডৰ গাড়ীখন তীব্ৰগতিত চলাই নিবলৈ ধৰিলে। আমাৰ আটাইৰে চকু ড্ৰাইভাৰৰ ওপৰত, যদি সি টোপনি যায়। হাজাৰ হ'লেও মানুহহে। শেষ ৰাতিৰ শ্বিলঙৰ ৰাস্তা, বহু সময়ৰ মূৰত দুই-একোখন কয়লাৰ ট্ৰাকৰ বাহিৰে নিমাওমাও নিঃশব্দ। একা-বেঁকা বাটটো মাজে মাজে কুঁৱলীয়ে হেঁচা মাৰি ধৰে, দহ হাত দূৰলৈকে একো নেদেখি।

ৰৰাপানী পাৰ হোৱাৰ পিছত মোৰ অকণমান চকু লাগিল, হঠাৎ কিবা প্ৰচণ্ড জোকাৰণিত চঁক্ খাই উঠিলোঁ। আমাৰ গাড়ী মৌলাই গেটৰ ওচৰৰ পোন ৰাস্তাখিনি পাই ড্ৰাইভাৰ টোপনি যোৱাত পাহাৰৰ কাষত খুন্দা খাই ৰৈ গৈছে। পাঁচ ফুট আঁতৰত পাইনেৰে ঘেৰা পাহাৰৰ অটলগহ্বৰ। ঘড়ী চাই দেখিলো ৪.৩০ বাজিছে। গাড়ীৰ ষ্টার্ট বন্ধ হোৱা নাছিল, ৰেক্ কৰি উলিয়াই আনি আকৌ পথ ধৰিলোঁ। ড্ৰাইভাৰে বৰ লাজ পাই চকু-মুখ মোহাৰিবলৈ ধৰিলে। মৌলাই গেটৰ চাহ দোকান এখনত গাড়ী ৰখাই চকু-মুখত ঠাণ্ডা পানী মাৰি চাহ একোকাপ খাই পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ। আপাৰ শ্বিলঙৰ ফালে শীতৰ প্ৰকোপত ঠেৰেঙা লাগিলোঁ। কাহিলি পোহৰ হোৱাত বাহিৰলৈ চাই দেখিলো শিমলু তুলাৰ নিচিনাকৈ বৰফ পৰিছে। জয়ন্তীয়া পাহাৰৰ এঢলীয়া গাত খাজ কাটি কাটি ৰবি শস্যৰ বাবে পথাৰ সজাইছে। বিজয় শ্বিলঙতেই ডাঙৰ হোৱা, সি ক'লে, গুৱাহাটীৰ বজাৰত পোৱা কবি-মূলাবোৰ ইয়াৰ পৰাই যায়।

এইবাৰ এটা নতুন বিপদত পৰিলোঁ, ৰাস্তা বন্ধ, ট্ৰেফিক জাম। লাটুমবাইৰ পৰা কয়লাৰ ট্ৰাক নামি আহে বলে পৰাতকৈ বহু বেছি বোজা লৈ। বেচি কটা-কুটা কৰিব নোৱাৰে, ৰাস্তাৰ কাষলৈ নাযায়। তাৰে এখন যদি কেনেবাকৈ বেয়া হ'ল, তেতিয়া গাড়ীৰ দুৱাৰ-খিৰিকী বন্ধ কৰি শুই থাকিল, কোনো উত্তেজনা নাই, উদ্বিগ্নতা নাই। ট্ৰাকৰ ৫-৬ মাইল দীঘল লাইন, মাজে মাজে শিলচৰ-আগৰতলাৰ পৰা অহা ৰাতিৰ বাছ দুই-এখন। ৰাতিপুৱাই গুৱাহাটী পোৱাৰ কথা, কিন্তু এতিয়া যান-জঁটৰ চাকনৈয়াত। ল'ৰা-ছোৱালী তথা মাইকী মানুহবোৰৰ অবর্ণনীয় দুদর্শা। আমাৰ ড্ৰাইভাৰে ইফালে-সিফালে সুৰুঙা উলিয়াই আগবাঢ়িবলৈ চেষ্টা কৰিও সফল নহ'ল। এখন খাচীয়া ড্ৰাইভাৰৰ ট্ৰাক ওলোটা ফালৰ পৰা বেয়াকৈ আগবঢ়াই দি ৰাস্তা একেবাৰেই বন্ধ কৰি পেলালে। সি খঙত ভোৰভোৱাবলৈ ধৰিলে, 'মামালোগ ইহা শ্বেৰ, মেঘালয়কে বাহাৰ মে বিল্লী'। ভোকত পেট কলমলাবলৈ ধৰিলে, ক'তো একো পাবলৈ নাই। খাচিয়ানী এজনীয়ে তামোলৰ পিকেৰে ওঁঠ ৰাঙলী কৰি তামোলৰ দোকান এখন ক'ৰবাৰ পৰা আনি বহালেহি। বিজয়ৰ যেনিবা জীৱটো আহিল। এটকাত তিনিখন 'কোবাই'ৰ (তামোল) একোটা টোপোলা সি কিনি লৈ আমেজত চোবাবলৈ ধৰিলে।

চাৰে দহমান বজাত মিজোৰামৰ কোনোবা এজন মন্ত্রী শ্বিলঙৰ ফালৰ পৰা আহি ওলাল। লগত অহা বন্দুকধাৰী দেহৰক্ষীবোৰৰ চাইৰেন, লাঠীৰ ভয়ত এইবাৰ ৰাস্তা ওলাবলৈ ধৰিলে। আমিও তুলসীৰ লগত কলপটুৰাৰ নিচিনাকৈ যান-জঁটৰ পৰা মুক্তিৰ বাবে মন্ত্রীৰ নেগুৰত ধৰিলো। প্ৰায় পাঁচ-ছয় কিলোমিটাৰ দীঘলীয়া জঁট পাৰ হওঁতে প্ৰায় এঘণ্টা লাগিল। তাৰ পিছত মোটামুটিভাৱে একো অসুবিধা নোহোৱাকৈ প্ৰায় দুই বজাত বিখ্যাত কপিলী জলবিদ্যুৎ প্ৰকল্পৰ সু-দৃশ্য বান্ধৰ কাষৰ দলঙেৰে কপিলী নদী পাৰ হৈ উমৰাংছ' পালোহি। বাটত আহোঁতে আমাক আনিবলৈ যোৱা দিলীপ সিং নামৰ বিহাৰী সম্প্রদায়ৰ ব্যৱসায়ী যুৱকজনৰ মুখৰ পৰা ভাঠী খুলি বলিয়া হোৱা হাতীটোৰ সবিশেষ ল'লোঁ। হাতীটোৰ নাম 'মাণিক', বয়স ২৮ বছৰ; প্ৰায় ৮.৫ ফুট ওখ প্ৰকাণ্ড মখনা। হাতীটোৰ মালিক হ'ল শিলচৰৰ ওচৰৰ জনৈক জেছিমুদ্দিন বৰভূঞা। উমৰাংছ'ৰ জনপ্রিয় ব্যৱসায়ী শ্রীকমল চন্দ্র

আগৰৱালাৰ শ্ৰীকৃষ্ণ শ্ব'মিলৰ বাবে উত্তৰ কাছাৰ পার্বত্য জিলাৰ ভিতৰুৱা হাবিৰ পৰা গছৰ কুন্দা উলিওৱাৰ কামত লাগি থকা অৱস্থাত এন এছ চি এনৰ গেৰিলাৰ ভাবুকিৰ বাবে আন কেইবাটাও হাতীৰে স'তে হাবিৰ পৰা উলিয়াই আনি ওচৰৰ মিৰফুং অঞ্চলত ঘাঁহ খাবলৈ খুলি দিয়া আছিল। মালিক জেছিমুদ্দিনৰ হেনো আগতে দুটা হাতী মৰিছিল, এটা বাঘে খাই, আনটো পাহাৰৰ পৰা বাগৰি পৰি। সেইবাবে এই শেষ হাতীটোৰ বাবে তেওঁৰ অতিপাত চিন্তা, অতিপাত মৰম। কাম নকৰি বহি বহি নীলা পাহাৰৰ সীমাহীন ঘাঁহ-পাত খাই থকা ডেকা মজবুত হাতীটোক আকৌ ওপৰঞ্চি দিয়ে দৈনিক তিনি কিলো তিওৱা বুট। বহি খাই হাতীটো প্ৰায় ৭ দিনমান আগৰ পৰা ভাঠী খুলি বলিয়া হ'ল। ওচৰৰ পাহাৰৰ টিলাটোত থকা ডিমাচা সম্প্ৰদায়ৰ জনজাতীয় গাঁওখনত ঘৰ-বাৰী ভাঙি সন্ত্ৰাসৰ সৃষ্টি কৰিবলৈ ধৰিলে। সেই গাঁওখনৰ কাষেৰে উমৰাংছ'ৰ পৰা হাফলঙলৈ যোৱা একা-বেঁকা পকী পথটো। এটা ভাঁজ ঘূৰিলে গড়কাপ্টানী বিভাগৰ পৰিদর্শন বঙলা এটা; প্ৰায় এক কিলোমিটাৰ গ'লে কমল আগৰৱালা বাবুৰ ভিনিয়েৰ মিল এটা। এই সাত দিনত বলিয়া হাতীটোৱে ভাবিব নোৱাৰা ধৰণে ধ্বংস কার্য চলাইছে। গাঁওখনৰ প্ৰায় ৮-১০টা ঘৰ ভাঙিছে, গড়কাপ্টানী বিভাগৰ বঙলা বগৰাই দিছে, ভিনিয়েৰ মিলটো উৎখাত কৰিছে, এখন ফোৰ হুইল ট্ৰাক ভাঙিছে, এখন মটৰচাইকেল ভাঙিছে, আৰোহীজন কোনো ৰকমেহে হেনো বাচিছে; উমৰাংছ'-হাফলং পথ বন্ধ। নিৰুপায় হৈ কাছাৰৰ পৰা পাকৈত ফান্দী আনি ১ লাখ টকাৰ বন্দৰস্তত ফান মাৰিবলৈ যাওঁতে হাতীটোৱে ফান্দীজনক ধৰি মুখেৰে চেপি মাৰি পেলায়। মালিক জেছিমুদ্দিন আৰু আন দুজন ফান্দী কোনোমতেহে পলাই সাৰে। আমাক নিবলৈ গাড়ী গুৱাহাটীলৈ পঠোৱাৰ সময়ত মৃত ফান্দীজনৰ শটো পাহাৰৰ খাদৰ পৰা উলিয়াবই পৰা নাই।

আমাৰ গাড়ী শ্ৰীকৃষ্ণ শ্ব'মিলৰ বিশাল চৌহদত সোমাল। তাতে কমল বাবুৰ লগতে আন কেইবাজনো গণ্য-মান্য লোক। বন বিভাগৰ ৰেঞ্জাৰ শ্ৰীসিঙো আছিল। সকলোৰে লগত পৰিচয় বিনিময় কৰাৰ পাছত শ্ৰীসিঙে ক'লে যে হাফলঙত মোৰ বন্ধু শ্ৰীস্বপন শীল শর্মা এ চি এফ হৈ আছে আৰু তেৱেঁই হাতীটো বশ কৰিবৰ কাৰণে মোক নিমন্ত্ৰণ কৰাৰ পৰামর্শ দিছিল। আমাক বন বিভাগৰ পৰিদর্শন বঙলালৈ লৈ যোৱা হ'ল, তাতেই থকাৰ বন্দৰস্ত কৰা হৈছে। খৰ্ধৰকৈ ভাত খাই উঠি ঘড়ী চাই দেখিলো ২.৩০ বাজিছে। হাতীটোৰ বিচৰণ ক্ষেত্ৰ অধ্যয়ন তথা সন্ধান হ'লে এবাৰ চেষ্টা কৰি চোৱাৰ সিদ্ধান্ত লৈ হাফলং পথেৰে অগ্ৰসৰ হ'লোঁ। সুন্দৰ পিচ্ দিয়া পাহাৰী একা-বেঁকা পথ। সুউচ্চ পাহাৰৰ শিখৰে শিখৰে বগাই যোৱা পথটো এডাল অজগৰ সাপৰ দৰে পিছল আৰু মসৃণ। সেৱেঙা বসতি। দূৰে দূৰে টিলা একোটাৰ গাত দুই-এটা ঘৰ, বাঁহ-কাঠ আৰু খেৰেৰে সজা। কাষত কোনো ডাঙৰ গছনথকাৰ বাবে আৰু ৰাস্তাটো পাহাৰৰ শিখৰ বগাই যোৱা বাবে চকুৰ দৃষ্টি কোনো বাধা নোপোৱাকৈ বহু দূৰলৈ বাগৰি যায়। পাহাৰৰ ৰং ইয়াত গভীৰ নীলা, উজ্জ্বল ৰান্ধনী বেলিৰ আলোকত জল্‌মলাই থাকে, কোনোবা শিল্পীৰ কোনো তুলিকাত প্ৰাণ পাই উঠা অপৰূপ লেণ্ডস্কেপৰ দৰে। কোনো ধূলি-বালি নাই, নির্মল বাতাৱৰণ, বুকু ভৰি উশাহ লৈ হেঁপাহ নপলায়।

বাটত যাওঁতে ল'ৰাই-ছোৱালীয়ে টালি-টোপোলা, চৰু-হাড়ী লৈ উমৰাংছ'ৰ ফালে আহি থকা পৰিয়াল কিছুমান দেখিবলৈ পালোঁ। দিলীপ সিঙে ক'লে হাতীৰ ভয়তে পলাই অহা মানুহ। ৩ বজাত গন্তব্য স্থান পালোঁগৈ। য'ত আমাৰ গাড়ী ৰখালে তাৰ বাঁওফালে এখন জনজাতীয় গাঁও, ওখ পাহাৰৰ ওপৰৰ প্ৰাকৃতিক সমতল এটাত প্ৰায় ২৫-৩০ ঘৰমান মানুহৰ গাঁওখন। ঘৰবোৰ খেৰ-বাঁহৰ, দুটামান চাংঘৰো দেখিলোঁ। ৰাস্তাটোৰ পূবফালে প্ৰায় ৫০ ফুটমান উঠি গ'লে গাঁওখনৰ সমতলখিনি পায়। আকাৰত খুব বেছি আধা বর্গ কিঃমিঃ মান হ'ব। গাঁওখনৰ উত্তৰ আৰু পূব ফালে ভীষণ দ' পাহাৰৰ থিয় এঢলীয়া, প্ৰায় ২ কিঃমিঃ থিয় গঢ়াৰে নামি গ'লেহে তলৰ সমতল পায়, তাতে সৰু পাহাৰী নদী এটা আছে, তাৰো পাৰত পাহাৰী মানুহবোৰৰ পানী-খেতিৰ পথাৰ। প্ৰকৃততে গাঁওখন পাহাৰটোৰ ওখ টিলাত অৱস্থিত। আমাক আদৰণি জনাবলৈ প্ৰায় ৫০জনমান খাকী পোছাক পিন্ধা মানুহ ৰৈ আছিল, তাৰে কিছুমান বন বিভাগৰ আৰু আনবোৰ পুলিচ। আমি ওপৰলৈ উঠি গ'লত এফালৰ পৰা এ চি এফ শ্ৰী শর্মা আৰু এজন ডি এছ পি আগবাঢ়ি আহিল। শর্মাৰ লগত বহু দিনৰ পিছত দেখাদেখি। প্ৰথম মই লগ পাইছিলোঁ কাজিৰঙাত তেওঁ ৰেঞ্জাৰ হৈ থাকোঁতে। মই বন বিভাগৰ হাতী চিকিৎসা কৰিবলৈ গৈছিলোঁ। তাৰ পিছত তেওঁ এ চি এফ হৈ বর্ণিহাটত ট্ৰেইনিঙত থাকোঁতে আমাৰ ভাল বন্ধুত্ব হয়। শেষবাৰ তেওঁক

মই লগ পাইছিলোঁ কোকৰাঝাৰৰ নাহাটা পৰিয়ালৰ দঁতাল হাতীটোৰ ভঙা দাঁতটো উঠাবলৈ যাওঁতে। বহুদিনৰ মূৰত পুৰণা বন্ধুক লগ পাই বৰ ভাল লাগিল। শৰ্মাই ক'লে যে যোৱা ১৮ ফেব্রুৱাৰীৰ চেণ্টিনেল কাকতত ফটো সহকাৰে প্ৰকাশ হোৱা অৰুণাচলৰ টিপিৰ বলিয়া হাতীটো বশ কৰাৰ বাতৰিটো দেখি এইটো হাতীৰ ক্ষেত্ৰতো একেই ব্যৱস্থা লোৱাৰ কথা মনলৈ আহে আৰু স্বপন শৰ্মাই মাতি পঠিয়ালে বন্ধু কুশল শৰ্মা আহিবই বুলি হেনো দৃঢ় বিশ্বাস আছিল। শৰ্মাই ডি এছ পিজনৰ লগতে চিনাকি কৰাই দিলে।

এইবাৰ আমি আটায়ে লগ হৈ ঠাইখিনি পৰিদৰ্শন কৰিবলৈ আগবাঢ়িলোঁ। ঘৰবোৰ পৰিত্যক্ত। দুই-এজন পুৰুষ মানুহৰ বাদে কোনো মহিলা বা শিশু চকুত নপৰিল। পুৰুষবোৰৰ হাতে হাতে এনলীয়া বন্দুক। হাতীটোৱে হেনো এইখন গাঁৱতেই অতি বেচি উৎপাত কৰিছে। গাঁওখনৰ পূবত পাহাৰৰ দাঁতিৰ ফালে থকা এশাৰী ঘৰৰ অৱশিষ্ট দেখি দুখ লাগিল। লাম-লাটুম এটাও এৰা নাই, ভাঙি-ছিঙি চুৰমাৰ। বিজয়ে ক'লে, 'মিউনিচিপালিটিয়েও এনেকৈ এভেকচন নকৰে'। প্ৰত্যক্ষদৰ্শী দুই-এজনে ক'লে যে বলিয়াটোৰ লগত এজনী সৰু মাইকী হাতীও থাকে আৰু ধ্বংস কাৰ্যত তায়ো সহায় কৰে। জেছিমে ক'লে যে সেইজনী কাছাৰৰে অইন এজন মালিকৰ ১২ বছৰীয়া হাতী আৰু তাই ছিজনত আছে। বুজিবলৈ অসুবিধা নহ'ল যে ছিজনত থকা মাইকী হাতীৰ সংস্পৰ্শই 'মাণিক'ৰ ভাঠী খোলাৰ অন্যতম কাৰণ ।

জেছিমক মই আগতেই কোৱা অনুসৰি সি এজন চিকাৰী আনি হাজিৰ কৰিলে। মাৰ উপজাতিৰ মিঙা নামৰ এজন বিশাল কান্ধৰ ওখ-পাখ পাহোৱাল যুৱক। দেখনিয়াৰ চেহেৰা। হাতত এটা প্ৰাচীন খাজী মৰা এনলীয়া বন্দুক। পাহাৰৰ নাড়ী-নক্ষত্ৰ চিনি পোৱা মানুহ পাই ভালেই লাগিল। জেছিমে ক'লে যে গাঁওখন বলিয়া হাতীটোৰ পৰা ৰখিবলৈ মিঙাৰ নেতৃত্বত এদল চিকাৰী তেওঁলোকে মকৰল কৰি ৰাখিছে। মই তাক আমাৰ বন্দুকটো দেখু�ৱাই ৰেঞ্জ তথা ব্যৱস্থাটো থো�ৰতে বুজাই দিলো, লগতে বন্দুকৰ পৰা ওলাবলগীয়া চিৰিঞ্জটো দেখুৱাই ল'বলগীয়া সাৱধানতা সম্পৰ্কে ক'লো যে গছ-পাত আগত পৰিলে ফায়াৰ কৰিব নালাগে। কাগজ এখনত মই আগতেই আঁকি থোৱা হাতীৰ ছবি এখন দেখুৱাই ইঞ্জেকচন দিব পৰা ঠাইবোৰ বুজাই ক'লো।

তেতিয়া প্ৰায় ৩.৩০ বাজিছে, বেলি পৰি আহিছে। মই প্ৰস্তাৱ দিলোঁ যে জেছিম, চিকাৰী আৰু মই— আমি তিনিওজনে হাতীটো বিচাৰি পাহাৰৰ তললৈ নামি যাম। সকলোৱে হৈ হৈ কৰি উঠিল, ক'লে যে ছাৰ আপুনি এতিয়া তললৈ যাব নালাগে, ৰাতিও হৈ আহিছে আৰু পাহাৰ ভীষণ থিয়, আপুনি নোৱাৰিব। পাহাৰৰ বগোৱা ভাল অভ্যাস মোৰ আছে, কিন্তু অচিন পৰি�ৰেশত মৰসাহ নকৰাই ভাল হ'ব বুলি ভাবি ৰৈ গ'লোঁ। স্থানীয় গাইড এজন লৈ মিঙা আৰু জেছিম নামি গ'ল। মই টৰ্চ এটাও লৈ যাব দিলোঁ। তাৰ পিছত সিহঁতৰ কোনো সাৰসুৰ নোহোৱা হ'ল।

আমি গাঁওখন ভালদৰে ঘূৰি-পকি চাই ৰাতিটো খপিব পৰা কোনো ভাল গছ এজোপাও দেখা নাপালোঁ। গাঁওখনৰ পৰা মূল পথটোলৈ নামি আহি এ চি এফ শৰ্মাৰ জীপেৰে কিছুদূৰ আগুৱাই গ'লোঁ, বাটত হাতীয়ে ভঙা গড়কাপ্টানী বিভাগৰ বঙলা ঘৰটো, ফোৰহুইল ট্ৰাক ইত্যাদি দেখি গ'লো। মনত উত্তৰ বিচাৰি নোপোৱা প্ৰশ্ন কিছুমানে উক্মুকাবলৈ ধৰিলে; ভাঠী খোলা অৰ্থাৎ Musth হোৱা হাতীয়ে পুং-হৰমোনৰ অত্যধিকবৃদ্ধিৰ ফলত ছিজনত থকা মাইকী হাতীৰ প্ৰতি কাম বলিয়া হৈ মানসিক ভাৰসাম্য হেৰুৱাই মদমত্ত হোৱা কথাটো বুজিব পাৰি, কিন্তু এই নৰৱধী আৰু ধ্বংসমুখী প্ৰবৃত্তি প্ৰদৰ্শন কৰাৰ কাৰণ কি? সোঁফালৰ পাহাৰখনৰ শাৰী শাৰী পাইন গছবোৰৰ মাজেৰে সূৰুযৰ কিৰণবোৰ হেলনীয়াকৈ আহি পথটোত পৰিছেহি। কিবা এক মায়াময় পৰিৱেশ। শৰ্মাই গাড়ীখন ৰখালে, সেইখিনিতে ৰাস্তাটো পোন, বাঁওফালে গভীৰ গঢ়া, দুই-একোডাল প্ৰাচীন শাখা-প্ৰশাখাযুক্ত চিৰ সেউজীয়া গছ। প্ৰায় এশমান মানুহে পাহাৰৰ গঢ়াৰ ফালে ৰৈ তললৈ জুমি চাব ধৰিছে, বেছিভাগ পুলিচ আৰু বন বিভাগৰ মানুহ। তলৰ ফালৰ পৰা হেনো উকি এটা আহিছিল, তাৰ পিছত সকলো নিমাত। বেলি পৰি আহিছে, ১০-১৫ মিনিটৰ পিছত পাহাৰৰ ভয়ংকৰ আন্ধাৰে আৱৰি ধৰিব। সেমেকা শীত এটা অনুভৱ কৰিলোঁ। ৰাতিৰ আন্ধাৰত ট্ৰেংকুলাইজেচন কৰিব নাপায়, চিকাৰী দলটোৰ বাবে চিন্তা হ'ল। মৃত্যুদূতৰূপী বলিয়া হাতীটো নিঃশব্দে কাষতে ওলালেও সিহঁতে গম নাপাব। মানুহবোৰক সিহঁতক মাতিবলৈ ক'লত দুজনমানে খুব চিঞৰিলে, কিন্তু তলৰ পৰা কোনো সঁহাৰি পোৱা নগ'ল। মই বন্দুকধাৰী দুজনক লগত লৈ তললৈ নামি যোৱাৰ সিদ্ধান্ত

ল'লোঁ, হাতত এটা টর্চো ল'লোঁ। অতি থিয় গঢ়া, খুপি-খুপি নামি যাবলৈ ধৰিলো। আমি নামি যোৱা পথটোৰেই হাতী অহা-যোৱা কৰে, ইমান প্ৰকাণ্ড জন্তুটোৱে যে কেনেকৈ ইমান থিয় পাহাৰ বগায় ভাবিলেই আচৰিত হ'ব লাগে। প্ৰায় এক কিলোমিটাৰ যোৱাৰ পিছত ওখ খেৰণিৰে আৱৰা এটা টিলাৰ নিচিনা ভূখণ্ড পালো, পোহৰ প্ৰায় নোহোৱা হ'ল। কোনোবাই তাতে খেৰ কাটি মেলি থৈছিল, বোধহয় শুকুৱাবৰ বাবে; হেলনীয়া ঠাইত মেলি থোৱা শুকান খেৰবোৰত পিছল খাই মোৰ বডিগার্ড দুজন হাতত থকা গধুৰ ৩০৩ ৰাইফলেৰে স'তে বহুত তলত পৰিলগৈ, ময়ো টিকা থেকেচা খাই পৰিলোঁ, কিন্তু হাত খালী থকা কাৰণে অ'ত-ত'ত ধৰি কেনেবাকৈ ৰৈ গ'লোঁ। তিনি বেটাৰীৰ দীঘল টর্চটো ৰছীৰে বান্ধি মোৰ কান্ধত ওলোমাই ৰাখিছিলো, সি যেনিবা মোৰ লগ নেৰিলে। যেনে-তেনে চম্ভালি লৈ চিকাৰী দলটোক চিঞৰি মাতিলো, সিহঁত আমাৰ পৰা প্ৰায় পাঁচশ মিটাৰমান দূৰত আছিল, সঁহাৰি দিলত উঠি আহিবলৈ ক'লোঁ। পাঁচ মিনিটমানৰ পিছতেই সিহঁত আমাৰ লগ লাগিলহি। জেছিমে ক'লে যে 'মাণিক'ক দেখা পোৱা নগ'ল, কিন্তু এটা বনৰীয়া দঁতালহে হেনো সিহঁতে হোলাটোৰ সিফালে লগ পাইছিল। আমি আটায়ে ঘূৰি গুচি আহিলো। ভাগে ভাগে গাড়ীত উঠি উমৰাংছলৈ উভতি আহোঁতে মিশ্ৰিত অনুভূতিয়ে মনত ক্ৰিয়া কৰি থাকিল। সকলো নিমাত। হতাশ হ'বলৈ একো নাছিল যদিও সাফল্য বিচৰাটো মানুহৰ চিৰন্তন নিয়ম বাবেই হয়তো আমি অলপ হ'লেও নিৰাশ হৈছিলোঁ।

আই বিত নামি নেপালী চকীদাৰ শৰ্মাই সাজু কৰি থোৱা গৰম পানীৰে গা ধুই গৰম কাপোৰ পিন্ধি ডাইনিং ৰুমত বহি চাহ-জলপান খালোঁ। হাফলঙৰ পৰা ডি এফ অ' শ্ৰীহৰপ্ৰসাদ আহি আমাৰ বাবে অপেক্ষা কৰি আছিল, চাহৰ টেবুলত শৰ্মাই চিনাকি কৰাই দিলে। শ্ৰীহৰপ্ৰসাদৰ ঘৰ অন্ধ্ৰপ্ৰদেশত, শিক্ষাত কৃষি বিভাগৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী, অসম কেডাৰৰ আই এফ এছ। ব্যক্তিত্বসম্পন্ন মানুহজনক ভাল লাগিল। তেওঁ ড্ৰিংকছৰ বাবে আমন্ত্ৰণ জনালে, ধন্যবাদেৰে প্ৰত্যাখ্যান জনাই শৰ্মাৰ লগত অকণমান খোজ কাঢ়িবলৈ ওলাই গ'লোঁ। পাহাৰৰ হো-হোৱনি বতাহ ব'বলৈ ধৰিছে, বেছ শীত। বঙলাৰ পাছফালে প্ৰায় এক কিলোমিটাৰ তলত কপিলী জলবিদ্যুৎ কেন্দ্ৰৰ বিশাল জলাধাৰ, সিপাৰৰ শাৰী শাৰী নিয়ন-লাইটৰ পোহৰবোৰ, বতাহত ঢৌ খেলি থকা পানীত পৰি জলমলাই উঠিছে, কি অপৰূপ দৃশ্য। পাহাৰৰ নিঃশব্দ ৰাতি, কৃষ্ণপক্ষৰ আন্ধাৰ আকাশত অলেখ তৰা, মন-প্ৰাণ ৰোমাঞ্চিত হৈ উঠিল।

২৪ ফেব্ৰুৱাৰী। ৰাতিপুৱা গা-পা ধুই ব্ৰেকফাষ্ট খাই ৭.৩০ বজাতে ওলালোঁ। হাতীয়ে উৎপাত কৰা গাঁওখন পাই হাতীৰ মালিক জেছিমক মুৰে-কপালে হাত দি গছৰ কুণ্ডা এটাত বহি থকা অৱস্থাতপালোঁ। সুধিলত ক'লে যে ৰাতিপুৱাৰ পৰা মিঙা নিৰুদ্দেশ, হাতীৰো কোনো খবৰ নাই। তাক চিন্তা কৰিবলৈ মানা কৰি হাতী বন্ধা ফাণ্ড, ডিকি, চেইন ইত্যাদি পৰীক্ষা কৰিবলৈ ধৰিলোঁ। এনেতে কান্ধত পথালিকৈ তাৰ এনলীয়া বন্দুকটো লৈ চিকাৰী মিঙা হাবিৰ পৰা আহি ওলাল। সি হেনো চিকাৰ বিচাৰি গৈছিল, বিফল হ'ল। জেছিমক একাষৰীয়াকৈ মাতি নি সি কিবাকিবি ক'লে, জেছিমে তাক বুজাইছে, সি পথালিকৈ মূৰ জোকাৰিছে, নুশুনে; জেছিমে মোক ক'লেহি যে মিঙা হাতী বিচাৰি যাবলৈ হেনো অমান্তি হৈছে, আজি ৭-৮ দিনে ঘৰলৈ যাব পৰা নাই, গতিকে তাৰ প্ৰাপ্য টকা-পইচাখিনি লাগে, সি তাৰ ঘৰলৈ যাবগৈ।

মই মিঙাক একাষৰীয়াকৈ মাতি লৈ গৈ পৰি থকা কুণ্ডা এটাত ওচৰা-উচৰিকৈ বহিলোঁ, ঘৰৰ বাতৰি ল'লোঁ। মোৰ ফ্লাক্সৰ পৰা চাহ একাপ বাকি তাক দি ময়ো একাপ লৈ বন্ধুত্ব জমাবলৈ ধৰিলোঁ। তাৰ প্ৰাচীন এনলীয়া বন্দুকটো আৰু স্বাস্থ্যৰ ভূয়সী প্ৰশংসা কৰিবলৈ ধৰিলোঁ। সিহঁতৰ একে 'মাৰ' উপজাতিৰ লোয়া নামৰ মোৰ বন্ধুজনৰ কথা কৈ আমি দুয়ো কেনেকৈ নতুন দিল্লীৰ গণতন্ত্ৰ দিৱস উপলক্ষে হোৱা এন চি চি কেম্পত ভাগ লৈ ঘোঁৱা দৌৰত আৰু ঘোঁৱাৰ বিভিন্ন খেলত পুৰস্কাৰ পাইছিলো বিৱৰি ক'লোঁ। মিঙা কিছু নৰম হৈ অন্তৰ খুলিলে। ক'লে— ছাৰ, আপোনালোকে কি পগলা হাতী ভাল কৰিবলৈ আহিল, হাতীটো মাৰি আমি এবছৰৰ বাবে মাংসৰহে বন্দৰস্ত কৰিম বুলি ভাবিছিলো। তাৰ বন্দুকটোত সি যে চাৰি ইঞ্চিমানলৈকে বাৰুদ খাঁজি থৈছে তাকো মোক ক'লে। মই বোলো সৰ্বনাশ। বেৰেল ফাটি মানুহহে মৰিব। ক'লো— তুমি হিন্দী চিনেমা চোৱানে?

ক'লে- চাওঁ, সুবিধা পালে। কিয় সুধিলে?

সুধিলো কেষ্ট মুখার্জীক জানা?

সি ক'লে— গেলা মদাহীটো?

মই ক'লো, চোৱা, মেগ্‌নাম ৰাইফল এটা পালে কেষ্ট মুখার্জীয়েও হাতীটো মাৰিব পাৰিব। মৰাটো ডাঙৰ কথা নহয়, তুমিওতো বহুত হাতী মাৰিছা, এটা বচাই চোৱা আৰু তুমিনো কেনে চিকাৰী? শুনিছো চিকাৰীয়ে চিকাৰ খেদি ২-৩ দিনলৈকে খোৱা-বোৱা এৰে, সফল নোহোৱালৈকে নেৰে আৰু তুমি এদিনতে হাত দাঙি দিলা?

এইবাৰ তাৰ হ'বলা নৰম ঠাইত লাগিল। মোৰ হাতৰ পৰা ট্রেংকুলাইজিং গানটো লৈ ঘপ্‌কৈ থিয় হ'ল। ৰাইফলত খাঁজি থোৱা চিৰিঞ্জটোত 'ইম্‌মোবিলন' নামৰ মাৰাত্মক ঔষধবিধ ভৰোৱা আছিল। তাৰ এণ্টিডোছ্‌ 'ৰিভাইভন' আৰু দুর্ঘটনাবশতঃ মানুহৰ গাত লাগিলে ব্যৱহাৰ কৰিবলগীয়া 'নাৰকাণ' ইত্যাদি বিজয়ৰ হাতত থকা বেগটোত আছিল। বেজী হাতীৰ গাত লগাৰ তিনি মিনিটমানৰ পিছতহে হাতীটো পৰিব আৰু সেই ২-৩ মিনিট যে নিজক বচাই চলিব লাগিব তাক বুজাই ক'লোঁ। দৰকাৰ হ'লে হাতীটোৰ কাণত মাৰি দিবলৈ চাৰা গুলী ভৰোৱা বন্দুক এটাও যোগাৰ কৰি দিলোঁ। জেছিম, গাইড আৰু মিঙা তিনিও খৰ্‌ধৰকৈ নামি গ'ল।

আমিবোৰ গঢ়াটোৰ কাষতে বহি ইটো-সিটো কথা পাতি আছো। সময়বোৰ অনন্ত যেন লাগিবলৈ ধৰিলে। মনটোৱে মোক তললৈ টানি আছে। সকলোৰে আপত্তি সত্ত্বেও হাতত থকা ৩০N মডেলৰ ট্রেংকুলাইজিং পিস্টলটোত পাঁচ মি.লি. পৰিমাণৰ 'জাইলাজিন' নামৰ দৰব ভৰাই লৈ লংৰেঞ্জৰ ব্রাউন কার্টিজ মেগজিনত ভৰাই হাতীটো নিজেও বিচাৰি যাবলৈ ওলালোঁ। আগদিনাৰ নিচিনা দুজন বডিগার্ড ল'লোঁ, সিহঁতৰ হাতত ৩০৩ ৰাইফল, গুলী ভৰোৱা এনলীয়া এটাৰে স'তে হাতীটো চিনি পোৱা স্থানীয় মানুহ এজনো ল'লোঁ। গাঁওখনৰ কাষৰ থিয় গঢ়াটোৰে নামি যাবৰ সময়ত ঘড়ীত দহ বাজিছে।

হাবিখনত তেনেকৈ ডাঙৰ গছ নাই বুলিলেই হয়, গোটেইখন জোপোহা, গেজেপ মৰা। দহ হাত দূৰলৈকে একো নেদেখি। এক কিঃমিটাৰমান নামি যোৱাৰ পিছত বিৰাট বাঁহনি এডৰা পালোঁ। তলিখন শুকান পাতেৰে আৱৰা, খোজ পেলালেই মৰ্‌মৰাই উঠে। সেইখিনিত পাহাৰখন বেছি থিয় নহয়। উতনুৱা বতাহ এছাটিয়ে বাঁহনিডৰা কোবাই গ'ল, বাঁহপাতৰ মর্মৰ ধ্বনিয়ে নির্জনতাখিনিক জোকাৰি গ'ল যেন! চকু-কাণ সজাগ ৰাখি খুপি খুপি নামি গৈ থাকিলোঁ। ভাঠী খোলা হাতীয়ে ঘনাই গা ধোঁৱে, তলৰ ধাননিডৰাৰ কাষেৰে বৈ যোৱা পাহাৰী নদীখনৰ কাষতেই তাক পোৱাৰ আশা কৰি যিমান সম্ভৱ নিঃশব্দে গৈ থাকিলোঁ। হাবিখন হঠাতে শেষ হৈ পথাৰখন আৰম্ভ হ'ল। ঠিক মুকলিতে এহাল সুগৰি পহুৱে কোমল ঘাঁহ খাই আছিল, কিবা উমান পাই তৰা-নৰা ছিঙি লৰ দিলে। পথাৰৰ কোমল মাটিত হাতীৰ খোজ দেখিলোঁ। খোজবোৰ দুটা হাতীৰ— এটা ডাঙৰ, আনটো সৰু। আগভৰিৰ পৰিসীমা জুখি গম পালো খোজবোৰ মাণিক নামৰ বলিয়া হাতীটোৰেই হয়, সৰু খোজবোৰ মাইকীজনীৰ। খোজবোৰ ৰাতিপুৱাৰ বুলি ঠাৱৰ কৰিলোঁ, অনুসৰণ কৰি গৈ নদীখন পালোগৈ। সৰু পাহাৰী নদী, তলিখনত ৰঙচুৱা বালি। পাৰত সৰু-ডাঙৰ হাতীৰ খোজ, খোজৰ দিশ হেৰুৱালোঁ। মূৰ দাঙি দুইফালে চালো, অপৰূপ দৃশ্য; বহু ওপৰলৈ ঘন সেউজীয়া ডাঠ হাবিয়ে নীলা ৰং ধৰি আকাশৰ স'তে মিলি গৈছে। আমি যে সেই আকাশৰ পৰাই নামি আহিছো, ভাবি আচৰিত লাগিল। নদীটোৰ উজনিৰ ফালৰ পৰা আমাৰ আগৰ চিকাৰী দলটো আগুৱাই আহিল। হতাশ চকু-মুখ; মই একো সোধাৰ প্রয়োজন বোধ নকৰিলোঁ। সিহঁত বেছ ভাগৰি পৰিছে, নদীৰ পাৰতে ঘাঁহনিত আটায়ে বহি জেছিমৰ বেগৰ পৰা ভূজিয়া উলিয়াই খাই হেঁপাহ পলুৱাই পানী খালোঁ। সিহঁত বহুতো ঘূৰিল, কিন্তু হাতীৰ কোনো শুংসূত্র নাপালে। হাতী ওচৰত নাই, থকা হ'লে নিশ্চয় বাঁহ বা গছৰ ডাল ভঙা শব্দ পালোঁহেঁতেন। জেছিমে ক'লে— 'ছাৰ, ভিনিয়েৰ মিলত খোৱা-লোৱাৰ বন্দৰস্ত কৰা হৈছে, আপুনি খাই জিৰাওকগৈ। আমি ইয়াতে আছোঁ, যদি কিবা গম পাওঁ জনাম। নামি যোৱা ৰাস্তাৰেই পুনৰ সাৱধানে উঠি আহিলোঁ, হাতীৰ কোনো ঠিক নাই, জীৱনতে দানৱৰ দৰে অতি নিঃশব্দে থিয় হৈ থকাও অসম্ভৱ নহয়।

ওপৰত আটায়ে উৎকণ্ঠাৰে ৰৈ আছিল। শর্মাৰ গাড়ীত উঠি আমি কিজন ভিনিয়েৰ মিলটো পালোঁগৈ। তাত জিৰাই-শতাই ঘিউত ভজা পৰঠা-তৰকাৰী খাই ল'লোঁ। এনেতে পকা আপেলৰ নিচিনা চেহেৰাৰ ওখ-পাখ সুন্দৰ বৃদ্ধ লোক এজন নতুন এম্বেছেডৰ গাড়ী এখনেৰে আহি মিলত সোমাল। আমাৰ লগত পৰিচয় হ'লত টেলিভিছনৰ মহাভাৰত চিৰিয়েলৰ ভীষ্ম পিতামহৰ দৰে আমাৰ সাফল্য কামনা কৰি আশীর্বাদ দিলে। তেখেত উমৰাংছ'ৰ এজন অতি সম্মানিত লোক, জাতিত পাঞ্জাৰী, আগতে বিনয় চিমেণ্টত চাকৰি কৰিছিল, বর্তমান ব্যৱসায় কৰে, দেৱানীজ বুলিয়ে সকলোৱে সম্বোধন কৰে।

সৌম্যদর্শন বৃদ্ধৰ আশীৰ্বাদ শিৰোধাৰ্য কৰি পুনৰ মোৰ দলটো একগোট কৰি আগদিনাখনৰ পথটোৰে নামি গ'লোঁ। ঠিক খেৰণিখন পাইছোঁগৈ, তলফালৰ পৰা ঢুপ-ঢাপকৈ কিবা এটা উঠি অহাৰ শব্দ পাই সাউৎকৈ গছৰ আঁৰ ল'লোঁ। জেছিমহঁতৰ লগত যোৱা গাইড্‌জন, ফোঁপাই-জোপাই ট্রেংকুলাইজিং গানটো লৈ ওপৰলৈ দৌৰিছে। মাত দিয়াত ক'লে যে হাতীটো পাইছে, তিনিশ মিটাৰমান তলত থকা দ' গড়খাৰৈ এটাৰ সিপাৰে গেজেপনি মৰা বাঁহনি এখনত আছে, লগতে মাইকীজনীও আছে। চিকাৰীয়ে গুলীয়াইছিল, কিন্তু পোন্ধৰ মিনিটৰ পিছতো হাতীটোৰ একো হোৱা নাই। মই সুধিলো, 'গাত লাগিছিলটো'? সি ক'লে যে নিজে দেখা নাই। মই বুজিলোঁ যে ইঞ্জেকছন গাত লগাই নাই। মোৰ হাতত থকা পিষ্টলটোৰ পৰা 'জাইলাজিন' নামৰ দৰব থকা ছিৰিঞ্জটো উলিয়াই ৰাইফলটোত ভৰাই পুনৰ লং ৰেঞ্জৰ ব্রাউন কার্টিজ এটা লগাই দিলোঁ। সময়ত খবৰ দিম বুলি আমাক তাতে এৰি সি তললৈ চুঁচৰি গ'ল, মই ক'লো যে সাৱধানে গুলীয়াবা আৰু পোন্ধৰ মিনিটমানলৈকে ওচৰলৈ নাযাব। মোৰ কথা শেষ নৌহওঁতেই সি বহুদূৰ পালেগৈ। দহ মিনিটমান নিটাল-নিস্তব্ধ। নিজৰ বুকুৰ ঢপঢপনিবোৰ যেন শুনিবলৈ পাইছোঁ। উৎকণ্ঠাৰ চৰম মুহূর্তবোৰ নাযায়-নুপুৰায় যেন। লাহে লাহে নামিবলৈ ধৰিলো, আঢ়ৈশ মিটাৰমান নামি গৈ প্রকাণ্ড বাঁহৰ জোপ এটাৰ পিছফালে লুকাই থকা অৱস্থাত জেছিমহঁতক পালোঁ। সিহঁতৰ দৃষ্টি অনুসৰণ কৰি দ' গড়খাৰৈ এটাৰ সিপাৰে প্রকাণ্ড মখনা হাতীটোক থিয়ৈ থিয়ৈ টোপনিয়াই থকা দেখিবলৈ পালোঁ। তাৰ যৌনাংগটো ওলমি মাটিত লাগি গৈছে, মূৰটো তললৈ দোঁ খাই পৰিছে, কাণ-শুঁৰৰ লৰচৰ নাই। মোৰ যেন 'আনন্দে নধৰে হিয়া'। মিঙাহঁতক হাতী পৰিছে বুলি কোৱাত বিশ্বাস কৰিবই নোখোজে। জেছিম একে জাঁপে ওলাই আহিল, আমি দুয়ো এখুজি-দুখুজিকৈ আগুৱাই গৈ শুকান খাৰৈটো পাৰ হ'লোঁ। আমাৰ পৰা হাতীটোৰ দূৰত্ব মাত্র ৬-৭ মিটাৰমান হ'ব। পকা চপৰাৰ দলি মাৰি চালোঁ, কেট্‌কুটেই নাই। লগত থকা কণমানি মাইকী হাতীজনী অমিতাভ বচ্চনৰ লগত জয়া ভাদুড়ী হেন দেখাইছে, লৰচৰ নেদেখি তাৰ গাত হেঁচুকি দিয়ে, শুঁৰডাল উঠাই কুট্‌কুটাই চায়।

মই ওপৰলৈ মূৰ কৰি বিজয়হঁতক চিঞৰিলোঁ। ৭ মিনিটমানৰ পিছত ধুমুহা অহাদি ওপৰৰ পৰা সকলো নামি আহিল। ৰছী, চেইন সকলো পালেহি। কোবাই-মৰিয়াই মাইকী হাতীজনীক খেদাই 'মাণিক' পাগলক আগাৰি-পিচাৰি পদ্ধতিত বান্ধিলো। সি তেতিয়া গভীৰ টোপনিত ঘোৰ্ঘোৰাই আছে, মুখৰ পৰা লেলাৰতি বৈ পৰিছে। জাইলাজিন নামৰ দৰববিধৰ সুবিধা এয়েই যে ইয়াক ব্যৱহাৰ কৰিলে গভীৰ টোপনিতো হাতীটো থিয় হৈ থাকিব পাৰে। কিন্তু টোপনি গৈ লৰচৰ কৰিব নোৱাৰা হ'বলৈ কমেও প্রায় পোন্ধৰ মিনিটমান সময় লাগে, এই সময়খিনি চিকাৰীৰ বাবে বিপজ্জনক। আনহাতে 'ইম্‌মোবিলন' ব্যৱহাৰ কৰিলে তিনি মিনিটমানতে হাতীটো পৰি যায় যদিও এনেকুৱা থিয় পাহাৰীয়া গঢ়াত এইদৰে পৰি যোৱাটো বিপজ্জনকো হ'ব পাৰে। তদুপৰি ঔষধবিধ ইমানেই বিষাক্ত যে ই যদি কেনেবাকৈ মানুহৰ শৰীৰত লাগে, মৃত্যু অৱধাৰিত। সেইবাবে আৱশ্যক হ'লে মানুহৰ ক্ষেত্রত ব্যৱহাৰ কৰিবলৈ 'নাৰকাণ' নামৰ দৰববিধ লগত লৈ ফুৰাটো অতি দৰকাৰী।

বলিয়া হাতীটো এবাৰ বান্ধি লোৱাৰ পিছত বিশেষ চিকিৎসা পদ্ধতি প্রয়োগ কৰি তাক কেনেকৈ ৮-১০ দিনৰ ভিতৰতে সম্পূর্ণ সুস্থ কৰি তোলা হ'ব এই কথা উপস্থিত সকলোকে ভালদৰে বুজাই ক'লোঁ। জেছিমে হাতীটো বান্ধি-কুন্ধি হোৱাৰ পিছত তাৰ গাত হাত ফুৰাই কান্দি কান্দি ৰৈ আছিল। সি মোৰ সমুখলৈ আহি কিবা ক'ব খুজিছিল, বোধহয় হালি সেৱা কৰিব খুজিছিল, মই হাত দুখনত ধৰি তাক উঠাই দিলোঁ, তাৰ চকুৰ পৰা সৰ্‌সৰকৈ চকুপানী ব'বলৈ ধৰিলে। মই তাৰ হাত দুখনত ধৰি থাকিয়েই ক'লোঁ, মোৰ এটা কথা ৰাখিবা, মৃত ফান্দীজনৰ পৰিয়ালটো চাবা। সি গদ্‌গদ হৈ শলাগিলে।

১৯৯৫ৰ বৰদিনৰ সময়ত শিলচৰৰ ওচৰৰ উদাৰন্দত সন্ত্রাসৰ সৃষ্টি কৰা হাতীৰ জাকটো চম্ভালিবলৈ যাওঁতে অনুসন্ধান কৰিছিলো, জেছিমুদ্দিনে তাৰ কথা ৰাখিছে। ❖❖

ভাষাবিদ পণ্ডিত প্রবৰ ড° বাণীকান্ত কাকতি

দেৱ কুমাৰ ডেকা
বিশিষ্ট সমাজকর্মী



বিশ্ববিশ্রুত বিজ্ঞানী আইনষ্টাইনে কৈছিল 'Academic Chairs are many but wise and noble teachers are few'. ড° বাণীকান্ত কাকতিদেৱো এনেকুৱাই কম সংখ্যক শিক্ষকৰ ভিতৰত এজন আছিল। 'Think Globally, Act Locally' - আজিৰ দিনৰ বিশ্বজনীন শিক্ষাৰ এক আদর্শ দর্শন আৰু এই দর্শনৰে অন্যতম শ্রেষ্ঠ মার্গ দর্শক আছিল ড° কাকতিদেৱ। প্রাচ্য-পাশ্চাত্যৰ সাহিত্যৰ বিশাল পৰিধিৰ সতে অন্তৰংগভাৱে পৰিচিত হৈয়ো তেখেতে সদায় নিজৰ ভাষা, সাহিত্য, সংস্কৃতিৰ বাবেই অহোপুৰুষার্থ কৰি ইয়াৰ মাজতেই বিলীন হৈ গ'ল। এই মহান পণ্ডিতগৰাকীৰ জীৱনৰ সর্বশ্রেষ্ঠ কীর্তিস্তম্ভ হৈছে- 'Assamese : Its Formation and Development', যি গৱেষণা গ্রন্থৰ দ্বাৰা তেখেতে অসমীয়া জাতিৰ স্বকীয়তা তথা অসমীয়া ভাষাৰ ক্ষেত্রত সদায় লাগি থকা এটা অপবাদ গুচাই বৈজ্ঞানিকভাৱে এই ভাষাৰ স্বতন্ত্রতা প্রতিষ্ঠা কৰে। যদিও ইয়াৰ আগেয়ে মাইলছ্ বন্সনৰ অভিধান, হেমকোষ, চন্দ্রকান্ত অভিধান আছিল আৰু ব্রাউন, নিকল, হেমচন্দ্র, সত্যনাথ বৰা, কালিৰাম মেধি আদি শিক্ষাবিদসকলে বিভিন্ন ব্যাকৰণ আদি ৰচিছিল, সেয়া আছিল অতি ঠেক পৰিষৰৰ আৰু বিজ্ঞানসন্মতও নাছিল। ড° কাকতিদেৱৰ সৃষ্টি আছিল এইসমূহৰ ঊর্ধ্বত। তেখেতে তেখেতৰ গুৰু ড° সুনীতি কুমাৰ

চট্টোপাধ্যায়ৰ 'Origin and Development of Bengali Language' গৱেষণা গ্ৰন্থৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ যদিও নিজৰ গৱেষণা গ্ৰন্থখন লিখিছিল তথাপিও এই গ্ৰন্থ ড° চট্টোপাধ্যায় গ্ৰন্থখনতকৈ কোনো গুণে তল খাপৰ নাছিল। অথচ কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক, ভাষাতত্ত্ববিদ ড° এম বি এমেনুৱে পুথিখনৰ প্ৰশংসা কৰি 'Its a noteble product of a very good method আৰু ground-breaking in many ways' বুলি কৈছিল। আনহাতে তেখেতে কাকতিদেৱৰ এই গ্ৰন্থখনত ঠায়ে ঠায়ে ড° চট্টোপাধ্যায় দেৱতকৈও Superior judgement থকা বুলি কৈছে; আৰু কৈছিল যে 'This is an important book in Indo aryan historical grammar'. এই গৱেষণা গ্ৰন্থৰ বাবে তেখেতক ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ে ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিছিল। এই গৱেষণা গ্ৰন্থ অন্যতম পৰীক্ষক পেৰিছ বিশ্ববিদ্যালয়ৰ অধ্যাপক জুল ব্লখে এই অভূতপূৰ্ব সাধনাত আশ্চৰ্য্যচকিত হৈ ভূয়সী প্ৰশংসা কৰিছিল এনেদৰে— 'I suppose the writer lives in a place far from academical atmosphere. But I am really surprised to find such a writing coming from such quarter'. এয়াই আমাৰ হিয়াৰ আমঠু অসমীয়াৰ মুকুতা-মণি পণ্ডিত প্ৰৱৰ ড° বাণীকান্ত কাকতিদেৱ যিয়ে অসমীয়া জাতি-ভাষা-সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

বৰ্তমান বৰপেটা নগৰৰ পৰা ছয়মাইলমান দূৰত্বৰ বাটিকুৰিহা গাঁৱত তেখেতৰ জন্ম ১৮৯৪ চনৰ ১৫ নৱেম্বৰত। পিতৃ ললিত ৰাম কাকতি আৰু মাতৃ লাহোৱাল কাকতি। তেখেতৰ জন্মৰ প্ৰায় ছমাহমান আগেয়ে পিতৃ স্বৰ্গগামী হয়। তেখেতসকলৰ ৫ জন সন্তানৰ ভিতৰত পৰমানন্দ কাকতি জ্যেষ্ঠ আৰু ড° বাণীকান্ত কাকতিদেৱ কনিষ্ঠ পুত্ৰ; তিনিগৰাকী কন্যা ক্ৰমে ভাগীৰথী, ভেলক আৰু পাটো। পিতৃৰ অৰ্বমানত তেখেতে মাতৃৰ লালন-পালনত ডাঙৰ-দীঘল হয়। আনহাতে তেখেতে প্ৰাথমিক শিক্ষাৰ পাতনি মেলে 'শিলা প্ৰাথমিক বিদ্যালয়'ৰ শিক্ষক তথা তেখেতৰ জ্যেষ্ঠ ভাতৃ পৰমানন্দ কাকতি আৰু মোমায়েক মাণিক পাঠকৰ তত্ত্বাৱধানত।

১৯০৫ চনত তেখেতে নিম্ন প্ৰাথমিক শিক্ষান্ত পৰীক্ষাত বৃত্তি লাভ কৰি বৰপেটা উচ্চ ইংৰাজী স্কুলত নামভৰ্তি কৰে। ১৯১১ চনত তেখেতে বৰপেটা উচ্চ ইংৰাজী স্কুলৰ পৰা ইংৰাজীত সৰ্বোচ্চ নম্বৰসহ অবিভক্ত অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰে। তেতিয়াৰ অবিভক্ত অসম মানে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগতে ছিলেট্ জিলাও আছিল। ১৯১১ চনত তেখেতে কটন কলেজত ইণ্টাৰমিডিয়েট শ্ৰেণীত নাম লগায় আৰু ১৯১৩ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত আই এ পৰীক্ষাত বিশ্ববিদ্যালয়ৰ সমূহ পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম স্থান পাই উত্তীৰ্ণ হয়। সেই সময়ৰ কলিকতা বিশ্ববিদ্যালয়ে অসম, বংগদেশ, উৰিষ্যা, বিহাৰ, ত্ৰিপুৰাকে ধৰি এক বৃহৎ এলেকা সামৰি লৈছিল। এইবাৰ কাকতিদেৱে কলিকতাৰ প্ৰেছিডেন্সী কলেজত বি এ শ্ৰেণীত নাম লগায় আৰু ১৯১৫ চনত ইংৰাজী বিষয়ত অনার্চসহ দ্বিতীয় বিভাগত চতুৰ্থ স্থান অধিকাৰ কৰি বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। প্ৰেছিডেন্সী কলেজৰ পৰা ইংৰাজী অনার্চত সৰ্বোচ্চ নম্বৰ পোৱাত 'টৱনী মেম'বিয়েল মেডেল' লাভ কৰে। ১৯১৫ চনত তেখেতে কলিকতা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ ইংৰাজী বিভাগত ভৰ্তি হয় আৰু শাৰীৰিক অসুস্থতাৰ বাবে ১৯১৭ চনত এম এ পৰীক্ষা দিব নোৱাৰি ১৯১৮ চনতহে দিলে আৰু ইংৰাজীৰ 'ক' শাখাত দ্বিতীয় শ্ৰেণী লাভ কৰিছিল। আশাব্যঞ্জক ফলাফল নোহোৱা বাবে তেখেতে কটন কলেজত অধ্যাপনা কৰি থকা সময়ত ১৯২৩ চনত পুনৰ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীৰ 'খ' শাখাত এম এ পৰীক্ষা দিয়ে আৰু প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে। দুয়োটা শাখাৰ পৰীক্ষাৰ্থীসকলৰ ভিতৰত প্ৰথম হোৱা বাবে তেখেতে 'ক্ষেত্ৰমোহন চেটাৰ্জী সোণৰ পদক' লাভ কৰে।

কাকতিদেৱে ১৯১৬ চনত বৰপেটাৰ উমাকান্ত দাসৰ কন্যা কনকলতা দাসক বিবাহ কৰায়। তেখেতসকলৰ তিনিজন পুত্ৰ দেৱকান্ত, নীলকান্ত, ৰত্নকান্ত আৰু তিনিগৰাকী কন্যা ক্ৰমে নীৰদা, শৰৎ কুমাৰী আৰু তৰুলতা।

আনুষ্ঠানিক শিক্ষা প্ৰায় শেষ কৰি ১৯১৮ চনৰ নৱেম্বৰ মাহত কাকতিদেৱ কটন কলেজত অধ্যাপক পদত নিয়োজিত হয়। ইয়াৰ আগেয়ে ১৯১৮ চনৰ প্ৰথম ভাগতেই ড° সূৰ্য্যকুমাৰ ভূঞাদেৱকো কটন কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক পদত নিয়োগ কৰা হয়। ১৯৪৫ চনত কাকতিদেৱ কলেজৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ অধ্যাপক পদত অধিষ্ঠিত হয়। ১৯৪৭ চনত তেখেতে কটন কলেজৰ অধ্যক্ষৰূপে নিযুক্তি পায়। আনহাতে ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্য

পদলৈ নির্বাচিত হয় আৰু তেখেতে কটন কলেজৰ পৰা অৱসৰ লয়। তাৰ পিছত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক আৰু সেই বিভাগৰ প্ৰধানৰূপে কার্যভাৰ লয়। ১৯৪৯ চনত তেখেত বিশ্ববিদ্যালয়ৰ কলাগুৰু আসনত অধিষ্ঠিত হয়। তেখেতে চাৰি বছৰ কাল সুচাৰুৰূপে বিশ্ববিদ্যালয়ৰ অধ্যাপনাৰ দায়িত্ব পালন কৰে। তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয় কটন কলেজ চৌহদত আছিল।

তেখেতৰ নীৰৱ গৱেষণা তথা সাহিত্য বা সংস্কৃতিৰ ক্ষেত্ৰখনত ব্যাঘাত হ'ব বুলি ভাবিয়েই চৰকাৰৰ ফালৰ পৰা যঁচা 'শিক্ষাধিকাৰ পদবী', লোকসেৱা আয়োগৰ অধ্যক্ষ আদিৰ দৰে লোভনীয় পদো প্ৰত্যাখ্যান কৰিছিল। আনকি তেখেতক ১৯৫২ চনত এটা বিশিষ্ট ৰাজনৈতিক দলে নির্বাচনত দলীয় টিকট দি গুৱাহাটী বিধানসভাৰ প্ৰার্থী হ'বলৈ কৰা অনুৰোধ তেখেতে প্ৰত্যাখ্যান কৰে।

সাহিত্যৰ ক্ষেত্ৰখনত তেখেতৰ অৱদান চিৰস্মৰণীয়। আধুনিক সমালোচক হিচাপে তেখেত অদ্বিতীয়। অসমীয়া, ইংৰাজী, সংস্কৃত আদি সাহিত্যৰ মৌলিক সৃষ্টি আৰু সমালোচনাৰ ধাৰাৰ লগত তেখেতৰ আছিল সুমধুৰ সম্পর্ক। ইংৰাজী সাহিত্যৰ অধ্যয়নৰ যোগেদি তেখেত পুৰণিগ্ৰীক আদি ইউৰোপীয় সাহিত্যৰ লগতো সু-পৰিচিত আছিল। অসমীয়া সাহিত্যৰ ইতিহাসত তেখেতৰ নাম সোণালী আখৰেৰে লিখা থাকিব চিৰদিন চিৰকাল। ইংৰাজী সাহিত্য আৰু তুলনামূলক ভাষা বিজ্ঞানৰ অগাধ পাণ্ডিত্য থকাৰ পিছতো তেখেতে সেই ক্ষেত্ৰখনত যশস্যাৰ কথা নেওচা দি অকল অসমীয়া ভাষা-সাহিত্যৰ বাবেই অহোপুৰুষার্থ কৰি জাতি প্ৰেমৰ যি নিদর্শন দেখুৱাই গ'ল তাৰ বাবে অসমীয়া জাতি আজি সঁচাকৈয়ে গৌৰৱান্বিত।

কাকতিদেৱৰ সাহিত্য সমালোচনাৰ প্ৰবন্ধবোৰৰ ভিতৰত ১৯১৬ চনৰ ১৫ ডিচেম্বৰত গুৱাহাটীত বহা অসমীয়া ছাত্ৰ সন্মিলনৰ অধিৱেশনত পাঠিত আৰু ডিব্ৰুগড়ৰ 'আলোচনী' পত্ৰিকাত অষ্টম বছৰ চতুর্থ সংখ্যাত প্ৰকাশিত 'সাহিত্যত কৰুণৰস' বোধহয় প্ৰথম প্ৰবন্ধ। ইয়াৰ পিছত তেখেতৰ শংকৰদেৱৰ আধ্যাত্মিক দেন, মাধৱদেৱৰ পৰমানুভৱ আৰু গুৰু প্ৰাণতা, অনন্ত কন্দলিৰ সৌন্দর্যবোধ, ৰাম-সৰস্বতীৰ বধ-কাব্যৰ মানসিক পৰিৱেশ, অসমীয়া বৈষ্ণৱ কবিৰ ৰচনাত ৰাধাৰ বৈশিষ্টপূর্ণ ৰূপ পৰিগ্ৰহ এইসমূহ প্ৰবন্ধই ১৯১৯ চনৰ 'চেতনা' আৰু 'পুৰণি অসমীয়া সাহিত্য' ছিৰিজত ওলাইছিল। তেখেতৰ 'Life and Teaching of Sankardeva' গ্ৰন্থখন ১৯২৩ চনত প্ৰকাশ হৈছিল। ইয়াৰ পিছত ১৯২৪-২৫ চন মানত 'চোৰ ধৰা পিম্পৰা গুচোৱা' নাটখন ওলাইছিল। কাকতি দেৱ শংকৰী সাহিত্যৰ বিশেষ অনুৰাগী আছিল আৰু তেখেতৰ মতে শংকৰদেৱৰ দান আছিল চতুর্ধা। ঐতিহাসিক দৃষ্টিভংগীৰে শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতীক সেই কালৰ প্ৰথম খাপৰ কবি বুলি কৈছে। কাকতিদেৱে ৰঘুনাথ চৌধাৰীক ঊনবিংশ শতিকাৰ বৈশিষ্ট্যপূর্ণ প্ৰধান কবিৰূপে আৰু যতীন্দ্ৰনাথ দুৱৰাক বিংশ শতিকাৰ গুণালঙ্কৃত কবি হিচাপে স্থান দিবলৈ বিচাৰে। অম্বিকাগিৰি ৰায়চৌধুৰীৰ দেশপ্ৰেমমূলক গীত-কবিতাবোৰক তেখেতে 'song of the cell' নাম দি ইংৰাজীলৈ অনুবাদ কৰে। তেখেতে শ্লেলী, কিট্‌ছ, কোলৰিজ, ৱার্ডছৱর্থ, মিল্টন, টুর্গেনিভ্‌ আদি কবি সাহিত্যিকৰ ৰচনাৱলীৰ লগত আমাৰ অসমীয়া কবি সাহিত্যিকৰ তুলনামূলক সমালোচনা আগবঢ়াইছিল। লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ প্ৰতি কাকতিদেৱৰ আছিল গভীৰ শ্ৰদ্ধা। বেজবৰুৱা দেৱৰ সাহিত্য কীর্তিৰ প্ৰশংসা কৰি তেখেতে কৈছিল 'পক্ষীয়ে যিমতে শিশু ছটকক পখাৰে আৱৰি ৰাখে, তেনেকৈ বাহিৰৰ অসমীয়াদ্বেষীসকলৰ আক্ৰমণৰ বিৰুদ্ধে বেজবৰুৱাদেৱে লেখনীৰে যুঁজি আমাৰ জাতীয় বীৰত পৰিণত হৈছিল।' তেখেতে জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ গীত-নাট আদিৰ গঠনমূলক সমালোচনা কৰি প্ৰশংসা কৰিছিল। এটা সময়ত তেখেতে "ভবানন্দ পাঠক" চদ্ম নাম লৈ "বিজুলী" নামেৰে এলানী প্ৰবন্ধ লিখিছিল। ইয়াতে মুঠ ওঠৰটি প্ৰবন্ধ প্ৰকাশ হৈছিল। এই প্ৰবন্ধসমূহত বেদ উপনিষদৰে পৰা আৰম্ভ কৰি দাক্ষিণাত্যৰ বৈষ্ণৱ আৰু বৈদান্তিক সম্প্ৰদায় আৰু বংগদেশৰ ৰাধা সাহিত্যলৈকে সকলো সামৰা হৈছিল। এনেদৰেই সাহিত্য-সমালোচনাৰ ক্ষেত্ৰখনত তেখেতে সীমাহীন কাম কৰি গৈছিল। ১৯৩৫ চনত প্ৰকাশিত অসমীয়া ভাষাৰ মাইলৰ খুঁটি, 'অসমীয়া ভাষাৰ গঠন আৰু ক্ৰমবিকাশ' ভাষাতত্ত্বৰ গৱেষণামূলক গ্ৰন্থখনৰ বিষয়ে ইতিমধ্যে উনুকিয়াইছোৱে। তেখেতৰ গ্ৰন্থ 'পুৰণি অসমীয়া সাহিত্য' ১৯৪০ চনত, ১৯৪৩ চনত 'কলিতা জাতিৰ ইতিবৃত্ত' ১৯৪৮ চনত 'The Mother Goddess Kamakhya' ১৯৪৮ চনতেই 'সাহিত্য আৰু প্ৰেম' ১৯৫০

চনত 'Vaishnav Myths and legend' ১৯৫১ চনত পখিলা, ১৯৫০ চনত 'পুৰণি কামৰূপৰ ধর্মধাৰা' আদি প্রকাশ হৈছিল। নতুন অসমীয়া সাহিত্য আৰু 'The poet of early Assamese Literature' আদি গ্রন্থবোৰো প্রকাশিত হয়। কাকতিদেৱৰ সকলোবোৰ ৰচনাই সাহিত্য, সংস্কৃতি, ধর্ম, দর্শন, নৃতত্ব, সমাজতত্ত্ব, ইতিহাস, পুৰাণ আদি বিভিন্ন বিষয় সামৰি লৈছিল।

কলিতাসকলৰ মূল শিপা সম্পর্কে অতীজৰে পৰা সকলোৰে মনত এক উৎসুকতা আছিল। ক্ষত্রিয় কুল লুপ্ত কলিতা, কলৰ তলৰ কলিতা আদি বিভিন্ন প্রবাদ সৃষ্টিৰে সাধাৰণ লোকৰ কলিতা কুল উৎপত্তি সম্বন্ধে থকা জ্ঞান পিপাসাৰ অন্ত পেলাইছিল। জাতিতত্ত্ব, নৃতত্ব, প্রাচীন ইতিহাসবিদসকল এই ক্ষেত্রত প্রায় নিমাত। কলিতা সম্পর্কে ভাৰতলৈ অহা বিভিন্ন পৰিব্রাজক আৰু বিদেশী ইতিহাসবিদ তথা অসমৰ দুই এজন ইতিহাসবিদে দুই-এটা সৰু টোকা লিখাৰ বাহিৰে বিস্তৃতভাৱে কোনেও কাকতি দেবৰ আগেয়ে লিখা নাছিল। ইয়াৰ ভিতৰত গ্রীক বুৰঞ্জীবিদ হেৰ'ডটাছ, ছাৰ এডৱার্ড গেইট্, বি এইচ্ বেডেন-পাৱেল, মণ্টগমেৰি মার্টিন, জন ব্রায়ান নিউফ্ভিল, ডেল্টন, ডাব্লিউ ডাব্লিউ হাণ্টাৰ আদি লেখত ল'বলগীয়া। বিখ্যাত অসমীয়াসকল হ'ল- ৰজনী কুমাৰ পদ্মৱতী, কনকলাল বৰুৱা, কালিৰাম মেধি, পদ্মনাথ গোহাঞি বৰুৱা, শৰৎ চন্দ্র গোস্বামী, প্রতাপ চন্দ্র চৌধুৰী আদি, মীৰজুমলাৰ লগত অহা ফার্চী পণ্ডিত এজনে 'ফাতেহা-ই-ইব্রিহা' গ্রন্থত তথা চীনা পৰিব্রাজক হিউৱেন-চাঙৰ ভ্রমণ কাহিনীত কলিতা সম্পর্কে দুই-এটা কথা উল্লেখ আছে।

ড° কাকতিদেৱ যদিও ভাষা সাহিত্যৰ অগাধ পণ্ডিত আছিল তথাপিও ব্যক্তিগত জীৱনত তেখেত এজন ৰসিক-আনক জোকাই, ধেমালি কৰি ভাল পোৱা মানুহ আছিল। সেয়েহে তেখেতৰ লগত ঘটা কিছু আমোদজনক ঘটনা উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। তেখেতে এবাৰ এটা মোকর্দ্দমাৰ সাক্ষী দিব লগা হৈছিল ৰৱপেটাৰ কাছাৰীত। বিচাৰকৰ আসনত থকা মহকুমাধিপতিজনে তেখেতৰ সাধাৰণ পিন্ধন-উৰণ আৰু সহজ-সৰল হোজা যেন অবয়বত দেখি কাঠগড়াত থিয় হোৱাত পুতৌ ভাৱেৰে তেখেতক সুধিলে— 'তুমি ইংৰাজীত শপত ল'ব লাগিব, তুমি ইংৰাজী জানানে?' উকীলে থতমত খাই সাক্ষীৰ পৰিচয় দি ক'লে— 'মহামান্য বিচাৰক তেওঁ এজন ইংৰাজীৰ অধ্যাপক আৰু ডক্টৰেট ডিগ্রীধাৰী'; তেতিয়া মহাকুমাধিপতিয়ে বহাৰ পৰা উঠি ক্ষমা খুজিছিল।

তেখেত তেতিয়া কটন কলেজৰ অধ্যক্ষ। ডিব্রুগড়ৰ পৰা ৰেলত আহি আছিল আৰু আৰামত একোণত বহি মাজে মাজে বিড়ি-চিগাৰেট হুপি হুপি আহিছিল। সেইখন ৰেলতে উজনিৰ ল'ৰাবোৰে কটনত নতুনকৈ নাম লগাবলৈ আহিছিল, তাৰে মাজৰ দুই-এজনে 'চাওঁ ককাই, তোমাৰ জুইশলাটো দিয়াছোন বুলি খুজি' চিগাৰেট জ্বলাই উভটাই দিছিল। দুদিনমান পিছত তেওঁলোকে দেখিলে যে বিড়ি হুপি অহাজনেইচোন অধ্যক্ষৰ আসনত। তেওঁলোকৰ ক'ত লুকাও, ক'ত পলাও অৱস্থা হৈছিলগৈ।

১৯৫০ চনৰ ৫ আগষ্টত মুখ্যমন্ত্রী গোপীনাথ বৰদলৈ ঢুকুৰাৰ পিছত বিষ্ণুৰাম মেধি অসমৰ মুখ্যমন্ত্রী হ'ল। তেনেতে এদিন ড° কাকতিদেৱে উজানবজাৰত অম্বিকাগিৰী ৰায়চৌধুৰীক লগ পালে আৰু জোকোৱাৰ উদ্দেশ্যৰে ক'লে, 'মেধি সখী মুখ্যমন্ত্রী হ'ল, তুমি এই সংৰক্ষণী কৰি কৰি একোৱেই হ'ব নোৱাৰিলা'। ৰায়চৌধুৰী এনেয়ে খঙাল মানুহ, ক'লে— 'মুখ্যমন্ত্রী হ'ল কি হ'ল? অসমীয়া মানুহে এদিন বুজিব মই তেওঁলোকৰ স্বার্থৰ বাবে কি কৰিছোঁ।' ৰায়চৌধুৰীৰ খং উঠা দেখি কাকতিদেৱে খিলখিলাই হাঁহি দিলে।

কাকতিদেৱে কেতিয়াবা নিজৰ সহধর্মিনী কনকলতা কাকতিকো জোকাই ৰং পাইছিল। এদিন তেখেতৰ খুলশালি অধ্যাপক বিনয় চৌধুৰীৰ লগত বিশ্ববিদ্যালয়ৰ কিবা কথা আলোচনা কৰি আছিল। তেখেতসকলৰ ওচৰতে কাকতিদেৱৰ পত্নীয়ে বহি থকা দেখি ক'লে— 'তুমি এটা টিপ চহী মার্কা তিৰোতা, এইবোৰ কি বুজিবা'? তেখেতৰ পৰিবাৰ জ্বলি-পকি উঠিল আৰু কাকতিদেৱে হাঁহিবলৈ ধৰিলে। তেতিয়া তেখেতৰ পত্নীয়ে ভায়েক বিনয় চৌধুৰীক ক'লে, 'চা তোৰ ভিনিহিয়েৰে একো নাজানে, কেৱল কিতাপ পঢ়িবহে জানে, এই ঘৰ-দুৱাৰ-মাটি-ভেটি মইয়ে কৰিছোঁ। কলিকতালৈ দ্বিতীয়বাৰ এম এ পৰীক্ষা দিবলৈ যাওঁতে তাত (২২) দিন আছিল আৰু যিটো গেঞ্জি পিন্ধি গৈছিল সেইটোকে পিন্ধি ঘূৰি আহিছিল। গেঞ্জিৰ অৱস্থা লেম মোছা কানিৰ দৰে হৈছিল। বাকছত গেঞ্জি দি পথিয়াইছিলোঁ। উলিয়াই পিন্ধাৰ কথা পাহৰিলেই কিজানি!'

হাইস্কুলত পঢ়ি থাকোতে এবাৰ লক্ষীনাৰায়ণ গোস্বামী নামৰ সংস্কৃত শিক্ষক এজনে কাকতিদেৱৰ পৰীক্ষাৰ বহী চাই মুঠ ১০০ নম্বৰৰ ভিতৰত ১০৫ দিছিল। স্কুলৰ প্ৰধান শিক্ষক কালীমোহন গুপ্তই পৰীক্ষক গোস্বামীক তাৰ কাৰণ সোধাত তেখেতে উত্তৰ দিছিল, 'বাণী বোপাই পাণিনীৰ ব্যাকৰণখন সম্পূৰ্ণভাৱে আয়ত্ত কৰাৰ বাবে তেওঁক ১০০ নম্বৰৰ ভিতৰত ১০৫ নম্বৰ নিদি নোৱাৰিলোঁ'।

এইজনাই সেই বিদুষী মহান পণ্ডিত যিজনক হয়তো আমি অসমীয়া মানুহে জীৱিত কালত উপযুক্ত স্বীকৃতিৰে আৰু অধিক কামৰ বাবে সাহস আৰু প্ৰেৰণা দিব নোৱাৰিলো। তেখেতে কোনোবা এটা ক্ষণত কাৰোবাৰ আগত আক্ষেপ কৰি কৈছিল, 'হয়তো অসমীয়া জাতিটো এটা জাতি হৈ নাথাকিব; নগা, কুকিৰ দৰে এটা ট্ৰাইব হৈহে থাকিব। অসমীয়া মানুহে গুণীৰ গুণ জীৱিত অৱস্থাত বুজিবলৈ চেষ্টা নকৰে। বঙালী মানুহে গুণবন্ত লোকসকলক গুণৰ স্বীকৃতি দিয়ে, গতিকে তেনেবোৰ মানুহে বেছি কাম কৰিব পাৰে আৰু দীৰ্ঘজীৱীও হয়।'

১৯৫২ চনৰ ১৭ ছেপ্টেম্বৰত ড° কাকতিদেৱৰ সহধৰ্মিনীৰ কনকলতা কাকতি স্বৰ্গ গত হয়। পত্নীৰ মৃত্যুৱে কাকতিদেৱক গভীৰ শোক দিয়ে আৰু ১৯৫২ চনৰ ১৫ নৱেম্বৰৰ দিনা, পত্নী বিয়োগৰ দুমাহ নহওঁতেই তেখেতে ইহলীলা সম্বৰণ কৰে। তেখেতৰ মৃত্যুত অসম তথা ভাৰতৰ অপূৰ্ণ ক্ষতি হ'ল। তেখেতৰ অবিহনে অসমীয়া সমাজত হোৱা ক্ষতিপূৰণ পূৰ কৰাটো সম্ভৱপৰ নহয়।

তেখেতৰ মৃত্যুত মৰ্মাহত হৈ বিখ্যাত ব্যক্তি সকলে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়োৱা দেখিবলৈ পোৱা গৈছিল। ড° সূৰ্য কুমাৰ ভূঞাই কৈছিল, 'Dr Kakati was a genius and personality are not easily repeated, and Assam will have to wait for many long years before a scholar of his eminence appears in the field again'. ড° বিৰিঞ্চি কুমাৰ বৰুৱাই লিখিছে— 'কাকতিৰ প্ৰতিভা আৰু জ্ঞানবত্তি চিৰদিন আমাৰ মাজত জ্বলি থাকিব।' অম্বিকাগিৰি ৰায়চৌধুৰীয়ে কাৰ্জন হলত অনুষ্ঠিত সভাত কান্দি কান্দি কৈছিল— 'হায় হায় আমি কি ৰত্ন হেৰুৱালো, আমি কি ৰত্ন হেৰুৱালোঁ!' ড° কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই তেখেতৰ দেহাৱসানৰ বাতৰি পাই কৈ উঠিছিল "এই মানুহজনে মোক মিছাতে পণ্ডিত বুলি ভাবি গ'ল, আচলতে মোৰ পাণ্ডিত্য তেখেতৰ পাণ্ডিত্যৰ ওচৰত নিষ্প্ৰভ'।

ড° বাণীকান্ত কাকতিদেৱৰ প্ৰতিভাৰ পোহৰ নিৰ্বাপিত হ'ব নোৱাৰে। তেখেতৰ প্ৰতিভা অমৰ চিৰদিন চিৰকালে।❖❖

❒ *ঢোলত থকা চামৰাৰ ৰছীকেইডালক কি বুলি কোৱা হয়?*

ৰৱতী

❒ *ব'হাগ বিহুত ঢোল আৰু পেঁপাৰ লগতে গগনায়ো উল্লেখযোগ্য ভূমিকা পালন কৰে। গগনা দুবিধ, কি কি বাৰু?*

ৰামধন গগনা আৰু লাহৰী গগনা

❒ *অসমীয়াৰ এটা প্ৰিয় শব্দ 'হুঁচৰি'। 'হুঁচৰি' শব্দৰ অৰ্থ কি?*

'হু' মানে আনন্দ আৰু 'চৰি' মানে গৈ থকা; অৰ্থাৎ আনন্দ কৰি গৈ থকা

অতিথি লেখা

নিপন গোস্বামী ঃ চলচ্চিত্র আৰু মঞ্চৰ অনবদ্য কুশীলৱজন

বিতোপন বৰবৰা
বিশিষ্ট সাংবাদিক, লেখক তথা চিত্র সমালোচক



'ডাঃ বেজবৰুৱা' সৰুতেই চাইছিলোঁ সম্ভৱতঃ যোৱহাটৰ ইলি হলত। ছবিখনৰ মনত ৰৈ যোৱা কথাৰ ভিতৰত আছিল আমাৰ শিশু মনক চমৎকৃত কৰা স্পেচিয়েল এফেক্টছৰ দৃশ্যবোৰ, আমাক তেতিয়াই আলোড়িত কৰা সুন্দৰ গীতবোৰ আৰু বিশেষকৈ সুদর্শন নায়কৰ ৰূপত নিপন গোস্বামী আৰু আনহাতে অসৎ চিকিৎসকৰ অভিনয় কৰা ব্রজেন বৰুৱা। কিন্তু ছবিখন চাই অহাৰ পাছত আমাৰ মা, মাহীহঁতৰ মুখত সবাতোকৈ আলোচিত বিষয়টো আছিল সুদর্শন, সুগঢ়ি, সুকণ্ঠধন্য নিপন গোস্বামী। আমিও সমনীয়াহঁতৰ লগ লাগি তেওঁৰ বিষয়ে কৈছিলো 'অ'ই চা, নিপন গোস্বামীয়ে কি ধুনীয়াকৈ গানো গাব পাৰে ন'?' সেই নিপন গোস্বামীৰ ঠিক পাছতে আবির্ভাৱ হোৱা আন এজন সুদর্শন নায়ক বিজু ফুকনৰ চিনেমা বুলিলেই পিছলৈ আমি ছবিঘৰলৈ দৌৰ মাৰিছিলো।

২০১৯ত গোৱাত অনুষ্ঠিত ভাৰতৰ আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱত ৰাষ্ট্রীয় ফিল্ম আর্কাইভে 'ৰিষ্ট'ৰ' কৰা 'ডাঃ বেজবৰুৱা'ৰ এটা প্রিণ্টেৰে ছবিখন প্রদর্শিত হ'ব বুলি গম পাই অত্যন্ত ৰোমাঞ্চিত হৈ পৰিছিলোঁ। ৰোমাঞ্চিত আৰু

পুলকিত হৈছিলোঁ এই কাৰণতে যে শৈশৱৰ যি ধূসৰ হৈ পৰা স্মৃতি অতদিনে মনত লৈ ফুৰিছিলোঁ, 'ডাঃ বেজবৰুৱা'ৰ পুনৰ দৰ্শনৰ সেই সুযোগে সেই বিবর্ণ, ধূসৰিত স্মৃতিকো পুনৰ সজীৱ কৰি তুলিব বুলি নিশ্চিত আছিলোঁ। লগতে প্ৰবল হেঁপাহ জন্মিছিল তাহানি আমাৰ শিশু মনক চমৎকৃত কৰা, আলোড়িত কৰা সেই স্পেচিয়েল এফেক্টবোৰ চাবলৈ, সেই মন জুৰ পেলোৱা গীতবোৰ শুনিবলৈ আৰু বিশেষকৈ আমাৰ শৈশৱ-যৌৱনৰ জনপ্ৰিয় হিৰো সুন্দৰ-সুগঢ়ি-সুকণ্ঠী নিপন গোস্বামীৰ সেই তাৰুণ্য-চপল অভিনয়ৰ সোৱাদ ল'বলৈ। কোৱা বাহুল্য যে সেই দৰ্শনৰ অভিজ্ঞতা আৰু স্মৃতিৰ বোল যেন এতিয়া জীৱন প্ৰদীপ নুনুমুৱালৈকে মনত আঁকি ল'লোঁ।

ষাঠিৰ দশকৰ শেষৰ ফালে বয়সৰ লেখেৰে ডেৰকুৰিৰ ওচৰ চপা এজন তৰুণ, উচ্চাভিলাষী আৰু সুদৰ্শন অভিনেতা ইতিমধ্যে বিখ্যাত হৈ পৰা নায়িকা বিদ্যা ৰাওৰ বিপৰীতে অমৰ পাঠকৰ 'সংগ্ৰাম' (১৯৬৮)ত নায়ক হিচাপে পোনপ্ৰথমবাৰৰ বাবে অৱতীর্ণ হৈছিল। সাংস্কৃতিক ক্ষেত্ৰৰ মানুহে ভালদৰে জানিছিল যে তেওঁ তেজপুৰৰ প্ৰখ্যাত আৰু প্ৰবীণ মঞ্চাভিনেতা চন্দ্ৰধৰ গোস্বামীৰ পুত্ৰ। ইতিমধ্যে তেওঁ একেখন চহৰৰে আন এজন কিংবদন্তি অভিনেতা ফণী শর্মাৰ পৃষ্ঠপোষকতাত এখন চলচ্চিত্ৰত কৈশোৰতে আত্মপ্ৰকাশ কৰিছিল। ফণী শর্মাই ১৯৫৭ত পৰিচালনা কৰা 'পিয়লি ফুকন' চলচ্চিত্ৰখনৰ শিশু চৰিত্ৰৰ চৰিত্ৰ এটাত অভিনয় কৰিবলৈ সুযোগ দি ইতিপূর্বেই নিপনক ছবিত অভিনয়ৰ সোৱাদ দি থৈছিল। কোৱা বাহুল্য, ডেকা কালৰে 'সংগ্ৰাম'ৰ নায়ক হিচাপে ভুমুকি মৰাৰ পিছত নিপন গোস্বামী এজন তজ্‌বজীয়া, সুদৰ্শন, উৎসাহী, উদ্যমী আৰু পুৰুষোচিত চেহেৰাৰ অভিনেতা হৈ পৰিছিল আৰু এই নতুন ৰূপত আবির্ভাৰৰ লগে লগেই তেওঁক লৈ অসমজুৰি চাঞ্চল্যৰ সৃষ্টি হোৱাই নহয়, তেওঁক এজন অতি প্ৰতিশ্ৰুতিপূর্ণ নায়ক হিচাপেও আটায়ে গণ্য কৰিছিল।

সেইখিনি সময়ত গুৱাহাটীৰ বৰুৱা ভাতৃবৃন্দই ইতিমধ্যে অসমৰ চিনেমা জগতত এক লেখত ল'বলগীয়া চলচ্চিত্ৰ নির্মাতাৰ পৰিয়াল হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছিল আৰু তেওঁলোকৰ জ্যেষ্ঠজন, নিপ বৰুৱাই ১৯৫৫তে 'স্মৃতিৰ পৰশ' ছবিখন নির্মাণৰ মাজেৰে চলচ্চিত্ৰ নির্মাণৰ জগতখনত প্ৰৱেশ কিৰিছিল। নিপ বৰুৱাৰ অন্যতম কনিষ্ঠ ভাতৃ ব্ৰজেন বৰুৱায়ো ক্ৰমাগতভাৱে নিপ বৰুৱাৰ প্ৰথম দুখন চলচ্চিত্ৰত অভিনয় কৰাই নহয়, জ্যেষ্ঠ ভ্ৰাতৃৰ দ্বিতীয়খন ছবি 'মাক আৰু মৰম' (১৯৫৭)ৰ সংগীত পৰিচালনাও কৰিছিল। ১৯৬২ত 'নৰকাসুৰ' নির্মাণ কৰালৈকে নিপ বৰুৱাই সর্বমুঠ ছখন চলচ্চিত্ৰ নির্মাণ কৰাৰ সময়তে ব্ৰজেন বৰুৱায়ো 'ইটো-সিটো বহুতো' (১৯৬৩) নামৰ এখন খুহুটীয়া ভংগীৰ চলচ্চিত্ৰ নির্মাণৰ যোগেদি ছবি নির্মাণত হাত দিছিল, য'ত ফণী শর্মাই এজন অৱসৰপ্ৰাপ্ত সামৰিক মেজৰৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছিল। কিন্তু 'ইটো সিটো বহুতো'ৰ পিছত বৰুৱা ভাতৃবৃন্দৰ নজন ভাই-ককাইৰ মাজত সবাতোকৈ গুণী আৰু বহুমুখী প্ৰতিভাশালী ব্ৰজেন বৰুৱাই তেওঁৰ পৰৱর্তী ছবি নির্মাণৰ কথা ভাবোতে এটা নতুন ভংগীৰ স'তে সম্পৰীক্ষা কৰিবলৈ অর্থাৎ এখন থ্ৰীলাৰ নির্মাণ কৰিবলৈ মন স্থিৰ কৰিছিল। কোৱা বাহুল্য যে তেতিয়ালৈকে অসমীয়া চলচ্চিত্ৰৰ ক্ষেত্ৰত সেই ধাৰাৰ কোনো ছবি নির্মাণ হোৱা নাছিল আৰু ছবিখনৰ পৰিকল্পনা কৰি থাকোঁতেই 'সংগ্ৰাম'ত আবির্ভাৱ হোৱা নতুন নায়কজন অর্থাৎ নিপন গোস্বামীয়ে তেওঁৰো দৃষ্টি আকর্ষণ কৰিছিল।

ভবাই নহয় মূৰকত নিপন গোস্বামীক ডাঃ বেজবৰুৱাৰ নায়কৰ চৰিত্ৰটোৰ বাবে চুক্তিবদ্ধ কৰি লৈ চিত্ৰনাট্যখন বিকশিত কৰি ব্ৰজেন বৰুৱাই প্ৰথমবাৰৰ বাবে অসমতে ছবি এখনৰ সম্পূর্ণ শ্যুটিং শেষ কৰি যেতিয়া সম্পাদনাৰ টেবুলত ছবিখনৰ ৰাশ্ব প্ৰিণ্টত চকু ফুৰাইছিল তেতিয়াই তেওঁ নিশ্চিত হৈছিল যে তেওঁৰ নতুন ছবি 'ডাঃ বেজবৰুৱা' নিশ্চয়কৈ এখন অভূতপূর্ব ছবি হ'ব আৰু সেয়েই নহয়, ছবিখন ছুপাৰহিটো হ'ব। বৰুৱাই ধাৰণা কৰা মতেই ১৯৬৯ত মুক্তি পোৱাৰ লগে লগে 'ডাঃ বেজবৰুৱা'ৰ অপৰিসীম জনপ্ৰিয়তাই ছবিখনক ছুপাৰহিট কৰি তুলিছিল। ছবিখনে মুক্তিৰ পিছতে দর্শকৰ বিপুল প্ৰশংসা লভাৰ লগতে ছবিখনৰ নায়ক নিপন গোস্বামীক লৈ দর্শকৰ মাজত সীমাহীন উন্মাদনাৰো সৃষ্টি হৈছিল আৰু ৰাতিটোৰ ভিতৰতে তেওঁ দর্শকৰ হিয়াৰ আমঠু হৈ পৰিছিল। সময় আগবঢ়াৰ লগে লগে 'ডাঃ বেজবৰুৱা' যিদৰে এখন ব্যণিজ্যিকভাবে সফল ছবি হৈ পৰিল, সেইদৰে ছবিখনৰ নায়ক নিপন গোস্বামীও এজন সুপ্ৰতিষ্ঠিত জনপ্ৰিয় অভিনেতা হৈ পৰিল, যি পিছলৈ প্ৰায় পাঁচশ দশকজোৰা চলচ্চিত্ৰ পৰিক্ৰমাত অসমীয়া, হিন্দী আৰু বাংলা ভাষাত ১০০খনতকৈও অধিক

চলচ্চিত্রত অভিনয় কৰিছিল। অসমীয়া ছবিৰ নায়কৰ ক্ষেত্রত এইটো এটা অভিলেখ।

নিপন গোস্বামী অভিনয়ত এফ টি আই আইৰ পৰা ডিপ্লমাপ্রাপ্ত অসমৰ প্রথমজন অভিনেতা আছিল আৰু তাত তেওঁৰ সমনীয়াসকল আছিল শত্রুঘ্ন সিন্হা, নবীন নিশ্চল আদিৰ দৰে প্রসিদ্ধ অভিনেতাসকল। এফ টি আই আইৰ শিক্ষাই নিঃসন্দেহে নিপন গোস্বামীক এজন পদ্ধতিগত অভিনেতা হিচাপে গঢ় দিছিল, যি 'ডাঃ বেজবৰুৱা'ত নায়কৰ চৰিত্রত অপূর্ব অভিনয়েৰে সকলো বয়স আৰু শ্রেণীৰ দর্শকক ইমান অনায়াসে মন্ত্রমুগ্ধ কৰিছিল যে মানুহৰ মাজত তেওঁ কম সময়তে অভূতপূর্ব জনপ্রিয়তা লভিছিল।

'ডাঃ বেজবৰুৱা'ত নিপন গোস্বামীৰ অভিনয় অতি আকর্ষণীয়, চপলতাপূর্ণ আৰু চিত্তাকর্ষক আছিল যদিও তেওঁৰ অভিনয়ত শ্লেপষ্টিক অভিনয়ৰ কিছু উপাদানৰ লগতে সেই সময়ৰ হিন্দী চলচ্চিত্রৰ তাৰকাসকলৰ অভিনয়ৰ ৰীতিৰো প্রভাৱ লক্ষ্য কৰা গৈছিল। 'ডাঃ বেজবৰুৱা'ত ব্রজেনবৰুৱাই অসাধাৰণ সফলতা লভাৰ পিছত এইবাৰ ডাঙৰ ককায়েক নিপ বৰুৱায়ো নিপন গোস্বামীক ১৯৭০ত 'বৰুৱাৰ সংসাৰ'ৰ নায়কৰ চৰিত্র প্রদান কৰে আৰু একেটা বছৰতে ব্রজেন বৰুৱায়ো তেওঁক পৰৱর্তী ছবি 'মুকুতা'ত মুখ্য অভিনেতাৰ বাবে বাচনি কৰে। উল্লেখযোগ্য যে এই দুয়োখন ছবিয়েই পুনৰ বক্স অফিচত খলকনি তুলিছিল আৰু এনে উপর্যুপৰি সফলতাই নিপন গোস্বামীক কম সময়তে এজন অবিসম্বাদী চলচ্চিত্র তাৰকাৰ ৰূপত প্রতিষ্ঠিত কৰিছিল। সত্তৰৰ দশকটোত নিপন গোস্বামীয়ে মুঠ ১১খন চলচ্চিত্রত অভিনয় কৰাই নহয়, এইখিনি সময়ত ক্রমে তেওঁ নিজৰ অভিনয়-কলাৰো চমকপ্রদ উত্তৰণ ঘটাই তাক ভালেখিনি পৰিশ্রুত আৰু প্রভাৱমুক্ত কৰিছিল আৰু পাছৰ ফালৰ ছবিবোৰত তেওঁৰ অভিনয় ক্রমে পৰিমিত, সু-নিয়ন্ত্রিত আৰু সূক্ষ্ম অভিব্যক্তিধন্য হৈ পৰিছিল। এনেদৰেই নিপন গোস্বামীয়ে প্রথমফালৰ প্রভাৱ আৰু মেনাৰিজমৰ পৰা ভালেখিনি মুক্ত হৈ এজন আপোন বৈশিষ্ট্যধন্য প্রতিভাশালী অভিনেতা হিচাপে ওলাই আহিছিল। ১৯৭৯ত এফ টি আইৰ পৰা উত্তীর্ণ হৈ অহা জনছ মহলীয়াৰ প্রথমখন ছবি 'দূৰণিৰ ৰঙ'ত অভিনয় কৰাৰ সময়লৈকে নিপন গোস্বামীৰ অভিনয় অধিক নিমজ, পৰিপক্ক আৰু সূক্ষ্ম হৈ পৰে, যি সফলতাৰে তেওঁৰ অভিনয়ৰ ভাব-ভংগীৰ ভালেখিনি যথেচ্ছাচাৰৰ পৰা নিজকে লক্ষণীয়ভাৱে মুক্ত কৰি তোলা পৰিলক্ষিত হৈছিল।

পুনেৰ এফ টি আই আইৰ শিক্ষাই নিপন গোস্বামীক উচ্চকাংক্ষী কৰাটো নিঃসন্দেহে স্বাভাৰিক কথাই আছিল আৰু এনে কাৰণতে সত্তৰৰ দশকত তেওঁ হিন্দী আৰু বঙালী চলচ্চিত্রতো প্রতিষ্ঠা লভাৰ বাবে চেষ্টা কৰিছিল। কিন্তু তেওঁ কেতবোৰ সৰু-সুৰা চৰিত্রতহে অভিনয় কৰাৰ সুযোগ লভিলে আৰু হিন্দী ছবিৰ নায়ক হিচাপে প্রতিষ্ঠা লভাৰ বাট যথেষ্ট অনিশ্চিত, সংশয়াচ্ছন্ন আৰু সংগ্রামপূর্ণ হ'ব বুলি উপলব্ধি কৰি মূৰকত তেওঁ অসমলৈকে ঘূৰি আহিল। অৱশ্যে, আশীৰ দশকত তেওঁ পুনৰ নিপ বৰুৱা পৰিচালিত ছবি 'আজলী নৰৌ'ত এটা গুৰুত্বপূর্ণ চৰিত্রত অভিনয় কৰাৰ সুযোগ পালে আৰু এইখন ছবিও মূৰকত ছুপাৰহিট ছবি হিচাপে পৰিগণিত হ'ল। 'আজলী নৰৌ'ত নিপন গোস্বামীয়ে তেওঁৰ আন এজন বিখ্যাত সমসাময়িক নায়ক বিজু ফুকনৰ স'তে একেলগে অভিনয় কৰিছিল, যি 'ডাঃ বেজবৰুৱা'ত এটা সৰু চৰিত্রত অভিনয় কৰাৰ পিছত প্রায় একে সময়তে অসমীয়া ছবি জগতত আত্মপ্রকাশ কৰিছিল। ১৯৮০ চনত নির্মিত 'আজলী নৰৌ'য়ে দর্শক ৰাইজৰ অফুৰন্ত সমাদৰ আৰু প্রশংসা লভিছিল আৰু ই সোণালী জয়ন্তী উদ্যাপন কৰা প্রথমখন অসমীয়া চলচ্চিত্র হিচাপে পৰিগণিত হৈছিল। ইয়াৰ এটা প্রিণ্ট আনকি গুৱাহাটীৰ উর্বশী চিনেমা হলত সুদীর্ঘ নমাহ ধৰি একেৰাহে চলি একপ্রকাৰৰ অভিলেখ গঢ়িছিল।

নিপন গোস্বামীয়ে ইয়াৰ পিছত 'মইনাজান' (১৯৮০), 'মন আৰু মৰম' (১৯৮০), 'উত্তৰ শূন্য' (১৯৮১), 'অপৰূপা' (১৯৮২), 'নয়নমণি' (১৯৮৩)ৰ দৰে চলচ্চিত্রতো অভিনয় কৰিছিল আৰু এই ছবিসমূহে বক্স অফিচত মধ্যমীয়া সফলতা লভা কৰিছিল। তেখেতে অভিনয় কৰা জাহ্নু বৰুৱাৰ প্রথম ছবি 'অপৰূপা' সমালোচকৰ দ্বাৰা উচ্চ প্রশংসিত হোৱাই নহয় ৰাষ্ট্রীয় বঁটা লভিবলৈও সক্ষম হৈছিল। উল্লেখযোগ্য নিপ বৰুৱাই নিজৰ হাতৰ তলুৱাৰ দৰে অসমীয়া দর্শকৰ মন-চেতনা বুজি পাইছিল আৰু এনে কাৰণতে তেওঁৰ ছবিয়ে উপর্যুপৰি বক্স অফিচত খলকনি তুলিবলৈ সক্ষম হৈছিল। তেওঁ বুজি পাইছিল যে সহজ-সৰল, সাধাৰণ দর্শকৰ অন্তৰ জয় কৰাৰ একমাত্র পথ হ'ল দর্শকৰ অশ্রু-উদ্রেককাৰী কাহিনীৰে ছবি নির্মাণ কৰা।

গতিকে ১৯৮৪ত 'আজলী নৱৌ'ৰ বিপুল সফলতাৰ টৌমাৰ নৌযাওঁতেই মাত্ৰ চাৰি বছৰৰ পিছতে তেওঁ আন এখন ব্লকবাষ্টাৰ ছবি 'ককাদেউতা, নাতি আৰু হাতী' নিৰ্মাণ কৰি উলিয়ালে আৰু এইখন ছবিয়েও বিপুল জনপ্ৰিয়তা লভি ছবিঘৰত সোণালী জয়ন্তী পালন কৰিবলৈ সক্ষম হ'ল। উল্লেখযোগ্য যে 'আজলী নৱৌ'ত এটা মধ্য বয়সীয়া চৰিত্ৰ ৰূপায়ণ কৰাৰ পিছত এইখন ছবিত নিপন গোস্বামীয়ে প্ৰথমবাৰৰ বাবে ককাদেউতাৰ চৰিত্ৰ এটাত অভিনয় কৰে, লক্ষণীয়ভাৱে নিখুঁতকৈ আৰু লগতে অপূৰ্ব বিশ্বাসযোগ্যতাৰে।

'ককাদেউতা, নাতি আৰু হাতী'টো ছুপাৰহিট হৈছিলেই লগতে হিট বা জনপ্ৰিয় হৈ পৰিছিল নিপন গোস্বামীয়ে ককাদেউতা বা ককাৰ চৰিত্ৰত কৰা অপূৰ্ব অভিনয়। ছবিখনত ককাৰ মুখত দিয়া আকৰ্ষণীয় সংলাপবোৰ মানুহে ভালেমান দিনলৈ আওৰোৱাই নহয় আজিও বহুত দৰ্শকে সেইবোৰ মনত ৰখা পৰিলক্ষিত হয়। যদিও ১৯৪২ত জন্মগ্ৰহণ কৰা নিপন গোস্বামীয়ে তেওঁৰ ৪২ বছৰ বয়সতে ককাদেউতাৰ এই স্মৰণীয় চৰিত্ৰটোত সফলতাৰে অভিনয় কৰিছিল, তেওঁ অৱশ্যে সমাগত বছৰবোৰত আন বহু অসমীয়া ছবিত নায়ক বা আন মুখ্য চৰিত্ৰত অভিনয় কৰিয়েই আছিল। বিশেষকৈ আশীৰ দশকটোত তেওঁ শ্বাসৰুদ্ধকৰ আৰু অক্লান্তভাৱে ভালেখিনি অসমীয়া ছবিত অভিনয় কৰিছিল; দশকটোত সৰ্বমুঠ ২২খন চলচ্চিত্ৰত অভিনয় কৰি তেওঁ আন এক অভিলেখ স্থাপন কৰিছিল। অৱশ্যে, নিজৰো বয়স বাঢ়ি অহাৰ লগে লগে নিপন গোস্বামীয়ে ক্ৰমান্বয়ে বয়সিয়াল লোকৰ চৰিত্ৰত অভিনয়ৰ সুযোগ অধিককৈ পাবলৈ ধৰিছিল আৰু তেওঁৰ বিশাল অভিনয় দক্ষতাৰে এই চৰিত্ৰবোৰৰ লগতে আনকি খুহুটীয়া চৰিত্ৰবোৰতো অতি চমৎকাৰ আৰু বিশ্বাসযোগ্যভাৱে অভিনয় কৰি নিজৰ বহুমুখী প্ৰতিভা উজাৰি দিছিল। এই কথা অৱশ্যে অনস্বীকাৰ্য যে চলচ্চিত্ৰৰ অভিনয়ৰ ক্ষেত্ৰত নিজৰ বিপুল প্ৰতিভাৰ স্বাক্ষৰ ৰাখি যোৱা নিপন গোস্বামী আছিল মঞ্চৰো এজন চমকপ্ৰদ আৰু শক্তিশালী অভিনেতা, যি প্ৰধানকৈ ভ্ৰাম্যমাণ থিয়েটাৰত অভিনয় কৰাৰ কালছোৱাত অসমৰ গাঁও-ভূঁইৰ হাজাৰ হাজাৰ দৰ্শকে তেওঁৰ আগমনলৈ, তেওঁৰ মঞ্চাভিনয়ৰ সোৱাদ ল'বলৈ অধীৰ আগ্ৰহেৰে বাট চাইছিল।❖❖

গৃহস্থ ঃ (ভাতৰ পাতত) আলহীয়ে মাছৰ আঞ্জাখন কেনে পাইছে?
আলহী ঃ মাছটোৰ ভাগ্য বৰ ভাল। ই জীয়াই থাকোতে যিমান পানীত আছিল এতিয়াও সমান পানীতে আছে!!
গৃহস্থ বেহুচ

বিজ্ঞানীৰ সৰলতা

ড° অনুপম শর্মা
প্ৰাক্তন ছাত্ৰ (১৯৯৩ বৰ্ষ)
জিলা মীন উন্নয়ন বিষয়া

১৯৯১ৰ আগলৈ মীন বিজ্ঞান সম্পৰ্কে আমাৰ ধাৰণা সীমিত আছিল। মীন মহাবিদ্যালয়, ৰহাৰ শিক্ষাগুৰুসকলে আমাক পাৰ্যমানে পুথিগত আৰু ব্যৱহাৰিক দিশত শিক্ষাদান কৰিছিল যদিও মহাবিদ্যালয়খন চালুকীয়া অৱস্থাত থকা হেতুকে আমাৰ চাক্ষুষ অভিজ্ঞতা পৰ্যাপ্ত নাছিল। পিছলৈ আমি তৃতীয় বৰ্ষৰ ছাত্ৰ হিচাপে study tourলৈ ভাৰতৰ বিভিন্ন প্ৰান্তৰ মীন গৱেষণা কেন্দ্ৰ, বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহ ভ্ৰমণ কৰাৰ পিছত মীন বিজ্ঞান সম্পৰ্কে আমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পাইছিল। ৰাষ্ট্ৰীয় মীন আনুবংশিক গৱেষণা প্ৰতিষ্ঠান (NBFGR), লক্ষ্ণৌৰ প্ৰয়াত বিজ্ঞানী ড° প্ৰধান চন্দ্ৰ মহন্তই তেখেতৰ বিজ্ঞানাগাৰটো আমাক দেখুৱাইছিল আৰু মৎস্য আনুবংশিক বিজ্ঞান সম্পৰ্কে আমাক থূলমূল ধাৰণা দিছিল। ড° মহন্ত ছাৰৰ সৰলতাই মোক যথেষ্ট অনুপ্ৰাণিত কৰিছিল। ড° প্ৰবীণ চন্দ্ৰ মহন্ত, ড° উমেশ গোস্বামী, ড° শ্যামাপ্ৰসাদ বিশ্বাস প্ৰভৃতি বিজ্ঞানীসকলে ২০০০ত তিনিচুকীয়া জিলাৰ গুইজান অঞ্চলত ৰাইজৰ অংশীদাৰিত্বৰ জৰিয়তে বিভিন্ন বিলুপ্ত প্ৰায় মৎস্য প্ৰজাতিসমূহ ঠাইতে সংৰক্ষণ (In situ)ৰ বাবে কেইবালানি কৰ্মশালাৰ আয়োজন কৰিছিল। এই বৰ্ণাঢ্য কৰ্মশালাত বিজ্ঞানীসকলে অতিশয় সৰল ভাষাৰে নিৰীহ-নিপানীকৈ ৰাইজক সংৰক্ষণ সম্পৰ্কে অৱগত কৰি সজাগতাৰ সৃষ্টি কৰিছিল আৰু মাছমৰীয়া ৰাইজৰ লগত একেলগে আহাৰ গ্ৰহণ কৰিছিল। মতাপুং আৰু মাগুৰী অঞ্চলত ৰাইজৰ অংশীদাৰিত্বৰ জৰিয়তে পৰিৱেশ সংৰক্ষণৰ বিভিন্ন ক্ষেত্ৰভিত্তিক কাম-কাজত EDEN নামৰ স্বেচ্ছাসেৱী সংস্থাৰ কাৰ্যকৰ্তা ড° ঋষি দাস আৰু প্ৰফেছৰ দেৱেন ভট্টাচাৰ্যৰ লগত বিভিন্ন সময়ত জড়িত হোৱাৰ সুযোগ পাইছিলোঁ। সেয়া সম্ভৱ হৈছিল ড° প্ৰবীণ চন্দ্ৰ মহন্তৰ জৰিয়তে।

১৯৯৭ৰ নৱেম্বৰ মাহত মই স্নাতকোত্তৰ গৱেষণাৰ বাবে GKVK, বাংগালোৰ (এতিয়াৰ বাংগালুৰু)ৰ কৃষি মহাবিদ্যালয়ৰ ভূমি বিজ্ঞান (Soil Science) বিভাগত সুযোগ পাইছিলোঁ। সেইমর্মে মোৰ গৱেষণা গাইডৰ পৰা চিঠি এখন লৈ মাটিৰ নমুনা সহকাৰে মই বাংগালোৰত উপস্থিত হ'লোঁ। শীতকালৰ এটি ৰৌদ্ৰোজ্জ্বল পুৱা মই আৰু মোৰ ছিনিয়ৰ গৱেষক কুলকাৰ্ণীয়ে চিঠিখন বিভাগীয় মুৰব্বী আন্তর্জাতিক খ্যাতিসম্পন্ন বিজ্ঞানী অধ্যাপক চিদ্দাৰামাইয়াক দিবৰ বাবে তেখেতৰ কোঠালিৰ বাহিৰত ৰৈ আছিলোঁ। তেখেতে আমি অহাৰ উমান পাই আমাক তেওঁৰ কোঠালিলৈ মাতি পঠিয়ালে, আমাৰ গৱেষণাৰ বিষয়ে জানিব বিচাৰিলে আৰু চিঠিখন একে উশাহতে পঢ়ি পেলালে। লগতে তেওঁ আমাক জনালে যে আমাৰ গৱেষণাৰ বিষয়ে তেওঁ বৰ উৎসুক আৰু তাৰ বাবে তেওঁ আমাক এটা আছুতীয়া কোঠালি দিয়াৰ সিদ্ধান্ত ল'লে। বাংগালোৰৰ কৃষি মহাবিদ্যালয়ত থকাৰ সুব্যৱস্থাও তেৱেঁই কৰি দিছিল। আমিও বৰ উৎসাহেৰে গৱেষণাৰ কামত আগবাঢ়িছিলো আৰু ৰাতি গৱেষণাৰ কাম কৰিবলৈ বিজ্ঞানাগাৰৰ চাবি বিচাৰি আবেদন জনাইছিলোঁ। অধ্যাপক চিদ্দাৰামাইয়াই আমাক কৈছিল যে তেওঁ যিকোনো সময়ত আমাৰ কাম পর্যবেক্ষণ কৰিবলৈ গৱেষণাগাৰলৈ আহিব। সেই মতে এদিন ৰাতিপুৱা সাতমান বজাত আমাক গৱেষণাগাৰত দেখি তেওঁ কৈছিল— তোমালোকৰ চকুবোৰ দেখি এনে ভাব হৈছে যেন তোমালোকে ৰাতিটো ইয়াতে

কটাইছা। আমি মূৰ দুপিওৱাত কোঠালিলৈ মাতি নি কফি খাবলৈ দিছিল আৰু তেখেতৰ প্ৰকাশিত গৱেষণা প্ৰবন্ধৰ কেইবাটাও কপি উপহাৰস্বৰূপে আগবঢ়াইছিল। এই সময়তেই আমি কিছু মৌলৰ উপস্থিতি সম্পৰ্কত গৱেষণা কৰিবলৈ কৃষি মহাবিদ্যালয়ৰ Crop physiology বিভাগৰ অধ্যাপক উদয় কুমাৰৰ অনুমতিত তেওঁৰ গৱেষণাগাৰত প্ৰৱেশ কৰিছিলো। এই বিভাগৰ দুৱাৰ কেতিয়াও বন্ধ নহৈছিল বুলি শুনিছিলোঁ আৰু AAS ৰ জৰিয়তে জিংক মৌলৰ অধ্যয়ন কৰিছিলোঁ। এই গৱেষণাৰ কামত আমাক ড° ভি. পাটিল নামৰ বিজ্ঞানী এজনে অত্যন্ত সহায় কৰিছিল আৰু প্ৰায়েই আমাৰ লগত বিজ্ঞানাগাৰত বহু সময় কটাইছিল।

২০০৬ত কোচিনৰ কেন্দ্ৰীয় মৎস্য সংসাধন গৱেষণা কেন্দ্ৰ (CIFT)ত শীতকালীন পাঠশালা (Winter School)ত অংশগ্ৰহণ কৰাৰ সুযোগ পাইছিলোঁ আৰু ইয়াৰ নিয়মানুৱৰ্তিতা দেখি আমি আচৰিত হৈছিলো। এই কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী ড° য়ংকাপ্পানৰ লগত মোৰ আগৰ পৰাই চিনাকি আছিল। সেই সুবাদতে এদিন ক্লাছৰ শেষত তেখেতক ক'লো যে যদিও মই দক্ষিণ ভাৰতত প্ৰায় ৫ বছৰ কাল পঢ়া-শুনা কৰিছিলোঁ, Economic liberalisationৰ পিছত সাধাৰণ মানুহৰ অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থা কেনে হৈছে এই বিষয়ে মোৰ কোনো অভিজ্ঞতা নাই। মই জানিছিলোঁ যে কেৰালাৰ বেছিভাগ গ্ৰামাঞ্চলৰ লোক Middle Eastৰ দেশত কাম কৰি ৰাজ্যখনৰ অৰ্থনীতিত প্ৰভূত বৰঙণি যোগাইছে। ড° য়ংকাপ্পানে সিদিনা মোক এটা প্ৰস্তাৱ দিলে যে তেওঁ মোক তেখেতৰ ওপজা ঠাইখনলৈ লৈ যাব আৰু তাত মই সেই বিষয়ে মানুহৰ লগত মত বিনিময় কৰিব পাৰিম। সেইমতে কোচিন চহৰৰ পৰা প্ৰায় ৫০ কিঃমিঃ দূৰৰ পৈতৃক গাঁওখনলৈ গৈ তাত ৰবৰ, সংসাধন, কাজু বাদামৰ খেতি, তামোলৰ বাগানৰ লগত জালুকৰ খেতি পৰিদৰ্শন কৰিছিলোঁ আৰু তেখেতৰ লগত থলুৱা খাদ্যৰ জুতি লৈছিলোঁ। কেৰালাৰ সেই অঞ্চলত liberalisation-এ মানুহক Cash cropৰ প্ৰতি অধিক আকৰ্ষিত কৰিছিল বুলি ধাৰণা জন্মিছিল।

সমাজ বিজ্ঞান সম্পৰ্কীয় গৱেষণাৰ কিছু সমল আহৰণ কৰিবলৈ প্ৰখ্যাত অৰ্থনীতিবিদ প্ৰয়াত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অতুল গোস্বামীক লগ পাবলৈ বৰ হাবিয়াস জন্মিছিল। সেইমৰ্মে তেখেতৰ সময় বিচাৰি তেওঁক যোগাযোগ কৰাত মোক মাত্ৰ ৩০ মিনিটৰ সময় দিব পাৰিব বুলি জনাইছিল। মই শুনি বৰ আচৰিত হৈছিলোঁ যদিও যথাৰীতি তেখেতৰ গণেশগুৰিস্থিত বাসভৱনত উপস্থিত হৈছিলোঁ আৰু তেখেতক লগ পোৱা মাত্ৰকে মই শিহৰিত হৈছিলোঁ। তেওঁ মোক কৈছিল যে শাৰীৰিক অসুস্থতাৰ বাবে ডাক্তৰে তেওঁক মাত্ৰ ৩০ মিনিট সময় কথা ক'বলৈ অনুমতি দিছে, তাকো একেলেথাৰিয়ে নহয়। আৰম্ভণিতে মই তেওঁৰ পৰা তাতোকৈ কম সময় পাম বুলি ভাবিছিলো যদিও তেওঁ মোক অৰ্থনীতি সম্পৰ্কীয় গৱেষণাৰ সমল আহৰণ কৰাৰ বাবে যাৱতীয় সকলো পৰামৰ্শ দিছিল আৰু পিছলৈ সেই পাঠ গ্ৰহণ কৰিয়েই মই আগবাঢ়িব পাৰিছিলোঁ। বাৰ্তালাপৰ শেষত মই তেখেতক ভৰি চুই সেৱা কৰিছিলোঁ আৰু তেখেতে আশীৰ্বাদ দি কৈছিল তোমাৰ ডক্টৰেল গৱেষণা সফল হ'ব। সেয়া আছিল ২০০৪ৰ কথা। এইসকল বিজ্ঞানীৰ সৰলতাই মোক এযাৰ বাক্য মনত পেলায়, 'If you want to increase your happiness, simplifying your life becomes a priority'.❖❖

বিচাৰপতি ঃ (আচামীলৈ চাই) ইমান সঘনাই যে ইয়ালৈ আহি থাকা, তোমাৰ লাজ নালাগেনে?
আচামী ঃ ওঁহো! কিন্তু প্ৰতিবাৰতে আপোনাক একে ঠাইতে বহি থকা দেখিহে মোৰ লাজ লাগে।

অসমৰ প্ৰাচীন খেলসমূহ ঃ ম'হ যুঁজ, কুকুৰা যুঁজ আৰু বুলবুলি চৰাইৰ যুঁজ

দিব্যজ্যোতি দেৱ নাথ
প্ৰাক্তন ছাত্ৰ (২০১৫ বৰ্ষ)
মীন উন্নয়ন বিষয়া

অতি প্ৰাচীন কালৰ পৰা অসমৰ বিভিন্ন স্থানত খেল-ধেমালি অনুষ্ঠিত কৰি অহা হৈছে। তাৰ বাবে অসম বুৰঞ্জীত অসমৰ খেল-ধেমালিৰ বিষয়টোৱে এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে আৰু এতিয়াও অধিকাৰ কৰি আছে। খেল-ধেমালিবোৰ কেতিয়াবা উৎসৱৰ সময়ত বা আজৰি সময়ত অনুষ্ঠিত কৰা হৈছিল। সেই খেল-ধেমালিবোৰৰ ভিতৰত ম'হ যুঁজ, বুলবুলি চৰাইৰ যুঁজ, কুকুৰা যুঁজ হৈছে অন্যতম। এই খেলবোৰ সাধাৰণতে মাঘ বিহুৰ সময়ত অনুষ্ঠিত কৰা হয়।

ম'হ যুঁজ ঃ অসমত জীৱ-জন্তুৰ মাজত অনুষ্ঠিত কৰা খেলবোৰৰ ভিতৰত ম'হ যুঁজ হৈছে অন্যতম। অসম বুৰঞ্জীৰ নাওবৈচা ফুকনৰ মতে ম'হ যুঁজ ৰংঘৰৰ বাকৰিত আনুষ্ঠানিকভাৱে পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছিল। কিন্তু তাৰ বহু আগতে অসমত এই খেলবিধে জনপ্ৰিয়তা লাভ কৰিছিল। ম'হ যুঁজৰ আনুষ্ঠানিক ৰূপত মূল গুৰি ধৰোঁতা আছিল আহোম ৰজাসকল। ১২২৬ত আহোমসকলৰ অসমলৈ আগমন ঘটিছিল। তেওঁলোকৰ আগমনে অসমৰ সামগ্ৰিক ৰূপটোতেই নতুনত্বৰ পৰশ ঢালি দিছিল। তেওঁলোকৰ আগমনৰ আগৰ কালছোৱাত অসমৰ বিভিন্ন প্ৰান্তত ম'হ যুঁজৰ লগতে অন্য খেলো অনুষ্ঠিত হৈছিল। বিশেষকৈ ম'হ যুঁজ মাঘ বিহুৰ লগত সংগতি ৰাখি বিভিন্ন খেল-ধেমালিৰ লগতে ৰংঘৰৰ বাকৰিত ৰাষ্ট্ৰীয় মৰ্যাদাৰে আনুষ্ঠানিকভাৱে আৰম্ভ কৰিছিল। বৰ্তমান এই ম'হ যুঁজে মৰিগাঁও জিলাতেই প্ৰাধান্য লাভ কৰি আপুৰুগীয়া সংস্কৃতিটোক জীয়াই ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিছে। মৰিগাঁও জিলাত প্ৰথম ম'হ যুঁজ আৰম্ভ হৈছিল



মিকিৰভেটাত। তাৰ পিছত ক্ৰমে কেতেৰা, ধোৰাসাপ, কৈতল, আঁহতগুৰি, মৰিগাঁও, দমাল আদি বিভিন্ন ঠাইত ম'হ যুঁজ অনুষ্ঠিত কৰা হৈছিল আৰু এতিয়াও অনুষ্ঠিত হৈ আছে। সাম্প্ৰতিক প্ৰেক্ষাপটত জনজাতিৰ মিলনৰ থলী এই খেলবিধক বিভিন্ন আকৰ্ষণীয় পুৰস্কাৰে বেছিকৈ জনপ্ৰিয় কৰাত সহায় কৰিছে। কিন্তু আগতে এনেদৰে পুৰস্কৃত কৰা নহৈছিল, বৰং যুঁজত জয়ী ম'হ আৰু তাৰ গৰাকীয়ে ৰাইজৰ আশীৰ্বাদহে বুটলিবলৈ সক্ষম হৈছিল। সাধাৰণতে মাঘ বিহুৰ পিছত অসমৰ খেতিপথাৰবোৰ মুকলি হয় আৰু খেতিয়কবোৰেও কামৰ পৰা আহৰি পায়। যাৰ বাবে খেলবিধ অনুষ্ঠিত কৰিবলৈ এখন ভাল ঠাই পোৱা যায় আৰু উপভোগ কৰিবলৈও মানুহবোৰৰ আজৰি সময় ওলায়। সেইবাবে তেজক পানী কৰা কষ্টৰ পৰা খন্তেকৰ বাবে সকাহ পাবলৈ ম'হ যুঁজ অনুষ্ঠিত কৰা হয় বুলি বহু লোকে কয়। তদুপৰি সেই সময়ত ম'হবোৰৰ তেজ বেছি হয়, যাৰ বাবে সিহঁতে যুঁজ লাগিব বিচাৰে। সেয়েহে সেই

সময়ত ম'হৰ যুঁজ অনুষ্ঠিত কৰা হয় বুলি আগৰ মানুহবোৰে কয়।



বুলবুলি চৰাইৰ যুঁজ ঃ অসমৰ প্ৰাচীন খেল-ধেমালিবোৰৰ ভিতৰত বুলবুলি চৰাইৰ যুঁজ হৈছে আন এক অন্যতম খেল। এই খেলবিধ বৰ্তমান হাজো আৰু ৰঙিয়াত বিশেষভাৱে দেখিবলৈ পোৱা যায়। ইয়াত সাধাৰণতে দুটা মতা বুলবুলি চৰাইক যুঁজিবলৈ দিয়া হয়। প্ৰথমতে চৰাই দুটাৰ মাজত এটুকুৰা কল দিয়া হয় আৰু সেই কল টুকুৰা খাবলৈ গৈয়েই চৰাই দুটাৰ মাজত কাজিয়া আৰম্ভ হয়। কাজিয়া লাগি লাগি যিটো চৰাই আঘাতপ্ৰাপ্ত হয় বা অচেতন হয়, সেই চৰাইটো হাৰিল বুলি ঘোষণা কৰা হয়। যিটো চৰাই হাৰি যায় সেইটো চৰাই জয়ী হোৱাটোৰ গৰাকীক পুৰস্কাৰ হিচাপে দিয়া হয়। কিন্তু বৰ্তমান সময়ত এই খেলবিধত নতুনত্বৰ পৰশ পৰিছে আৰু ন ন পুৰস্কাৰে ইয়াৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। এই খেলবিধ অসমৰ কম ঠাইত দেখিবলৈ পোৱা যায়। ইয়াৰ একমাত্ৰ কাৰণ হৈছে বুলবুলি চৰাইৰ অভাৱ।

কুকুৰা যুঁজ ঃ প্ৰাচীন কালৰ খেল-ধেমালিবোৰৰ ভিতৰত কুকুৰা চৰাইৰ যুঁজো অন্যতম। এই খেলবিধ সাধাৰণতে 'টাই' জনজাতিৰ লোকসকলে উদ্‌যাপন কৰি অহা দেখিবলৈ পোৱা যায়। এই যুঁজ প্ৰধানতঃ দুটা সমান বয়সৰ কুকুৰাৰ মাজত অনুষ্ঠিত কৰা হয়। যুঁজিব লগা কুকুৰা দুটাৰ একোখন ভৰিত এখনকৈ ছুৰী বান্ধি দিয়া হয় আৰু কুকুৰা দুটাক খেলপথাৰৰ মাজত এৰি দিয়া হয়। কুকুৰা দুটাই সেই ছুৰীৰ দ্বাৰাই ইটোৱে-সিটোক আঘাত কৰিবলৈ চেষ্টা কৰে। যিটো কুকুৰা আঘাতপ্ৰাপ্ত হৈ পৰি যায়, সেই কুকুৰাটো পৰাজিত হোৱা বুলি ধৰা হয় আৰু জয়ী হোৱা কুকুৰাটোৰ গৰাকীক পৰাজিত হোৱা কুকুৰাটো পুৰস্কাৰ হিচাপে দিয়া হয়। যেতিয়া এটা কুকুৰাই সৰ্বাধিক কুকুৰাৰ লগত যুঁজি জয়ী হয়, সেই কুকুৰাটোক সৰ্বশ্ৰেষ্ঠ কুকুৰা হিচাপে সন্মানিত কৰা হয়।



ওপৰত উল্লেখ কৰা এই প্ৰাচীন খেলসমূহ আমাৰ অসমৰ ঐতিহ্য আৰু এইবোৰ আমাৰ সামগ্ৰিক জীৱনধাৰাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। গতিকে আমাৰ অসমৰ এই প্ৰাচীন খেলসমূহৰ অস্তিত্ব ৰক্ষা কৰাটো প্ৰত্যেকজন অসমীয়াৰে দায়িত্ব আৰু কৰ্তব্য। আমাৰ অসমৰ এই প্ৰাচীন খেলসমূহক বিশ্ব দৰবাৰত উপস্থাপন কৰিবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰা উচিত।❖❖

ফুল আৰু মানৱ জীৱন

পৰিণীতা দেৱী
দ্বিতীয় বর্ষ

ফুল ফুল ফুলিলে পাহি
ফুল ফুল মেলিলে পাহি
ফুলিলে পাহি
মেলিলে পাহি...

— দ্বীপেন বৰুৱা

ফুলে আমাৰ মনৰ সৌন্দর্য পিপাসু নিবাৰণ কৰি আমাৰ মনক আনন্দ দিয়াত সহায় কৰে। পৃথিৱীত এনে মানুহ নাই যি ফুল ভাল নাপায়। অৱশ্যে সকলো ফুলৰ গোন্ধ সকলো মানুহে ভাল নাপায়। ফুলৰ প্রজাতি অনুসৰি ৰং আৰু গোন্ধ বেলেগ বেলেগ হয়। তদুপৰি বছৰৰ ঋতু অনুসৰি বিভিন্ন প্রজাতিৰ ফুল ফুলে। ফুল প্রকৃতিৰ বৈচিত্র্যময় সৃষ্টি। ই উদ্ভিদ সৃষ্টিৰ সমানেই পুৰণি। পৃথিৱীত আদিতে পুষ্পহীন উদ্ভিদেই সৃষ্টি হৈছিল, পিছত সপুষ্পক বা ফুল থকা উদ্ভিদৰ সৃষ্টি হয়। ফুলৰ পৰা সৃষ্টি হ'ল ফলৰ আৰু ফলৰ পৰা গুটি। গুটিৰ পৰা সৃষ্টি হয় পুনৰ উদ্ভিদৰ। পৃথিৱীৰ অধিকাংশ উদ্ভিদৰেই ফুল আৰু ফলৰ অবিহনে বংশ বিস্তাৰ অসম্ভৱ। ফুল সৃষ্টিৰ বহু লাখ বছৰৰ পিছত পৃথিৱীলৈ মানুহৰ আগমন হয়। মানুহ সভ্য হ'বলৈ শিকাৰ পৰাই সর্বাধিক আকর্ষিত হয় ফুল আৰু ফলৰ প্রতি। ফুল হৈছে মানৱ সভ্যতাৰ প্রকৃতিৰ সম্ভাৰ। মানুহৰ নান জাতি-উপজাতি আছে। কিন্তু স্থান, কাল আৰু পাত্রভেদে আৰু সংস্কৃতিভেদে ফুলৰ গুৰুত্ব অপৰিসীম। সকলো সংস্কৃতিতেই ফুল অপৰিহার্য— নানা প্রকাৰৰ উৎসৱ, পূজা-পার্বণ, বিবাহ, জন্মদিন, শ্রাদ্ধ আদি সকলোতেই ফুলৰ ব্যৱহাৰ অপৰিসীম।

ইতিহাসৰ পাত লুটিয়ালে আমি ফুলৰ লগত জড়িত নানা কাহিনী উপ-কাহিনী পাওঁ। উদাহৰণস্বৰূপে, ভগৱান শ্রীকৃষ্ণৰ দিনৰ যমুনা পা�ৰৰ কদমফুল, স্বর্গৰ নন্দন-কাননৰ পাৰিজাত ফুল, অশোক আদি ফুলৰ ইতিহাস প্রসিদ্ধ। আনহাতে আৰব সাহিত্যত গোলাপৰ বর্ণনা প্রসিদ্ধ। বহুতো ভাৰতীয় নাৰীৰ বিশ্বাস মতে অশোক ফুলে নাৰীক ৰাজত্ব বিন্যাসী নাৰীত্ব দান কৰে। পুৰুষে নাৰীক ফুল প্রদানে মৰম, ভালপোৱা বুজায়। নহ'লেনো ঠেহ পাতি সত্যভমাই কয়নে—

কৃষ্ণাই এ কিনো মই অভাগিনী নাৰী
পাৰিজাত পুষ্প মোক নিদিলা আনি।
স্বর্গহন্তে আনিলন্ত পুষ্প পাৰিজাত
আমাক নিদিয়া পুষ্প দিলা ৰুক্মিণীক।।

হিন্দুৰ বিভিন্ন দেৱ-দেৱীৰ পূজাত বিভিন্ন ধৰণৰ ফুল ব্যৱহাৰ হয়। হিন্দু সংস্কৃতিত পবিত্র ফুল হ'ল পদুম। বৈষ্ণৱসকলৰ বাবে বগা ফুল অতি পবিত্র। আনহাতে কালী পূজাত ৰঙাফুল ব্যৱহাৰ হয়। ফুল মানুহৰ আৱেগ-অনুভূতি, আশা-আকাংক্ষা প্রকাশৰ প্রতীক ৰূপেও ব্যৱহাৰ হয়।

ফুল মানুহে কিয় ভাল পায় এই প্রশ্নৰ উত্তৰ দিয়া কঠিন। ই মানৱ জাতিৰ এটা ঈশ্বৰপ্রদত্ত গুণ। বহুতে ভাল পায় সুগন্ধিৰ বাবে, বহুতে ভাল পায় সৌন্দর্যৰ বাবে। সেয়েহে বহুত মানুহে ঘৰৰ সন্মুখত সৰুকৈ হ'লেও এখন ফুলনি ৰাখে। ইয়াৰ অৱশ্যে প্রয়োজনীয় অর্থ নথকা নহয়। বহুতো তথ্য অধ্যয়ন কৰি জনা গৈছে যে ফুলৰ মাজত মানুহ দীর্ঘ সময় সোমাই থাকিব পাৰিলে মানসিকভাৱে সুস্থ-সবল হয় আৰু দৈহিকভাৱেও নিৰোগী হয়। সেয়েহে বহুতে ৰোগ চিকিৎসাৰ সময়ত ৰোগীক ফুলনিৰ মাজত ৰাখি চিকিৎসা কৰি ৰোগ নিৰাময় কৰিবলৈ চেষ্টা কৰে। ইয়াৰ প্রধান কাৰণ লক্ষ্য কৰিলে

দেখা যায় যে সূর্যৰ ৰশ্মিৰ ৭টা ৰঙৰ ৮টা গ্ৰহৰ প্ৰভাৱ থাকে, ফলত সাত ৰঙৰ সূর্যৰ ৰশ্মি বিভিন্ন ৰঙৰ ফুলত পৰি ফুলৰ সুবাসৰ লগত অপূর্ব মিলন হৈ সুগন্ধি বাহিৰ হয়, তাৰদ্বাৰা অষ্টগ্ৰহ শান্ত হয় আৰু মনলৈ সুস্থিৰতা আনে। ফুলৰ সংস্পৰ্শই ৰোগ-শোক আৰোগ্য কৰাত সহায় কৰে। সেয়েহে পুৰণিকালত আশ্ৰমবিলাক বিভিন্ন গছেৰে পৰিপূর্ণ আছিল। উদাহৰণস্বৰূপে, বশিষ্ঠমুনিৰ আশ্ৰমৰ কথাকে উনুকিয়াব পাৰি। সেই আশ্ৰম বিভিন্ন প্ৰজাতিৰ গছেৰে পৰিপূর্ণ আছিল— গছত ফুলিছিল বিভিন্ন ৰঙৰ ফুল, তাত পৰিছিল সূর্যৰ কিৰণ। ফলত সূর্যৰ ৰশ্মি বিকিৰিত হৈ অষ্টগ্ৰহ প্ৰতিকাৰ হৈ আশ্ৰমবাসী হৈ পৰিছিল সুস্থ-সবল আৰু নিৰোগী। সেয়েহে আজিও বহু গুণী-জ্ঞানী লোকে ঘৰৰ সন্মুখত সৰুকৈ হ'লেও এখন ফুলনি ৰাখে, যাৰ দ্বাৰা গ্ৰহৰ প্ৰকোপ আঁতৰ হোৱাত সহায় কৰে।

ফুলত আছে বিভিন্ন গুণ— প্ৰেম, ত্যাগ, উদাৰতা, আশা, আকাংক্ষা, মহানতা, পবিত্ৰতা, সত্তা আৰু বীৰত্ব। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ নাম সকলোৱে জানোহঁক। তেখেতে ফুলৰ উক্ত গুণবোৰৰ বাবে কোটৰ বুকুৰ জেপত এপাহ ৰক্ত গোলাপ লৈ ফুৰিছিল।

আমি সুখ-শান্তি বিচাৰি ফুৰো। কাম কৰি কৰি বিৰক্তি লাগিলে, কাৰোবাৰ লগত বিনা কাৰণত হোৱা তর্ক-বিতর্কৰ পিছত বা ঘৰুৱা নানা সমস্যাই কৰা ক্ৰিয়াৰ সময়ত কেইজোপামান ফুলি থকা ফুলৰ মাজত সোমালে সুখ-শান্তি পোৱা যেন লাগে— ই ঈশ্বৰপ্ৰদত্ত। শ্ৰীশ্ৰী শংকৰদেৱৰ ৰচিত কীর্তন পুথিৰ 'হৰমোহন' অধ্যায়ত শেৱালি ফুলৰ বিষয়ে উল্লেখ আছে। শেৱালি ফুল হ'ল সৌন্দর্য আৰু নীৰৱ প্ৰেমৰ গোপন পূজাৰী আৰু গোলাপ ফুল হ'ল প্ৰেমৰ প্ৰতীক।

এটা কোঠাৰ সৌন্দর্যবর্ধনৰ কাৰণে ফুল অপৰিহার্য। বিভিন্ন ফুলেৰে সজ্জিত কোঠা এটাত বিভিন্ন ৰঙৰ ফুল থাকিলে মানুহৰ চকু প্ৰথমেই যায় ফুলবোৰলৈ আৰু সি মানুহৰ মনত আনন্দ দিয়াত সহায়ক হৈ উঠে। ড° ভূপেন হাজৰিকাই মদাৰ ফুলক সমাজ জীৱনৰ লগত তুলনা কৰি গাইছে 'মদাৰৰে ফুল হেনো পূজাতো নালাগে'।

ফুলে অকল মানুহক সুগন্ধি দি, সৌন্দর্যবর্ধন কৰি, ৰোগ নিৰাময় কৰিয়ে ক্ষান্ত আছেনে? কবি-সাহিত্যিকৰ পৰা গায়ক-গীতিকাৰ সকলোৱে দেখোন নজৰ ফুলৰ ওপৰতেই; মহাপুৰুষ শংকৰদেৱো তাৰ ব্যতিক্ৰম নহয়। কীর্তনৰ 'হৰমোহন' অধ্যায়ত বিভিন্ন ফুলৰ জাতিস্কাৰ ৰূপে মোহিনীৰ ৰূপ দুগুণে বঢ়াই তুলিছে। প্ৰকৃতিৰ অপৰূপ ৰূপ-সৌন্দর্যৰ মাজত মোহিনীক পাবলৈ শিৱ বিহ্বল হৈ পৰিছে। ৰঘুনাথ চৌধাৰীয়ে 'গিৰিমল্লিকা' কবিতাত ফুলক 'অনৱগুণ্ঠিতা ফুল শিখৰণি' সম্বোধনেৰে কবিতাৰ পাতনি মেলিছে। অসমীয়া সাহিত্য জগতখনত ফুলে এক বিশেষ স্থান অধিকাৰ কৰি আছে। তেনেহ'লে বাকী থাকিলনো কি...? বিহু আৰু বিহুগীতত ফুলৰ অবিহনে নাচনীজনীয়েই আধৰুৱা। কপৌ, নাহৰ, তগৰ ফুলৰ মালা নেঘেৰী খোপাটোত পিন্ধিলে নাচনীজনী শুৱনি আৰু পূর্ণ হয়। গীতৰতো কথাই নাই। কোনোটো গীতেই ফুলক বাদ দি, প্ৰকৃতিক বাদ দি সাৰি যোৱা নাই—

পাহাৰ বগাই বগাই কপৌফুল আনিছো
নাচনী খোপাত দিম বুলি।

❖❖

এখন চিনেমা চলি আছে। এবাৰ পর্দাত দেখা গ'ল, নায়কে নায়িকাক এটা পূর্ণহতীয়া চৰ শোধাইছে। পাছফালৰ চকীত বহি থকা কণমানি এটাৰ মাত শুনা গ'ল, 'মা, তোমাৰ নিচিনাকৈ মানুহজনীয়ে ওলোটা চৰ এটা কিয় মাৰি নিদিলে?'

অতিথি লেখা

ভেঁটফুলৰ পাত

অপূর্ব কুমাৰ শইকীয়া
সাহিত্য অকাডেমি বঁটা প্রাপ্ত বিশিষ্ট গল্পকাৰ

বর্হেছ বোলা লেখকজনে ক'লে যে চকু মুদিয়ে তেওঁ গম পালে তেওঁৰ ঘৰৰ চৌহদৰ সীমাত থকা গছজোপাত চৰাই কেইটামান পৰিল। নিমিষৰ বাবে চৰাইকেইটা মনৰ চকুৰে দেখি তেওঁ নিশ্চিত নহ'ল তাত কেইটা চৰাই আছিল। এই সংখ্যাটো নির্দিষ্ট আছিল নে অনির্দিষ্ট? যদি ঈশ্বৰ আছে চৰাইৰ সংখ্যাটো নির্দিষ্টই আছিল, কাৰণ ঈশ্বৰে নিশ্চয়কৈ জানে তেওঁ কেইটা চৰাই দেখিছিল। কেনে মজা! বর্হেছে দেখা চৰাই নটাও নহয়, আঠটাও নহয়, সাতটাও নহয়; নহয় ছটা। এই 'নহয়'বোৰক লৈনো কমখন জঞ্জালনে? এই কথাৰেই জানো এই কথা সিদ্ধ নহয় যে পৃথিৱীত ভগৱান আছে? একেধৰণৰ সূত্র এটাৰে মই প্রমাণ কৰিব পাৰোঁ যে পৃথিৱীত প্রেমো আছে। চিন্তাৰ গতিবেগ থাকিব পাৰে যদি প্রেমবোতো গতিবেগ থাকিব পাৰে! এই যে প্রথম দৃষ্টিতে প্রেম বোলা অভিধা এটা কোনোবাই সজালে, তাক আমি নির্বিবাদে মানি ল'মনে? হে মোৰ নমস্য পাঠক, এনে বহু কথিত, বহু পঠিত, বহু ব্যৱহৃত আৰু বহু অনুভূত বিষয় এটাৰে আপোনালোকৰ সহনশীলতাৰ ওপৰত ওপৰঞ্চি বোজা জাঁপি দি অতিষ্ঠ কৰাৰ অসৎ অভিপ্রায় মোৰ তিলমানো নাই। মই মূঢ়মতিক বিশ্বাস কৰক।

আবিয়ৈ ছোৱালীৰ মাহেকীয়াৰ আগৰ পেটৰ বিষটোৰ দৰে কিবা এটা গুৰু ঘটনা, প্রাকৃতিকেই হওক বা অপ্রাকৃতিকেই হওক, ঘটাৰ আগেয়ে মোৰ মূৰৰ বিষ এটা হয়। বিজ্ঞানৰ কথা বেছি নাজানো, খুঁচৰিলে এই পৰিঘটনাটোৰো কাৰণ এটা ওলাব চাগৈ। মূৰৰ বিষটোৱে মোক এক মৃদু সাৱধানবাণী শুনায় ঃ কিবা এটা ঘটিব, সাজু হোৱা! সাজু হোৱানো আৰু কি, গোটেই জীৱনটো কিবা এটা ঘটাৰ আশা আৰু আশংকাৰে সাজু হৈ থাকোঁতেই গ'ল। সৰুতে আমাৰ ডিফলু গাঁৱৰ কাষৰে হিজলনি পথাৰলৈ বাৰিষা ধল নামিছিল। আহিনৰ শেষৰ শুকনি পানীত আমি তাতে শেলুক বিচাৰিছিলোঁ। শেলুকো এনে এটা বস্তু, বহু কথিত, বহু স্বাদিত, পিছে নিজে যেতিয়া একামোৰ মাৰি তাৰ প্রথম সোৱাদটো ল'লোঁ, মুখখন বিদৰাই পেলালোঁ। এয়াও ভাল লগা? প্রেমৰ কথা ওলালে মোৰ জীৱনৰ প্রথম শেলুকৰ কামোৰটোলৈহে মনত পৰি যায়। কেহা নহয় কেহেটো, কেঁহেৰু আলুৰ নির্বিশেষ সোৱাদতকৈ অকণমান ওপৰত।

কথিত আছে যে 'প্রথম দৃষ্টিতে প্রেম' ধাৰণাটো প্রকৃততে যৌৱনৰ ধাৰণাহে, ত্রিশ বছৰ বয়সত প্রেমৰ উন্মেষ ঘটে কমেও দহ দিনৰ দৃষ্টি বিনিময়ত, পঞ্চাশ বছৰত এই সময় এমাহলৈ বাঢ়ে। পিছে এয়া নিয়মহে, আৰু এই নিয়মক প্রতিষ্ঠা কৰিবলৈকে ব্যতিক্রমো নাই জানো!

মেট্রিকত ভূগোলক ঐচ্ছিক বিষয় কৰি ৰখাদি জীৱনভৰ প্রেমকো ঐচ্ছিক বিষয় কৰি ৰাখিলোঁ। ধদুৱা আৰু লেতেৰা কুমজেলেকুৱাটোৱেও তাৰ গতিপথত সাঁচ ৰাখি থৈ যায়, মোৰ অতিক্রান্ত পথত কোনো নিচান ৰাখি আহিব নোৱাৰিলোঁ। যৌৱনত কাষৰ গাঁৱৰে কলিজাৰ আকৃতিৰ মুখৰ 'মিঞানী' ছোৱালী এজনীৰ চকুৰ গভীৰতাত অপ্রশিক্ষিত ডুবাৰু এজনৰ দৰে ডুব মাৰি চাইছিলোঁ দুবাৰমান; থাউনি নোপোৱা দুটা ডুবিত সোমাই নাকে-কাণে পানী সোমোৱাৰ দৰে হোৱাত ওলাই আহিলোঁ। মোৰ চকুত গভীৰতা বোলা কিবা 'জোখ' আছিল নে নাই আৰু যদি আছিলো তাই তাক জুখিবলৈ মন কৰিছিল নে নাই কথাটো স্পষ্ট নকৰাকৈয়ে মই তাইক বিদায়মূলক নমস্কাৰটো দিলোঁ। শেষবাৰৰ বাবে তাইৰ

চকুত মোৰ চকু দুটা থাপোতে মন কৰিলোঁ যে তাইৰ চকুৰ ভাষাৰ সেই চিনাকি শব্দসম্ভাৰ মুহূর্ততে নোহোৱা হৈ গৈছে। সপ্তাহান্তত তাইৰ হাতৰ পৰা কুকুৰাৰ কণী উপহাৰস্বৰূপে পোৱা ব্যাপাৰটোৰো তাতে অন্ত পৰিল।

প্রথম দৃষ্টিতে প্রেমত পৰাৰো হেনো পৰিসংখ্যা থাকে। ৰে'লৰে ষ্টেচন, বাছ আস্থান এটাতকৈ বিমানকোঠ এটাত চক্ষু সংযোগ ঘটা ল'ৰা-ছোৱালী এহালৰ প্রেমত পৰাৰ সম্ভাৱনা হেনো বাসত্তৰ শতাংশ বেছি। কেনে মজা!

ৰেহেনাৰ পাছত প্রথম দৃষ্টিতে প্রেমৰ সংকেত লৈ আৰু এজনী ছোৱালী আহিছিল, সৰুফুটীয়াকৈ নাৰিকল পাতৰ আঙঠি এটাৰে যাৰ অনুচ্চাৰিত শপতবোৰ মই ছমাহলৈ আঙুলিত পিন্ধি ল'লোঁ এই আত্মপ্রতিশ্রুতিৰে যে তাইৰ নামটো মই পিছলৈ সর্বকালৰ বাবে মোৰ কলিজাত পিন্ধিম। পিছে মই শব্দৰ সাহসেৰে জীয়াই থকা মানুহ, শব্দই মোৰ উশাহ। মোৰনো কি দোষ, ছোৱালীজনীৰ শব্দসম্ভাৰ এটা দীঘলীয়া সম্পর্কৰ বাবে নুকুলালে। পিছত বাৰু কথাখিনি বহলাই ক'ম।

এটা সময়ত দেহোত্তৰ প্রথম দৃষ্টিৰ প্রেমৰ পৰা আগলৈ আহি বিয়া নামৰ অনুষ্ঠানটোৰ আনুষ্ঠানিকতাত বন্দী হৈ মোৰ প্রেমে পূর্ণ শৰীৰী ৰূপ এটা পালে। পিছে এই কথা সর্বজনবিদিত যে যৌন মিলনৰ উন্মাদনা শেষ হোৱাৰ পিছতো আনন্দিত দেখা যায় কেৱল মতাকুকুৰা আৰু মানৰ প্রজাতিৰ মহিলা গৰাকীকহে। ৰাগ মোচনৰ পিছত পুৰুষৰ মন এক অনামী দুখবোধেৰে ভৰে। ক্ষুদ্রতাও কেতিয়াবা 'ছফিষ্টিকেশ্যন' হয়, ডেভিদৰ পুৰুষাংগ সেইবাবেই সৰু, মানুহৰ পুৰুষাংগ সেইবাবেই যৌনতাৰ প্রতীক গৰিলাতকৈ ভালেমান ডাঙৰ! এই স্থূল শৰীৰী ব্যৱস্থাটোত মই সুখী হোৱাৰ প্রশ্ন নুঠে।

তেন্তে তাৰ পিছত কি হ'ল? পৰিণয়ৰ পিছৰ পর্যায়ত প্রেমজাতীয় কথাবোৰ মোৰ বাবে কেনে হৈ থাকিল? নে ই সদায় পূর্বতে কোৱাৰ দৰে মোৰ বাবে ঐচ্ছিক বিষয় হৈয়েই ৰৈ গ'ল? আহকচোন, গল্প এটাৰ ৰূপতে কথাবোৰৰ উমান লওঁ।

* * *

অর্চনা সুব্রমণিয়ম নামৰ মহিলাগৰাকী যেতিয়া কেৰালাৰ চাংগানুৰ নামৰ চহৰখনৰ হোটেল এখনৰ মোৰ কোঠালৈ সোমাই আহিল, মোৰ ভাব হ'ল আমাৰ মুখামুখি হ'ব লাগিছিল মহীশূৰ মহানগৰতহে। কাৰণ অর্চনাৰ আদ্য পুৰাৰ চিকুণ মুখখনে ক'লে যে তাই প্রদূষণ বেয়া পায় আৰু মহীশূৰ ভাৰতৰ প্রথম শাৰীৰ প্রদূষণমুক্ত মহানগৰ। তাৎক্ষণিকভাৱে কেনেকৈ যে মহীশূৰৰ নামটো গাগিনী এজনীৰ দৰে মোৰ মগজুলৈ জঁপিয়াই আহিল! হয়তো মহানগৰখনক ভালকৈ জনোৱা জানো বাবে। এইবাৰ মাইছৰ পেলেচৰ ছবিখন মোৰ চকুৰ আগলৈ আহিল, ৰাজপ্রাসাদৰ ভিতৰত বহি থকা অৱস্থাত ৰজা যদুৰাই উদিয়াৰৰ মূর্তিটোৰ কথাও মনলৈ আহিল, মনলৈ আহিল ৰজাৰ মুখখনক শাসন কৰি থকা সেই অৰাজকীয় সৌম্যৰ কথা আৰু মনে মনে মই ভাবি পেলালো যে ৰজা হৈও আচলতে প্রজাসুলভ হ'ব পাৰি! আৰু অন্তৰৰ বৈভৱেৰে ৰজা হৈও অসামন্তীয় আৰু অপ্রসাৰণবাদী ভাব এটাৰে অর্চনাৰ মুখলৈ ভেবা লাগি চাই থকা দেখি তাই মোৰ তন্ময়তা ভাঙিলে, 'অ' হেল্ল' নিপূর্ব চইকীয়া, পৃথিৱীলৈ নামা, আমাৰ দেৰি হৈছে, ওলোৱা।'

হোটেলৰ ধুনীয়া কোঠা। আমি কেৰালা চৰকাৰৰ অতিথি, মই অসমৰ আৰু অর্চনা কইম্বাটোৰৰ। ৰাজ্যখনৰ মুখ্য সাহিত্য-সংস্কৃতিক সংগঠনটোৰে তেওঁলোকৰ দুবছৰীয়া অধিৱেশনখনৰ বাবে আমালৈ আগতীয়াকৈ ঠিক কৰি থোৱা কোঠা। মোৰ ঠিক মূৰৰ ওপৰৰ কোঠাটো অর্চনাৰ, কালি দিনৰ ভাগত চিনাকি হৈ থৈছো তেওঁৰ লগত; অধিৱেশনখন আজিৰ পৰা যদিও আমি কেৰালাৰ এই সৰু চহৰখন পালোহি কালিয়ে। ধুনীয়া চহৰ, ঠিক আমাৰ তেজপুৰৰ দৰে; শাৰী শাৰী নাৰিকল গছবোৰ দেখিলে ৰহা অঞ্চলৰ জোঙাল বলহু গড়ৰ ওচৰে-পাজৰে থকা আদর্শ অসমীয়া জনজাতীয় গাঁও এখনলৈ চাৎকৰে মনত পৰে। হয়, আমি সৌন্দর্য নিৰূপণ কৰোঁ এনেকৈয়ে; ধুনীয়া কিবা এটা দেখিলে আমি তাৰ স্থানীয় অনুকৃতি বিচাৰি হাবাথুৰি খাওঁ, সেই অনুকৃতিৰ ওপৰঞ্চিখিনিত চকু ফুৰাই আমি শেষ মুহূর্তত সৌন্দর্যৰ আই এছ আই চিহ্নৰ ৰাবাৰ ষ্টাম্পটো মাৰো।

অর্চনাৰ আধিপত্যবাদী মুখখনৰো বাৰু স্থানীয় অনুকৃতি বিচাৰি মই মোৰ প্রেমৰ অন্তর্জগতখন চলাথ কৰিছোঁ নেকি? কৰিছোঁ আৰু অনুকৃতি বিচাৰি পাইছোঁও (ৰেহানাৰ পিছত মোৰ কাষলৈ অহা এক প্রত্যয়দীপ্ত ধুনীয়া মুখৰ সৰুফুটীয়া ছোৱালী এজনীৰ কি এক প্রচণ্ড আধিপত্যবাদ; মুহূর্ততে পৰিপক্ক মগজু এটাক তচ্‌নচ কৰি দিব পৰাকৈ আঙুৰৰ দৰে দুটা চকু সমেত

হৃদয়ৰ অপৰিসীম ক্ষমতাৰে ছোৱালী এজনী, ক'ত আৰু কেনেকৈ যে হেৰাই গ'ল তাই!)। উপৰুৱা সৌন্দৰ্যই জানো শেষ কথা নহয়? নহয়, ই আদি কথাহে, জীৱনৰ বৃদ্ধি, ঋদ্ধি আৰু কালিকা এক জটিল সমীকৰণ, য'ত এক্স, ৱাই, জেদ জাতীয় সকলো চলকেই অজ্ঞাত আৰু এই চলকসমূহৰ নির্ণয় নহয়, প্ৰাপ্তিও নহয়, নিৰন্তৰ অনুসন্ধানেই হয়তো প্ৰেম!

অৰ্চনাৰ যি গুণটিয়ে মোক মুহূৰ্ততে আকৰ্ষণ কৰিলে সেইটো হ'ল ছোৱালী হিচাপে অহংকাৰী হ'ব পৰাকৈ সকলোখিনি থাকিও তাই এক নিৰহংকাৰী সত্তা। এয়াও এক জটিল সমীকৰণ... আমি ধনী, তীক্ষ্ণধী আৰু ধুনীয়া মানুহ অহংকাৰী হোৱা কথাটো মনে-প্ৰাণে কামনা কৰোঁ আৰু নিৰন্তৰ সৰু হৈ থকাৰ দুখ এটাৰে পীড়িত হৈ নিজকে উত্তৰণ ঘটোৱা চেষ্টা এটাৰে জীৱনৰ অৰ্থ এটা নিৰূপণৰ চেষ্টা কৰোঁ। জীৱনৰ কি যে অতি সৰলীকৰণ!

'চইকীয়া, মই এজনী সন্ন্যাসিনী, মোৰ যে স্মাৰ্টফোন এটাও নাই এই কথাটো ক'লে তুমি মোক বিশ্বাস কৰিবানে?' তাৰ পিছত অৰ্চনাৰ খিল্‌খিল হাঁহি; অবিৰাম, অবিস্বান্ত, অৰ্থপূৰ্ণভাৱে অৰ্থহীন আৰু সংক্ৰামক! হাঁহিলো (কাৰণ নহঁহাকৈ নোৱাৰিলো বা নিজকে শিমলুৰ মূঢ়াটোৰ দৰে নিৰস বুলি প্ৰতিপন্ন হোৱাটো নিবিচাৰিলোঁ নাইবা সাধাৰণ ভদ্ৰতাকণ ৰক্ষা কৰাৰ ভাবনাৰে), আহ্, কি যে মোৰ এই জাতিগত দুৰ্বলতা, হাঁহিৰ উচ্চলতাৰ লগত ব্যক্তিত্বৰ সনা-পোটোকা (বেছিকৈ দাঁত চেলাই নাহাঁহিবা, মানুহে তোমাক পাতল, চেৰাবলিয়া বুলিব).... নাই, মই হাঁহিমেই, মূলসুঁতিৰ অসমীয়াৰ পৰা মই এতিয়াও ভালেমান দূৰত, চকু পকাই ধৰিবলৈ ওচৰত মোৰ সমাজখন নাই, বিশেষ মহিলাগৰাকী নাই, চুপাৰ ইগ' নাই বাবে ইগ'ও নাই..., ইদ্, ইদ্, কেৱল ইদ্!

'চইকীয়া, মোৰ জীৱন দৰ্শনক ভেঙুচালি কৰি তুমি বৰ এটা ভাল কাম কৰা নাই কিন্তু! য়েছ, আই হেট স্মাৰ্টফোন! তাতে তোমাৰ সমস্যাটো কি?' —হাঁহি বন্ধ নকৰাকৈ অৰ্চনাই মোক ধমক দিলে। হঠাতে মোৰ অসমৰ হৰিৎবৰ্ণালৈ মনত পৰিল, দিনটোত ফেচবুকত পাঁচটা আপডেট দিয়া সপ্ৰতিভ ছোৱালীজনী, (ছোৱালী? হয়, কিছুমান উত্তম লিংগ আজীৱন ছোৱালী হৈ ৰৈ যায়, মহিলা নহয় কাহানিও, এয়াই তেওঁলোকৰ ভাল লগা আৰু বিধি! এই কথা ভাবি মোৰ ভয় আৰু ভাল দুয়োটা লাগিছে যে অৰ্চনাও হয়তো জীৱনজুৰি 'মহিলা' নোহোৱাকৈয়ে ৰৈ যাব!)... অতীব সুন্দৰ আপডেট, কিন্তু শ্ৰম আৰু সময়ৰ এক প্ৰচণ্ড অপচয়, যেন গল্পৰ পূৰ্ণতা নোপোৱা কিছুমান গল্পখণ্ডৰ পৌনঃপুনিক গৰ্ভপাত! পিছ মুহূৰ্ততে মোৰ মনত পৰিল সেইটি কবি-ঔপন্যাসিক, ইতস্ততঃভাৱে নৰ বুলিব পৰা দম্পতীলৈ, যাৰ প্ৰতি চতুৰ্থটো আপডেটত মনোমোহা কেপচনসহ হাঁহি থাকে এটি অবোধ, স্বৰ্গীয় হাঁহিৰে প্ৰাণোচ্ছল হৈ থকা দেৱশিশু। যি দম্পতীহালৰ প্ৰেমক কেইমাহমান আগতে পূৰ্ণতাৰ মানপত্ৰখন দি উঠিছে আৰু যি নিজেই যেন হৈ পৰিছে এক আৱেগৰ অভাৰড'জৰ কম'ডিটি! আহ্, দুয়োজন মোৰ একান্ত প্ৰিয় ব্যক্তি, কিন্তু প্ৰেমবোৰ যে কতনা ফান্দ! প্ৰেমে সৰ্বোচ্চখিনি উজাৰি দিয়াৰ পিছত তেওঁলোকক হঠাতে সজাই তুলিছে সমাজৰ দৃষ্টি বিচৰা এক প্ৰেম আকলুৱা শ্যেৱেণ্টৰ ৰূপাত (শ্যেৱেণ্ট=শ্যেয়াৰিং পেৱেণ্টছ ইন ছ'চিয়েল মিডিয়া! সামাজিক মাধ্যমৰ পিতৃ-মাতৃ!) পিছে তাৰো মানসিক যুক্তি আছে, অপত্য অযুক্তি আছে, পশ্চিমীয়া দেশত ই এটা ডাঙৰ সমস্যাই হৈ উঠিছে, যাৰ বাবে ডাক্তৰসকলে 'কাউনচেলিং' কেন্দ্ৰ খুলিছে, কিন্তু মুখ খুলি নোৱাৰি ক'ব, কাৰো অনুভূতিত দিব নোৱাৰি আঘাত, এয়া হ'ব এক ক্ষমাহীন স্পষ্টবাদিতা, নির্দয় ফাদিল...,আহ্..ক্ষমা কৰিবাহে মোৰ বন্ধু দম্পতী!

কিন্তু অৰ্চনাৰ স্মাৰ্টফোন নথকা কথাটো মোৰ বাবে কিয় ইমান আকৰ্ষণীয় হৈ পৰিল? মই নিজে স্মাৰ্টফোনৰ গুবৰুৱা এটা হৈ অৰ্চনা নিজে এই মেইক বিলিভ জগতখনৰ নিষিদ্ধ আনন্দৰ সন্ধানৰ সুবিধাৰ পৰা নিজকে বঞ্চিত কৰা বাবে মই নথৈ আনন্দিত হৈছোঁ? এয়া জানো মোৰ ভণ্ডামি নহয়? এয়াতো তাইৰ দৃষ্টি আকৰ্ষণৰ 'গিমিক'ও হ'ব পাৰে! সোঁতৰ বিপৰীতে বুলি নিজকে যহোৱাৰ সহজ ৰাস্তাটো বাৰু তাই লৈছে নেকি? তাই নিজকে সন্ন্যাসিনী বুলি উপযাচি ঘোষণা কৰাৰ নো কি প্ৰয়োজন আছিল? নে মোৰ চকুৰ চাৱনিতে মোৰ অজানিতে এক প্ৰেম চৰোৱা যৌনতাৰ ভাবুকি আছিল, যি তাইৰ পৰা তেনে এটা উত্তৰ দাবী কৰি নিশ্চিত হ'ব খুজিছিল? হয়, মই অত্যন্ত দুঃখিত আৰু অসহায় যে অহৰহ চেষ্টাৰ অন্ততো মই মোৰ চকু দুটাক মনৰ অধীন কৰিব নোৱাৰিলোঁ। মোৰ চকু দুটা মনৰ স্থিতিক সততে নাকচ কৰা এটা দুষ্ট ল'ৰাৰ চকু!

অর্চনা সুব্রমণিয়ম মোৰ কোঠালৈ সোমাই আহোঁতে বেলিটো পৃথিৱীলৈ সোমাই অহাই নাছিল, দোকমোকালিৰ পোহৰ আৰু আন্ধাৰৰ মিশ্ৰাৱস্থা। ইমান উপজিপুৱাতে, ইমান কম পোহৰত, ইমান সাধাৰণভাৱে আৰু ইমান অকলশৰে মই কথা পতা অর্চনা এই পৃথিৱীৰ তৃতীয়গৰাকী মহিলা। মোৰ চোলাটো 'স্লিমফিট' আছিল আৰু বুকুৰ দুটা বুটামৰ বন্ধনৰ মাজেৰে মোৰ গেঞ্জিটোৱে ভুমুকিয়াইছিল; মোৰ গেঞ্জিটো অৱশ্যে লেতেৰা নাছিল, গুৱাহাটীৰ পানীৰ কঁহে মাত্ৰ তাক ধোঁৱাবৰণীয়া কৰি তুলিছিল, ৰাতি দাঁত মাজি শোৱা বাবে দাঁতকেইটাৰ শুভ্ৰতা ৰাতিপুৱালৈও গ্ৰহণযোগ্য হৈয়ে আছিল, মোৰ ঠৰঙা চুলিখিনিয়ে আলিৰ দুপাৰৰ দুডৰা বিৰিণাৰ দৰে সেওঁতাৰ মধ্য বিভাজনক অমান্য কৰি ফেপেৰি পাতি এক উদ্ভট কেশ বিন্যাসৰ সৃষ্টি কৰিছিল আৰু ওঁঠ দুখনৰ লগতে জিভাত শেষ ৰাতি দেখা সপোন এটাই ঢালি যোৱা লালীৰ দৰে মিঠা অনুভূতি এটা ঢপলিয়াই ফুৰিছিল! আৰু এই সমস্ত বৈপৰীত্যৰে অসহজ হৈ মই কোঠাৰ দুৱাৰখন মেলি, অর্চনাক দুৱাৰৰ ওচৰৰে চকীখনত বহিবলৈ দি মই মাত্ৰ কেইটমান শব্দৰ এটা দুৰ্বল বাক্যহে বিৰ্বিৰাব পাৰিলোঁ ঃ নিজকে একেবাৰে ফিনলেণ্ডৰ বাসিন্দা যেনহে লাগিছে!

'মানে?'—টেলেকা চকু দুটাৰে (এনে চকু অন্তৰ্দৃষ্টিসম্পন্ন বুলি ভাবে বহুতে) অতি উদগ্ৰীৱ ভাব এটাক কঢ়িওৱা যেন দেখুৱাই অর্চনাই সুধিলে।

'মানে আৰু কি,' মই কৌতুক কৰাৰ সুৰত ক'লোঁ,' লেণ্ড অৱ মিড নাইট চান, বেলিটোৰ দৰে উজ্জ্বল হৈ এই মাজৰাতি ক'ৰ পৰা ওলালহি?'

কি যে সোৱোপা তুমি, কালি মই তোমাক কৈ থৈছিলো নে নাই? পাহৰিলা? নে গম্ভীৰতাৰে ল'ব পৰা কথাৰ মানুহ মই নহওঁয়েই? সঁচা ক'বা কিন্তু'!

'তুমি জোখতকৈ বেছি কথা কোৱা' বুলি ভোৰ্‌ভো�ৰাই মই ব্ৰাছডালত দুটা মটৰ গুটিৰ সমান টুথপেষ্ট লৈ বাথৰুমলৈ যাব খুজিলোঁ।

'ঠিক আছে, মই তোমাক পোন্ধৰ মিনিট সময় দিলোঁ, মই তলতে ৰিচেপছন হলত বহি আছো, তালৈকে আহিবা...'

বিশ মিনিটমানৰ পাছত তললৈ আহি অর্চনাৰ মুখামুখি হওঁতে তাই মোলৈ টেলেকাকৈ এক শাণিত দৃষ্টিৰে স্পষ্টকৈ চালে। মই কিন্তু তাইৰ দৃষ্টিত এক অস্পষ্টতা আৰু সিদ্ধান্তহীনতা বিচাৰিছিলোঁ আৰু আমোদজনক কথাটো হ'ল এনে ইচ্ছাৰ একো কাৰণো মই বিচাৰি নাপালোঁ। মোৰ দৰে অর্চনাৰো কোনো 'ট্ৰেডমার্ক লুক' নাছিল। তথাপি মোৰ ভাবিবলৈ মন গৈছিল যে তাইক দেখিবলৈ মেডনাৰ দৰে লাগিছিল। অৱশ্যে অত্যন্ত সযতনে মই মেডনাৰ যৌন আবেদনখিনি অর্চনাৰ পৰা বিয়োগ কৰি কথাবোৰ ভাবিছিলোঁ, মই ভয় খাইছিলোঁ, হয়তো মেডনাৰ দৰেই অর্চনাও প্ৰচণ্ড আত্মপ্ৰেমী (আহ্, নাৰ্চিছিষ্টিক মেডনা!)।

সভয়ে মই তাইক সুধিছিলো, "তোমাৰ জীৱনৰ প্ৰথম কবিতাটোৰ নাম 'অর্চনা' নেকি?" (কাৰণ মেডনাৰ প্ৰথম এলবামটোৰ নাম আছিল 'মেডনা'!)

অর্চনাই খিল্‌খিলাই হাঁহিলে আৰু হাঁহি থকাৰ মাজতে ক'লে— 'তোমাৰো যে আৰু কথা! 'অর্চনা' নামৰ বিশেষ কবিতাটো মোৰ মা-দেউতাইহে যৌনতাৰ লিপিৰে লিখিছিল অ'...'

হঠাতে মোৰ ভাব হ'ল মই তাইক 'অর্চনা' নামৰ এই বিশেষ কবিতাটিৰ ৰচনা কালৰ কথা সোধা উচিত, পিছে মুহূর্ততে মই সচেতন হৈ মোক নিজকে এনে এটা মোক্ষম প্ৰশ্ন সোধাৰ পৰা বাৰণ কৰিলোঁ। নাৰী আৰু মুনিৰ বয়স সোধাটো অনুচিত।

'হয় দেই অর্চনা, তুমি নিজেই এটা কবিতাৰ শৰীৰী ৰূপ, পার্টলী মেটামডার্নিষ্টিক এণ্ড হোৱলী মিষ্টিফাইং...'

"মোৰ জীৱনৰ প্ৰথম কবিতাটোৰ নাম 'ভেঁটফুলৰ পাত'," —অর্চনাই ক'লে আৰু কৌতুকপূর্ণভাৱে মোৰ চকুলৈ চালে, 'দলনি পথাৰৰ আঁঠুৰনীয়া পানীত জলজ প্ৰেমেৰে কাতৰ হৈ পানীৰ ওপৰত লিপিট খাই থকা ভেঁটফুলৰ পাত দেখিছা?' এটা প্ৰচণ্ড প্ৰেমৰ কবিতা আছিল এইটো!'

'তোমালোকৰ মহাৰাষ্ট্ৰতো দলনি আছে? ছ' ইণ্টাৰেষ্টিং!'

'হাঃ, হাঃ, হাঃ!'

'হাঃ, হাঃ, হাঃ!'

শ্রীদেৱী মন্দিৰলৈ হোটেলৰ পৰা গাড়ীৰে পঁচিশ মিনিটমানৰ বাট। অর্চনাৰ মন্দিৰ দর্শনৰ ইচ্ছাক সন্মান জনাই তাইক সংগ দিবৰবাবে ময়ো ওলাইছোঁ। লাহে লাহে অনুভৱ কৰিবলৈ লৈছোঁ অর্চনাৰ সংগ যেন মোৰ ভাল লগা হৈ আহিছে। কিন্তু এই ভাল লগা অপৰাধবোধ অনুভৱ কৰিবলগীয়া হোৱাকৈ তীব্রও নহয়। মনে মনে মই ঘৰৰ মানুহজনীক দোষী সাব্যস্ত কৰিলোঁ ঃ কিছু অসম্পূর্ণতা, কিছু সুৰুঙা, কিছু অনমনীয়তা, আৱেগহীনতা আৰু সর্বত্র এক শুষ্কতাৰ আচ্ছাদন। সম্পর্কৰ নৱীকৰণ নোহোৱা বাবে ধুনীয়া শৰীৰ এটাই লাহে লাহে আবেদন হেৰুৱাইছে। সুখৰ নদনবদন সংসাৰ এখন কেৱল ভাল পোৱাৰ স্বার্থতে উছন কৰিব পৰাৰ সামর্থ্য আৰু ইচ্ছা শক্তি মই হেৰুৱাই পেলাইছোঁ বুলি মানুহজনীয়ে বিশ্বাস কৰে। কিন্তু ভয়ংকৰ সত্যটো হ'ল মোৰ মন ইতিমধ্যেই শৰীৰৰ কবলৰ পৰা মুক্ত হৈছে, শৰীৰক উপেক্ষা কৰাৰ দুঃসাহস দেখুৱাব পৰাকৈ মোৰ বয়স হৈছে। শৰীৰৰ ভিতৰত জৈৱিক গ্রেগৰীয়ান কেলেণ্ডাৰ এখন কঢ়িয়াই ফুৰিলেও তাৰ পৰা শীতৰ মাহকেইটাৰ যেন হৰলুকী হ'ব খুজিছে। আঃ, কি যে ভাল লগা এই অনুভৱ!

হঠাতে মোৰ 'লাইক এ ভার্জিন' নামৰ গীতটো টেঁটু ফালি চিঞৰি গাবৰ মন গ'ল আৰু সুৰৰ নামত যদি ভোবোলা এটাৰ মাতো মোতকৈ উৎকৃষ্ট যেন লগা হয়ো মোৰ যেন একো আপত্তি নাথাকিব তেনে এক ভাব হ'ল। কাৰণ এই সময়ত মই নিজকে ৰোমাঞ্চিত কৰি ৰাখিবলৈ যিকোনো মূল্য ভৰিবলৈ মন গ'ল।

শ্রীদেৱীৰ মন্দিৰটো দেখিও তবধ মানিলো, ইমান চাফ-চিকুণ মন্দিৰ মই আগত কমেই দেখিছোঁ, অৱশ্যে বেছি মঠ-মন্দিৰ দেখা বুলিও মই দাবী কৰিব নোৱাৰোঁ। প্রতিষ্ঠানিক ধর্মৰ প্রতি মোৰ আগ্রহটো কম। 'মানৱপ্রেমেই ভগৱৎপ্রেম' জাতীয় অতি সৰল ধাৰণা এটাৰেই এতিয়ালৈকে কাম চলাই আছোঁ আৰু অর্চনাই মোলৈ ৰ' লাগি চাই আছিল, মই সুধিলোঁ— 'কি ভাবিছা?'

'হাঃ, হাঃ, হাঃ, সেইটোও ক'ব লাগিব? শুনা, মই কেৱল ভাবি আছিলো যে তুমি 'আলফা মে'ল'নোহোৱা। অসমৰ ল'ৰাবিলাকক মোৰ সেইবাবেই ভাল লাগে।'

'বাহ্, সহজ-সৰল বুলি তুমি আচলতে অসমৰ ল'ৰাবোৰক শলাগিলাই নে উপলুঙাহে কৰিলা সেইটোহে নুবুজিলোঁ!'

'কি যে কোৱা, মই ইমান জটিল মনৰ ছোৱালী নহওঁ কিন্তু দেই, আই ৱিয়েলী মিন ইট!'-- নীৰৱে মই অর্চনাৰ মুখলৈ চাই ৰ'লোঁ, তাই ব্যক্তিৰ কথা কোৱা নাই, সমষ্টিৰ কথা কৈছে, অথচ এই কথাটোও তাই ভালকৈ জানে যে স্বাধীনতা বিচাৰি আমাৰে এচাম ডেকা বন্দুক-বাৰুদেৰে গৈ হাবিত আছেগৈ। তথাপি তাই গভীৰভাৱে অসমীয়া যুৱকৰ মাজত এনে কিছুমান গুণৰ সন্ভেদ পাইছে, যিবোৰ আন ভাৰতীয় যুৱকৰ মাজত নাই। তাইৰ কথাত হাঁহিব পাৰিনে আৰু পাৰিলেও কিমান জোৰত হাঁহিব পাৰি তাক ভাবি থাকোঁতেই আমি মন্দিৰটোৰ প্রধান দুৱাৰখন পালোঁ। ইয়াৰ পৰা আগলৈ যোৱাৰ নিয়ম-নীতি বেলেগ। পুৰুষৰ ক্ষেত্রত নিয়মটি অলপ কঠোৰেই!

এইখিনিৰ পৰা আগলৈ যাবলৈ হ'লে ন্যূনতম বস্ত্র পিন্ধি যাব লাগিব। মই ঠেৰো-গেৰো কৰি থাকোতে কঁকালৰ পৰা ওপৰলৈ একেবাৰে উন্মুক্ত হৈ বহুকেইজন পেটাল কৃষ্ণকায় পুৰুষ, যাৰ লুঙীৰ ভিতৰৰ ফালে 'মইনাপেন' (সৰুতে পুৰুষ অন্তর্বাসক সেই নামেৰেই মাতিছিলো)ৰ কোনো আভাস নাপালোঁ, মন্দিৰৰ ভিতৰৰ ফালে আগবাঢ়িল। হাতত বাকলি গুচোৱা নাৰিকলসহ নৈবেদ্যৰ একোখন থাল। মোৰ দেহটোক লৈ মোৰ কোনো হীনমন্যতা নাই, পিঠি পর্যন্ত য'তে-ত'তে গজা নোমখিনিলৈ অলপ আছ! মহিলাৰ ক্ষেত্রত নির্বস্ত্র হোৱাৰ এই নিয়মটো নাই। (অর্চনাৰ লগত চুপতি মৰাৰ কাৰণ এটা পাই গোটাই-পিতাই থ'লোঁ!)

অৱশেষত অর্চনাই মোক বচালে, 'ছ'ৰী চইকীয়া, ময়ে সোমাওঁ, মাতাজীৰ পৰা তোমাৰ বাবেও আশীর্বাদ ল'ম। চিন্তা নকৰিবা, বাহিৰৰ পৰাই সেৱা এটা কৰা, অ'কে?'

অগত্যা মই তাকেই কৰিলোঁ আৰু বাহিৰখনৰ ঐককেন্দ্রিক চতুর্ভুজৰ দৰে পদপথবোৰত পাইচাৰি কৰি সময়কণ পাৰ কৰিলোঁ। পথতে সাক্ষাৎ পোৱা ভোকোণ্ডা এন্দুৰ দুটামানৰ লগতো খেলিলোঁ। ওভতোতে গাড়ীৰ ছিটত বহি অর্চনাই মোৰ হাতত তিনিপতীয়া বেলপাত এটা দিলে। ভকত এজনৰ দৰে পাতটো গ্রহণ কৰি মই ওপৰৰ চোলাৰ পকেটত ভৰাই থ'লোঁ।

দিনটোৰ তাৰ পিছৰছোৱা মেল-মিটিং, অন্তৰংগ আলাপ-আলোচনাচক্রেৰে পাৰ হ'ল। অর্চনাৰ আলোচনা-

চক্রখন আৰম্ভ হোৱাৰ আগতে সমুখৰ শাৰীত বহি মঞ্চলৈ চাই থকা মোৰ ওচৰলৈ নামি আহি তাই মোৰ কাণত মুখ থৈ ফুচ্‌ফুচালে, 'চইকীয়া, গোলাপী শাৰীখনে মোক শুৱাইছেনে?' তাইৰ মুখৰ গৰম বতাহখিনি পাকঘূৰণি খাই মোৰ কাণৰ ভিতৰলৈ সোমাই গ'ল আৰু কিছু সময় মোক উত্তৰ দিব নোৱাৰাকৈয়ে ব্যতিব্যস্ত কৰি ৰাখিলে। উত্তৰটো দিওঁ মানে তাই আকৌ ইতিমধ্যে মঞ্চত উঠিছেগৈ। মঞ্চত উপৱিষ্ট তাইলৈ চাই মই তলৰ পৰা ভাল বুলি বুজোৱা ইংগিত এটা দিলোঁ। বুঢ়া আঙুলি আৰু তর্জনীৰে দিয়া ইংগিতটো ইমানেই অস্পষ্ট আৰু দৃষ্টিকটু আছিল যে তাই মুখ টিপি হাঁহিলে।

তৃতীয় দিনা অনুষ্ঠানৰ অন্তত আমি ঘৰাঘৰি হ'বৰ হ'ল। মই অসমলৈ ঘূৰিম, অর্চনা কইম্বাটোৰলৈ। কইম্বাটোৰত তাইৰ আশ্রম। সেই আশ্রমৰে তাই সন্ন্যাসিনী, 'ঘৰ ক'ত' বুলি এবাৰ সোধোতে তাই ক'লে—'কবিৰ কোনো ঘৰ নাই, কইম্বাটোৰ আৰু মুম্বাইৰ মাজত মই মাথোঁ মাকো মাৰি থাকোঁ। মাজে-সময়ে বুলগে�ৰিয়ালৈ যাওঁ। তাৰ এনজিঅ' এটাই মোৰ 'ৱর্ল্ড পয়েট্রী' বোলা আলোচনীখনক স্পনছ'ৰ কৰে!'

'চ নাইচ', মই ক'লো, 'তোমাৰ কম্বাইটোৰৰ সন্ন্যাসীকেইজনলৈ বেজাৰ লাগে কিন্তু দেই, বেচেৰাহঁত!'

অর্চনাই এইবাৰ শেঁতা হাঁহি এটা মাৰিলে। বাধ্যত পৰি মৰা হাঁহি বা দেহে সহযোগ নকৰা হাঁহি এটা। মোৰ ফ্লাইট কোচিৰ পৰা, হোটেলৰ পৰা অলপ দেৰিকৈ ওলালেও হয়, তাই ত্রিবান্দ্রম হৈ যাবগৈ। অর্চনা মোতকৈ আগতে ওলাইছে, ৰাতিপুৱাৰ ব্রেকফাষ্টত এবাৰ লগ পাই থৈছোঁ তাইক, দুই-এটা আনুষ্ঠানিক কথা-বতৰাৰ মাজতে তাই মোক সুধিলে— প্রথম দৃষ্টিৰ প্রেমত তোমাৰ বিশ্বাস আছেনে? নে এয়া প্রেমৰ সাজেৰে আসক্তিহে?— মইনো আৰু কি ক'ম?বেঙেৰা এটাৰ দৰে তাইৰ চকুলৈ ৰ' লাগি চাইৰ'লোঁ। এইবাৰ তাই ক'লে—'যোৱাৰ আগতে মই তোমাক কিবা এটা দিম, ল'বলৈ তুমি প্রস্তুতনে?'

'এশ শতাংশই প্রস্তুত, এপাহ ৰঙা গোলাপৰ পৰা আৰম্ভ কৰি এটা চায়েনাইড কেপছুললৈকে! তুমিবা আক' কি দিয়া!'- মই ৰগৰ কৰিলোঁ।

মোৰ হাতত কিবা এটা গুঁজি দি তাই গ'লগৈ। অসহায়ভাৱে মই তাই নামি যোৱা ষ্টেয়াৰ কেছটোৰ ফালে তধা লাগি চাই ৰ'লোঁ। ক্রমশঃ আঁতৰি যোৱাত তাইৰ প্রফাইলটোলৈ চাই থাকিবলৈ মোৰ ভয় লাগিল বাবে মই চকু ঘূৰাই আনিলোঁ। অৱশ্যে তাই মোৰ ফালে কিয় ঘূৰি নাচালে মই বুজিব পৰাকৈ একো ইংগিত তাই দি থৈ নগ'ল।

ভয়ে ভয়ে তাই দি থৈ যোৱা চিঠিখন মেলিলোঁ। ধুনীয়া গোট গোট আখৰেৰে তাই লিখিছে— চইকীয়া, এইখন প্রেমপত্র বুলি ভুল নকৰিবা, প্রেম ইমান বিদ্যুৎ বেগেৰে নঘটে, তাতে মই সন্ন্যাসিনী! কিন্তু এটা কথা স্বীকাৰ কৰিবলৈ বেয়া নাপাওঁ, এই বিশেষ তিনিটা দিনৰ অন্তত মোৰ ভাব হৈছে, সন্ন্যাসিনী হোৱাটো মোৰ উচিত সিদ্ধান্তই আছিল। তুমি হয়তো ভাবিছা, ইমান ধুনীয়া মহিলা এগৰাকী জানো আধুনিকতম বেশ-ভূষাৰে সন্ন্যাসী হ'ব পাৰে? নাইবা হয়তো ভাবিছা এয়া মোৰ বিলাস। পিছে ঈশ্বৰৰ বিপক্ষে যোৱাৰ বিষম ফল মই পাইছোঁ। প্রতিশোধকল্পে তেৰাই মোক জৰায়ুৰ এণ্ডমেট্রিয়ামৰ কর্কট ৰোগটো দিলে। অপাৰেচন কৰি ডাক্তৰে জৰায়ুটোকে পেটৰ পৰা উঠাই পেলালে কি হ'ব, এতিয়া জৰায়ুৰ পৰা গৈ বেমাৰটোৱে মগজুত থিতাপিলৈছে। ৰিলাপ্স উইথ দি ষ্টেণ্ট মেটাষ্টেচিছ ইন ব্রেইন! আৰু এই সংক্রমণো মগজুৰ এনে এঠাইত হৈছেগে, য'ৰ পৰা নিয়ন্ত্রিত হয় মানুহৰ আৱেগ-অনুভূতিৰ পৃথিৱীখন, হাঁহি-কান্দোন আৰু প্রেম! ঘটনাবোৰ ইমান নাটকীয়ভাৱে ঘটিছে যে ভিতৰখনত ধ্বংসযজ্ঞ চলিলেও সুন্দৰ হৈ ৰৈ গৈছে মোৰ বহিৰংগ! আৰু খুব বেছি ছমাহমান টিকিম। এতিয়া বুজিলা, কিমান ভয়াৱহ গোপনীয়তা কিছুমান আমি মানুহবোৰে কেতিয়াবা কঢ়িয়াই লৈ ফুৰোঁ? ডাক্তৰে ধেমালি কৰি কৈছে— ধুনীয়া, ধনী আৰু নিঃসন্তান মহিলাৰ এই বেমাৰটো বেছি হয় (ধনী হ'ব পৰা সকলো উপকৰণ থাকিও মই নির্ধনী)। দেখিছানে বাৰু কেনেকৈ মই ফর্মুলাত পৰি গ'লোঁ? জৰায়ুটো থাকিও মই ব্যৱহাৰ নকৰাৰ অহংকাৰৰ পৰিণাম এয়া, নে কি কোৱা?

অৱশ্যে সন্ন্যাসিনী নোহোৱা হ'লে আজিৰ পৰা বিশ বছৰমান আগতে তোমাৰ দৰে অজান্তি মুলুকৰ থিয় চুলিৰ ল'ৰা এটাৰ প্রেমতপৰিবলৈ মই হয়তো বেয়া নাপালোঁহেঁতেন। ঠিক ভেঁটফুলৰ পাত এটা লিপিট খাই জলপৃষ্ঠত পৰি থকাৰ দৰে তোমাক মই চুই থাকিলোঁহেঁতেন!

তুমি বাৰু বেয়া পালাহেঁতেন নে কি?'❖❖

এটা সপোনৰ পম খেদি

শিল্পীশিখা গগৈ
প্ৰাক্তন ছাত্ৰী (২০১০ বৰ্ষ)
মীন উন্নয়ন বিষয়া

আনদিনাতকৈ সোনকালেই টোপনিৰ পৰা সাৰ পালে কুহেলিয়ে। আচলতে জীৱনৰ জটিল সমীকৰণটোৰ যোগ-বিয়োগবোৰ কৰি থাকোঁতে ৰাতিটো কেনেদৰে পাৰ হ'ল তাই ধৰিবই নোৱাৰিলে। কাহিলিপুৱাতহে তাইৰ চিল্‌মিলকৈ টোপনি আহিছিল। চিপ্‌চিপ্‌কৈ বৰষুণ পৰিছিল। শেৱালি ফুলৰ পাহিত লাগি থকা বৰষুণৰ টোপালটো আঙুলিৰে স্পৰ্শ কৰোঁতেই সাগৰগভীৰ কণ্ঠত উচাপ খাই উঠিল তাই— 'শেৱালি ফুল তুমি ভালপোৱা নেকি কুঁৱলী, ময়ো খুব ভাল পাওঁ।' হঠাৎ সৰি পৰিল ফুলপাহ তাইৰ হাতত। সাৰ পাই উঠিল কুহেলি, দুহাতেৰে মুৰটো চেপি ধৰিলে তাই। উস্ কি যে মুহূর্তটো তাই অৱচেতন মনৰ কোণত নিজৰ অলক্ষিতে কঢ়িয়াই ফুৰিছে!

চেণ্ডেলযোৰ চোঁচৰাই চোঁচৰাই আহি তাই বাৰাণ্ডাৰ চকীখনতে বহিল। মাক ইতিমধ্যে উঠিছেই। কুঁৱাৰ পাৱত হোৱা শব্দবোৰত তাই অনুমান কৰিলে মাকে চাগে' গা ধুইছে। পুৱাৰ শীতল বতাহজাকৰ আমেজ লৈ চাহ বাগিচাৰ সেউজীয়াখিনিৰ মাজত এপাক ফুৰি আহিবলৈও আজি তাইৰ মন যোৱা নাই। সপোনটোৰ কথাকে পুনৰ ভাবিলে কুহেলিয়ে। কিয় বাৰু দেখিলে আজি এই সপোন? ভৰা পুখুৰীৰ পুণীবোৰ হাতেৰে ঠেলি আঁতৰাই দিলেও ক্ষন্তেক পিছত যিদৰে সি নিজৰ অৱস্থান লয়; ঠিক সেইদৰে নাভাবো বুলি কথাবোৰ তাই যিমানেই পাহৰিব খুজিছে, সিমানেই সেইবোৰে তাইৰ মনটো গ্ৰাস কৰি পেলাইছে।

ঃ মুখ-হাত ধুই আহ, মই চাহ কৰিছো— তিতি থকা চুলিখিনি গামোচাৰে মচি মচি মাকে কৈ গ'ল। ভাবনাত যতি পেলাই তাই হাত-মুখ ধুবলৈ উঠি গ'ল। 'ছেঃ, এটা শালিকা।' তাই ইফালে-সিফালে চালে— নাই, আৰু এটা নেদেখিলে। অন্ধবিশ্বাস বুলি জানিলেও কিয় জানো তাই বিশ্বাস কৰে এটা শালিকা দেখিলে দুঃসংবাদ পায়, দুটা দেখিলে সু-সংবাদ পায়।

ঘৰখনত ব্যস্ততাবোৰ বিয়পি পৰিছে। হাতত মোনা লৈ দেউতাকে সাপ্তাহিক বজাৰখনলৈ গৈছে। মাকে বজাৰৰ লিষ্টখন গুঁজি দি দেউতাকক কেঁকুৰিটো নেদেখা হোৱালৈকে চাই আছে। ভনীয়েক বৰ্ণালীয়ে ঘৰটোৰ বস্তুবিলাক যথাসম্ভৱ চিজিল কৰাৰ চেষ্টা কৰি আছে। আজি কুহেলিক আঙঠি পিন্ধাব। ভনীয়েকৰ পৰীক্ষা চমু চাপি অহাৰ বাবে অনুষ্ঠানটো অনুষ্টুপীয়াকৈয়ে সামৰিব খুজিছে। আঙঠি পিন্ধোৱাৰ কথাটো ভবাৰ লগে লগে অনামী বিষ এটা উজাই আহি বুকুখন হেঁচা মাৰি ধৰিলে তাইৰ। তাই জানো সুখী নহয়? মাল্টিনেচনেল কোম্পানী এটাৰ দিল্লীস্থিত কার্যালয়ৰ উচ্চপদস্থ বিষয়া জ্যোতির্ময় ফুকন তাইৰ হ'বলগীয়া পতি। ছুটী কম, সেয়ে দৰাই চাবলৈ আহোঁতে একেবাৰেই আঙঠি পিন্ধাই যাব। মাক-দেউতাকে অৱশ্যে চায়েই গৈছে; মাকে তাইক খুব পছন্দ কৰিছে। যদিও বিয়াখন ঘৰৰ পৰা ঠিক কৰিছে, তথাপি তাইৰ মতামতকে সম্পূর্ণ অগ্ৰাধিকাৰ দিছে। কোনোদিন মাক-দেউতাকৰ বিৰোধিতা নকৰা কুহেলিয়ে এইবাৰো নির্বিবাদে সন্মতি জনাইছে ঘৰখনৰ ইচ্ছাক। তথাপি কিয় জানো অব্যক্ত বেদনাই তাইক শব্দহীন কৰি তুলিছে। বুকুখন যেন ইমান জ্বলা-পোৰা কৰিছে! খং-অভিমানত কেতিয়াবা কেইবাসাঁজ লঘোন দিলেও কেতিয়াও এনে হোৱা মনত নপৰে তাইৰ। তলৰ ওঁঠটো সজোৰে কামুৰি ধৰিলে কুহেলিয়ে; চকুলোবোৰে আৰু বাধা মানিব নিবিচাৰিলে। তাই বিছনাখনতে বাগৰ দিলে। নাভাবো

বুলি থাকিলেও কিছুমান ভাবনাই মনটোত অগা-ডেৱা কৰি থাকিল।

অক্টোবৰ মাহৰ প্ৰথমভাগৰ এটা দিন। তাইৰ বান্ধৱী বন্যাৰ বায়েক প্লাৱিতাৰ বিয়া আছিল। বন্যা তাইৰ খুব অন্তৰংগ বান্ধৱী; সেয়ে বিয়াখনত তাই ৰাতিও থাকিব লগা হৈছিল। বিয়াৰ ওৰ নপৰা ব্যস্ততাৰ মাজতে বন্যাই তাইক হাতত ধৰি টানি নি চিনাকি কৰাই দিছিল— 'মই যে কৈ থাকো আমাৰ মৰমৰ জন্তুটোৰ কথা, এয়া জিন্তুদা; আৰু জিন্তুদা, এয়া মোৰ ফ্ৰেণ্ড, চিনাকি হোৱাচোন দেই'। একে উশাহতে কথাষাৰ কৈ ব্যস্ততাৰ বতাহজাকত বন্যা আঁতৰি গৈছিল। তাইৰ জেঠায়েকৰ ল'ৰা এইজন জিন্তুদাৰ কথা তাইৰ পৰা শুনি শুনি মনতে এটা প্ৰতিমূৰ্তি ইতিমধ্যেই গঢ় লৈ উঠিছিল কুহেলিৰ। ভাল ল'ৰাৰ উদাহৰণ দিবলৈ বন্যাৰ মাকে প্ৰায়ে দূৰলৈ নগৈ জিন্তুদাৰ নামটোৱেই উত্থাপন কৰে। 'জিন্তু' নামটোৰ পৰা ই-কাৰডাল আঁতৰাই 'জন্তু' কৰি মাতিলে কিদৰে বন্যাহঁতক মাৰিবলৈ খেদি যায় অথবা কোনোবাজনীক 'ফেঁচী', কোনোবাজনীক 'ভূতকী' ইত্যাদি নামেৰে কিদৰে জোকায়, প্ৰায়ে বন্যাই তাইক কয়। কুহেলিয়ে নমস্কাৰ দিলে। প্ৰতি নমস্কাৰ দি তেখেতে সুধিলে— 'কি নাম?' বন্যাৰ পৰা শুনি থকা কথাবোৰ ভাবি কুহেলিয়ে পলক নসলোৱাকৈ ল'ৰাজনৰ ফালে হয়তো বেছি সময় চাই আছিল। অলপ অপ্ৰস্তুত হোৱাৰ দৰে যথাসম্ভৱ সৰুকৈ তাই ক'লে—

ঃ কুহেলি।

ঃ কি ক'লা? কুঁৱলী? পুনৰ তাইক সুধিলে।

ঃ নহয়, কুহেলি। অলপ জোৰ দি ক'লে তাই।

ঃ অ', হোৱা হ'লে ভাল আছিল— তেখেতে ক'লে।

এইবাৰ বাৰুকৈয়ে অপ্ৰস্তুত হৈ পৰিল কুহেলি। প্ৰথম চিনাকিতে এনেদৰে কয়নে? গাল দুখন ৰঙা পৰি উঠিল তাইৰ; কাণ দুখনো গৰম হৈ যোৱা যেন পালে। কি কৰিব, কি নকৰিব ভাবি থাকোঁতেই হাঁহি মাৰি তেখেতে ক'লে— 'ধেমালি কৰিলো অলপ, বেয়া নাপাবা। বাৰু ব'লা, দৰা আহি পোৱাৰ আগতেই খোৱা-বোৱা কৰি লওঁ।

খোৱাৰ ইচ্ছা একেবাৰেই নাছিল কুহেলিৰ। তথাপি মানুহজনক জনাৰ এক তীব্ৰ হাবিয়াসে তাইক তেখেতৰ পাছে পাছে খোজ কঢ়াই আনি খোৱা টেবুলত বহিবলৈ বাধ্য কৰালে। তেখেতেই পুনৰ আৰম্ভ কৰিলে— 'বন্যাৰ পৰা গম পালো তুমি বৰ অন্তমুৰ্খী; সেয়ে অলপ ধেমালি কৰিলো তোমাৰ লগত। আচলতে কি জানা, স্বতঃস্ফূৰ্ত অনুভূতিবোৰ প্ৰকাশ কৰিব নোৱাৰাৰ সমান দুখী কোনো নাই। উপভোগ কৰিবলৈ শিকা জীৱনটোক, হাঁহিবলৈ শিকা; A smile costs nothing, but it create much আৰু কিবাকিবি কৈছিল তেখেতে। কথাবোৰৰ কিছুমান যুক্তি আছিল, যিহে কুহেলিক বাৰুকৈয়ে আপ্লুত কৰিছিল। বহুতো কথাই তাইৰ মনটো তোলপাৰ লগাই আছিল, কিন্তু কিয় জানো শব্দবোৰ তাইৰ দুওঁঠ ভেদি ওলাই আহিবৰ বাবে অপৰাগ আছিল।

দৰা আহি পালে, তেখেতে মুঠিয়ে মুঠিয়ে চাউল ছটিয়াই স্ফূৰ্তি কৰিলে। দৰা-কইনাৰ লগত বিধে বিধে ফটো ল'লে। কান্দি থকা কইনাক কিবা-কিবি কৈ জোকালেও, কুহেলিয়ে মাথোঁ নীৰৱে চাই ৰ'ল ৰভাৰ একাষত অকলশৰে বহি। আয়তীৰ উৰুলি, পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ। হোমৰ জুইৰ উমৰ মাজেৰে প্লাৱিতা বায়ে সংসাৰৰ ওৰণিখন টানি যাবলৈ ওলাল। সশব্দ উচুপনিবোৰে পৰিৱেশটো আৱৰি ধৰিলে; দুৱাৰ ভেটি উলিয়াই দিয়া কইনাৰ মাক আৰু কন্দোনত ভাগি পৰা প্লাৱিতা বাক কুহেলিয়ে চাই থাকিব নোৱাৰিলে। অবুজ দুখ এটাই বুকুখন গধুৰ কৰি তুলিলে; অথচ তাই কান্দিবও নোৱাৰিলে। এখোজ-দুখোজকৈ বাহিৰলৈ ওলাই আহি তাই পদুলিৰ শেৱালিজোপাৰ কাষত ৰ'লহি। কাহিলিপুৱাৰ কুঁৱলীৰ আচ্ছাদনে ঢাকি ৰাখিছিল সকলো। নিয়ৰত তিতি থকা শেৱালি ফুলপাহলৈ তাই হাতখন আগবঢ়াই দিছিল। 'শেৱালি ফুল তুমি ভালপোৱা নেকি কুঁৱলী? ময়ো পাওঁ— সাগৰগভীৰ কণ্ঠত উচাপ খাই উঠিছিল কুহেলি আৰু ফুলপাহ সৰি পৰিল তাইৰ হাতত। পাছলৈ ঘূৰি চাই দেখে সেয়া জিন্তুদা। এপলক তাইৰ ফালে চাই আঁতৰি গৈছিল তেখেত আৰু মন্ত্ৰমুগ্ধৰ দৰে কুহেলিয়ে তেওঁক চাই আছিল অদৃশ্য নোহোৱালৈকে।

সময় বাগৰিল। ফাইনেল ইয়েৰৰ ব্যস্ততাৰে কুহেলি ব্যস্ত হৈ পৰিল ক্লাছ, প্ৰেক্টিকেল আদিৰ লগত। বি এ ফাইনেল পৰীক্ষা হ'ল, পাৰো হ'ল সুকলমে। তথাপি ব্যস্ততাৰ মাজতো তাইক আমনি কৰিলেহি সেই কুঁৱলী, শেৱালি আৰু বহুবোৰে। উস্, কিবোৰ যে ভাবিছে তাই, মাত্ৰ কেইটামান দিনৰ পিছতে

তাই কাৰোবাৰ পত্নী হ'ব; আঁকোৱালি ল'ব এক নতুন জীৱন, স্বামীৰ সুখৰ বাবেই সমৰ্পণ কৰিব নিজক। শাহু-শহুৰৰ হৃদয়লৈকে বা কিমানখিনি সোমাব পাৰিব! অচিনাকি বহু সুখ-দুখ, সংঘাত - অচিনাকি জীৱনটোও চাগে' তাইৰ সহচৰ হ'ব। উস্ আৰু ভাবিব নোৱাৰিলে কুহেলিয়ে। উজাই অহা দুখবোৰ হেঁচি ধৰিবলৈ গাৰুটোতে তাই মুখখন গুঁজি দিলে জোৰকৈ।

কিমান সময় পাৰ হ'ল কুহেলিয়ে গমেই নাপালে। কাৰোবাৰ পদশব্দত তাই সচকিত হৈ উঠিল। নিজকে প্ৰকৃতিস্থ কৰাৰ সুযোগ নৌপাওঁতেই মাক কোঠাটোলৈ আহিল। তাইৰ অৱস্থাটো চাই মাকে আকুলভাৱে কৈ উঠিল— 'কিয় এনেকুৱাখন কৰিছ বাৰু? তই জানো নুবুজ কথাবোৰ?' কথাৰ লগে লগে মাকৰ দুধাৰি চকুলো পাৰ ভাঙি বৈ আহিল। গা ধুবলৈ বুলি তাই কোঠাটোৰ পৰা ওলাই গ'ল। শ্বাৱাৰৰ শীতল পানী আৰু তাইৰ চকুৰ লুণীয়া পানী একাকাৰ হ'ল। এৰা, নাৰীৰ জীৱন ঠিক পানীৰ দৰেই হ'ব লাগিব। যি পাত্ৰতে থয় তাৰেই বৰণ, আকাৰ ল'ব লাগিব। বিবাহিত জীৱনত সময় সাপেক্ষে সকালোৱে বিচৰাৰ দৰে তায়ো সেই বৰণ, সেই আকাৰ ল'ব পাৰিব লাগিব। মনটো স্থিৰ কৰিবলৈ চেষ্টা কৰিলে তাই।

• • •

এজাৰফুলীয়া কাপোৰযোৰে খুব শুৱাইছে তাইক। ড্ৰয়িংৰুমৰ কথা-বতৰাৰ টুকুৰাবোৰে তাইৰ কৰ্ণকুহৰতো আঘাত কৰিছে। তাইৰ বুকুখন অজান ভয়ত দুৰু-দুৰুকৈ কঁপিছে। ক্ষন্তেক পিছতেই তাই এজন মানুহৰ সন্মুখীন হ'ব, যাক তাই গোটেই জীৱনৰ মুখ্য অংশীদাৰ কৰি ল'ব। অৱশেষত সেই জটিল মুহূৰ্তটো আহি পালে। হাতত বঁটাটো লৈ কুহেলিয়ে ড্ৰয়িংৰুমত খোজ দিলে। লাজ আৰু শংকামিশ্ৰিত অনুভূতিযে যেন তাইৰ হৃদস্পন্দন বঢ়াই দিলে। 'এয়াই নহয় জানো বোৱাৰী, আহা মা।' কোনোবা এগৰাকী বয়োজ্যেষ্ঠৰ মমতাভৰা মাতটো তাইৰ কাণত পৰিল। টেবুলত বটাটো থৈ নিমাতে তাই তলমূৰকৈ ৰ'ল। কোনোবাজনে প্ৰস্তাৱ আগবঢ়ালে যে দৰা-কইনাৰতো পূৰ্বৰ চিনাকি নাই, গতিকে আজিয়েই সিদ্ধান্ত লোৱা হ'ব যেতিয়া সিহঁতে চা-চিনাকি হওক। কুহেলিৰ মাকে আন এটা কোঠালৈ অতিথিসকলক বাট দেখুৱাই নিলে, কোঠাটোত ৰৈ গ'ল কুহেলি আৰু তাইৰ ভাবী স্বামী, পাৰ হোৱা নিস্তব্ধ মুহূৰ্তকেইটাই তাইৰ হিয়া-মন মৃদুভাৱে উদ্বেলিত কৰি তুলিলে।

ঃ 'কুঁৱলী'। পুনৰবাৰ উচপ খাই উঠিল কুহেলি, এয়া কি! এজনেই ব্যক্তি আছে যি এই নামেৰে তাইক সম্বোধন কৰা, সেইজনেই তাইৰ সন্মুখত, তাইৰেই ভাবী স্বামীৰ ৰূপত। নিমিষতে হাজাৰ শেৱালিৰ শুভ্ৰতাই উজলাই তুলিলে তাইৰ হিয়া-মন। জ্যোতিৰ্ময় ফুকন অৰ্থাৎ সেই জিন্তু আগুৱাই আহিল তাইৰ কাষলৈ আৰু সুধিলে— 'তোমাৰ কিবা আপত্তি আছে'? ঘটনাৰ আকস্মিকতাই বাক্‌ৰুদ্ধ কৰি তুলিলে কুহেলিক। পৃথিৱীৰ সমস্ত লাজে আঁৱৰি ধৰিলে তাইক। তেখেতৰ চকুলৈও তাই বেছি পৰ চাই থাকিব নোৱাৰিলে। খিৰিকীৰে বাহিৰলৈ চাই দেখিলে কাষৰ গছজোপাত এযোৰ শালিকাই এটা বাহ সাজিছে!!❖❖

__শিক্ষক__ ঃ আমি জানো যে তাপ পালে বস্তু এটাৰ প্ৰসাৰণ হয় আৰু তাপ হেৰুৱালে বা চেঁচা কৰিলে বস্তুটোৰ সংকোচন হয়। তোমালোকৰ কোনোবাই ইয়াৰ এটা সহজ উদাহৰণ দিব পাৰিবানে?
__সুপন্দী__ ঃ পাৰিম ছাৰ। গৰমকালি দিন দীঘল হয় আৰু জাৰকালি দিন চুটি হয়।

সাফল্যৰ চকুপানী

সমীপ কুমাৰ ডেকা
প্ৰাক্তন ছাত্ৰ (২০০০ বৰ্ষ)
খণ্ড উন্নয়ন বিষয়া

তুমি এতিয়াৰ পৰা ছিৰিয়াছ নহ'লে পিছলৈ কেনেকৈ ডাঙৰ মানুহ হ'বা? যিহে প্ৰতিযোগিতাৰ যুগ আজিকালি। ঈশানক দেখিছা সি কিমান ছিৰিয়াছ!

সপ্তম শ্ৰেণীত পঢ়া ৰিয়নক মাকে অনবৰতে দি থকা সাৱধানবাণী এয়া। আজিকালি সি এইবোৰ সহজে হজম কৰিব পৰা হ'ল। কাৰণ তাৰ মনত থকা মতে ক্লাছ ৱানৰ পৰাই মাকৰ তাক লৈ এনে নকৰিবলগীয়া চিন্তা। কিজানিবা ল'ৰাটোৱে নম্বৰৰ প্ৰতিযোগিতাখনত কম নম্বৰ বহনকাৰী তালিকাৰ অন্তৰ্ভুক্ত হ'বলগীয়া হয়!

খানাপাৰা কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ ঈশান আৰু ৰিয়ন। সিহঁত দুটাৰ ভিতৰত ৰিয়ন নম্বৰৰ ফালৰ পৰা ঈশানতকৈ ভালেখিনি দূৰৈত, যোৱাকিটা বৰ্ষৰ ফলাফলৰ ভিত্তিত। সেইবোৰ একাষৰীয়া কৰি দুয়োৱে মাজত কিন্তু মজবুত বন্ধুত্ব। ঈশান সহজ-সৰল যদিও ৰিয়ন অলপ উৎপতীয়া। অৱশ্যে তাৰ সৰুকালৰ এই উৎপতীয়া স্বভাৱ মুঠেই হানিকাৰক নাছিল, ববং তাৰ সেই গুণটোৰ বাবেই স্কুলখনৰ প্ৰায়ভাগৰে প্ৰিয় হৈছিল সি। সহজ-সৰল ঈশান আৰু উৎপতীয়া ৰিয়ন, দুটা ভিন্ন উপাদানৰ যেন এক পাৰফেক্ট কম্বিনেচন!

অ' মা, তুমি মোক ইমান ভয় খুৱাই কিয় থাকা অনবৰতে? ঈশানৰ সমান বা তাতকৈ বেছি নম্বৰ নাপালে মোৰ ভৱিষ্যৎ অন্ধকাৰ বুলি কিমাননো আৰু শুনাই থাকা? পাওক দিয়া সি বেছি নম্বৰ, মোৰ কোনো দুখ নাই। সি বেছি নম্বৰ পালে মোৰ ভালহে লাগে, কিয়নো তাৰ কোনো অহংকাৰ নাই।

ৰিয়নৰ প্ৰত্যুত্তৰত মাক হতবাক হয়। নেদেখাজনক কয়, 'হে প্ৰভু, আমাৰ ৰিয়নক চকু মেলি চোৱা আৰু!'

মাজে মাজে ৰিয়নে ঈশানক মাকৰ কথাবোৰ কয়। 'ঐ ঈশান, যি দেখিছো তোৰ নম্বৰবোৰেই মোৰ অন্ধকাৰ ভৱিষ্যতৰ বাবে জগৰীয়া।'

ঈশানে মাথো হাঁহি দিয়ে।

সেই হাঁহিৰ অর্থ সহজে বুজি পায় ৰিয়নে।

এনেদৰেই দুয়ো মেট্ৰিকৰ দুৱাৰডলিত উপনীত হ'ল। ৰিয়নৰ মাকৰ অৱস্থা কোনো মানসিক ৰোগীতকৈ কম নহয় তেতিয়া। ৰিয়নে এইবাৰ ভাল নম্বৰ নাপালে যে কি হ'ব ভাবি তৎ নাইকিয়া মাকৰ। ৰিয়ন পূৰ্বৰ দৰেই স্বাভাৱিক; ৰিজাল্ট আহিল। আশা কৰা ধৰণে ঈশানে বহুত ভাল নম্বৰ লাভ কৰিলে ৰিয়নতকৈ। স্বাভাৱিকতে ৰিয়নৰ মাকৰ দুখ কুলাই পাচিয়ে নধৰা হ'ল।

ৰিজাল্ট বৰ বেছি ভাল নহ'লেও ৰিয়ন নিজে তাৰ ফলাফলক লৈ সন্তুষ্ট। ইফালে ঈশানৰ কৃতকার্যতা সি তাৰ স'তে চেলিব্ৰেট কৰে আত্মিকভাৱে।

পৰ্যায়ক্ৰমে হায়াৰ ছেকেণ্ডাৰী। তাৰ পিছত মেডিকেল। ঈশানৰ মেডিকেল যাত্ৰাত ৰিয়ন ইমানেই সুখী হয় যে তাৰ হৈ সি এইবাৰ পার্টি দিয়ে লগৰবোৰক।

এখন তুলনামূলকভাৱে বেনামী কলেজৰ পৰা প্ৰাণী বিজ্ঞানত মেজৰ লৈ বিএছচি ডিগ্ৰীটো উলিয়াবলৈ সক্ষম হ'ল ৰিয়ন। ভাল নম্বৰ লৈয়ে ওলাল সি। কিন্তু সেই নম্বৰখিনিৰ

ওচৰে-পাঁজৰে তাৰ দৰে অসংখ্যই ভিৰ কৰে। সুযোগ থকা সত্ত্বেও পাছলৈ পঢ়াৰ পৰিকল্পনা ত্যাগ কৰি সচৰাচৰ দেখা সপোনৰ পৰা কিছু পৃথককৈ কিবা এটা কৰাৰ পৰিকল্পনা ৰচিলে ৰিয়নে। ইতিমধ্যেই ৰিয়নৰ মাকে ত্যাগ কৰিছিল তাক লৈ দেখা অবাস্তৱ ভৱিষ্যতৰ সপোনবোৰ। ধৰি লৈছিল সি যেন জীৱনটো বৰ বেছি ভালকৈ চলাব নোৱাৰিব! চিন্তা বাদ দিছিল তাৰ ভৱিষ্যতক লৈ।

বন্ধু ঈশানৰ মেডিকেল শিক্ষা চলি থাকিল অৱধাৰিতভাৱে। বন্ধুত্ব তেতিয়াও বাহাল দুয়োৰে মাজত।

পৰিকল্পনা অনুসৰি ৰিয়নে বাচি ল'লে এক সুকীয়া কর্মক্ষেত্র। সমাজত প্রচলিত চাকৰিমুখী ধাৰণাকণ নস্যাৎ কৰি সি মন মেলিলে আদর্শ খেতিয়ক তথা Entrepreneur হোৱাৰ। সেই উদ্দেশ্যৰে কাৰিকৰী প্রশিক্ষণ গ্রহণ কৰি বৈজ্ঞানিক পদ্ধতিৰে আৰম্ভ কৰিলে এখন সৰু মীন পাম। মাত্র পাঁচটা বছৰতে পাঁচৰ পৰা দহ, দহৰ পৰা বিশ, ত্রিশ হৈ দুশ বিঘালৈ বৃদ্ধি পালে ৰিয়নৰ পামখনৰ আকাৰ। তাৰ পামখনে ৰূপ পালে এখন আদর্শ 'সমন্বিত মীন পাম'ৰ। মাছ, মাছৰ পোনা, গাখীৰ, কুকুৰা, গাহৰি, কণী, কল সকলোবোৰ উভৈনদী থকা এখন পূর্ণাংগ কৃষিপাম।

চাওঁতে চাওঁতে ৰিয়নৰ ধাৰণাই প্রসাৰ লাভ কৰিলে ভাবিব নোৱাৰা ধৰণে। আগবাঢ়ি আহিল বহুতো শিক্ষিত যুৱক-যুৱতী তাৰ ধাৰণাৰ স'তে সংযোগ হ'বলৈ। আশা কৰা মতেই তাৰ অধীনত কাম কৰা কর্মচাৰীৰ সংখ্যাই চুলেগৈ শতকৰ ঘৰ। অর্থাৎ এশটা পৰিয়ালৰ ভৰণ-পোষণৰ বাট তাৰ যোগেদিয়েই মুকলিল। মনলৈ আহিল নতুন নতুন পৰিকল্পনা; সি আৰু পিছলৈ ঘূৰি চাবলগীয়া নহ'ল।

সাৰিত্রী কোঅপাৰেটিভ ছ'ছায়টিৰ আজি প্রথম বর্ষপূর্তি। সেই উপলক্ষে এক অনুষ্ঠানৰ আয়োজন কৰিছে ৰিয়নে। উদ্বোধক হিচাপে আমন্ত্রণ কৰিছে জিলা উপায়ুক্ত মহোদয়ক। বিশিষ্ট অতিথিৰ আসনত থাকিব বন্ধু ঈশান শইকীয়া। ঈশান আজিকালি এখন ব্যক্তিগত নার্ছিং হোমৰ মেডিচিন বিভাগৰ চিকিৎসক।

যথাসময়ত সাৰিত্রী কোঅপাৰেটিভ ছ'ছায়টিৰ প্রথম বর্ষপূর্তি অনুষ্ঠানটিৰ শুভাৰম্ভণি কৰিলে উপায়ুক্ত মহোদয়ে। ভাষণত ৰিয়নক ভূয়সী প্রশংসা কৰি আজিৰ সমাজত তেওঁ এক আদর্শ বুলি ব্যক্ত কৰিলে। এইবাৰ বক্তব্য দিবলৈ আগবাঢ়িল স্কুলীয়া বন্ধু তথা চিকিৎসক ঈশান শইকীয়া। আৰম্ভ কৰিলে বিশিষ্ট অতিথিৰ ভাষণ।

'আজিৰ এই ঐতিহাসিক দিনটোত মই মোৰ বন্ধু ৰিয়ন আৰু তেওঁৰ মাতৃ সাৰিত্রী ডেকাক জনাইছোঁ আন্তৰিক অভিনন্দন। মোক এই অনুষ্ঠানলৈ আমন্ত্রণ কৰাৰ বাবে মই ৰিয়নক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আপোনালোকৰ আগত কিছু পুৰণি স্মৃতি ৰোমন্থন কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। খুড়ীদেউ, স্কুলত থাকোঁতে আপুনি যে ৰিয়ন আৰু মোৰ নম্বৰৰ তুলনা কৰিছিল মনত আছেনে?'

ৰিয়নৰ মাকে লাজ লাজকৈ মূৰ দুপিয়ায়।

ঈশানে আকৌ ক'বলৈ ধৰিলে— 'সি স্কুলৰ সময়ৰ পৰাই আনৰ সুখত সুখী হোৱা মানুহ। সি নিজক লৈ বৰ বেছি চিন্তিত নাছিল, কেৱল আনৰ বাবে কি কৰিব পাৰে সেইবোৰ চিন্তাইহে তাক বৰকৈ আমনি কৰিছিল। পৰীক্ষাত নম্বৰ পাবলৈ নিজে সিমান ইচ্ছা নকৰিলেও কিন্তু মোৰ দৰে আন দহজনক সি উৎসাহ যোগাইছিল পার্যমানে। এবাৰ সি মোক এযাৰ কথা কৈছিল, চাবি কিন্তু তই যদি মেডিকেল ছিট নাপাৱ তেন্তে একোৱেই কৰিব নোৱাৰিবি জীৱনত। মই সুধিছিলোঁ, আৰু তই! সি কৈছিল, মোৰ দায়িত্ব তোতকৈ বহুত গধু�ৰ। গতিকে মোক লৈ বেছি চিন্তা নকৰিবি। তই মাত্র মেডিকেলত ছিটটো ল'বি। আজি মই উপলব্ধি কৰিছোঁ আচলতে সি কি গধু�ৰ দায়িত্বৰ কথা কৈছিল। তাৰ দায়িত্ব পালনৰ আমি সকলোৱে আজিৰ চাক্ষুস সাক্ষী। খুড়ী, আজি চাওক সি কিমান সজ কামত ব্রতী হৈ আছে। সি আজি কিমান পৰিয়াল পুহিছে! সমাজলৈ ৰিয়নে যিমান অৱদান আগবঢ়াইছে সেয়া মই ডক্টৰ হৈ দিব পৰা নাই। সি মোৰ দৰে নম্বৰ পোৱা হ'লেতো কাৰোবাৰ নির্দেশত ক'ৰবাত কিবা কৰি থাকিলহেঁতেন! আৰু, তেতিয়া আমি নাপালোঁহেঁতেন আজিৰ ৰিয়নজনক। সেই সময়ত আমাৰ মাজত নম্বৰৰ পার্থক্য আছিল আৰু আজি? আজিৰ পার্থক্যটো হ'ল মই কেৱল বেলেগৰ নির্দেশত কাম কৰি গৈছোঁ আৰু তাৰ নির্দেশত এশজনে কাম কৰিছে। গতিকে কওঁকচোন এতিয়া কোন প্রকৃততে শ্রেষ্ঠ?'

উপস্থিত সকলোৰে হাতচাপৰিত যেতিয়া ৰিয়নে মাকৰ ওচৰলৈ আহি ভৰি চুই সেৱা জনালে, মাকৰ চকুত বৰষি আহিল এধাৰিমান প্রকৃত সাফল্যৰ অনুভৱী সাঁচতীয়া চকুপানী।❖❖

অসম বন্ধ

নাজনীন আহমেদ
প্ৰাক্তন ছাত্ৰী (২০১৩ বৰ্ষ)
সহকাৰী অধ্যাপক
মীন মহাবিদ্যালয়, ৰহা

ক'লা মেঘে আকাশখন ছানি ধৰিছে। যিকোনো মুহূৰ্ততে পৃথিৱীৰ বুকুলৈ নামি আহিব পাৰে এজাক বৰষুণ। বেলিটো চকামকাকৈ ওলায়েই পুনৰ মেঘৰ বুকুত আঁৰ হৈ গ'ল। খাবলৈ অহা শালিকা হালেও ঠাণ্ডাৰ প্ৰকোপত পুনৰ বাহলৈ ঘূৰি গ'ল। এনে লাগিছে যেন প্ৰকৃতিয়েও তাইৰ নিত্য-নৈমিত্তিক কাৰ্য তালিকাৰ পৰা কিছু বিৰতি বিচাৰিছে!

এনে এটি শীতল পুৱা সকলোৰে প্ৰিয় আৰু যদিহে বন্ধৰ দিন হয় তেতিয়াতো কথাই নাই। গৰম গৰম পকৰা খাই কথাৰ মহলা মেলাতকৈ আৰু সুখৰ কথা কি হ'ব পাৰে!

আজিও তেনেকুৱাই এটি দিন।

কোনোবা এটা সংগঠনে আজি অসম বন্ধ ঘোষণা কৰিছে। ১২ ঘণ্টীয়া বন্ধ। পুৱা ৫ বজাৰ পৰা আবেলি ৫ বজালৈ।

পুৱাৰ পৰা একো যান-বাহন চলা নাই। ৰাস্তাতো মানুহৰ সমাগম নাই। সকলোৰে ভয়, জানোচা কিবা গণ্ডগোল হয়। যোৱাটো অসম বন্ধত বহুকেইখন জিলাতে স্থানীয় লোকে বাছ, মটৰ চাইকেলকে ধৰি বহুকেইখন তেলৰ গাড়ী ৰাস্তাত জ্বলাই দিছিল। গতিকে এইবাৰ বন্ধৰ প্ৰভাৱ অলপ বেছিকৈয়ে পৰিছে। নপৰিবনো কিয়, নিজৰ জীৱনটোলৈ কাৰণো মোহ নাই!

আজি অসম বন্ধ। বহুতৰে মনটো আজি ভাল লাগি আছে। কিয়নো চাকৰিয়ালবোৰে আজি দৌৰা-দৌৰিকৈ অফিচলৈ যাব নালাগে, দোকানীবোৰে আজি দোকান খুলিব নালাগে, গাড়ীচালকে গাড়ী চলাব নালাগে আৰু বহুতে আজি নিজৰ কৰ্তব্যৰ পৰা বিৰত থাকিব পাৰিব।

কিন্তু বাপুকণ!

দৈনিক ৰিক্সা চলাই উপাৰ্জন কৰা টকাকেইটাৰে কোনোমতে বাপুকণে ঘৰখন চলাই আছে। বন্ধ বুলিয়ে আজি ঘৰতে বহি দিনটো কটাব সি জানো পাৰিব?

জিলাখনৰ এখন ভিতৰুৱা গাঁৱত বাপুকণৰ ঘৰ। ঘৰ বুলিবলৈ দুটা কোঠাৰ এটি পৰিত্যক্ত ঘৰ। নাই কোনো বিশেষ আচবাব। দুখন পালেং, এখন কাঠৰ টেবুল, এটা সৰু আলমাৰি আৰু কোঠা এটাৰ কোণত ৰান্ধনীশালটো। পুৰণি চালখনৰ অ'ত-ত'ত কেইটামান ফুটা। ঠায়ে ঠায়ে পলিথিনেৰে বৰষুণৰ পানী সোমাব নোৱাৰাকৈ ফুটাবোৰ বন্ধ কৰি থোৱা আছে। জীৱন কটাবলৈ অত্যাৱশ্যকীয় সামগ্ৰীখিনি বাপুকণে যোগাৰ কৰিব পৰা নাই। ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী তিনিটাৰে স'তে পাঁচজনীয়া পৰিয়ালটো সি কোনোমতে পোহপাল দি আছে।

বহু কষ্টৰ অন্তত বাপুকণে ৰিক্সাখন কিনিবলৈ সক্ষম হৈছিল। সেইখনকে সাৰথি কৰি সি পৰিয়ালটোৰ দৈনিক খোৱা-বোৱাৰ যোগাৰ কৰে। এদিন ভাৰা লৈ নগ'লেই ঘৰত খোৱাৰ নাটনি হয়। গতিকে আজি বন্ধ বুলি ঘৰতে বহি থকাৰ সুখকণ বাপুকণে ল'ব নোৱাৰে।

নানা কথা ভাবি-চিন্তি বাপুকণে ৰিক্সাখন লৈ ওলাই যোৱাটোকে ঠিক কৰিলে। কিজানি কেইটকামান যোগাৰ কৰিবই পাৰি! ভোকাতুৰ ল'ৰা-ছোৱালীকেইটাৰ লগতে শয্যাশায়ী ঘৈণীয়েকৰ শেঁতা মুখখন সি আৰু চাই থাকিব নোৱাৰে। কিবা এটা খোৱাৰ কথা ভাবি সি ৰুমীক মাতিলে। ৰুমী বাপুকণ আৰু মালতীৰ ডাঙৰ জীয়েক। বয়স ১১ বছৰ।

ৰুমীৰ বয়স তেতিয়া ৯ বছৰ। গাঁৱৰে স্কুল এখনৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰী। তাই সদায় স্কুললৈ যাওঁতে নতুনকৈ স্কুল যাব ধৰা ভায়েক মণ্টুক লগত লৈ গৈছিল। সেই সময়তে মাকৰ গাত দেখা দিয়ে এক অচিন ৰোগ। ডাক্তৰক দেখুৱালে। ডাক্তৰে কেইটামান পৰীক্ষাৰ লগতে বহু ঔষধৰ নাম লিখি এখন ডাঙৰ লিষ্ট বাপুকণৰ হাতত তুলি দিলে। জমা থকা গোটেইখিনি টকা ভাঙিলে, অনেক ধাৰো লাগিল, তথাপি বেমাৰটো সম্পূৰ্ণৰূপে ধৰা নপৰিল। দৰব সলাওঁতে সলাওঁতে দৈনিক খৰচ বাঢ়ি গৈ থাকিল। যোৰা মাৰিবলৈ গৈ বাপুকণেও নিশা দেৰিলৈকে ভাৰা মাৰিবলৈ ধৰিলে। খোৱা-বোৱা, পিন্ধা-উৰাত খৰচ কমাই দিলে। তাৰ মাথোঁ এটাই চিন্তা— মালতী সোনকালে সুস্থ হৈ উঠক।

'ৰুটী দুখন আছে, ৰঙা চাহৰ লগতে খাই লওকহি।' - ৰুমীৰ মাতত ভাবত বিভোৰ হৈ থকা বাপুকণ অলপ সচকিত হ'ল।

চাউলকেইটামান আছে, দুপৰীয়াটো যেনি-তেনি চলি যাব। চেনিও শেষ হ'ল। ঘৰৰ জিকাকেইটাৰ বাহিৰে একো পাচলি নাই।

বাপুকণে আনমনা হৈ শুনি গ'ল। তাৰ বাহিৰেও আন কি উপায়; আজি কিছুদিনৰ পৰা বন্ধৰ প্ৰকোপ ইমান বাঢ়িছে যে দিনটোৰ খোৱাৰ যোগাৰখিনিও সি কৰিব পৰা নাই।

ৰুমীৰ স্কুল এৰা দুবছৰে হ'ল। মাকৰ বেমাৰ হো�ৰাৰে পৰা ঘৰৰ সকলো দায়িত্ব তাইৰ। তথাপি তাই মণ্টুক স্কুললৈ পঠিয়াই আছে। সৰু ভায়েক ৰাজুও লাহে লাহে স্কুললৈ যাব পৰা হৈছে।

আজি বন্ধৰ দিনত ক'লৈ যায়? এনেয়ে বিপদে পাছ এৰা নাই। সি দুৱাৰমুখ পাওঁতেই বিছনাৰ পৰা মালতীয়ে মাত লগালে। তাইৰ ভয় হৈছে কিজানি কিবা অঘটন ঘটে!

কিবা গণ্ডগোলৰ উমান পালেই উভতি অহাৰ প্ৰতিশ্ৰুতি দি বাপুকণ ওলাই গ'ল। মালতীৰ ৰুগীয়া শৰীৰটো আকৌ আগৰ দৰেই বিছনাত পৰি ৰ'ল।

মনত আশা এটা লৈ বাপুকণে বিক্সাখন লৈ ওলাই গ'ল। সি ভগৱানক প্ৰাৰ্থনা কৰিলে যাতে কিবা কৰি হ'লেও ৰাতিৰ সাঁজটো যোগাৰ কৰিব পাৰো।

ৰিক্সাখন টাউনৰ ফালে বুলি আগবাঢ়ি গ'ল। ৰাস্তাত এখনো গাড়ী নাই। কাষৰ দোকানবোৰো বন্ধ, কাষৰ মিল, গুদাম আজি একো খোলা নাই।

বাপুকণে ভাবিলে অসম বন্ধবোৰৰ পৰা কি লাভ হৈছে? আজি এটা সংগঠনে বন্ধ দিছে, কাইলৈ আন এটাই, পৰহিলৈ আৰু বেলেগ এটাই— যেন অসম বন্ধ দিয়াৰ প্ৰতিযোগিতাহে চলিছে! কিন্তু লাভ হৈছে কাৰ? এইবোৰ বন্ধই ধনী, শাসক শ্ৰেণী নাইবা ধন কুবেৰৰ গাৰ নোম এডালো লৰাব পৰা নাই। বিপদত পৰিছে যদি আমাৰ দৰে দুখীয়া-নিছলা, দিন হাজিৰা কৰি খোৱা দুৰ্ভগীয়াবোৰহে। দেশত কি আমাৰ দৰে মানুহৰ জীয়াই থকাৰ কোনো অধিকাৰ নাই? নে যিখিনি জীয়াই আছে সিহঁতৰো চেপি চেপি ৰস উলিয়াই মাৰিবৰ মন!

বাপুকণে ঠিকেই ভাবিছে। দেশ স্বাধীন হ'ল যদিও সিহঁতবোৰ এতিয়াও পৰাধীনতাৰ কবলত। ইপিনে, দুখীয়াৰ শোষণ, আনপিনে সকলোতে দুৰ্নীতি। আজি দেশৰ অধিকাংশ লোকেই দুৰ্নীতিৰ পথেৰে আগবাঢ়ি গৈছে। সকলোৰে পেটত দুৰ্নীতিয়ে ঠাহ খাই আছে। নহ'লে কি সাধাৰণ এটা চাকৰি কৰিয়েই এজন মানুহে দুই-তিনিটাকৈ ৰাজমহলৰ দৰে ঘৰ বনাই বিলাসী গাড়ীত ঘূৰি ফুৰিব পাৰে? এনে লাগে দেশখন সিহঁতৰহে, বাকীবোৰৰ নহয়।

ৰিক্সা... টাউনলৈ যাবা নেকি?

কথাবোৰ ভাবি ভাবি আহোঁতেই এগৰাকী মানুহৰ মাতত বাপুকণে ৰিক্সাখন ৰখালে।

যাম, উঠক। বাপুকণৰ মনটো আজি নানা চিন্তাৰে ভৰপূৰ। ভাৰাটো উঠাই লৈ কথাবোৰ আকৌ পাগুলিব ধৰিলে।

কিন্তু এয়া কি? কিছুদূৰ যোৱাৰ পিছতে সন্মুখত যি কাণ্ড দেখিলে তাৰ আৰু আগবাঢ়িবৰ সাহস নহ'ল। কিছুমান মানুহে ৰাস্তাৰ মাজতে গাড়ী এখন ৰখাই ড্ৰাইভাৰজনক মাৰিব ধৰিছে। কেইজনমানে লাঠী-জোং যিহকে পাইছে হাতত লৈ গাড়ীখন ভগাত ব্যস্ত।

বাপুকণ শিল পৰা কপৌৰ দৰে থৰ লাগি ৰ'ল। কি কৰিব, আগবাঢ়ি যাব নে ঘূৰি আহিব? সিহঁতে জানো তাক যাব দিব? কোনোমতে এটা ভাৰা পাইছিল সি।

নাই, নাই সি আৰু আগবাঢ়িব নোৱাৰে। কোনোবাই দেখাৰ আগতে ঘূৰি যোৱাটো ঠিক হ'ব। ভাৰাটো নমাই সি ৰিক্সাখন ঘূৰাইছিলহে মাথোন...

'ঐ ৰিক্সা, ক'ত আহিছ? নাজান নেকি আজি বন্ধ বুলি, নে মৰিবলৈ মন গৈছে?'

এজন ডেকা ল'ৰাৰ মাতত বাপুকণৰ উশাহ বন্ধ হোৱাৰ উপক্রম হ'ল। 'সিহঁতে মোক মাৰিব নেকি? যদি ৰিক্সাখন ভাঙি পেলায়?' - কথাটো ভাবোতেই তাৰ গোটেই শৰীৰটো জিকাৰ খাই গ'ল।

দুজনমান মানুহে তাক আগভেটি ধৰিলেহি। প্রত্যেকৰে মুখত ক্রোধৰ জুই, যেন এতিয়াই সকলো পুৰি ছাৰখাৰ কৰি দিব! তাৰ উশাহবোৰ যেন চুটি হৈ আহিছে!

বন্ধৰ দিনত ভাৰা মৰাৰ কোব বেছি হৈছিল?

সি কিবা এটা কোৱাৰ আগতে এজনে হাতত থকা লাঠীডালেৰে ৰিক্সাখনত জোৰকৈ কোব এটা মাৰিলে। কোবটো যিন ৰিক্সাখনত নালাগি তাৰ বুকুতহে খুন্দিয়ালেহি!

মাৰ ইয়াক আজি, আমিবোৰ কোন চিনিয়েই পোৱা নাই। এইবুলি এজনে পাছফালৰ পৰা সর্বশক্তিৰে এটা গোৰ শোধালে। সি সহ্য কৰিব নোৱাৰি সন্মুখত বাগৰি পৰিল। তাৰ চকুৰ আগতে মৰমৰ ৰিক্সাখন সিহঁতে ভাঙি পেলালে। তাৰ কাকুতি-মিনতিবোৰ কাৰো কাণত নোসোমাল। সিহঁতে অহর্নিশে তাৰ শৰীৰত লাঠি, গোৰ শোধাই গুচি গ'ল।

অসহ্য বিষত তাৰ গোটেই শৰীৰটো জনজনাই গ'ল। শৰীৰৰ শেষ শক্তিকণ খটুৱাই সি কোনোমতে থিয় হ'ল। তাৰ মূৰটো আচন্দ্রাই কৰিলে, সন্মুখতে মৰমৰ ৰিক্সাখনৰ ভগ্নাৱশেষ। সকলো শেষ, বাপুকণৰ সকলো আশা-ভৰসা তাৰ চকুৰ আগতে ভাগি-ছিণ্ডি চুৰমাৰ হৈ গ'ল। আগুৱাই যোৱাৰ শক্তিকণো হেৰুৱাই সি তাতে বহি পৰিল।

কিমান সময় সি তেনেদৰেই পৰি ৰ'ল তাৰ কোনো উমান নাই। বেলিটো পশ্চিম আকাশলৈ অগ্রসৰ হৈছে। তাৰ মনলৈ আহিল, ৰাতিৰ সাঁজত খাবলৈ একো নাই, ঘৈণীয়েকৰ ঔষধো কেতিয়াবাই শেষ হৈছে। কোনখন মুখ লৈ সি ঘৰলৈ উভতি যাব?

বন্ধৰ সময় শেষ হৈছে, কাষৰ দুই-এখন দোকানো লাহে লাহে খুলিব ধাৰিছে। সি বাকী কৰি খোৱা দোকানখনলৈ আগবাঢ়ি গ'ল।

কি লাগে?

চাউল ১ কেজি আৰু এপোৱা দাইল বাকীকৈ।

অলপ ৰ'ব লাগি, দোকানখন খুলিছোহে, যাত্রাই হোৱা নাই।

সি দোকানখনৰ এটা কোণত অপেক্ষা কৰি ৰ'ল। এজন-দুজন কৰি দোকানত গ্রাহকৰ ভিৰ লাগিল। দোকানীজন গ্রাহকৰ লগত ব্যস্ত হৈ গ'ল, বাপুকণলৈ কোনো কাণসাৰ নাই।

মোৰ বজাৰখিনি অলপ সোনকালে...

অলপ ৰ'ব নোৱাৰ নেকি? দিনটো দোকান বন্ধ আছিল, একো মাল বেচাই যোৱা নাই। অহাৰ পৰা ৰক্ষাই দিয়া নাই। ইমানে সোনকালে লাগে যদি পইচা লৈ আহিব লাগে। আজি এমাহৰ ধাৰ মৰাই নাই, আকৌ বাকী।

বাপুকণৰ আৰু একো ক'ব মন নগ'ল। তাৰ চকুযুৰি সেমেকি উঠিছে। লাহে লাহে সি দোকানখনৰ পৰা আঁতৰি আহিল।

ভগৱানো কি যে নিষ্ঠুৰ; বাপুকণৰ এই দুৰৱস্থা যেন উপভোগহে কৰি আছে। আজি সি খালী হাতে ঘৰলৈ উভতিছে। ল'ৰা-ছোৱালীকেইটাই ৰাতিটো লঘোনে থাকিব লাগিব। অসহায় হৈ সি দুৱাৰখন ঠেলি সোমাই আহিল।

দেউতা, কিয় ইমান দেৰি কৰিলি?

ৰুমীৰ চিঞৰত সি যেন সম্বিত ঘূৰাই পালে। কণমানি চাকিগছিৰ পোহৰত সি দেখিলে মালতীৰ নিথৰ শৰীৰটো বিছনাত পৰি আছে। মণ্টু আৰু ৰাজুৱে মাকৰ গাত ধৰি চিঞৰি চিঞৰি মাকক মাতি আছে। অলপ আঁতৰত দুৱাৰমুখত ৰুমীয়ে হিয়া ঢাকুৰি কান্দিছে। তাৰ আৰু বুজিবলৈ বাকী নাথাকিল।

ক'ব নোৱাৰাকৈয়ে তাৰ ভৰি দুখনে যন্ত্রচালিতৰ দৰে তাক বিছনাখনৰ পিনে আগুৱাই নিলে।❖❖

অৱশেষ

প্ৰবীণ দত্ত
প্ৰাক্তন কৰ্মচাৰী
মীন মহাবিদ্যালয়, ৰহা

ঘৈণীয়েকৰ স'তে বিচ্ছেদ নঘটাহেঁতেন যেনেদৰে সুৰ দাস কবি হ'ব নোৱাৰিলেহেঁতেন— বগী পেহীৰ পাৰ চুৰ নকৰাহেঁতেন ময়ো আজি শিক্ষিত আৰু কৰ্মপটু ডেকা হিচাপে প্ৰতিষ্ঠিত হ'ব নোৱাৰিলোঁহেঁতেন। বগী পেহীৰ পাৰ চুৰ কৰা ঘটনাটো মোৰ কৈশোৰৰ উন্মাদনা কিম্বা মাঘ বিহুৰ মাদকতাসুলভ স্বাভাৱিক ঘটনা নাছিল। যদিও ইয়াক প্ৰকৃততে দৰিদ্ৰতাজনিত এক দুৰ্ঘটনা বুলিও ক'ব পাৰি।

বগী পেহী আমাৰ গাঁৱৰ কেওকিছু নোহোৱা বিধৱা তিৰোতা। হাঁহ-পাৰ পুহি আৰু কাপোৰ বৈয়েই জীৱন নিৰ্বাহ কৰিছিল বগী পেহীয়ে। কিন্তু ল'ৰালিৰ অপুষ্ট মনটোৱে বগী পেহীৰ কঠুৱা উক্তিত ভয় খোৱা আৰু কৌতুক উক্তিত হঁহাৰ বাহিৰে তেওঁৰ ব্যক্তিগত সুখ-দুখক উপলব্ধি কৰিব পৰা নাছিল।

মোৰ বয়স তেতিয়া প্ৰায় বাৰ বছৰ। ভেবেলা আৰু নগেন মোৰ তেতিয়া নলেগলে লগা বন্ধু। একেলগে গৰু চৰাবলৈ যোৱা, আম চুৰ কৰি খোৱা, নৈত সাঁতোৰা, স্কুলৰ কাজিয়াত পৰস্পৰে ভাগ লোৱা বন্ধু... প্ৰায় সকলো কামেই লগে-ভাগে কৰাটো নিয়ম।

এবাৰ মাঘৰ বিহুত আমি তিনিও মিলি ভেলাঘৰ সাজি উৰুকাৰ দিনা ভোজ খোৱাৰ দিহা কৰিলো। তিনিও ঠিক কৰিলো— ভোজৰ বাবে হাঁহ বা পাৰ কিবা এবিধ আনিমেই। কিন্তু পইচা? আমাৰ তিনিওৰে ঘৰৰ অৱস্থা লাওলোৱা। মাংসৰে ভোজ খোৱাৰ বাবে চান্দা দিয়াৰ সামৰ্থ্যই বা আমাৰ কাৰ আছে! গতিকে ঠিক কৰিলো চোৰকে কৰা যাওক। এনেয়েতো মাঘৰ বিহুত চোৰ কৰাৰ প্ৰথা আছেই। মাঘ বিহুক চোৰ বিহু নামকৰণ কৰি অকলশৰীয়া বগী পেহীৰ ঘৰতে আমাৰ কামফেৰা সমাধা কৰাৰ প্ৰস্তুতি হাতত ল'লো। অভিযান সফলতাৰেই সমাপ্ত হ'ল যদিও আমি ধৰা পৰিলো। আমাক ধৰা পেলালে স্বয়ং মোৰ দেউতাই। আমি পাৰযোৰ লৈ লৰ মাৰোতেই বগী পেহীয়ে হাতত চাকিটো লৈ চোৰ চোৰ বুলি ওলাই আহিছিল। বগী পেহীৰ বিননি শুনি দেউতাইঁত গৈ তাত উপস্থিত হ'ল। তেওঁলোকে চোৰ অহা বাটটো নিৰীক্ষণ কৰি পালে এখন গামোচা— আৰু সেই গামোচাখন ময়েই মূৰত মাৰি নিছিলো।

দেউতাই তীব্ৰ বেগে দৌৰি আহি এচাৰিৰে সৰৌপ্ সৰৌপ্কৈ মোৰ পিঠিত উধাই-মুধাই কোবাবলৈ ধৰিলে। মই লৰ মাৰিলো। সেই যি লৰ দিলো— দিলোৱেই, উভতি আৰু নগ'লোঁ। বালি টনা ট্ৰাক এখনত উঠি চহৰ পালোঁহি। চহৰৰ চাহ দোকান এখনত কাপ-গিলাছ ধুই দুটা বছৰ কটাই ওলালোহি ডিব্ৰুগড়। ইতিমধ্যে চহৰৰ দুটা বছৰে মোক যথেষ্ট অভিজ্ঞ কৰি তুলিছিল। ডিব্ৰুগড়লৈ আহি চাৰি বছৰ মান গেলামালৰ দোকান এখনত থাকিলো। ইয়াতেই লগ পালে মোৰ জীৱনৰ দিক্-নিৰ্ণয়কাৰী বন্ধু অৰূপ চৌধুৰীক। সি দিনত দোকানত কাম কৰিছিল-ৰাতি গৈছিল স্কুললৈ। তাৰ উপদেশ মতেই ময়ো নিশাৰ স্কুলত নাম লগালো।

মেট্ৰিক পাছ কৰি উঠি কলেজত নাম লগালো। তাৰ পিছত দুয়ো মিলি দোকান এখন দিলো। কিতাপৰ দোকান। দিনত দোকানী, ৰাতি হ'লে ছাত্ৰ।

এনেদৰে টকা দুটামান হ'ল। অম্নি বাছৰ টিকেট কাউণ্টাৰ এটাও ল'লো। জীৱনলৈ সচ্ছলতা আৰু নিৰাপত্তা আহিল। বন্ধু-বান্ধৱ বাঢ়িল।

ইমান দিনে কিন্তু মই ঘৰলৈ একো খা-খবৰ দিয়া নাছিলো। এদিনচোন মোৰ মনটোৱে হঠাৎ কৈ উঠিল— সেইদিনাৰ ঘটনাটোততো দেউতাৰ দোষ নাছিল। দোষী ময়েই আছিলো। দেউতাৰ মাৰকেইটা খাই পলোৱা বাবেইতো জীৱনটোৰ গতি লাগিল। মাৰ কি অৱস্থা হৈছে। ভনীজনীৰ চাগে বিয়া হৈ গ'ল! ভাইটো চাগে বৰ্তমান হালোৱা হৈ গৈছে!

এদিন ঘৰলৈ বুলি ওলালোঁ। ঘৰৰ সকলোৰে বাবে কাপোৰ-কানিও কিনি ল'লোঁ। মাৰ বাবে এখন ধুনীয়া চাদৰ, ভনীজনীৰ বাবে এযোৰ চাদৰ-মেখেলা, দেউতালৈ ধুতী-পাঞ্জাবী আৰু ভাইটোলৈ ল'লো 'লংপেণ্ট-ছার্ট'ৰ কাপোৰ। লগত টকাও ল'লো দুহেজাৰ। মনতে ভাবিলো- দেউতাৰ হাততেই টকাকেইটা দিম। তেওঁৰ চাগে কিমান স্ফূর্তি লাগিব! তেওঁৰ চোৰ পুত্রই নাটকৰ নায়কৰ দৰে শিক্ষিত আৰু উপার্জনক্ষম হৈ পৰিছে।

বাছৰ পৰা নামি যেতিয়া গাঁৱৰ লুংলুঙীয়া বাটটোৰে ঘৰলৈ খোজ লৈছিলো মনটো সজীৱ হৈ পৰিছিল। গাঁওখনৰ বিৰাট পৰিৱর্তন হৈছিল যদিও বগী পেহী বা আমাৰ দৰে মানুহবোৰৰ কোনো পৰিৱর্তন চকুত পৰা নাছিল।

মই অৱশ্যে ঘৰখনৰ কুৰি বছৰীয়া পৰিৱর্তনৰ স'তে নিজকে খাপ খুৱাই ল'বলৈ মানসিকভাৱে প্রস্তুত হৈ আহিছিলো। ভাবিছিলো ভনীজনীৰ হয়তো বিয়া হৈ গৈছে! ঘৰত বৌটি আৰু পিতাইকে পাম। কিন্তু ঘৰৰ পদুলিমুখত বৌটি বৌটি বুলি মাতোতে ভনীজনীহে ওলাই আহিল। তাইক দেখি মই আচৰিত হৈ গ'লোঁ। বয়সে তাইৰ দেহলৈ যেন যৌৱন আনিব পৰা নাছিল। হাড়ে-ছালে লগা কিট্‌কিটীয়া ক'লা শৰীৰত কঠোৰ পৰিশ্রমৰ চিন স্পষ্ট হৈ ধৰা দিছিল। মোক দেখি তাই হুক্‌হুকাই কান্দি উঠিল। মই দ্বিধাহীনভাৱে সোমাই গ'লোঁ। চক্‌চকীয়া বগা সাজ পিন্ধি এৰী সূতা কাটি থকা বৌটিয়ে চল্‌চলীয়া চকুৰে মোলৈ একেথৰে চাই থাকিল।

পিৰালিৰ পৰা দেখিলোঁ— শুকান বকুল ফুলৰ মালা এধাৰিৰে দেউতাৰ সৰু ফটো এখন বেৰত ওলমি আছে।❖❖

প্রকৃততে সেইজনহে ডাঙৰ মানুহ যাৰ সান্নিধ্যত আনেও ডাঙৰ অনুভৱ কৰে। — চেষ্টাৰটন

এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'বলৈ লাগে জনসাধাৰণৰ অফুৰন্ত কর্মশক্তি, সংযত বিবেক আৰু সেৱাৰ মনোভাৱ। — ৰাজা ৰামমোহন ৰায়

অন্তৰ পৰিত্র নহ'লে তথা ইন্দ্রিয় সংযম কৰিব নোৱাৰিলে শিক্ষিত লোক বিদ্যান হ'ব নোৱাৰে। — মহাত্মা গান্ধী

সাক্ষাৎকাৰ

সাহিত্য অকাডেমি বঁটা প্ৰাপ্ৰক বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে কথোপকথন

সাক্ষাৎগ্ৰহণকাৰী ঃ অমূল্য কাকতি
প্ৰাক্তন ছাত্ৰ (২০০২ বৰ্ষ)
কাৰিকৰী বিষয়া
ভাৰতীয় কৃষি অনুসন্ধান পৰিষদ
কেন্দ্ৰীয় অন্তৰ্দেশীয় মীন ক্ষেত্ৰ গৱেষণা প্ৰতিষ্ঠান

অনুৰাধা শৰ্মা পূজাৰী অসমীয়া সাহিত্য জগতৰ এক চিনাকি নাম। ১৯৯৮ চনত 'হৃদয় এক বিজ্ঞাপন' শীৰ্ষক উপন্যাসখনৰ ৰূপত তেখেতৰ প্ৰথম কিতাপ প্ৰকাশ হয় আৰু কিতাপখনে জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰে। পৰৱৰ্তী সময়ত তেখেতে চাহেবপুৰাৰ বৰষুণ, ব'ৰাগী নদীৰ ঘাট, নাহৰৰ নিৰিবিলি ছাঁ, মেৰেং সোণ হৰিণৰ চেঁকুৰ, নীল প্ৰজাপতি, জলছবি, কেথেৰিণাৰ সৈতে এটা নিৰ্জন দুপৰীয়া, ইত্যাদি বহুতো জনপ্ৰিয় কিতাপ ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰিছে। 'ইয়াত এখন অৰণ্য আছিল' উপন্যাসখনৰ বাবে বাইদেউৱে ২০২১ চনৰ সাহিত্য অকাডেমি বঁটা লাভ কৰে। ২০০৩ চনত 'চাহেবপুৰাৰ বৰষুণ' উপন্যাসখনৰ বাবে অসম সাহিত্য সভাই তেওঁক শ্ৰেষ্ঠ ঔপন্যাসিকৰ বঁটা প্ৰদান কৰিছিল। সাহিত্য সাধনাৰ সমান্তৰালকৈ সক্ৰিয় সাংবাদিকতাত জড়িত বাইদেউ বৰ্তমান সাদিন কাকত আৰু সাতসৰী নামৰ অসমীয়া মাহেকীয়া আলোচনীখনৰ সম্পাদক ভাবে কাৰ্য্যৰত হৈ আছে। সাহিত্য জীৱন তথা কেতবোৰ গুৰুত্বপূৰ্ণ সামাজিক বিষয়ৰ ওপৰত মতামত জানিবলৈ আমি বাইদেউৰ ওচৰ চাপিছিলো। সাক্ষাৎ গ্ৰহণৰ সময়ত শুধা প্ৰতিটো প্ৰশ্নৰ স্পষ্ট উত্তৰ সাৱলীল ভাৱে দি যায়- অসমৰ জনপ্ৰিয় লেখক গৰাকীয়ে। আহকচোন, বাইদেউৰ মনৰ ভাৱখিনিৰ মাজত সোমাই পৰো।

বাইদেউ, পোনপ্ৰথমে মীন মহাবিদ্যালয়ৰ সমূহ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা মোৰ নমস্কাৰ গ্ৰহণ কৰিব।

— নমস্কাৰ, ধন্যবাদ।

প্ৰশ্ন ঃ আপোনাৰ জন্মস্থান, পিতৃ-মাতৃ, শৈশৱ, প্ৰাথমিক শিক্ষাৰ পৰা উচ্চ শিক্ষালৈ পৰিক্ৰমাৰ বিষয়ে জনাবচোন।

উত্তৰ ঃ মোৰ জন্মস্থান যোৰহাটত। পিতৃৰ নাম উমেশ চন্দ্ৰ শৰ্মা আৰু মাৰ নাম জ্যোৰ্তিময়ী শৰ্মা। মোৰ জন্ম হৈছিল এখন চাহ বাগিছাত যিহেতুকে মোৰ দেউতা চাহ বাগিছাৰ পৰিচালক হিচাপে কৰ্মৰত আছিল। যোৰহাটতে মই ডাঙৰ-দীঘল হৈছোঁ। হাইস্কুলীয়া শিক্ষা যোৰহাটতে সম্পূৰ্ণ কৰিছোঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা মই সমাজ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছোঁ। পৰৱৰ্তী সময়ত মই কলিকতা বিশ্ববিদ্যালয়ত সাংবাদিকতা পঢ়িছিলোঁ।

প্ৰশ্ন ঃ আপুনি কেতিয়াৰ পৰা লিখিব ল'লে? আপোনাৰ প্ৰেৰণা কোন?

উত্তৰ ঃ মই কেতিয়াও লিখক হ'ম বুলি ভবা নাছিলোঁ। ঘটনাক্ৰমে মই নব্বৈ চনৰ পৰা লিখিব লৈছোঁ। ইয়াৰ আগতেও মই লিখিছিলোঁ যদিও মোৰ দৃষ্টিত সেইবোৰৰ বৰ বিশেষ গুৰুত্ব নাই। মই এক বেলেগ পৰিৱেশত ডাঙৰ-দীঘল হৈছিলোঁ। মই কেবাখনো



সমাজ পাইছোঁ। চাহ বাগানৰ দৰে এখন অভিজাত সমাজ। যোৰহাট চহৰৰ এখন মধ্যবিত্ত সমাজ, দেউতাৰ গাঁৱৰ সমাজ; বিয়া হোৱাৰ পাছত আকৌ এখন সত্ৰৰ সমাজ দেখিছোঁ। গতিকে মোৰ সামাজিক জ্ঞান জীৱনৰ জৰিয়তে আহৰণ কৰিছোঁ আৰু তাতোকৈ ডাঙৰ কথা হ'ল মোৰ ঘৰখনৰ ব্যতিক্ৰমী পৰিৱেশ। মই সত্তৰ দশকত দেখিছিলোঁ যে যোৰহাটৰ মানুহবোৰে কিতাপ যথেষ্ট পঢ়িছিল। টকা-পইচা থাকিলে যে মানুহ ধনী হয় সেই সময়ত সেই ধাৰণাটো সমূলি নাছিল। জ্ঞান সংস্কৃতিবান মানুহখিনিকহে অভিজাত বোলা হৈছিল। গতিকে তেনেকুৱা ধৰণৰ এক আভিজাত্য মধ্যবিত্ত শ্ৰেণী মই পাইছিলোঁ। আমাৰ ঘৰখনটো সেই পৰিৱেশটো পাইছিলোঁ আমাৰ ঘৰত দুটা লাইব্ৰেৰী আছিল, এটা মাৰ আৰু আনটো দেউতাৰ। মোৰ সংগীত শিক্ষা ঘৰতে আৰম্ভ হৈছিল। আমাৰ কাণপুৰা আছিল। মোৰ দাদাই তবলা বজাইছিল। হাৰমণিয়াম আছিল, মেণ্ডোলিনো আছিল। মুঠৰ ওপৰত আমাৰ ঘৰত এটা সংগীতৰ পৰিৱেশ আছিল। সৰুৰে পৰাই মই ছবি আঁকিছিলো। বহু প্ৰখ্যাত চিত্ৰকৰ আৰু সংগীত শিল্পী আমাৰ ঘৰলৈ আহিছিল। গতিকে এক সম্পূৰ্ণ বেলেগ ধৰণৰ পৰিৱেশ মই পাইছিলোঁ। দেউতাৰ বন্ধু যিসকল আমাৰ ঘৰলৈ আহিছিল সকলোবোৰ যথেষ্ট পঢ়া-শুনা কৰা মানুহ আছিল— আনকি বাতৰি কাকতৰ সম্পাদকো আছিল। গতিকে তেনেকুৱা বিশেষ ব্যক্তিসকলৰ আলোচনা মই শুনিবলৈ পাইছিলোঁ। এনেকুৱা পৰিৱেশে পৰৱৰ্তী কালত মোক কিতাপ লিখাত ডাঙৰ অৰিহণা যোগাইছিল। মই অসম আন্দোলনো দেখিছিলোঁ। সেই সময়ত মই কলেজৰ সাধাৰণ সম্পাদিকাও আছিলোঁ। গতিকে সেই সময়ত অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দিশটো মই অতি ভালদৰে জানিছিলোঁ। সদৌ অসম ছাত্ৰ সস্থাৰ সদস্য থকা হেতুকে কলেজৰ সাধাৰণ সম্পাদিকাৰ পদটোত বহু গুৰুত্বপূৰ্ণ দায়িত্ব আহি পৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যয়নৰত হৈ থাকোঁতে শাস্ত্ৰীয় সংগীত অধিৱেশনত বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ সংগীত শিল্পীৰ খিতাপো অৰ্জন কৰিছিলোঁ। মোৰ বোধেৰে মোৰ এটা নেতৃত্ব দিব পৰা গুণো আছিল। চাহ বাগানৰ ওৱেলফেয়াৰ অফিচাৰ চাকৰি বাদ দি মই বাতৰি কাকতৰ লগত জড়িত হৈ পৰিছিলো।

প্ৰশ্ন ঃ আপুনি কিয় লিখে? লিখাৰ আঁৰৰ উদ্দেশ্য কি?

উত্তৰ ঃ মই বহুধৰণৰ মাধ্যমত কাম কৰি দেখিছোঁ যে শব্দৰ শক্তি আটাইতকৈ ডাঙৰ শক্তি। মোৰ যিখিনি ক'ব লগা কথা সেইখিনি মই শব্দৰ মাজেৰে প্ৰকাশ কৰি আহিছোঁ আৰু দেখিছোঁ যে মানুহে মোক গ্ৰহণ কৰিছে। মই ক'ব খোজা কথাখিনিৰ লগত তেওঁলোক একাত্ম হৈছে। হোমেন বৰগোহাঞিদেৱে মোক উপন্যাস

লিখিব দিছিল, কিন্তু মই লিখিব নোৱাৰো বুলি কৈছিলোঁ। মোৰ প্ৰথম উপন্যাস 'হৃদয় এক বিজ্ঞাপন' যেতিয়া প্ৰকাশ পাইছিল তেতিয়া বৰগোহাঞিদেৱে তেখেতৰ টোকা বহীত সেই কথা লিখিছিল। তেখেত অসম বাণীত কার্য্যৰত হৈ থাকোঁতে মই 'কলিকতাৰ চিঠি' নামেৰে এগৰাকী স্তম্ভ লিখক হৈ আছিলোঁ আৰু তেতিয়া তেখেতে কৈছিল যে— তুমি তোমাৰ জীৱনৰ ওপৰত এখন উপন্যাস লিখিব লাগিব। সেই সময়ত মই বহুজাতিক কোম্পানীৰ বিজ্ঞাপন জগতখনৰ লগত কপি ৰাইটাৰ হিচাপে কাম কৰি আছিলোঁ আৰু তেতিয়া অসমৰ বহুতে বিজ্ঞাপন জগতৰ কথা সমূলি জনা নাছিল। সেয়েহে উপন্যাসখনৰ আঁৰৰ কাহিনীবোৰ বহুতৰ বাবেই নতুন আছিল। সেই সময়ত কলিকতাত চিনেমাসমূহৰ ডাবিং হৈছিল— গতিকে তেনেকুৱা এক জগতৰ লগত চিনাকি হৈ মই মোৰ প্ৰথম উপন্যাস 'হৃদয় এক বিজ্ঞাপন' লিখিছিলোঁ। গতিকে ইয়াৰ বিষয়বস্তু সম্পূৰ্ণ বেলেগ আছিল আৰু সেইবাবেই হয়তো প্ৰকাশৰ কেবাবছৰলৈকেও উপন্যাসখন বিক্ৰীৰ শিখৰত আছিল।

প্ৰশ্ন ঃ আপুনি ভাবে নেকি যে লিখকে সমাজ পৰিবৰ্তন কৰিব পাৰে? আজিৰ যুগত লিখকৰ সমাজৰ ওপৰত প্ৰভাৱ কেনেকুৱা বুলি আপোনাৰ ভাৱ হয়?

উত্তৰ ঃ সমাজত লিখকৰ প্ৰভাৱ যথেষ্ট আছে। মই লিখা 'সোণ হৰিণৰ চেঁকুৰ' পঢ়ি আত্মহত্যাৰ পথ বাছি ল'বলৈ উদ্যত হোৱা বহু ল'ৰা-ছোৱালীয়ে তেনে কার্য্যৰ পৰা বিৰত হোৱা বুলি মোক কৈছিল। মোৰ বাবে সেয়াই যথেষ্ট। এটা প্ৰজন্মই এখন কিতাপ পঢ়ি যেতিয়া আত্মহত্যাৰ দৰে পথৰ পৰা উভতি আহিছে মই ভাবোঁ যে সেয়া কিতাপৰ অসীম প্ৰভাৱ। তেওঁলোকে তাত জীৱনৰ পথ বিচাৰি পাইছে। হোমেন বৰগোহাঞিদেৱ আৰু ড° ভৱেন্দ্ৰ নাথ শইকীয়াদেৱৰ বহুতো কিতাপ আছে যিবোৰে সমাজত গভীৰ প্ৰভাৱ পেলাইছিল। কিন্তু কিতাপ নপঢ়া মানুহৰ ক্ষেত্ৰত ই এক ব্যতিক্ৰম। মই লিখা 'ইয়াত এখন অৰণ্য আছিল' প্ৰকাশ নাপাওঁতে দুখন মহাবিদ্যালয়ৰ স্নাতকোত্তৰ পৰিৱেশ বিজ্ঞানৰ পাঠ্যপুথি হিচাপে বিবেচিত হৈছে। মই জানো কিতাপখন পঢ়ি বহু ল'ৰা-ছোৱালী প্ৰকৃতি প্ৰেমৰ বাবে প্ৰভাৱিত হৈছে। 'বকুল ফুলৰ দৰে' শিশু সাহিত্য বঁটাপ্ৰাপ্ত কিতাপখনৰো যথেষ্ট প্ৰভাৱ আছে। ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছিল' কিতাপখনেও যথেষ্ট প্ৰভাৱ পেলাইছে।

প্ৰশ্ন ঃ আগৰ যুগৰ লিখক আৰু আজিৰ যুগৰ লিখকৰ মাজত আপুনি কেনে ধৰণৰ পার্থক্য দেখা পাইছে?

উত্তৰ ঃ আগৰ দিনৰ লিখকসকলৰ এটা সীমিত পৰিসৰ আছিল। তাৰ মাজেদিয়েই তেওঁলোকে জীৱনক চাইছিল। তেওঁলোকক সময়ে বহুত কথা শিকাইছিল। তেওঁলোকে মহাযুদ্ধ দেখিছে, প্ৰথম-দ্বিতীয় মহাসমৰ দেখিছে—গতিকে যুদ্ধৰ প্ৰভাৱ তেওঁলোকে দেখিছে। তেওঁলোকে সময়ৰ কথা লিখি গৈছে, বাস্তৱৰ কথা লিখি গৈছে, যিখিনি আমাৰ বাবে মহামূল্যৱান।

কিন্তু আমাৰ লিখকে যদি গাঁওখন নেদেখে, গাঁৱৰ পৰিৱেশ নিজ দৃষ্টিৰে নোচোৱাকৈ গাঁৱৰ পটভূমিত লিখে তেন্তে সেয়া আজিৰ পৰিৱেশত পৃথক হ'ব। কাৰণ আগৰ গাঁৱৰ পৰিৱেশ আৰু আজিৰ গাঁৱৰ পৰিৱেশৰ মাজত এক বৃহৎ পার্থক্য দেখা যায়। ঘৰ-বাৰীৰ পৰিৱর্তন, মানুহৰ ধ্যান-ধাৰণাৰ পৰিৱর্তন হৈছে। প্ৰযুক্তিৰ বাবে পৃথিৱীখনেই যেন গাঁৱৰ মাজত সোমাই পৰিছে। গতিকে আজি যদি কোনো লিখকে গাঁৱৰ বিষয়ে লিখে তেন্তে আজিৰ গাঁৱৰ মানুহৰ মানসিকতাৰ ওপৰত লিখিব লাগিব। তেওঁলোকে পুৰণি গাওঁখনৰ কথা লিখিলে নহ'ব। আজিৰ গাঁওখন চাব লাগিব, বুজিব লাগিব। কিন্তু প্ৰায়ে দেখা যায় যে বহু লিখকে গাঁওখনত নোযোৱাকৈয়ে, গাঁও নেদেখাকৈয়ে গাঁৱৰ প্ৰতিচ্ছবি দাঙি ধৰিব খোজে। গতিকে অভিজ্ঞতা অবিহনে লেখা কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। কিতাপ লিখা টান কাম। চৰিত্ৰৰ হুবহু উপস্থাপন কৰিবলৈ হ'লে বাস্তৱিক অভিজ্ঞতা আৰু গভীৰ পর্য্যবেক্ষণৰ দৰকাৰ। আজিৰ লিখকৰ ওপৰত 'ভিজুৱেল মিডিয়া'ই অলপ প্ৰভাৱ পেলোৱা যেন মোৰ অনুভৱ হয়।

প্রশ্ন ঃ 'অসমীয়া ভাষাৰ সংকট আহি পৰিছে'— কথাটো আপোনাৰ অনুভৱ হয় নেকি? যদি হয়, কাৰণবোৰ কি বুলি ভাবে?

উত্তৰ ঃ ভাষাৰ সংকট পৃথিৱীৰ সকলো থলুৱা ভাষালৈ আহিছে। তাৰ ভিতৰত কম জনসংখ্যা থকা ভাষাৰ সংকট বেছি বুলি মই ভাবোঁ। অসমত অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা পঢ়া আৰু লিখা মানুহতকৈ বেছি। যদিহে আমি অসমীয়া ভাষা লিখা মানুহৰ সংখ্য বৃদ্ধি কৰিব পাৰো তেতিয়া হ'লে অসমীয়া ভাষালৈ কোনো বিপদ নাহে। অসমীয়া মানুহে অসমীয়া ভাষাটো যদি শুদ্ধ ৰূপত ক'ব পাৰে তেতিয়া হ'লেও মই ভাবোঁ যে অসমীয়া ভাষাৰ বিপদ নাথাকিব। এই ক্ষেত্ৰত আমাৰ ঘৰুৱা পৰিৱেশে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইংৰাজী ভাষাৰ লগতে মাতৃভাষাটো সল্‌সলীয়াকৈ ক'ব পৰাটোহে মই গৌৰৱৰ বিষয় হিচাপে বিবেচনা কৰোঁ। আজি আমাৰ মানসিকতাৰ সলনি হৈছে। আমি ভাবো যে ইংৰাজী ভাষাটো অসমীয়া ভাষাতকৈ শ্ৰেষ্ঠ; যিটো ভুল। বিভিন্ন ধৰণৰ দোকান-পোহাৰত চাইন ব'ৰ্ডবোৰ তথা চৰকাৰী নথি-পত্ৰ অসমীয়া ভাষাত লিখাটো দৰকাৰ। অসমীয়া মানুহে যদি অসমীয়া বাতৰি কাকত, আলোচনী নপঢ়ে তেন্তে অসমীয়া ভাষাটো কেনেকৈ জীয়াই থাকিব! মোৰ দৃষ্টিত অসমীয়া কওঁতে দুই-এটা ইংৰাজী শব্দৰ ব্যৱহাৰ হোৱাটো অপৰাধ নহয়। কিন্তু অসমীয়া বাক্য এযাৰি কওঁতে যদিহে প্ৰায় ভাগ শব্দই ইংৰাজীত প্ৰকাশ কৰা হয় সেইয়া গ্ৰহণযোগ্য নহয়।

প্রশ্ন ঃ অসমীয়া সাহিত্যৰ জনপ্ৰিয়তা বৰ্তমান প্ৰজন্মৰ মাজত আছেনে?

উত্তৰ ঃ আগৰ দিনত কিতাপৰ বাহিৰে বেলেগ মাধ্যম নাছিল। আজিৰ সময়ত কিতাপৰ বাহিৰেও অন্য মাধ্যমৰ পয়োভৰ ঘটিল, যাৰ বাবে কিতাপৰ পঢ়ুৱৈ কমি আহিছে। তথাপিতো ক'ভিডৰ দৰে মহমাৰীৰ প্ৰাদুৰ্ভাৱৰ পিছত বহুতো মানুহৰ কিতাপ পঢ়াটো এটা নিচাত পৰিণত হৈছে যেন মোৰ অনুমান হয়। পুৰণা প্ৰজন্মৰ লগতে আমাৰ নতুন প্ৰজন্মখিনিও কিতাপ পঢ়াত আগ্ৰহী। আগৰ পৰাই আখৰৰ লগত সম্পৰ্ক কম থকা কিছু সংখ্যকেহে পঢ়াৰ প্ৰতি আগ্ৰহী নহয়। কিছুমান ঘৰৰ পৰিৱেশেও কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ জন্মোৱাত বাধাৰ কাৰক হৈ পৰে। কিন্তু যিবোৰ ঘৰত কিতাপ পঢ়াৰ সংস্কৃতি আছে সেই সমাজত নতুন প্ৰজন্মৰ লগতে সৰু সৰু ল'ৰা-ছোৱালীৰ কিতাপ পঢ়াৰ ধাউতি দেখি মই নিজে কেতিয়াবা আচৰিত হৈ যাওঁ। কিতাপ পঢ়াৰ সংস্কৃতিটোও কিন্তু ঘৰতে গঢ় দিব লাগিব। আজিকালি সামাজিক মাধ্যমসমূহতো বহুতে গল্প-কবিতা, অণুগল্প লিখিছে। এই সমূহবোৰ স্থায়িত্ব হৈছে ছপা মাধ্যম। কিতাপৰ কেতিয়াও মৃত্যু নাই; কাৰণ কিতাপ সভ্যতা। এজন লেখক নাইকীয়া হৈ যাব পাৰে, কিন্তু তেওঁৰ দ্বাৰা সৃষ্ট কিতাপ যুগ যুগ থাকি যায়। আজি পয়সত্তৰ বছৰ ধৰি কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা' চলি আছে। পঢ়ুৱৈ যেতিয়ালৈকে থাকিব তেতিয়ালৈকে লেখক, কিতাপ আৰু সাহিত্য জীয়াই থাকিব।

প্রশ্ন ঃ আপুনি সাংবাদিকতাও কৰে, সাহিত্য চৰ্চাও কৰে। দুয়োটাৰ মাজত আপোনাৰ কোনটো প্ৰিয়?

উত্তৰ ঃ দুয়োটাই প্ৰিয় মোৰ। এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। প্ৰথম মই সাংবাদিকতাত ভৰি দিছোঁ। সাংবাদিকতাৰ বাবে মই বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছোঁ, বিভিন্ন মানুহ লগ পাইছোঁ আৰু তাৰ পৰাই সাহিত্যৰ উৎপত্তি হৈছে। মই আজিও যেতিয়া ক'ৰবালৈ যাওঁ সাংবাদিকতাৰ দৃষ্টিৰে ঘটনা প্ৰবাহ পৰ্যবেক্ষণ কৰি যাওঁ আৰু তাৰ পৰাই সাহিত্য কৰ্মৰ বাবে অনুপ্ৰেৰণা পাওঁ। সাংবাদিকতাৰ ফলত মই আজি চৌপাশৰ পৰিৱৰ্তন সমূহ দেখি আছোঁ যিটো অন্য বৃত্তিত থকাহেঁতেন দেখা নাপালোঁহেঁতেন। মোৰ একমাত্ৰ অসুবিধাটো হৈছে সময়ৰ অভাৱ। গতিকে মই ভাবোঁ এই বৃত্তিটোৰ পৰা অলপ আজৰি ল'ব পৰাহেঁতেন লিখা-মোলাত অলপ বেছি মনোনিৱেশ কৰিব পাৰিলোঁহেঁতেন।

প্রশ্ন ঃ অসম সাহিত্য সভাৰ বৰ্তমানৰ কাৰ্যাৱলী সন্দৰ্ভত আপোনাৰ অভিমত কি? অসম সাহিত্য সভাৰ সভাপতি হ'বলৈ আপোনাৰ আগ্ৰহ আছে নে?



উত্তৰ ঃ সাহিত্য সভা সাহিত্য প্ৰসাৰৰ বাবে অতি প্ৰয়োজনীয়। সাহিত্য সভাৰ এটা গৰিমামণ্ডিত ইতিহাস আছে। ইতিহাসৰ বাবেই এইটো এটা ঐতিহাসিক অনুষ্ঠান হিচাপে চলি আছে। সাহিত্য সভাৰ লগতেই যে ৰাজনীতি সাঙো�ৰ খাইছে তেনে নহয়। আজিকালি যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠানত ৰাজনীতি সাঙোৰ খাই পৰা দেখা যায়। বিভিন্ন ঠাইত অনুষ্ঠিত কৰা সাহিত্য সভাৰ অধিৱেশনৰ জৰিয়তে মানুহৰ মাজত হোৱা পাৰস্পৰিক বুজাবুজি এটা দৃষ্টিকোণৰ পৰা সঁচাকৈয়ে ভাল কথা। সাহিত্য সভা থাকিলেই যে এজন সাহিত্যিকে সৃষ্টি কৰিব পাৰিব তেনেকুৱা নহয়। সাহিত্য এটা অকলশৰীয়া বিষয়।

অসম সাহিত্য সভাৰ সভাপতি হ'বলৈ আগ্ৰহ একেবাৰে নাই। সাহিত্য সভাৰ সভাপতি যিটো প্ৰক্ৰিয়াৰ মাজেৰে নিৰ্বাচন কৰা হয় সেই প্ৰক্ৰিয়াটো মই সমূলি পছন্দ নকৰোঁ। মই এই মুহূৰ্তলৈকে এবাৰো কল্পনা কৰা নাই যে মই কেতিয়াবা সাহিত্য সভাৰ সভাপতি আসন অলংকৃত কৰিম। যদিহে মই সভাপতি হওঁ তেতিয়া হ'লে মোৰ সৃষ্টিৰাজিত বহুখিনি ব্যাঘাত জন্মিব। কাৰণ মই জানোঁ যে এজন সভাপতি হিচাপে সভাক মই যথেষ্ট সময় দিব লাগিব। কিন্তু মই নিৰ্বাচনৰ জৰিয়তে কেতিয়াও সাহিত্য সভাৰ সভাপতি হ'ব নোখোজোঁ। তেওঁলোকৰ এখন ঐতিহাসিক সংবিধান আছে। মই এইটোও ক'ব নোখোজোঁ যে মোৰ বাবে সেই সংবিধানৰ নিয়মাৱলী ভংগ হওঁক।

প্ৰশ্ন ঃ মীন মহাবিদ্যালয় তথা অসমৰ মীন ক্ষেত্ৰ খনৰ সন্দৰ্ভত আপোনাৰ মতামত?

উত্তৰ ঃ মীন মহাবিদ্যালয় মোৰ চিনাকী। ইয়াৰ আগতেও মীন মহাবিদ্যালয়ৰ ছাত্ৰই মোৰ সাক্ষাৎকাৰ লৈছিল। যদিও মই মাছ নাখাওঁ মাছৰ প্ৰতি মোৰ দুৰ্বাৰ আকৰ্ষণ আছে। মাছ মই অতি ধুনীয়া দেখোঁ। মোৰ ঘৰত একুৰিয়ামো আছে। মাছৰ লগত মোৰ বহু কাহিনীও জড়িত আছে। আটাইতকৈ দুখ লগা কথা হৈছে যে মৎস্যকুলৰ বহু প্ৰজাতিৰ অস্তিত্ব আজি বিপদাপন্ন। সেয়েহে তেনে মাছৰ সংৰক্ষণ অতি জৰুৰী। আমাৰ বহু থলুৱা প্ৰজাতিৰ মাছ দিনক দিনে নোহোৱা হৈ গৈ আছে। অন্য জীৱন কূলৰ সংৰক্ষণৰ প্ৰতি যিমান গুৰুত্ব দিয়া হৈছে মোৰ বোধেৰে মৎস্যকুলৰ সংৰক্ষণৰ প্ৰতি সিমান গুৰুত্ব প্ৰদান কৰা হোৱা নাই। অসম মীন আইন মই পঢ়িছোঁ। গতিকে আইনখনৰ বিধিসমূহ যথোচিতভাৱে বলবৎ হোৱাটো মই বিচাৰোঁ।

আমাৰ সমাজত এতিয়াও মাছক লৈ বহু অন্ধবিশ্বাস আছে। তেনে অন্ধবিশ্বাসৰ গইনা লৈও যদি মাছৰ বংশৰক্ষা কৰিব পাৰি তেন্তে অন্ধবিশ্বাস গ্ৰহণযোগ্য বুলি মোৰ মনে ধৰে।❖❖

বিমান যাত্রাৰ লটি-ঘটি

অচিন্ত্য শইকীয়া
প্ৰাক্তন ছাত্ৰ (২০০২ বৰ্ষ)
মীন উন্নয়ন বিষয়া

(১)

মোৰ জীৱনৰ প্ৰথম বিমান যাত্ৰা বহুত শেহতীয়াকৈ অৰ্থাৎ ২০০৭তহে আৰম্ভ কৰিছোঁ। তাৰ আগলৈকে বিমানত উঠি পোৱাটোতো দূৰৈৰে কথা, কোনোকালে এয়াৰপ'ৰ্টেই দেখি পোৱা নাছিলোঁ। ভাবকচোন বাৰু তেনেকুৱা মানুহ এজনক যদি হঠাতে বিদেশলৈ অফিচিয়েল ডিউটিত যাব লাগে বুলি কয় কি অৱস্থা হ'ব!

আমেৰিকান বেচৰকাৰী সংস্থা এটাত প্ৰকল্প বিষয়া হিচাপে কৰ্মৰত হৈ থাকোঁতে হঠাতে অফিচত এদিন প্ৰকল্প সঞ্চালকে ক'লে যে মই বেংকক যাব লাগে নিৰীক্ষণ আৰু মূল্যাংকনৰ ছদিনীয়া কৰ্মশালা এখনত যোগদান কৰিবৰ কাৰণে। ভাৰতৰ কেৰল মই আৰু বাকীসকল দক্ষিণ-পূব এছিয়া আৰু পশ্চিমীয়া দেশৰ পৰা অংশগ্ৰহণ কৰিব বুলি জানিব পাৰি ত্ৰাহি মধুসূধন সুঁৱৰিলো। এনেই এতিয়ালৈকে বিমানতেই উঠি পোৱা নাই, তাতে আকৌ ইণ্টাৰনেচনেল ট্ৰেভেল। তদুপৰি তাত গৈ ইংৰাজীত ভাষণ প্ৰদান কৰাৰ উপৰি কথাবার্তা ইংৰাজীতে কৰিব লাগিব, এনেহেন লাগিল যেন মোৰ প্ৰাণবায়ু ওলাই যাব এতিয়া! কি কৰা যায় এতিয়া, এফালে বিমানত উঠা তথা ইংৰাজী কোৱাৰ ভয়-শংকা আৰু আনফালে সঞ্চালকৰ নিৰ্দেশ। বিকল্প পথ বিচাৰি নাপাই এসময়ত কৰ্মশালাখনলৈ যোৱাৰ সিদ্ধান্ত লৈ প্ৰস্তুতি আৰম্ভ কৰিলোঁ।

এয়াৰপ'ৰ্টত কেনেকৈ সোমাব লাগিব, ক'ত চেক-ইন কৰিব লাগিব, ছিকিউৰিটি ছেকিং কেনেকৈ কৰিব লাগিব, হেণ্ডবেগ/লাগেজ ক'ত নিব লাগিব ইত্যাদি কথাবিলাক জনা মানুহৰ পৰা শিকি ল'লোঁ। তথাপি থিঅ'ৰি আৰু প্ৰেক্‌টিকেল বুলিও কথা এটা আছে দিয়কচোন। এয়াৰপ'ৰ্টত গৈ থিঅ'ৰিৰে ষ্টেপখিনি ভালকৈ মুখস্থ নোহোৱাৰ বাবে লটি-ঘটি আৰম্ভ হ'লেই নহয়! প্ৰথম লটিঘটিটো হ'ল যে হেণ্ডবেগৰ টেগটো ইতিমধ্যে নিবলৈ পাহৰি গ'লোঁ। অলপ দিনৰ আগলৈকে হেণ্ডবেগৰ কাৰণে চেক-ইন কাউণ্টাৰতে ছিকিউৰিটি টেগ ল'বলগীয়া হৈছিল, য'ত নেকি ছিকিউৰিটি অফিচাৰসকলে বেগ স্কেনিং কৰি ষ্টাম্প মাৰি দিছিল। আজিকালি অৱশ্যে বহুত বিমানবন্দৰত সেইটো ব্যৱস্থা উঠাই দিছে। ছিকিউৰিটি গেটত উপস্থিত হোৱাৰ পিছতহে কথাটো উপলব্ধি কৰি পুনৰ ঘূৰি আহি টেগটো লৈ অনাতহে ৰক্ষা পৰিলো। দ্বিতীয় লটিঘটিটো হ'ল যে থিঅ'ৰি বুজোতে মোৰ অলপ দোধোৰ-মোধোৰ হৈছিল আৰু ফলস্বৰূপে হেণ্ডবেগতে দাড়ি কটা সামগ্ৰীৰ লগতে ব্লেড কেইখনমানো লৈ গৈছিলোঁ। বোলো বেংকক যাম, তাতনো আৰু ক'ত ছুপাৰমেক্স অথবা উইলকিনচন বিচাৰি ফুৰিম!

ছিকিউৰিটি অফিচাৰজনৰ পৰা যিটোহে ধমকি খালো আজিও মনত আছে- 'জিন্দেগীমে কভি প্লেনমে চফৰ নহি কিয়া হ্যে ক্যা'। মই বোলো 'নেহি'। 'যাও যাকে ফেক দৌ'। থিঅ'ৰি ভালদৰে ক্লিয়াৰ নহ'লে প্ৰেক্‌টিকেলত কিমান প্ৰব্লেম হ'ব পাৰে সেইটো বাৰুকৈয়ে উপলব্ধি কৰিলো মই! কথাটো অৱশ্যে এতিয়াও মাজে মাজে উপলব্ধি নকৰা নহয়। এতিয়াও ফিল্ডত এনে কিছুমান মীন পালক লগ পাওঁ যে তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতাৰ আগত মোৰ ফিচাৰী ডিগ্ৰীয়েও ফেইল

মাৰি যাব। বাৰু যি নহওক, ছিকিউৰিটি চেকত হোৱা খেলিমেলিৰ বাবে এয়াৰপ'টতে কেইবাৰ বাথৰুমলৈ গ'লো হিচাপ নাই। অৱশ্যে ভালেকেইটা নতুন শব্দ সিদিনা শিকিলো; যেনে ধৰক চেক-ইন, ছিকিউৰিটি চেক, টেক-অফ, লেণ্ডিং ইত্যাদি। মই আৰু ছিটিবাছত ওলমি ফুৰা মানুহটোৱে কি বুজি পাম যে ফ্লাইটত উঠাটোকে 'ব'ৰ্ড' কৰা বুলি কয় বুলি।

টেক অফ কৰোঁতে মায়ে শিকাই দিয়া অনুসৰি কৃষ্ণ কৃষ্ণ কৰি চকুকেইটা মুদি দিলোঁ, সিমান ভয় নালাগিল। কিছুসময়ৰ পিছত জলপানৰ ব্যৱস্থা আৰম্ভ হ'ল। মোৰ টিকটটোত প্ৰি-বুকড্ মিল থকাৰ বাবে যথাসময়ত ধুনীয়া এয়াৰ-হোষ্টেছ এগৰাকী আহি 'এক্সিউজ মি ছাৰ ইয়ৰ মিল' বুলি খাদ্যৰ পেকেট এটা আগবঢ়াই দিলে। মই মনতে ভাবিলোঁ, বাহ্ মই বৰ ডাঙৰ চাকৰি কৰোঁ নেকিহে! লাখটকীয়া দৰমহা পোৱা ধুনীয়া এয়াৰ হোষ্টেছেও দেখোন মোক 'ছাৰ' বুলি সম্বোধন কৰিছে। অ' পিছতহে গম পালোঁ যে তাত ঠেলাৰালা এজন গ'লেও ছাৰ বুলিয়ে সম্বোধন কৰে বুলি।

ছাৰ বুলি কোৱা অধ্যায়টো সিমানতে শেষ। এতিয়াহে লাগিল আছল লেঠাটো। কেনেকৈ খাদ্যৰ পেকেটটো খুলিম, কি ধৰণেৰে খাম ইত্যাদি। ঘৰত ৰাতিপুৱাই আমি ভাত একাঁহি খোৱা মানুহ। এইবিলাক চেণ্ডুইছ তেণ্ডুইছ প্ৰথম দেখিছো, গতিকে কেনেকৈ খাম সেই লৈও তামাম চিন্তা। তিনিজনীয়া ছিটটোৰ খিৰিকীৰ ফালে মই বহিছো, মাজৰ ছিটটো খালী আৰু ছাইডত এজন ভদ্ৰলোক বহিছে। তেখেতৰ হাততো মোৰ দৰে একেই এটা পেকেট। অৱশ্যে তেখেতৰ এয়াৰ-হোষ্টেছ গৰাকীয়ে কিবা ভেজ নে ননভেজ সোধোতে তেওঁ ভেজ বুলি কৈছিল। মোকো অৱশ্যে সুধিছিল, মই বোলো ফ্ৰীতে পাইছো যেতিয়া (যদিওবা টিকটতে পইছাটো কাটি লৈছে) কিহৰ ভেজ খাম, 'ননভেজ প্লিজ' বুলি কৈ দিলোঁ। আৰু সেই ননভেজ খাওঁতে খাওঁতেই চাগৈ আজি দেহাটোৰ এই পৰিণতি।

বাৰু যি নহওক, পেকেটটো খোলাৰ আগতে মই ভদ্ৰলোকজনলৈ কেৰাহিকৈ তেওঁ ধৰিব নোৱাৰাকৈ চাই আছোঁ। মোৰ উদ্দেশ্য, তেওঁ যেনেকৈ খোলে ময়ো খুলিম আৰু তেওঁ যেনেকৈ খাই ময়ো খাম। সেই সময়ত মিষ্টাৰ বিনৰ ভিডিঅ'বিলাকলৈ মনত পৰি নিজকে কিবা মিষ্টাৰ বিনৰ নিচিনাই লাগি গ'ল। পেকেটৰ ভিতৰতে খোৱা বস্তুৰ উপৰি প্লাষ্টিকৰ কাটা চামুচ, কাটাৰ, সৰু গাখীৰৰ পেকেট ইত্যাদি দুই-এপদ বস্তুও আছিল। খোৱা-বোৱা শেষ হোৱাৰ পিছত চামুচ ইত্যাদি পুনৰ ব্যৱহাৰ কৰিব পাৰিম বুলি নেপকিনেৰে মচি বেগত ভৰাই থ'লোঁ। লগতে ছিটৰ বেকপেকত থকা মেগাজিনখনো মনে মনে ভৰাই ল'লোঁ, পিছত মানুহক দেখুৱাই ফিতাহি মাৰিব পাৰিম এয়াৰ ট্ৰেভেল কৰিছো বুলি।

প্ৰায় এঘণ্টামান আকাশত উৰাৰ পিছত অৱশেষত বিমানখনে কলিকতাৰ নেতাজী সুভাস চন্দ্ৰ বসু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰিলেগৈ। পিছদিনা কাহিলিপুৱাতেই ফ্লাইট আছে বেংককলৈ। গতিকে লাগেজ সংগ্ৰহ কৰি হালধীয়া ৰঙৰ প্ৰিপেইড এম্বেছাডৰ গাড়ী এখন লৈ লৰালৰিকৈ হোটেল পালোগৈ অলপ জিৰণি লওঁ বুলি।।

(২)

দৰাচলতে থিঅ'ৰি মই যিজন মানুহৰ পৰা শিকিছিলোঁ তেওঁ কিন্তু কোনো ধৰণৰ ফ্ৰিকুৱেণ্ট ফ্লায়াৰ নহয়। তেওঁ জীৱনত কেৱল এবাৰ নে দুবাৰহে বিমান যাত্ৰা কৰিছে, তাকো ডমেষ্টিক। ইণ্টাৰনেচনেল ট্ৰেভেলৰ কোনো অভিজ্ঞতা নথকা হেতুকে তেওঁ মোক বিশেষ একো সহায় কৰিব নোৱাৰিলে। আনহাতে খুব কম সময়ৰ ভিতৰতে যাত্ৰাৰ পৰিকল্পনা কৰিব লগা হোৱা বাবে তেনে কোনো সমল ব্যক্তিও যোগাৰ কৰিব নোৱাৰিলো থিঅ'ৰি মুখস্থ কৰিবলৈ। অৱশ্যে টিকটটো পঢ়ি এটা কথা গম পাইছিলোঁ যে ইণ্টাৰনেচনেল ট্ৰেভেল কৰিলে ডিপাৰ্চাৰ সময়ৰ পৰা প্ৰায় তিনি ঘণ্টাৰ আগেয়ে চেক-ইন কৰিব লাগে। বিমান এৰাৰ সময় পুৱা ৬ মান বজাত থকাৰ বাবে নিশা ২ বজাতেই হোটেল ত্যাগ কৰিলোঁ। কলিকতা এয়াৰপ'টৰ কাষতে থকা ভি আই পি ৰোডৰ হোটেল এখনত নিশাটো কটোৱাৰ বাবে অৱশ্যে তাতোকৈও সোনকালে বিমানবন্দৰলৈ যাবলৈ বুলি শেতেলিৰ পৰা উঠাৰ দৰকাৰ নহ'ল।

আমাৰ অসমীয়াত কথা এযাৰ আছে নহয়, 'অল্প বিদ্যা ভয়ংকৰী' বুলি; আগদিনাখন মাত্ৰ এবাৰ গুৱাহাটী-কলিকতা প্লেনত উঠাৰ অভিজ্ঞতা হৈছেহে, টেক্সিৰ পৰা নামিয়েই সদায় বিমানত ঘূৰি ফুৰা মানুহৰ নিচিনাকৈ লেভেল এটা দি বিমানবন্দৰত এণ্ট্ৰি মাৰিলোঁ। মনতে ভাবিছো, বাহ্ মোৰ

দেখোন এটিটিউডেই সলনি হৈ গৈছে! অৱশ্যে আগদিনাৰ অভিজ্ঞতাই মোৰ কনফিডেঞ্চ লেভেলটো যথেষ্ট বঢ়াই তুলিলে।

হাতত থকা একমাত্ৰ লাগেজটো স্কেনিং কৰি চেক-ইন কাউণ্টাৰত উপস্থিত হ'লোঁগৈ। আগদিনা গুৱাহাটীৰ পৰা আহোঁতেই দুটামান শব্দ শিকিছিলো নহয়, তাৰ ভিতৰত এইটোও শিকিছিলো যে 'লাগেজ' মানে হ'ল বিমান এখনৰ ডিকিত ভৰাই নিয়া বেগ। লাগেজটো কিন্তু একেবাৰে গন্তব্য বিমানবন্দৰ পোৱাৰ পিছতহে সংগ্ৰহ কৰিব পৰা যায়। গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ যাওঁতে নেটৱৰ্ক বাছৰ ডিকিত সুমুৱাই দিয়াৰ পিছত ৰাস্তাত আপোনাৰ লাগতিয়াল বস্তুটো দৰকাৰ হৈছে কাৰণে বোকাখাতত ৰখাওতে উলিয়াই লওঁ বুলি ভবাৰ দৰে বিমানত কিন্তু ল'ব নোৱাৰি দেই।

আগদিনাৰ ভুলবোৰৰ পুনৰাবৃত্তিনহওক বুলি ভাবি এইবাৰ আগতীয়াকৈ হেণ্ডবেগৰ টেগ কালেক্ট কৰিলোঁ। হেণ্ডবেগ যদিওবা মাত্ৰ এটাই, টেগ কিন্তু দুটা ল'লোঁ। কাৰণটো বুজি পাইছে চাগে; ঘূৰি আহি মানুহক দেখুৱাবলৈ আক'। কেতিয়াবা ৰাস্তাত এনে কিছুমান ব্যক্তি দেখা পাওঁ যিসকলে ট্ৰেভেল কৰাৰ কেইবামাহ যোৱাৰ পিছতো বেগৰ পৰা টেগটো আঁতৰাই নিদিয়ে। সেইসকলে চাগে তেনে ধৰণেৰে মানুহৰ আগত দেখুৱায়ে আত্মসন্তুষ্টি লাভ কৰে বিমান যাত্ৰা কৰো বুলি! আৰু এটা আমোদজনক কথা বহুতৰে মুখত শুনা পাওঁ যে আমাৰ ইয়াত এনে কিছু ডেকা ল'ৰা আছে, যাৰ কিন্তু নিজা মটৰচাইকেল নাথাকে অথচ হেলমেট এটা হাতত লৈ ৰাস্তাই-ঘাটে ঘূৰি ফুৰে। মই কিন্তু গুৱাহাটীৰ চিটিবাছত মাজে-সময়ে দেখিছো তেনেকুৱা হেলমেট হাতত লোৱা ডেকা। পিছে মোৰ ক্ষুদ্ৰ মগজুৱে এইটোহে ঢুকি নাপায় যে তেখেতৰ যদি নিজা মটৰচাইকেল আছেই, চিটিবাছত ওলমি যাবলৈ কিহৰ প্ৰয়োজন?

অ'ৰ'ব, মই ব্ৰেক এটা মাৰো। ক'ৰ কলিকতা এয়াৰপ'ৰ্টৰ পৰা আহি গুৱাহাটীৰ চিটিবাছ পালোঁহি! বাৰু যি নহওক কনফিডেঞ্চ লেভেলটো বাঢ়ি ৭০% মান হৈছিলগৈহে, শ্বেয়াৰ মাৰ্কেট ডাউন হোৱাৰ নিচিনাকৈ মোৰ লেভেলটোও সাউতকৈ ১০% মানলৈকে নামি আহিল, যেতিয়া গম পালোঁ যে ছিকিউৰিটি চেকিং কৰাৰ আগতে ইমিগ্ৰেচন চেক নামৰ কিবা এটাও কৰিব লাগে বুলি। চেক-ইন কাউণ্টাৰত বহি থকা ধুনীয়া লেডীগৰাকীয়ে এই বিষয়ে কিবাকিবি অলপ বুজাইছিল, পিছে ইংৰাজীত ফটাফট কি ক'লে তৰ্কিবই নোৱাৰিলো মই। ভাগ্য ভাল যেনিবা মোৰ পিছত একেশাৰীতে পৰোপকাৰী ভদ্ৰলোক এজন থিয় হৈ আছিল। তেখেতে মোৰ অসুবিধা হৈছে বুলি উপলব্ধি কৰিব পাৰি মোক ভালদৰে বুজাই দিলে যে ভাৰতবৰ্ষৰ পৰা বাহিৰৰ যিকোনো দেশলৈ যাবলৈ হ'লে এয়াৰপ'ৰ্টত ইমিগ্ৰেচন চেক কৰিবলগীয়া হয় আৰু লগতে কাউণ্টাৰটো কোনফালে আছে সেইটোও তেখেতে দেখুৱাই দিলে। ইমিগ্ৰেচন কাউণ্টাৰত গৈ এনেকুৱা লাগিল যেন ক'ৰবাত চাকৰিৰ ইণ্টাৰভিউহে দি আছো মই! কি কাৰণে যাম, কিমান দিন থাকিম ইত্যাদি প্ৰশ্ন। এইবাৰ পিছে ছিকিউৰিটি চেকিং কৰোতে একো লটিঘটি নহ'ল আগদিনা প্ৰেকটিকেল এক্সপিৰেয়েন্স হোৱাৰ বাবে। থিঅ'ৰি বুজি নোপোৱাকৈ মুখস্থ কৰি পৰীক্ষাত বহিলে যে কিমান সমস্যা হয় সেইটোৰ প্ৰমাণ পুনৰ লাভ কৰিলোঁ।

ব'ৰ্ডি এনাউঞ্চমেণ্ট হোৱাৰ পিছত যথাসময়ত জেট এয়াৰৱেজ বিমানখনৰ নিৰ্দিষ্ট আসনখনত গৈ বহিলোঁগৈ। বাছত সদায় খিৰিকীৰ ফালৰ ছিটটোত বহিবলৈ সুবিধা বিচাৰি ফুৰাৰ দৰে এইবাৰো মই খিৰিকীৰ ওচৰৰ আসনখনতে বহিলোঁ। আজিকালি অৱশ্যে লাগ বুলিলেই বিমানত খিৰিকীৰ কাষৰ আসন পোৱা নাযায়। এইমাহৰ প্ৰথম ভাগত বিশেষ এটা কামত মোৰ একমাত্ৰ বাইদেউৰ স'তে মোহনবাৰীৰ পৰা এয়াৰ ইণ্ডিয়াৰ বিমানযোগে বাংগালোৰলৈ যাত্ৰা কৰিছিলোঁ। মই বাইদেউৰ কাৰণে খিৰিকীৰ ফালৰ আসন এখন বিচাৰি চেক-ইন কাউণ্টাৰত অনুৰোধ জনাইছিলো যদিও খিৰিকীৰ আসন নাপালোঁ। জানিব পাৰি আচৰিত হ'লোঁ যে খিৰিকীৰ কাষৰ কিছুমান নিৰ্দিষ্ট আসন লাভ কৰিবলৈ হ'লে অতিৰিক্ত ৫০০ টকা ভৰিব লাগে; তাতোকৈ সেই টকাৰে দুয়োজনে বাংগালোৰত গৈ দকচি মাংস-ভাত খাব পাৰিম।

আগতে এনেকুৱা ধৰণৰ নিয়ম নাছিল কাৰণেই চাগে মই বিচৰা অনুসৰিয়েই খিৰিকীৰ কাষৰ আসনখন লাভ কৰিছিলোঁ! তিনিজনীয়া ছিটটোৰ বাকী দুজন চীনা নাগৰিক। আমাৰ আগৰ ছিটটোত বহা তিনিজনো তেওঁলোকৰ লগৰেই। কথা-বাৰ্তা পাতি গম পালোঁ যে তেওঁলোক আটাইকেইজনেই অভিযন্তা আৰু ফুৰিবলৈ বুলি থাইলেণ্ডলৈ ওলাইছে। এটা কথা লক্ষ্য কৰি আচৰিত হ'লো যে তেওঁলোক পেছাত একো-একোজন অভিযন্তা, হ'লেও ইংৰাজীত অতি দুৰ্বল। সেই কথা

কেনেকৈ গম পালো শুনক। যাত্রাপথত বিমানৰ কৰ্মচাৰীয়ে আমাক প্ৰত্যেককে একোখনকৈ ইংৰাজীত লিখা ফৰ্ম দিছিল ভৰ্তি কৰিবলৈ। মীন মহাবিদ্যালয়ত লগৰকেইটাই নেদেখাকৈ লৰালৰিকৈ পৰীক্ষাৰ উত্তৰবহী লিখি ছাৰৰ হাতত জমা দিয়াৰ নিচিনাকৈ ইয়াতো ফটাফট ফৰ্মখন পূৰাই পেলালোঁ। মই লক্ষ্য কৰিলো যে সিহঁতে ফৰ্মখন পূৰাব নোৱাৰি মোৰ ফালে ভেবা লাগি চাই আছে। 'হোৱাট হেপেনড্' বুলি মই সোধাত মোৰ কাষতে বহা অভিযন্তাজনে ফৰ্মখন কেনেকৈ পূৰাব লাগিব সেই বিষয়ে শিকাই দিবলৈ ক'লে। বেংককৰ কৰ্মশালাত ইংৰাজীত ভাষণ দিব লাগিব বুলি ভয় কৰা মানুহটোৱে যেতিয়া দেখিলোঁ যে এইকেইটাচোন মোতকৈও চাৰ, তেতিয়া মোৰ বুকু একেবাৰে ডাঠ হৈ গ'ল। মইেই নিজকে ইংৰাজীত গাধা বুলি ভাবো অথচ ইহঁত দেখোন মোতকৈও গাধ। চীনা অভিযন্তা কেইজনক ফৰ্মখন পূৰাব শিকাই দিয়াৰ ফলত মোৰ কনফিডেঞ্চ লেভেলৰ গ্ৰাফডাল পুনৰ শ্বেয়াৰ মাৰ্কেটৰ গ্ৰাফ ঊৰ্ধ্বগামী হোৱাৰ দৰে ওপৰলৈ উঠি গ'ল। অৱশ্যে মই এই কাথাটোও নভবা নহয় যে আমাৰ দেশতহে ইংৰাজী ভাষাটোক সকলোৱে ইমান বেছিকৈ প্ৰাধান্য দিয়ে, চীনাসকলে চাগে নিদিয়ে! তেওঁলোকে মোতকৈ কম ইংৰাজী জানে বুলি গম পোৱাৰ পিছত মোৰ মুখৰ পৰা ইংৰাজী শব্দ একেবাৰে আখৈ ফুটাদি ফুটিবলৈ আৰম্ভ কৰিলে। কিছুমান লোকে পানীয়বিধ ধৰাৰ পাছত যে মুখৰ পৰা তামাম ইংৰাজী শব্দ ওলায়, মোৰো যেন সেই একেই অৱস্থা!

বেংককলৈ কলিকতাৰ পৰা প্ৰায় ২ ঘণ্টা ৫০ মিনিটমান সময়ৰ পথ। ভালেসংখ্যক ইণ্টাৰনেচনেল ফ্লাইটত শীতল পানীয়ৰ লগতে হার্ড ড্রিংকচৰো ব্যৱস্থা থাকে। ধুনীয়া ধুনীয়া ভাৰতীয় এয়াৰ-হোষ্টেছ দুগৰাকীয়ে ইতিমধ্যে পানীয় বিতৰণ আৰম্ভ কৰি দিছে। মই বোলো আমাৰ ঘৰৰ ওচৰৰ চুলাই খোৱাকেইটাক ইয়ালৈ লৈ আহিব লাগে, গোটেই ষ্টক ফিনিছ কৰি দিলেহেঁতেন আজি! প্লেনত ড্রিংকছ কৰাৰ অভিজ্ঞতা এটা লওঁ বুলি ভাবি সুন্দৰী দুগৰাকীৰ পৰা বীয়েৰৰ কেন্ এটাকে বিচাৰিলোঁ। বেলেগ খাবলৈ ভয়, কেনেবাকৈ বমি-চমি হ'লে বৰ লাজত পৰিব লাগিব। পিছে দুঢোকমান মাৰি আৰু আগবঢ়াব নোৱাৰিলোঁ, বেছিকৈ তিতা লগাৰ কাৰণে। সেইভাগি সিমানতে অন্ত পেলাই মোক দিয়া লাঞ্চৰ পেকেটটো শেষ কৰি অকণমান টোপনি যাবলৈ চেষ্টা কৰিলো, পিছদিনা ৰৰ্কশ্বপ আছে। গতিকে ক্ষন্তেক জিৰণি নল'লে হোটেলত গৈ প্ৰিপাৰেচন কৰিবলৈ অসুবিধা হ'ব। মোৰ চকুযুৰি বন্ধ আছে যদিও কিন্তু ভালদৰে গম পাই আছোঁ যে চীনা বন্ধুকেইটাই ফ্ৰীতে পাই ইটোৰ পাছত সিটো পেগ্ পূৰাদমে মাৰিয়েই আছে।

(৩)

'লেডিজ এণ্ড জেণ্টেলমেন, উই উইল বি লেণ্ডিং চৰ্টলি ইন বেংকক' বুলি স্পীকাৰত শুনাৰ লগে লগে চিল্‌মিলকৈ ধৰি থকা টোপনিটোৰ পৰা সাৰ পাই গ'লো মই। কাষৰ চাইনিজ বন্ধুকেইজনে তেতিয়াও গমেই পোৱা নাই যেন লাগিল। ক'ৰ পৰা পাব, ফ্ৰীত পালে আলকাতৰাও চোৱাব পৰাৰ নিচিনাকৈ সেইগাল গিলি আহিছে নহয় বকাসুৰ কেইটাই— মনতে ভাবিলো তেনেকৈ। সিহঁতলৈ চাই থাকোঁতেই কাষৰটোৱে দিলে নহয় উগাৰ এটা মাৰি, উফ্ ৰাম ভেকেটা-ভেকেট গোন্ধটো মোৰ নাকেৰে সোমাই একেবাৰে পেট পালেগৈ।

এইখিনিতে অলপ ৰ'ব দেই, ষ্টাৰ প্লাছত আগতে চিৰিয়েল এখন প্ৰচাৰ হৈছিল যে 'সাথ নিভানা সাথিয়া', তাত ব্ৰেক দিলে মহিলাসকলৰ তামাম খং উঠাৰ নিচিনাকৈ আপোনালোকৰো যদি খং নুঠে তেনেহ'লে ঘটনা এটা মাজতে কওঁ শুনক। তেতিয়া মোৰ একো চাকৰি-বাকৰি নাই। কিবা এটা ইণ্টাৰভিউ থকাৰ বাবে মাৰ পৰা টকা কেইটামান লৈ সাজি-কাচি আহিছো যোৰহাটলৈ বুলি। এতিয়া যেনেকৈ ফ্লাইটত খিৰিকীৰ ছিট বিচৰাৰ বেমাৰটো আছে, ঠিক তেনেকৈ বাছৰ ক্ষেত্ৰতো একেটা বেমাৰেই আছিল, এইটো মানে মোৰ জন্মগত বেমাৰ চাগে! যি নহওক আপোনালোকে ভাবি থকাৰ ধৰণেৰেই মই খিৰিকীৰ ফালৰ ছিটটোতেই বহিলোঁ। তিনিজনীয়া ছিটটোৰ মাজত এজন ভদ্ৰলোক আৰু কাষত এগৰাকী ভদ্ৰ মহিলা। যোৰহাট ডিব্ৰুগড় যাত্ৰা কৰি থকা মানুহে মা লক্ষ্মী নামৰ বাছখন দেখিছে চাগে, সেইখন বাছতে আহি আছোঁ, মৰাণ পোৱাহি নাই তেতিয়ালৈকে। ইণ্টাৰভিউত কেনেকুৱা ধৰণৰ প্ৰশ্ন সুধিব পাৰে বুলি মই মনৰ ভিতৰতে আওৰাই আওৰাই গৈ আছে। তেনেকুৱাতে মোৰ কাষত বহি অহা ভদ্ৰলোকজনে মাৰিলে নহয় এটা হাঁচি। এথোপা ৰঙা গোলাপ নহয়, এথোপা সেঙুনহে তেওঁৰ নাকেদি বাহিৰ হৈ মোৰ বাঁওহাতত পৰিলহি। চিহ্ চিহ্ কি কৰো এতিয়া! মানুহজনে একো যেন গমেই নাপায় কি ঘটিল, সেইটো ভাৰ দি মোৰ ফালে ঘুৰিয়েই নাচালে

বুজিছেনে। ভাগ্য ভাল যেনিবা বাছখনত পর্দা লগোৱা আছিল, মানুহজনৰ অতি মূল্যৱান সেঙুনখিনি ক'ত মচিলো গম পালে নিশ্চয়! আজি অতদিনৰ মূৰত এই চীনাটোৰ ভেকেটা-ভেকেট উগাৰৰ গোন্ধটো পাওঁতেও সেই সেঙুনৰ ঘটনাটোলৈ মোৰ পটকৈ মনত পৰি গ'ল। তেতিয়াৰ পৰাই চিটিবাছেৰে যাওঁতে বিৰাট সাৱধান হওঁ মই। নহ'লে কেতিয়া কাৰ থু-খেকাৰ অথবা তামোলৰ পিক গাত পৰেহি ঠিক নাথাকে।

ইতিমধ্যে বিমানখনে সুবর্ণভূমি আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰিছেগৈ। যথেষ্ট ডাঙৰ বিমানবন্দৰটো। এবাৰ টিভিত দেখিছিলো যেন লাগে, এইটো বিমানবন্দৰতে বিমান এখন দুর্ঘটনাগ্রস্ত হৈ বহুত মানুহৰ মৃত্যু ঘটিছিল। ম'বাইলৰ স্ক্রীনখনতেনিজৰ কপালখন এবাৰ চালো- জীৱনত কাহানিও কল্পনা নকৰা ঠাইখনত আজি উপস্থিত হৈছোহি বুলি ভগৱানৰ নামকে ল'লো। কাৰোবাৰ টেনছন লাগে নে নাই নাজানো, মোৰ কিন্তু অ'ত বছৰে বিমানত যাত্রা কৰি থকাৰ পাছতো এতিয়াও এটা সময়ত বিৰাট টেনছন্ হয়। কেতিয়া জানে! এয়াৰ-হোষ্টেছ কেইগৰাকীয়ে আপাতকালীন স্থিতিত যে 'পানীমে উতৰনেচে আপকে কুৰচিকে নিচেমে ৰাখে হোয়ে লাইফ জেকেট ইচ তৰহচে পেহেন লিজিয়ে' বুলি কয় প্লেনখন সঁচাকৈ পৰিলে কি অৱস্থা হ'ব বুলি ভাবি এবাৰ টয়লেট গৈয়ে আহোগৈ নেকি নিচিনা লাগি যায়।

বেংককত যিহেতু 'ভিছা অন এৰাইভেল' ব্যৱস্থা আছে, গতিকে বিমানৰ পৰা নামিয়েই লগৰ সহযাত্রীবিলাকক অনুসৰণ কৰি ভিছা প্রদান কৰা কাউণ্টাৰ পালোঁগৈ। তাতো অলপকৈ লটিঘটি নলগা নহয়, মানে কথাটো এনেকুৱা- বেংককত ভিছা পাবলৈ ১০,০০০ থাই বাহ্ট (থাইলেণ্ড টকা) অথবা সমান পৰিমাণৰ আমেৰিকান ডলাৰ কাউণ্টাৰত দেখুৱাব লাগে। মই এই বিষয়ে জ্ঞাত কাৰণে লগত সেই পৰিমাণৰ কাৰেন্সি লৈ লাইনত থিয় হৈ আছো। মোৰ পাছত থিয় হৈ থকাজনো ভাৰতীয় নাগৰিকেই আছিল। তেনেকুৱাতে মোক খুজিলে নহয়, 'ভাই চাহাব আপকা হৌনেকে বাদ আপকা ডলাৰ মোঝে দিজিয়েগাহা প্লিজ, মে কাউণ্টাৰমে দিখাকে আপকৌ লৌতা দোংগা, বচ দো মিনিট কা কাম'। বাপৰে বাপ দেখিছে ই কেনেকুৱা মানুহ, মই বোলো 'জহনীত যোৱা, তোৰ পইচা যদি নাইয়েই তেনেহ'লে কাৰ বাপেৰৰ মূৰাটো কৰিবলৈ ইয়ালৈ আহিছ' বুলি মুখৰ ভিতৰতে ভোৰভোৱালোঁ। 'নেহি দেগা' বুলি ডাই�ৰেক্টলি কৈ তাৰ পৰা লাগেজটো ল'বৰ কাৰণে ঢাপলি মেলিলোঁ।

জীৱনত প্রথমবাৰ বিমানত উঠিছো, লগতে সেই প্রথমবাৰেই বিদেশৰ মাটিত ভৰি থৈছোঁ, মোৰ মনৰ স্থিতিটো কেনেকুৱা হ'ব পাৰে আপোনালোকে নিশ্চয়কৈ অলপ হ'লেও উপলব্ধি কৰিব পাৰিছে। বিমানবন্দৰৰ বাহিৰৰ গেটেদি ওলাওতেই মোৰ নামৰ প্লে' কার্ডৰ স'তে ড্রাইভাৰজন ৰৈ থকা দেখি কিবা বেলেগ সুখানুভূতি এটা লাভ কৰিছিলো। দামী কাৰ বুলি ক'লে তেতিয়ালৈকে মেক্সিমাম টাটা ইণ্ডিকাত উঠা মানুহ মই, অত্যাধুনিক সা-সুবিধাযুক্ত চেদান গাড়ীখনত মই উঠিবলৈ বুলি ড্রাইভাৰে দৰজাখন খুলি দিওঁতে মোৰ একেবাৰে 'খুচিকে আঁচু' ওলাই আহিবলগীয়া অৱস্থা হৈছিল। গাড়ীখনত বহাৰ লগে লগেই এবটল মিনাৰেল ৰাটাৰৰ স'তে এখন আলোচনী আগবঢ়াই দিলে তেখেতে মোক। মই বোলো ঘৰত ডাইৰেক্ট টিউবৱেল মাৰি পানী খোৱা মানুহ, ইয়াত এনে আতিথ্য পাই মনতে নিজকে নিজেই 'জীলে বেটা অপনা জিন্দেগি' বুলি কৈ পেলালোঁ। ইমানখিনি সুবিধা পাই মইতো এনেই অলপ অলপ পাগল হৈছোঁৱেই, তাতোকৈও ডাঙৰ ছাৱপ্রাইজ যে মোৰ কাৰণে ৰৈ আছে তেতিয়ালৈকে গমেই পোৱা নাছিলো মই। প্রায় এঘণ্টামান যোৱাৰ পাছত এটা প্রকাণ্ড কেম্পাছৰ স'তে থকা বিৰাট ওখ বিল্ডিং এটাৰ মুখত গাড়ীখন ৰাখিলেগৈ। 'ছাৰ দিছ ইজ ইয়'ৰ হোটেল' বুলি কোৱাতহে গম পালো যে মই থাকিবলগীয়া হোটেলখন এইখনেই বুলি। আগতে গুৱাহাটীলৈ কেতিয়াবা আহিলে পল্টনবজাৰত কম দামী হোটেল বিচাৰি ফুৰা মানুহ মই, কেনেকৈ গম পাম ইমান যে ডাঙৰ হোটেলত মোক থাকিবলৈ দিব বুলি। এইটোতো এইটোৱেই, তাতোকৈও ডাঙৰ কথাটো কি আছিল জানে, মই তেতিয়ালৈকে গমেই পোৱা নাছিলো সেইখন যে এখন ফাইভ ষ্টাৰ হোটেল। হয়, মই পদার্পণ কৰা হোটেলখন হ'ল 'হোটেল মেলেনিয়াম হিলটন', পৃথিৱীৰ বিভিন্ন দেশত বিস্তৃত হৈ থকা পঞ্চতাৰকাযুক্ত হোটেল। ক'ত আহিলো এইবিলাকত, কি হ'ব এতিয়া ইত্যাদি কথা ভাবি মোৰ মূৰটো যেন আচন্দ্রাই কৰিছে তেনেকুৱা উপলব্ধি কৰিলোঁ। 'চাৱাচদি' বুলি থাই ভাষাতে মোক ধুনীয়া থাই ছোৱালী দুজনীয়ে মোক সম্ভাষণ জনালে। চেক-ইন ফৰমেলিটিবিলাক সম্পূর্ণ কৰাৰ পাছত মোক হোটেলৰ ৰেটাৰ এজনে ৰুমলৈ বুলি লিফটেৰে লৈ গ'ল। সর্বমুঠ ৩১

মহলীয়া হোটেলখনৰ মোৰ কোঠাটো আছিল ১৬ মহলাত আৰু মিটিং হৈছিল দহ মহলাত। সিদিনাৰ আগলৈকে মই সাত মহলাতকৈ ওখ বিল্ডিঙত উঠিয়ে পোৱা নাছিলো। ক'ৰ পৰা পাম, অসমত তেনেকুৱা ওখ বিল্ডিং থাকিবওতো লাগিব। এতিয়াহে মানুহে গুৱাহাটীতে 'ভিভাণ্টা' চাবলৈ সুবিধা পাইছে, নহ'লেতো আগতে সেই বিলাকৰ কাৰণে দিল্লী-বোম্বে যাবলগীয়া হৈছিল।

যি নহওক মোৰ বাবে বুক কৰি ৰখা নির্দিষ্ট কোঠাটোত পদার্পণ কৰিলোঁগৈ। কোঠাটোত সোমায়েই কি কি সামগ্রী আছে ভালকৈ এবাৰ মন কৰিলো, চাৰি-পাঁচশ টকীয়া ৰুম আৰু ফাইভ ষ্টাৰ হোটেলৰ ৰুমৰ পার্থক্যনো কি অলপ বুজিবলৈ চেষ্টা কৰিলোঁ। পিছে বান্দৰেনো কি নাৰিকলৰ মোল বুজি পাম, মোৰ যেন তেনেকুৱা একেই অৱস্থা। দুখন বিছনাযুক্ত কোঠাটোৰ এখনত বহি চালো কেনেকুৱানো বুলি। উফ্ কি কম আৰু, ইমান কোমল। এখন ৰাল সম্পূর্ণৰূপে পর্দাৰে ঢাকি থোৱা আছে। নিশ্চয় খিৰিকীয়ে আছে বুলি দুয়োখন কাপোৰ চপাই দিলো; ৰাল নাই তাত, তাৰ ঠাইত এখন প্রকাণ্ড আইনা। বাহিৰত অতি মনোৰম দৃশ্য, মস্ত মস্ত বিল্ডিংবোৰৰ কাষেদি এখন ধুনীয়া নদী বৈ গৈছে। নদীখনত কেইবাখনো সৰু সৰু জাহাজ চলি থকা দেখা পালো। পিছতহে গম পালো সেইখন বেংককৰ পর্যটনৰ কেন্দ্রবিন্দু স্বৰূপ বিখ্যাত চাও-ফ্রায়া নদী।

চীনা বন্ধুজনৰ মুখৰ ভেকেটা-ভেকেট গোন্ধটোত ইতিমধ্যে পেটটো অলপ বেয়া কৰা নিচিনা লাগিছিল কাৰণে লৰালৰিকৈ বাথৰুম পালোগৈ। বাথৰুমটোত ইফালেও আইনা আৰু সিফালেও আইনা, অকলশৰীয়াকৈয়ে আছো যদিও কিবা নিজকে নিজেই লাজ লাগি গ'ল। ভিন্ন ৰকমৰ চেম্পু, কণ্ডিচনাৰ, চাবোনেৰে বাথৰুমটো ভৰি আছে। মই কিন্তু মোৰ মিছন ইতিমধ্যে আৰম্ভ কৰি দিলোঁ। মানে ব্যৱহাৰ নকৰা বটলকেইটা বেগত সোমোৱালোৱেই ঘৰলৈ বুলি। গাটো ধুইহে যেন অলপ কিবা ভাল লাগিল মোৰ।

দৰাচলতে মোৰ জন্মগত অসুখ বুলি ক'লে খিৰিকীৰ কাষত বহি ভাল পোৱা বেমাৰটোৰ উপৰি অন্য এটাও আছে আৰু সেইটো হ'ল 'হোম চিকনেছ'। ঘৰৰ পৰা আঁতৰত থাকি পঢ়া-শুনা কৰাৰ সময়তেই এই বীজাণুটোৱে কেনেকৈ জানো দেহত প্রৱেশ কৰিলে গমকেই নাপালো। বহুত চিকিৎসা কৰিলো পাছে এতিয়ালৈকে আৰোগ্য লাভ কৰিব পৰা নাই। গতিকে এই বেমাৰৰ বীজাণুটোৱে ঘৰৰ পৰা প্রায় ২৩০০ কিঃমিঃ আঁতৰত অৱস্থিত বিদেশৰ চহৰ বেংকক পাওঁতে কেনেকুৱাকৈ উকমুকাব পাৰে এবাৰ কল্পনা কৰকচোন! লাহে লাহে যেন মোক বেমাৰটোৱে হেঁচা মাৰি ধৰিলেহি। বিছনাখনৰ কাষতে থকা হোটেলৰ ফোনটোলৈ চালো, আই এছ ডিৰ সুবিধা আছে। বিশ্বাস কৰক মই তেতিয়ালৈকে ভাবি আছিলো যে যিহেতু ফাইভ ষ্টাৰ হোটেলৰ কোঠা এইটো, গতিকে ৰুমটোত থকা সকলো বস্তু বিনামূলীয়াকৈয়ে ব্যৱহাৰ কৰিব পাৰিম। হেন জানি ঘৰলৈ প্রায় দহ মিনিটমান আই এছ ডি কলত কথা পতাকে আদি কৰি মিনি বাৰৰ বস্তু পর্যন্ত খাই তহিলং কৰিলো। মই যে প্রথম দিনায়েই গৈ ইমান ডাঙৰ বেম্বো এটা নিজৰ অৱগেনাইজেচনক দিলোঁ সেই কথা পিছদিনা কর্মশালাখনত উপস্থিত হৈহে গম পালোঁ। আমাৰ কাউন্ট্রি ডাইৰেক্টৰ আছিল মিষ্টাৰ জন ষ্ট্রিক্টলেণ্ড নামৰ এজন আমেৰিকাৰ নিবাসী। আমাৰ অসমৰ এনেকুৱা ধৰণৰ কর্মশালা বা সভা-সমিতিবিলাকত যেনেকৈ চিনাকি পর্ব আৰু সম্বর্ধনা অনুষ্ঠান থাকে তাতো তেনেকুৱাকৈ চিনাকি পর্বৰেই আৰম্ভ হ'ল কর্মশালাখন। 'দিছ ফানি গাই হেজ কল্ড তু হিজ হোম বাই ইউজিং হোটেলছ ফোন এণ্ড ম'ৰ'ভাৰ ফিনিছড অল ড্রিংকছ এণ্ড স্নেকছ কেপ্ট ইন দ্যা মিনি বাৰ ইয়েছটাৰডে' বুলি মোক জনে সকলোৰে আগত হাঁহি হাঁহি পৰিচয় কৰাই দিলে। কথা এষাৰ আছে নহয় যে ভাল হ'লেও পপুলাৰ হ'ব পাৰি আৰু বেয়া হ'লেও পপুলাৰিটি গেইন কৰিব পাৰি, মোৰ 'অচিন্ত্য' নামটোও যেন সকলোৰে মুখস্থ হৈ গ'ল এই ঘটনাটোৰ জৰিয়তে।

বাৰু যি কি নহওক, হাঁহি-ধেমালি আৰু বহুতো লটিঘটিৰ মাজেৰে ছয়দিনীয়া কর্মশালাখনৰ অন্ত পেলাই তথা বুকুত অযুত স্মৃতি লৈ নিজৰ দেশলৈ বুলি জেট এয়াৰৱেজৰ বিমানেৰে ওভতনি যাত্রা আৰম্ভ কৰিলোঁ। তেতিয়ালৈকে গমেই পোৱা নাছিলো যে 'ৰিজিয়নেল এগ্রিকালচাৰেল চাম্মিট' নামৰ পুনৰ বেংককতে অনুষ্ঠিত হ'বলগীয়া কর্মশালাখনৰ বাবে মোৰ নামটো ইতিমধ্যে নির্বাচিত কৰিছে বুলি।❖❖

অস্তিত্ব

নাট্যকাৰ ঃ সোণমইনা ভূঞা
প্ৰাক্তন ছাত্ৰ (২০০৯ বৰ্ষ)
বিষয়বস্তু বিশেষজ্ঞ
কৃষি বিজ্ঞান কেন্দ্ৰ, উত্তৰ লক্ষিমপুৰ

চৰিত্ৰসমূহ

হৰ ঃ ৪৫ বছৰ, পেছাত ওজা
মেম্বৰ ঃ হৰৰ সম বয়সৰ বন্ধু; পঞ্চায়তৰ মেম্বৰ
ৰমা ঃ ২৮-৩০ বছৰ বয়সৰ যুৱক
চেনেহী ঃ ২৫-২৬ বয়সৰ যুৱতী; হৰৰ ভনীয়েক
গৌতম ঃ ২৯-৩০ বছৰ বয়সৰ যুৱক, হৰৰ ভায়েক
বিপ্লৱ ঃ ৩০-৩৫ বয়সৰ এজন বিপ্লৱী

মঞ্চ নিৰ্দেশনা ঃ

এটা গাঁৱলীয়া পৰিৱেশৰ ঘৰৰ চৌহদ। চোতালত চকী-টুল থাকিব। চোতালৰ এচুকত এটা তুলসী ভেটি। সম্পূৰ্ণ গাঁৱলীয়া পৰিৱেশ। হৰই ৰমাক ঢোল শিকাই থাকিব।

হৰ ঃ এনেকৈ, এনেকৈ। ধিন্ তাহ্ ধিন্ তাহ্ তাগুম তাহ্...

ৰমা ঃ Action

হৰ ঃ তেনেকৈ নহয় ঔ। ধেমালি পাইছ নেকি? এনেকৈ, চা এনেকৈ;

ৰমা ঃ Action

হৰ ঃ হেই এইডাল চাওঁ এইফালে চা। এনেয়ে ঋষি-মুনিয়ে কোৱা নাই নহয় বোলে পাখি লগা কাঁড় গুৰু লগা বিদ্যা। ভালদৰে চাই ল'।

ৰমা ঃ Action

(চেনেহীয়ে পানীৰ কলহ লৈ কৈ কৈ সোমাই আহিব)

চেনেহী ঃ হায় ঐ ৰমা, তোৰ ঢোলৰ চাপৰ শুনি গোটেই পথাৰৰ গৰুজাকে কঁকাল ঘূৰাই ঘূৰাই নাচিছে।

ৰমা ঃ অ' হয় নেকি? মই আকৌ ভাবিছিলো মোৰ ঢোলৰ চাপৰ শুনি কোনোবা ৰূপহী চেনেহী ডালিমীহে গাঁৱৰ পৰা আহিব বুলি!

চেনেহী ঃ থ থ। তোৰ দৰে তালি ভালদৰে বহুৱাব নোৱাৰা এটাৰ চাপৰত কোনোবা নাহিহে পৰিছে। (Direction) বাৰু ককাইদেউ, তইনো এই এলাইজাবৰিটোক কিয় শিকাই মৰিছ'?

ৰমা ঃ কি ক'লি? আকৌ ক'চোন।

চেনেহী ঃ কি ক'ম আৰু (Direction)

ৰমা ঃ তোক ৰ'। (খেদি যাব আৰু চেনেহী হৰৰ পাছফালে যাব)

হৰ ঃ হেই এইবোৰ, ৰহচোন।

ৰমা ঃ তাই মোক কিয় জোকাই থাকিব?

হৰ ঃ তই গছ নেকি জোকাই দিবলৈ (Direction), হ'ব দে। মই এচাপৰ মাৰি দিওঁ। ভণ্টি তই এপাক নাচৰ ৰিহার্চেল কৰি ল' আৰু ৰমা তয়ো নাচনীৰ লগে লগে ঢোল মাৰি যা। (সকলোৱে ৰিহার্চেল কৰিব। এনেতে মেম্বৰ কৈ কৈ সোমায় আহিব)

মেম্বৰ ঃ বোলো ৰমা, অ' ৰমা। এহ্, তোক বিচাৰি বিচাৰি ইয়াতে পালো। বাৰু বান্ধে খবৰ ভাল? একেবাৰে Final ৰিহার্চেল দিলা যেন পাওঁ!

হৰ ঃ (বহিবলৈ দিব) তেনেকুৱাই। চেনেহী যাচোন, তামোল চালি এখনকে আন, অ' হাতুৰীডালো আনিবিচোন।

চেনেহী ঃ অ' (যায়)

ৰমা ঃ হেৰি নহয়, আজি বা মেম্বৰৰ এনে কি কাম ওলাল, যাৰ বাবে এই এলাইজাবৰিটোক বিচাৰি একেবাৰে গাঁৱৰ মূৰ পালেহি।

মেম্বৰ ঃ নাই বিশেষ তেনেকুৱা কথা নাই। তথাপিও!

ৰমা ঃ তথাপিও!

মেম্বৰ ঃ গাঁও উন্নয়ন আঁচনিৰ অধীনত চৰকাৰে কিছুমান গাঁৱলৈ কুঁৱা দিছে।

ৰমা ঃ তাতে মই কি কৰিব লাগে?

মেম্বৰ ঃ হেই এইটো, বোলো তোৰতো ঘৰত কুঁৱা নাই, মই ভাবিছো যদি পইচা-পাতি কেইটামান খৰচ কৰ তেন্তে কুঁৱা এটা দেখোন এইটো চেগতে গোটাই ল'ব পাৰ। তাতে তইতো জানই ঘৰতে পানী টুপি হ'লে কিমান সুবিধা!

হৰ ঃ চৰকাৰী কুঁৱাৰ বাবে আক' পইচা কেলৈ?

মেম্বৰ ঃ বোলো চৰকাৰেতো ঘৰৰ চৌহদত কুঁৱাটো বহুৱাবলৈ দিয়া নাই, কুঁৱাটো পাছফালৰ চোতালত পাবলৈ হ'লে, সেঃ সেঃ সেঃ

ৰমা ঃ হেঃ হেঃ হেঃ। এৰা হৰ দা, সেইটোনো সোধা কথানে? বাৰু শ্ৰদ্ধাৰ মেম্বৰ ডাঙৰীয়া, আপোনাৰ এই আশা আপুনিয়েই লওক, মোৰ আৰু চৰকাৰী দালালিৰ পকেটত ধন দিবলৈ সমূলি ইচ্ছা নাই।

মেম্বৰ ঃ মানে?

ৰমা ঃ মানে যোৱা বছৰ চৰকাৰী ঘৰৰ বাবদ ৫০০ টকা, এই বছৰৰ পহিলাত আইৰ পেন্সনৰ নামত ২০০ টকা, ৰবিশস্যৰ বিনামূলীয়া সঁচৰ বাবদ চাহ-তামোলৰ খৰচ আদিকে ধৰি সাতে-সোতৰে শ শ পইচা দিয়েই মোৰ আধ্যা পৰি গৈছে। ঘৰত খেতি-বাতি কৰি পোৱা গাঁঠিৰ ধনকেইটা আৰু এই চব দালালিক দিবলৈ মোৰ মন নাই, আপুনি এই আশা ইয়াতে ত্যাগ কৰক।

মেম্বৰ ঃ হেৰি নহয়, তই বাৰে বাৰে চৰকাৰী দালালি বুলি যে কৈছ, মানে কাক কৈছ?

ৰমা ঃ সেইটোও ধৰিব পৰা নাইনে? শুনক তেন্তে, চৰকাৰী দালালি বুলি আপোনালোকৰ নিচিনা ঘোচখোৰ সমাজক প্ৰতিনিধিত্ব কৰা সমাজসেৱক মেম্বৰ, কৰ্মচাৰী আদিকে কৈছোঁ।

মেম্বৰ ঃ ঐ ঐ মুখ চম্ভালি কথা ক'বি। মানুহক কেনেদৰে কথা ক'ব লাগে নাজান, ইডিয়ট ক'ৰবাৰ।

ৰমা ঃ কাক ইডিয়ট ক'লি হা, চাল্লা চিনি পোৱা নাই। (চোঁচা মাৰি খেদি যায়, হৰই ধৰিব)

হৰ ঃ ৰমা, ৰমা ৰ'চোন ৰ'। যাচোন যা হেৰৌ এইবোৰ নকৰিবিচোন। মেম্বৰ তুমিও ব'লাচোন।

ৰমা ঃ তোক, তোক চাই ল'ম। (যায়)

মেম্বৰ ঃ ঐ ঐ, তোৰ দৰে ভতুৱা কুকৰলৈ আমুকাই ভয় নকৰে। এই মেম্বৰ চলিহাৰ নোম এডালো তই লৰাব নোৱাৰিবি। (চেনেহীয়ে তামোলৰ বটা আৰু হাঁতুৰী লৈ সোমাই আহিব)

চেনেহী ঃ দদাই তামোল লওক।

মেম্বৰ ঃ অ' মাজনী, হে হে, তোমাৰ ভালনে?

চেনেহী ঃ ভালেই।

মেম্বৰ ঃ বিহুলৈ পাছে প্ৰস্তুতি কেনে কৰিছা? এইবাৰ কিন্তু বিহুকুঁৱৰী হৈ আমাৰ গাঁৱৰ নাম উজলাব লাগিব।

চেনেহী ঃ নাই, তেনেকুৱা বিশেষ প্ৰস্তুতি হোৱাগৈয়ে নাই।

মেম্বৰ ঃ পিছে তুমি তেনেকৈ ক'লে নহ'ব দেই, অন্ততঃ তোমাৰ ডাঙৰ দাৰ নিচিনা বিখ্যাত ওজা এজনৰ নাম ৰাখিব পাৰিব লাগিব।

চেনেহী ঃ চাওঁচোন কি হয়!

মেম্বৰ ঃ বাৰু, ই গৌতম ঘৰত নাই নেকি? দেখা নাই।

চেনেহী ঃ অ' সৰু দা, আছে। বাৰীত জিকা জোপাত জেং দি আছে নেকি!

মেম্বৰ ঃ অ' হয় নেকি; মই মতা বুলি কোৱাচোন।

চেনেহী ঃ হ'ব বাৰু, সৰু দা, অ' সৰু দা... (যায়)

মেম্বৰ ঃ (Direction) বান্ধে, হেৰা বান্ধে পিছে বিহু মেলাৰ কামবোৰ হৈছেগৈনে?

হৰ ঃ প্ৰভুৰ কৃপাত হৈছে বুলিয়েই ক'ব পাৰি। তথাপিও বহুতে চান্দা-পাতিবোৰ দি শেষ কৰাই নাই।

মেম্বৰ ঃ এৰা হে, এইবাৰ ধেমাজিৰ ৰাংঢালী আৰু আদর্শ দলকো নিমন্ত্রণ কৰিছা বুলি শুনিছো। সিহঁতে কিন্তু বেছ মাৰে দেই, একেবাৰে উপস্থিত সকলোৰে কঁকাল সাতখন আঠখন কৰাই দিয়ে।

ৰমা ঃ আমন্ত্রণতো প্রায় ২৫টামান দলকে দিয়া হৈছে, কিন্তু কিমান আহে সেইটোহে ক'ব নোৱাৰোঁ। (গৌতম সোমাই আহিব)।

গৌতম ঃ অ' মেম্বৰ দাই, কি সকামত বা বিচাৰিলে?

মেম্বৰ ঃ গৌতম, হেন্দালি দি আছিলি হ'ব পায়?

গৌতম ঃ অ' কিনো কৰিব!

মেম্বৰ ঃ তই কথাটো গম পাইছনে?

গৌতম ঃ কি কথা?

মেম্বৰ ঃ যোগবৰুৱা স্কুলৰ সহকাৰী শিক্ষকৰ পোষ্টটোৰ কথা।

গৌতম ঃ নাই, নাইপোৱা।

মেম্বৰ ঃ মই ঠিকেই ভাবিছিলো; তই খবৰ নাই পোৱা বুলি, সেয়ে খবৰটো দিবলৈকে আহিছিলো। হেৰি, এইবাৰ ভালমতে ইণ্টাৰভিউটো দি দে বুজিছ?

গৌতম ঃ হ'ব দিয়ক। মোৰ আৰু চৰকাৰী চাকৰিৰ ইণ্টাৰভিউ দিয়াৰ ইচ্ছা নাই। যোৱা কেইবছৰ দি দিয়েই হৈ গৈছে। প্রত্যেকবাৰে ইণ্টাৰভিউ ভাল হয়; টেবুলৰ তলেৰে ধনৰ টোপোলা এটা দিব নোৱাৰাৰ বাবেই কোনোবাৰে চাকৰি এটা নাপালো।

মেম্বৰ ঃ তই ভবাৰ দৰে সকলোবোৰ নহয় বুজিছ।

গৌতম ঃ কি নহয়? কিহৰ ভিত্তিত আপুনি কথাটো ক'লেহে! আপুনিয়েই কওকচোন যোৱা বছৰ ব্লকৰ পোষ্টটোৰ বাবে মোক কিয় ছিলেক্ট নকৰিলে? সেই ঠিকাদাৰ দুলাল দত্তৰ পুতেকে যে পালে, মই কিয় নাপালো? তাৰ তুলনাত মোৰ কি নাছিল? সিটো দুবাৰ যুঁজি ছেকেণ্ড ক্লাছত বি এ পাছ কৰিছিল আৰু মই মেট্রিকৰ পৰা বি এ লৈকেতো ফার্ষ্ট ক্লাছ লৈয়েই ওলাইছিলো। সেইবোৰ টকাৰ বলত নহয় আৰু কি!

মেম্বৰ ঃ ডেকা ল'ৰা, তথাপিও দিয়াচোন। এইবাৰ দি চোৱা, সেই বুলি লোকৰ লগত নিজকে ৰিজাই তোমাৰ আদর্শ কিয় নষ্ট কৰিছা।

গৌতম ঃ আদর্শ, মোক আদর্শৰ কথা নক'ব আৰু এইক্ষেত্রত আপোনালোকৰ দৰে ভদ্রতাৰ মুখা পিন্ধা লোকক মোৰ জনা আছে!

মেম্বৰ ঃ তুমি কি জানাহে?

গৌতম ঃ মই জানো আপোনালোকৰ বাবে আদর্শ হৈছে সমাজৰ দুখীয়া শ্রেণীৰ মানুহক চেপি-শুহি তেওঁলোকৰ অস্তিত্ব নাইকিয়া কৰা।

হৰ ঃ গৌতম!

মেম্বৰ ঃ তুমি বহুত বেছিলৈ গৈছা, ইমান পঢ়া-শুনা কৰা ল'ৰা এটাই ডাঙৰক কেনেদৰে কথা ক'ব লাগে, তাক নাজানা।

গৌতম ঃ জানো, মই ভালদৰেই জানো আৰু কাৰোবাৰ গাত চেকা থাকিলে যে গা ৰম্‌জমাই যায়, তাকো মই জানো।

হৰ ঃ গৌতম ৰ'চোন।

মেম্বৰ ঃ তোক, তোক মই চাই ল'ম! এই মেম্বৰ চলিহাক অপমান কৰাৰ ফল তই ভুগিব লাগিব। বান্ধে মই যাওঁ (গুচি যায়)

হৰ ঃ এহ ৰাম ৰ'চোন, ৰ'ব। বোলো গৌতম তই কথাযাৰ বেয়াকৈ ক'লি নেকি?

গৌতম ঃ একো বেয়াকৈ কোৱা নাই দাদা। এইচব সুবিধাবাদী মানুহক তেনেকৈয়ে ক'ব লাগে। বাৰু তয়েই ক'চোন দাদা, মোৰ কি নাই যে মই চৰকাৰী চাকৰি এটা নাই পোৱা।

হৰ ঃ তথাপি এইবাৰ ইণ্টাৰভিউটো দে'। দৰকাৰ হ'লে মই মাটি এবিঘাকে বিক্রী কৰি দিওঁ।

গৌতম ঃ নাই নালাগে দাদা, চৰকাৰী চাকৰিৰ নামত মোক মাটি বিক্রী কৰি টকা দিব নালাগে। মই কোনো চৰকাৰী চাকৰিৰ ইণ্টাৰভিউ নিদিওঁ। পাৰো যদি পুখুৰীটোৰ কাষত ব্রয়লাৰ ফার্ম এখনকে খোলো। অৱশ্যে তাৰ বাবে মাটিকে এবিঘামান বন্ধকত থ'ব লাগিব যেন পাইছো!

হৰ ঃ হ'ব দে, তোৰ যদি ইচ্ছা নাই মইনো কি ক'ম? (Direction) এহ্‌ মই কিবা এটা ব্যৱস্থাকে কৰোগৈ দে। (হৰ যায়, খন্তেক পাছত চেনেহী আহে)

চেনেহী ঃ দাদা অ' দাদা, সেই যে ল'ৰাজন পিছফালৰ পথাৰে পথাৰে আমাৰ ঘৰলৈ আহি আছে...

গৌতম ঃ কোন?

চেনেহী ঃ সেই দিনাখন যে আহিছিল!

গৌতম ঃ কোন অ', বিপ্লৱ নেকি?

চেনেহী ঃ অ' অ'

গৌতম ঃ আহিবলৈ দে।

চেনেহী ঃ সি আহিলে মোৰ বৰ ভয় লাগে জান।

গৌতম ঃ কিয়?

চেনেহী ঃ ক'ব নোৱাৰো।

গৌতম ঃ একো নহয় দে, মই আছো নহয়। (Direction) তই চোতালখন সাৰিবিচোন, বৰ একাঁঠু হৈছে। (চেনেহী যায়, বিপ্লৱ সোমাই আহে।)

বিপ্লৱ ঃ নমস্কাৰ, তোমাৰ ভাল।

গৌতম ঃ হয় ভালে আছো। (বহিবলৈ দিব)

বিপ্লৱ ঃ বাৰু মই দিয়া পুস্তিকাখন তুমি চালানে?

গৌতম ঃ চালো, কিন্তু তাত সন্নিৱিষ্ট সকলো পইণ্ট মই গ্ৰহণযোগ্য বুলি বিবেচনা কৰিব পৰা নাই। I mean the motto of your organization is not totally acceptable.

বিপ্লৱ ঃ But why? কিয়?

গৌতম ঃ কিয়নো তাত উল্লেখ থকা বিপ্লৱী চেতনাক গ্ৰহণ কৰিলেও আন আন আনুষংগিক উদ্দেশ্যবোৰত যেন স্বাৰ্থপৰতাৰ ভাব লুকাই আছে তেনে লাগে, যিবোৰে তোমালোকৰ সংগঠনটোক terrorist বোলাৰ বাহিৰে একো নক'ব।

বিপ্লৱ ঃ তুমি ভুল বুজিছা। আমাৰ উদ্দেশ্য সন্ত্ৰাসবাদ নহয়। আমি নিষ্ঠা আৰু আদৰ্শৰে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়া এদল বিপ্লৱী, যাৰ উদ্দেশ্য সুপৰিকল্পিত আৰু সু-চেতনামূলক।

গৌতম ঃ সু-চেতনামূলক যদি হয়েই, এই আদৰ্শ তোমালোকে কিয় জীয়াই ৰাখিব পৰা নাই? প্ৰত্যেকবাৰে অপৰাধী MLAক টাৰ্গেট হিচাপে লৈ যিবোৰ বিস্ফোৰণ ঘটোৱা, তাত কিয় এম এল এ-মন্ত্ৰীৰ সলনি নিৰীহ জনসাধাৰণ মৰে? কিয় তোমালোকৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে জনসাধাৰণে জীয়াতু ভোগে? এয়াই তোমালোকৰ সুপৰিকল্পিত উদ্দেশ্য নেকি?

বিপ্লৱ ঃ তুমি সকলো কথা এই মেজাজত ক'ব নোৱাৰা। অন্ততঃ উচ্চশিক্ষিত এজন যুৱক হিচাপে এইবোৰ নিৰৰ্থক যুক্তি দিয়াৰ প্ৰয়োজন নাছিল।

গৌতম ঃ কিন্তু সকলো কথাকে নিজৰ বিচাৰ-বুদ্ধিৰে ভাবি চোৱাটো মই দৰকাৰ বুলি ভাবিছো। অৱশ্যে কেতিয়াবা ভুলো হ'ব পাৰে।
(হৰ সোমাই আহে)

হৰ ঃ তুমি ? তুমি ইয়াত কি কৰিছা? অতি সোনকালে ইয়াৰ পৰা আঁতৰ হোৱা।

বিপ্লৱ ঃ দাদা!

হৰ ঃ কোনো দাদা, ভাইটিৰ কথা নাই। মই ওলাই যাব কৈছো ওলাই যোৱা।

বিপ্লৱ ঃ কিন্তু কিয়?

হৰ ঃ কিয় প্ৰশ্ন নকৰিবা, মাত্ৰ এটা কথাই জানি থোৱা, তোমাৰ বাবে মোৰ ঘৰ তথা গাঁওখনৰ কোনো অপকাৰ হ'ব নালাগে।

বিপ্লৱ ঃ হ'ব দাদা, মই অবাধ্য নহয়, যাম; আপুনি চিন্তা নকৰিব। বাৰু গৌতম, তুমি কথাবোৰ এবাৰ ভালদৰে জুকিয়াই চাবা। আকৌ কেতিয়াবা লগ পাম।

হৰ ঃ তুমি যোৱা বুলি কৈছো নহয়! (বিপ্লৱ যায়)

গৌতম ঃ দাদা, কোনো মাটি লোৱা মানুহ পালিনে?

হৰ ঃ অ'। গাঁওবুঢ়া কলিৰাম দাইটিয়ে ল'ম বুলি কৈছে, অৱশ্যে তাৰ বাবে দুদিনমান ৰ'ব লাগিব।

গৌতম ঃ হ'ব দে, মই আনুষংগিক কামবোৰ কৰি লোৱাৰ পিছত হ'লেও হ'ব। বাৰু মই অলপ চেণ্টাৰৰ ফালে ওলাই যাওঁচোন।

হৰ ঃ বাৰু, (কিবা মনত পৰাৰ দৰে) অ' হেৰি নহয় গৌতম, সোনকালে আহিবি। চেণ্টাৰৰ ফালে মই পুলিচবোৰে পিট্‌পিটাই থকা দেখিছিলো। ক'ব নোৱাৰি নহয় সিহঁতৰ কথা, উৱহৰ খং ফটা কাঠতহে জাৰে।

গৌতম ঃ তই চিন্তা নকৰিবি, মই সোনকালেই উভতিম আৰু গাত দোষ নাথাকিলে সিহঁতে কি কৰিব পাৰিব?
(গৌতম যায়, চেনেহী ঝাৰুডাল লৈ সোমাই আহে)

চেনেহী ঃ ডাঙৰদা কি দোষৰ কথা সৰুদাই ক'লে অ'?

হৰ ঃ কি ক'বি আৰু তাৰ কথাহে!

চেনেহী ঃ মোৰ হ'লে তালৈ বৰ চিন্তা হয়, জান!

হৰ ঃ এৰা কি কৰিবি? সেয়াহে সি বোলে এইবাৰ ইণ্টাৰভিউটো নিদিয়ে, সি বোলে ব্ৰয়লাৰ ফাৰ্মহে খোলে!

চেনেহী ঃ সি যি ভাল দেখিছে কৰিবলৈ দে'। চাবি সি সফলো হ'ব।

হৰ ঃ ময়ো ভগৱানক দিনে-ৰাতিয়ে তাকেই খাতিছো। (Direction) তই এটা কথা লক্ষ্য কৰিছনে?

চেনেহী ঃ কি কথা বা ক'লি!

হৰ ঃ আমাৰ গৌতমৰ কথা, তাক লৈ মোৰ বৰ গৌৰৱ হয় জান। এতিয়া সি চৰকাৰী চাকৰিৰ ইণ্টাৰভিউ নিদিওঁ বুলি কোৱাৰ লগতে নিজে স্বাৱলম্বী হ'বলৈ ব্ৰয়লাৰ ফাৰ্ম খুলিম বুলি কৈছে। অন্ততঃ সি এই বিপ্লৱৰ নিচিনাকৈ নিৰৰ্থক হাবিয়ে-বননিয়ে ঘূৰি উদণ্ড বিপ্লৱ কৰিবলৈ যোৱা নাই। গৌতমৰ এই বিপ্লৱ সেউজ বিপ্লৱ, যাক সকলোৱে গ্ৰহণ কৰিব।

চেনেহী ঃ ময়ো আমাৰ লগৰ মখাক কেনেকৈ স্বাৱলম্বী হ'ব পাৰি, তাৰ বিষয়েহে চিন্তা-চৰ্চা কৰিবলৈ কৈছোঁ। (ৰমা চিঞৰি চিঞৰি সোমাই আহিব)

ৰমা ঃ হৰদা, হৰদা, সৰ্বনাশ— চেনেহী অ' চেনেহী...

হৰ....চেনেহী ঃ কি হ'ল অ', একেবাৰে উধাতু খাই আহিছ যে, কিবা হৈছে নেকি?

ৰমা ঃ পুলিচ! গৌতমক চেণ্টাৰৰ পৰা পুলিচে ধৰি লৈ গৈছে।

হৰ....চেনেহী ঃ কি?

ৰমা ঃ অ' মই কেৰকণৰ দোকানলৈ গৈছিলো, তাতে তাক দেখি তহঁতক খবৰটো দিবলৈ ল'ৰ দি আহিলোঁ।

চেনেহী ঃ (কান্দি কান্দি) এতিয়া কি হ'ব?

হৰ ঃ এইবোৰ কিয় হ'বলৈ পালে? (Direction) নিশ্চয় এই মেম্বৰেই মিছা অপবাদত পুলিচক লগাই দিছে।

ৰমা ঃ কি কৰে এতিয়া? কিবা এটা সোনকালে কৰক।

হৰ ঃ বহ্ মই যাওঁ, ৰমা তয়ো ব'ল। এই নিষিদ্ধঘোষিত সংগঠনৰ সদস্য বিপ্লৱ অহাৰ চাঞ্চ লৈয়ে কিজানি তাক ধৰিছে! চেনেহী তই নাকান্দিবি, চব ঠিক হৈ যাব। মই গৈ পুলিচক সি নিৰ্দোষী বুলি ক'ম আৰু তাক লৈ আহিম। আৰু, আৰু যদি এৰি নিদিয়ে, তেন্তে মই তাক পুলিচৰ গাড়ীৰ পৰা চোঁচৰাই লৈ আহিম। (Direction) মোৰ চেণ্ডেলযোৰ, কামিজটো! হ'ব ব'ল। (যায়) (চেনেহীয়ে ভিতৰলৈ গৈ ধূপদানিটো লৈ ধূপ জ্বলাই তুলসীৰ ভেটিত দিব)

চেনেহী ঃ হে প্ৰভু, আমিনো এনে কি পাপ কৰিছো, যাৰ বাবে এনে নিৰ্দয় শাস্তি দিছা। (কৈ কৈ কাকূতি গাব) 'কি মতে ভকতি কৰি বো তোমাত হৰি এ, মই মূঢ়মতি নাজানো তাৰ উপায়, ৰাম ৰাম মহা বলৱন্ত দুৰ্বাসনা ঘোৰ হৰি এ, আমাৰ মনক তেজিয়া দূৰ নাযায় ৰাম ৰাম।। (ৰমাই হৰক ধৰি ধৰি লৈ আহিব, শৰীৰত তেজৰ দাগ; চেনেহীৰ পাছফালে প্ৰণিপাত কৰিব আৰু অৱশেষত কান্দি দিব, চেনেহীয়েও কান্দিব।)

পট পৰে❖❖

চৰিত্ৰসমূহত আছিল ঃ

হৰ ঃ বিৰাজ বিকাশ শৰ্মা

মেম্বৰ ঃ সোণমইনা ভূঞা

ৰমা ঃ সিমাংকু বৰা

চেনেহী ঃ শিল্পীশিখা গগৈ

গৌতম ঃ ৰিংকু গগৈ

বিপ্লৱ ঃ ভূপেন কুমাৰ দাফলাৰী

(**বিঃদ্ৰঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ ১৯ সংখ্যক আন্তঃমহাবিদ্যালয় সপ্তাহত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত নাটক)

মীন মহাবিদ্যালয়ত কটোৱা দিনবোৰলৈ এটি ওভতনি যাত্রা

ড° ধ্রুৱজ্যোতি শর্মা
প্রাক্তন ছাত্র (১৯৯৩ বর্ষ)
মহকুমা মীন উন্নয়ন বিষয়া তথা
পৰিচালন সঞ্চালক, ফিছফেড (ভাঃ)

উত্তৰ-পূর্বাঞ্চলৰ মীন বিজ্ঞান শিক্ষাৰ বাটকটীয়া ৰহাস্থিত আমাৰ মীন মহাবিদ্যালয়খন দেশৰে এখন অন্যতম ঐতিহ্যপূর্ণ শিক্ষানুষ্ঠান। কেৱল শিক্ষানুষ্ঠান বুলি ক'লে হয়তো ভুল হ'ব, আমাৰ জীৱন গঢ়াৰ কঠীয়াতলী— য'ত কৰা কচৰতৰ আলমত আজি মানুহ বুলি চিনাকি দিবলৈ সক্ষম হৈছোঁ। বহু স্মৃতি, হাঁহি, আনন্দ আৰু আলোকৰ মাধ্যমেৰে উদ্ভাসিত হৈছিলো এই মহাবিদ্যালয়ত। সেয়েহে মীন মহাবিদ্যালয় নামটোৰ লগতেই আমাৰ কর্ণপটহত প্রতিধ্বনিত হয় অলেখ মৰম, স্মৃতি, হাঁহি আৰু সম্প্রীতিৰ অনির্বচনীয় ঐক্যতান। মহাবিদ্যালয়খনৰ চিৰ জ্যোতিষ্মান বর্ত্তিগছিৰ প্রদীপ্ত জ্যোতিকণাই সদায়েই অনুপ্রাণিত কৰে ৰাজ্যৰ মীন খণ্ডক। ১৯৮৮ত কলঙৰ পাৰৰ পলসুৱা ভূমিত মীন মহাবিদ্যালয় নামেৰে অসম কৃষি বিশ্ববিদ্যালয়ে ৰোপণ কৰা বিৰিখৰ পুলিটো আজি ফলে-মূলে জাতিস্কাৰ হৈ জ্ঞানবৃক্ষৰ ৰূপ পালে। এই বৃক্ষৰ তমসানাশী জ্ঞানৰ আলোকে উজলাই তুলিছে দেশৰ মীন খণ্ডক।

আজি সতীর্থ সন্মিলনৰ মধুৰ মিলন ক্ষেত্রত মীন মহাবিদ্যালয়ত এৰি অহা দিনবোৰলৈ ওভতি চাই ৰোমন্থন কৰিছোঁ সোণালী দিনৰ বহু হেৰোৱা ছবিৰ দৃশ্যপট। বিভিন্ন কাম-কাজৰ তাগিদাত মহাবিদ্যালয়খন পাৰ হৈ গ'লেই সদায়েই মনলৈ আহে কলেজীয়া দিনৰ বহু মিঠা লগা বাৰেৰহণীয়া সোঁৱৰণী। সতীর্থ সন্মিলনৰ অচিলাৰে প্রয়াস কৰিছোঁ সেই হেৰাই যোৱা ছবিবোৰৰ টুকুৰাসমূহ পুনৰ জোৰা দিয়াৰ, ঠিক কবিগুৰু ৰবীন্দ্রনাথে কোৱাৰ দৰে...

'পুৰণো সেই দিনেৰ কথা ভুলিব কিকৰে হায়
ও সেই
চোখেৰ দেখা প্রাণেৰ কথা সেকি
ভোলা যায়'

আমাৰ ছাত্রাৱস্থাত মহাবিদ্যালয়খনত আজিৰ দৰে নাছিল আন্তঃগাঁথনি, স্থাপত্য বা সা-সুবিধা। কিন্তু আছিল এক বুজাব নোৱাৰা প্রাণৰ ভাবাৱেগ। মহাবিদ্যালয়খনৰ সৰু পুথিভঁৰাল আৰু প্রশাসনিক ভৱনৰ বাৰাণ্ডাত বহি বহিয়েই পৰিকল্পনা কৰা হৈছিল বিভিন্ন সভা-সমিতি, সাংস্কৃতিক কার্যসূচী, বৌদ্ধিক সূচী আদি। এই কার্যসূচীবোৰতো আছিল ভিন্নতাৰ পৰশ আৰু জীপাল মাদকতা। বিশেষকৈ নৱাগত আদৰণী সভাৰ পৰিৱেশ আছিল অনন্য। মই অগ্রজ, অনুজ আৰু সহপাঠী হিচাপে পোৱা প্রতিজনৰে আছিল বিশাল মেধা, জ্ঞান, প্রজ্ঞা আৰু বিদ্বৎ সমাজত তেওঁলোকৰ অতিকৈ শলাগিবলগীয়া স্থিতি। সকলো আছিল এটা পৰিয়ালৰ দৰে। আনকি শিক্ষকসকলো আছিল সেই বৃহৎ পৰিয়ালটিৰ সদস্য। শিক্ষকসকলে ছাত্রৰ (আমাৰ সময়ত ছাত্রী নাছিল) প্রকৃত অভিভাৱকৰ দায়িত্ব পালন কৰাৰ উপৰি কোনো সময়তে আমাক ঘৰৰ পৰা বাহিৰত থকা বুলি ভবাৰ অৱকাশ দিয়া নাছিল। কনিষ্ঠসকলে জ্যেষ্ঠসকলক হৃদয়েৰে দাদা আৰু আপুনি সম্বোধনেৰে এক ভ্রাতৃত্ববোধৰ পৰম্পৰা গঢ়ি তুলিছিল। এইবোৰ কথা পাগুলিলে কলমৰ আগত বিষয়ৰ নাটনি নহয়, বৈভৱৰহে নাটনি হয়। সঁচাকৈ ক'বলৈ গ'লে 'মীন মহাবিদ্যালয়' শব্দ দুটা মোৰ বাবে মায়াভৰা নাম। কি সুমধুৰ আমেজেৰে ভৰা স্মৃতি! মহাবিদ্যালয়খনৰ ছাত্র একতা সভা (কফছু) আৰু

অসম কৃষি বিশ্ববিদ্যালয় ছাত্র একতা সভা (আউছু)ৰ লগতো ওতঃপ্রোতভাৱে জড়িত হৈ বহুতো অভিজ্ঞতা সঞ্চয় কৰিছিলোঁ। সাধাৰণ সম্পাদক হিচাপে সন্মুখৰ পৰা মহাবিদ্যালয়খনক নেতৃত্ব দিয়াৰ সুযোগ পাইছিলোঁ। এইবোৰ অভিজ্ঞতাৰ পৰা ভৱিষ্যৎ জীৱন পথৰ সমল বুটলিছিলোঁ। মহাবিদ্যালয়খনৰ ইতিহাসৰ এটা মাইলৰ খুঁটাত ভেজা দি এৰি অহা দিনবোৰলৈ ভুমুকি মাৰিলে নষ্টালজিক হৈ পৰোঁ। আমাৰ সময়তে মহাবিদ্যালয়খনৰ মুখপত্ৰ 'পিচিনা' ভূমিষ্ঠ হৈছিল বন্ধুবৰ সহপাঠী ড° হৰিচৰণ দাসৰ সম্পাদনাত। প্ৰথম সংখ্যা 'পিচিনা' প্ৰকাশৰ নেপথ্যত জড়িত থাকি আহৰণ কৰিছিলোঁ আন বহু অভিজ্ঞতা। আৰ্থিক সমস্যাৰ বাবে শেষ মুহূৰ্তত সমস্যাত পৰা হৰিক আশ্বাস দি বিভিন্ন শুভাকাংক্ষীৰ পৰা বিজ্ঞাপন সংগ্ৰহ কৰি সম্পাদকৰ অভিব্যক্তিক জাগ্ৰত কৰা দিনবোৰ হৰিয়েও পাহৰা নাই। ৰাজ্যৰ বিভিন্ন ঠাইৰ মুকলি আৰু আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত হৰি আৰু ছন্দনৰ লগত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি বঁটা প্ৰাপ্তিৰ আনন্দ আজিও ঢাকি ৰাখিব পৰা নাই। আমি আজি যি হৈছোঁ সেয়া মীন মহাবিদ্যালয়ৰে অৱদান। আজি আমি কৰ্মক্ষেত্ৰত বা সামাজিক-ৰাজহুৱা জীৱনত যি আচাৰ-আচৰণ প্ৰদৰ্শন কৰিছোঁ সেয়া মীন মহাবিদ্যালয়ৰেই অৱদান। মীন মহাবিদ্যালয় আমাৰ বাবে আছিল এটা সপোনৰ নাম। কেৱল উচ্চ শিক্ষা লাভৰ সপোনেই নহয়, স্বপ্ন জীৱন-যৌৱনৰ অসীম আশা আৰু সম্ভাৱনাৰ। সেয়েহে এনে সজীৱ, গৌৰৱোজ্জ্বল দিনবোৰ কাহানিও পাহৰিব নোৱাৰোঁ। মোৰ বাবে মীন মহাবিদ্যালয়ৰ স্মৃতি কেৱল অতীতেই নহয়, বৰ্তমান আৰু ভৱিষ্যতো। মোৰ দেহ-মন-প্ৰাণ সকলোতে মীন মহাবিদ্যালয়ৰ অংগায়ী সম্পৰ্ক। মহাবিদ্যালয়খনৰ বিষয়া-কৰ্মচাৰী সকলো আছিল একতাৰ ডোলেৰে বন্ধা। পুৱা শেতেলী এৰাৰ পৰা নিশা বিছনালৈ যোৱা প্ৰতিটো মুহূৰ্ততেই এজন আনজনৰ সহচৰ। মীন মহাবিদ্যালয়ৰ আটাইতকৈ ভাল লগা ইতিবাচক দিশটো হ'ল ইয়াক কেন্দ্ৰ কৰি গঢ়ি উঠা বৰ্ণাঢ্য সামূহিক জীৱন। সেই জীৱনৰ সুখ অনুভৱ কৰি ধন্য হওঁ সততেই। অৱশ্যে কেৱল অতীতলৈ চাই বৰ্তমান আৰু ভৱিষ্যতক উলাই কৰাটো হ'ব এক আত্মপ্ৰতাৰণা। ৰূঢ় বাস্তৱৰ লগত খাপ খুৱাই নতুন প্ৰজন্মৰ বাবে আমি মীন মহাবিদ্যালয়ৰ সতীৰ্থ সন্মিলনে ভৱিষ্যতৰ ভেটি গঢ়াত অহোপুৰুষাৰ্থ কৰিব লাগিব। তাৰ আধাৰ হ'ব মীন মহাবিদ্যালয়ে দিয়া জীৱনৰ ৰং, সুৰভি প্ৰাপ্তিৰ অনাবিদ আনন্দ আৰু মেটমৰা অভিজ্ঞতাৰ সম্পদ। মীন শিক্ষাৰ প্ৰজ্ঞাময় বৌদ্ধিক জ্ঞানৰ আলোকেৰে সতীৰ্থ সন্মিলনে মীন বিজ্ঞানক জ্ঞানৰ আলোকেৰে উদ্ভাসিত কৰক। সতীৰ্থ সন্মিলনখন সদায়েই চিৰ যৌৱনা হৈ থাকক আৰু ইয়াৰ মীন বৌদ্ধিক উৎকৰ্ষতাৰ সুবাসেৰে আমাক সঞ্জীৱিত কৰক। সতীৰ্থ সন্মিলন হওঁক মীন খণ্ডৰ উজ্জ্বল কীৰ্তিস্তম্ভ, তাৰেই কামনাৰে ওভথনি যাত্ৰা সামৰিলোঁ।❖❖



Students' Union (1988-89 and 1989-90)

ব্ৰহ্মপুত্ৰত এমাহ-দুমাহ... চাৰি বছৰ

অৰনী ডেকা
প্ৰাক্তন ছাত্ৰ (১৯৯৭ বৰ্ষ)
মীন উন্নয়ন বিষয়া

সময় যেন এক নিৰৱচ্ছিন্ন নৈ, কালৈকো থমকি নৰয়, মাথোঁ থাকে অবিৰতভাৱে বৈ। মনত ভাব হয় যেন সৌসিদিনাৰ কথাহে, পিছে স্মৃতিৰ ভঁৰালত এফালৰ পৰা এটি এটিকৈ হিচাপ কৰি চাওঁতেহে গম পালো প্ৰায় ত্ৰিশ বছৰেই হ'বৰ হ'ল। মানে প্ৰায় দুই দশক ন বছৰ আগতে অৰ্থাৎ ইং ১৯৯৩ চনৰ ২ ফেব্ৰুৱাৰীৰ দিনটোতেই ঢাপলি মেলিছিলো অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰহাস্থিত মীন মহাবিদ্যালয়লৈ। সেই সময়ত মানসিক অৱস্থাটো হৈছিল ঠিক মন পছন্দৰ দৰাজনৰ স'তে বিয়াত বহা কইনাজনীৰ স'তে একে, যেনেকৈ কইনাজনীৰ মনত এফালে থাকে আগন্তুক সুখৰ সংসাৰখনৰ এক ৰঙীন আশা আৰু আনফালে এৰি থৈ অহা চেনেহৰ ঘৰখনৰ এক অবুজ বেদনা; ঠিক তেনেকৈ মোৰো মনত দোলা দি আছিল এফালে এক সুন্দৰ ভৱিষ্যতৰ হাতবাউলি আৰু আনফালে এৰি থৈ অহা চেনেহৰ ঘৰখন তথা আপোন ঠাইখনৰ এক মিঠা বেদনা। এনেকুৱা মানসিক অৱস্থা এটি লৈ জীৱনত প্ৰথমবাৰৰ বাবে গাঢ় সেউজীয়া গেটখনেৰে সোমাই গৈছিলোঁ মীন মহাবিদ্যালয়ৰ চৌহদত। সময় প্ৰায় দুই বাজি চল্লিশ মিনিট হৈছিল। তেনেই সাধাৰণ টিনপাতৰ চালিৰ অসম আৰ্হিৰ ঘৰকেইটাই মূৰ দাঙি সম্ভাষণ জনাইছিল, 'স্বাগতম বালক, সোমাই আহা। কথা দিলো তোমাক, লৈ যাব পাৰিবা জীৱনকুকিত ভৰাই বহু স্মৃতিৰ ৰত্ন'। গেটেৰে সোমায়ে পথৰ সোঁফালে থকা ঘৰটোৰ চালিৰ সমানত গাঢ় সেউজীয়া বৰণৰ ডাঙৰ ডাঙৰ তিনিটা আখৰেৰে AAU শীৰ্ষক এখন নামফলক উচ্ছ্ৰিত শীৰে থিয় দি আছিল। মূৰৰ ওপৰত দিবাকৰে ছটিয়াই দিছিল মৰমৰ ৰ'দ একাঁজলি আৰু দুৰু দুৰুকৈ কঁপি থকা হৃদয়েৰে শিলগুটি উজুটিয়াই আগবাঢ়িছিলোঁ জনশূন্য নিমাওমাও পথটোৰে। সুধিবলৈ কোনো নাছিল, মাথোঁ আগবাঢ়িছিলোঁ সন্মুখলৈ একো নজনাকৈ। আগবাঢ়িছিলোঁ সন্মুখত দেখা দীঘলীয়া ঘৰটোলৈ লক্ষ্য কৰি। গৈ গৈ ঘৰটোৰ ওচৰ পাওঁতে দেখিলো সোঁফালে এখন ভলীবলৰ খেলপথাৰ, অজানিতে মনটোত খেলি গ'ল এক মৃদু লহৰ; ভাবিলোঁ অন্ততঃ মোৰ প্ৰিয় খেলবিধ খেলিব পোৱাৰ এক আশা আছে। আহি ওচৰ পোৱাত দেখিলো এখন সৰু টিনৰ সেউজীয়া ফলকত কেইটিমান আখৰ— 'ব্ৰহ্মপুত্ৰ ছাত্ৰাবাস'। আহ্ ৰক্ষা, এইখন হোষ্টেল— হয়তো আৰু হোষ্টেল অইন কৰ'বাত আছে! যি হওক কাৰোবাক নিশ্চয় লগ পাম ইয়াতে, যাক সুধিলে বাকী কথাবোৰ জানিব পাৰিম। ইফালে-সিফালে চাই ঘৰটোৰ বাটচ'ৰাটোৰে সোমাই গ'লোঁ। হঠাৎ ঘৰটোৰ দীঘলীয়া বাৰাণ্ডাখনত দাদা এজনক দেখা পালোঁ আৰু তেৱোঁ আমাক দেখা পালে। তেওঁ নিজেই ওচৰ চাপি আহি মাত লগালে, গল্‌গলীয়া মাতেৰে নামনি অসমৰ এক বিশেষ ঢেকত সুধিলে— 'নতুনকৈ আহিছে নহয়? আহক, আহক।' দাদাজন আগে আগে, দেউতা আৰু মই পিছে পিছে ঘৰটোৰ বাটচ'ৰাৰে সোমাই সোঁফালে ঘুৰি দীঘলীয়া বাৰাণ্ডাখনেৰে গৈ একেবাৰে শেষ প্ৰান্তত, য'ৰ পৰা বাৰাণ্ডাখন বাঁওফালে ঘুৰিছে, ঠিক সেই চুকৰ ৰুমটোত সোমাই গ'ল। দুৱাৰখনত দেখিলোঁ সৰুকৈ লিখা আছিল এটি নম্বৰ- ১০৬। পাছতহে গম পালো সেইটো ৰুম নম্বৰ। তেখেতে দেউতাক চকীখনত আৰু মোক বিছনাখনত বহিবলৈ দিলে।

এই যে ২ ফেব্ৰুৱাৰী ১৯৯৩ত প্ৰৱেশ কৰিছিলোঁ সৰু অসম আৰ্হিৰ টিনপাতৰ চালিযুক্ত ঘৰৰ পাণ্ডৰ বৰ্জিত মীন

মহাবিদ্যালয়খনত, তাৰ পাছত কেনেকৈ যে চাৰিটা বছৰ পাৰ হৈ গ'ল গমেই নাপলোঁ। মাথোঁ হৃদয়ত অক্ষয় ৰৈ গ'ল ক'ত যে ঘটনা-দুর্ঘটনা-পৰিঘটনাৰ অলিখিত স্মৃতিগ্ৰন্থখনৰ একো একোটা পৃষ্ঠা। তাৰ পৰা লিখিত ৰূপত দাঙি ধৰিব ওলাইছোঁ মাথোঁ কেইটিমান পৃষ্ঠা।

ৰেগিঙৰ সময়কণ ঃ পিছদিনা ৰাতিপুৱা শুই উঠি দাদা এজনৰ কথামতে ডাইনিং হলৰ পৰা ষ্টীলৰ থাল এখনত দেউতালৈ বুলি ৰুটি-ভাজি আৰু ষ্টীল গ্লাছ এটিত এগিলাচ চাহ লৈ ১০৬ নম্বৰ অভিমুখে গৈ আছোঁ। দুই-এজন দাদা ব্ৰেকফাষ্ট কৰিবলৈ গৈছে, তেওঁলোকক ভয় ভয়কৈ মূৰটো সামান্য হলাই হাঁহি এটিৰে সম্ভাষণৰ মিছা প্ৰয়াস কৰিছিলোঁ। কোনেও বিশেষ পাত্তা নিদিলে। আপাৰ ব্লকৰ এজন দাদাই মুখত টুথ ব্ৰাছ লৈ আহি আছিল মোৰ ফালে। কাণত পৰিল, 'ঐ আপা, ঐ আপা'— ভাবিলো আপা নামৰ কাৰোবাক মাতিছে আৰু সেয়ে মই মোৰ গন্তব্যৰ দিশত গৈ থাকিলো। কিছুদূৰ যোৱাৰ পিছত সন্মুখৰ পৰা অহা দাদা এজনে ক'লে, 'ঐ ফার্ষ্ট ইয়েৰ, তোক সেই দাদাজনে মাতিছে, ওচৰলৈ যা'। পিছলৈ উভতি চাই দেখিলোঁ টুথ ব্ৰাছ কৰি থকা দাদাজনে হাতেৰে ওচৰলৈ মাতিছে। উভতি তেখেতৰ ওচৰ পালো কি নাই, "তোক অথনিৰ পৰা আপা আপা কৰি ইমান চিঞৰি আছিলো, তই একো পাত্তাই নিদিলি। ছিনিয়ৰক দেখিলে ৰাতিপুৱা 'গুডমর্ণিং' ক'ব লাগে যে নাজান নেকি? মেনার্ছ শিকা নাই হা"। কথাখিনিৰ লগে লগে গালত পৰিল এক সর্বশক্তিৰে দিয়া কাণতলীয়া প্ৰচণ্ড চৰ। ঘৰৰ পৰিয়ালতো বাদেই চুবুৰিৰ মানুহ এজনেও জনা-বুজা হোৱাৰ পৰা জোৰকৈ কথা এটি কৈ নোপোৱা মই জনে যেতিয়াই চৰটো খালো ঠিক তেতিয়াই গংগোত্ৰীৰ পৰা গংগা নামি অহাৰ দৰে মোৰ দুকুৰে নামি আহিল অশ্ৰুৰ ধল। প্ৰচণ্ড খণ্ডত প্ৰত্যাক্ৰমণৰ ইচ্ছা দগ্‌মগাই উঠিল। লগে লগে মনলৈ আহিল প্ৰত্যাক্ৰমণ মানেই হ'ব 'বেক্ টু হোম'। সেইবুলি নীৰৱে হজম কৰিমনে এই আঘাত! দেউতাই গ'ম পালে কি হ'ব-হয় মোৰ গৃহ গমন, নহয় মোক ইয়াত থৈ গৈ ঘৰত তেওঁৰ দুঃচিন্তা। এনেদৰে নানা ভাবত বিভোৰ মই বজ্ৰপাত পৰাৰ দৰে জঠৰ হৈ ৰৈ আছিলো। দাদাজনে কি কৈ আছিল কাণত একো সোমোৱা নাছিল। যেতিয়া বাস্তৱলৈ উভতি আহিছিলো তেতিয়া কাণত পৰিছিল, 'এইটোৰচোন বৰ বেছি লেভেল অ'! ইমানকৈ সুধি আছো একো উত্তৰেই নিদিয়ে। কেইচৰমান ভালকৈ পালেহে লেভেল কমিব ৰ'। মূৰ তুলি চাই দেখিলো, দাদাদজনৰ হাতখন আহি আছে মোৰ গালৈ। ঠিক হাতখনে মোৰ গালখন স্পর্শ কৰাৰ লগে লগে মই ক্ষিপ্ৰতাৰে মূৰটো আঁতৰাই দিলোঁ আৰু শব্দ হ'ল— 'ঝন্ ঝন্, টুং টাং টুং'। এই শব্দ আছিল মোৰ হাতৰ পৰা পৰি যোৱা ষ্টীলৰ থাল আৰু গিলাচটো পকী মজিয়াত পৰি হোৱা শব্দ। এই শব্দবোৰৰ মাজত লুকাই আছিল আন এক কাতৰ অস্ফুট শব্দ 'অ' মা, মৰিলো অ'— কিয়নো মোৰ হাতত থকা গৰম গিলাচৰ আটাইখিনি চাহ দাদাজনৰ হাফপেণ্টৰ ওপৰত। এক তাৎক্ষণিক পৰিকল্পিত দুর্ঘটনা যেন লগা ঘটনা— কিয়নো মা-দেউতাৰ মৰমৰ আলাসত ডাঙৰ হ'লেও গাঁৱৰ অঘাইটং জাকৰ মাজতহে ডাঙৰ হৈছিলো, গতিকে বুদ্ধিটো মনলৈ আহিবলৈ বেছি সময়ৰ প্ৰয়োজন নাছিল। তাৰ পিছত সেই দাদাজনে পিছলৈ ৰেগিঙৰ সময়ত কোনোদিনে মোৰ ওপৰত হাত উঠোৱা নাছিল, যদিও লগৰবোৰ সাৰি যোৱা নাছিল।

আমাৰ হোষ্টেলৰ নৱাগত আদৰণি হওঁতে বহু সময় লৈছিল- প্ৰায় এমাহ বিশ দিনমানৰ পিছতহে হৈছিল যদিও আমাক এমাহৰ শেষত হ'ব বুলি ছিনিয়ৰসকলে কৈছিল। বৰ আশাৰে এমাহ কেনেকৈ পূৰ হয় তালৈ বাট চাই আছিলো। সময়বোৰ নাযায়-নুপুৱায়। ৰেগিঙৰ সেই সময়খিনিত আমাৰ নতুনখিনিৰ গালবোৰ চৰকাৰী ঢোল যেন হৈ পৰিছিল, যাৰেই মন যায় সিয়ে বজায়। পিছে লাহে লাহে এইবোৰ আমাৰ বাবে সহজ হৈ পৰিছিল, এক চৰ কিয় দহ চৰ পৰিলেও মনত কষ্ট নহৈছিল- চকুৰেও লোতক বৈ নাহিছিল। পিছে ৰেগিঙৰ সময়ত আমাৰ আটাইতকৈ ডাঙৰ দায়িত্বটো আছিল দাদাসকলৰ চিনাকি হৈ কিবাকৈ চিনাকিৰ খাতাটোত তেওঁলোকৰ হস্তাক্ষৰেৰে সম্পূর্ণ পৰিচয় লিপিবদ্ধ কৰাব পৰাটো। কোনোবা এজনৰো বাকী থকালৈকে আমাৰ নৱাগত আদৰণি নহ'ব বুলি কৈছিল। ৰেগিঙৰ সেই সময়কণেই বোধহয় আমাৰ জীৱনৰ আটাইতকৈ প্ৰত্যাহ্বানযুক্ত সময়। আজি প্ৰায় ৩০ বছৰ পিছত মই অনুভৱ কৰো সেই সময়কণ আছিল লোহা এটুকুৰা কমাৰশালৰ টিক্‌টিকিয়া ৰঙা আঙঠাৰ মাজত থকা সময়কণৰ দৰে, য'ৰ পৰা ওলাই আহি হৈ পৰে একোখন দা-কটাৰী-কুঠাৰ-কোৰ। ৰেগিঙো আছিল যেন আমাৰ জীৱনৰ কমাৰশালৰ উত্তপ্ত আঙঠাকণ, যি সেই উত্তাপ সহ্য কৰি টিকি

গৈছিল সেই প্রত্যেকজনেই হৈ পৰিছে এতিয়া একো একোজন প্রকৃত জীৱনযোদ্ধা, যি হাৰিলেও হাৰ নামানে-হাজাৰ দুখ-কষ্টকো কেৱেপ নকৰি যুঁজি থাকিব পাৰে। এই পৃথিৱীত যিমান প্রকৃতিৰ মানুহ থাকিব পাৰে আমাৰ হোষ্টেলতো সেই আটাইবোৰ প্রকৃতিৰ ল'ৰা আছিল বুলিয়েই মোৰ অনুভৱ। এজন ছিনিয়ৰে ক'ব ৰাতি বাৰ বজাত গুড নাইট কৈ যাবি, আন কোনোবা এজনে ক'ব ৰাতিপুৱা পাঁচ বজাত গুডমৰ্ণিং নিদিলে চাবি কিন্তু, এফালে যদি ক্লাছ, আনফালে সকলোৰে চিনাকি লোৱাৰ দায়িত্ব, পঢ়া-শুনা মনত ৰখাৰ তাগিদা, চিনাকি পোৱা ছিনিয়ৰৰ সম্পূৰ্ণ ঠিকনা মনত ৰখাৰ তাগিদা, কোনোবাজনে ছিনিয়ৰ কিছুমানৰ বৈজ্ঞানিক নাম মনত ৰাখিবলৈ দিব, আকৌ আন এজনে মনত ৰাখিব দিব কিছুমান ছিনিয়ৰৰ উপনাম-চদ্মনাম, এজনে পঠিয়াই দিব দিনটোৰ ভিতৰত ৫জনৰ চিনাকি ল'বই লাগিব বুলি আৰু চিনাকি বিচাৰি এজনৰ ওচৰ পালে সেইজনে বহুৱাই দিব— এই বহীখনৰ পৰা মোৰ বহীটোত নোটখিনি ধুনীয়াকৈ লিখি দে চোন বুলি- নোৱাৰো বুলি ক'বলৈ ভাবিবও নোৱাৰি ভয়ত। ছিনিয়ৰ দাদা এজনে প্রথমেই সাৱধান কৰি থৈছিল, 'ভাল হাতৰ আখৰ ভুলতেও নিলিখিবি, নহ'লে ছিনিয়ৰৰ নোট লিখি মৰিবি'। কথাখিনিৰ সুফল সঁচাকৈয়ে পাইছিলো, তথাপিতো দুজনমানৰ পৰা ৰেহাই পোৱা নাছিলো। পিছে সেই কেইজনক অলপ-অচৰপ শিক্ষা নিদিয়াও নহয়। কৰিছিলো কি এতিয়া আপোনালোকক জনাওঁ— প্রথম আৰু শেষৰ দফাকেইটা নির্ভুলকৈ, কিন্তু মাজৰ অংশত ওপৰৰ শাৰীৰ এটা অংশলৈকে ঠিকে লিখি হঠাতে তলৰ শাৰীৰ আন এটি অংশ লিখি বাক্যটো সম্পূৰ্ণ কৰোঁ। লিখি আহোতে যদি ওপৰৰ শাৰীত 'ইজ' পাওঁ, তেন্তে তালৈকে লিখি তলৰ শাৰীৰ 'ইজ' থকা অংশৰ পিছৰ পৰা লিখো, যাতে দাদাজনৰ চকুত পৰিলে ক'ব পাৰো ভুলতে ওপৰৰ শাৰীৰ পৰা তলৰ শাৰীলৈ আহি গ'লো নেকি বুলি! ধৰা নপৰিলো, কিয়নো পৰীক্ষা নহালৈকে কোনেও ক্লাছ নোটছ ছিৰিয়াছলি নপঢ়ে, পৰীক্ষাৰ সময়ত তেওঁলোকৰ মাথা নষ্ট বাক্যৰ অর্থ উলিয়াব নোৱাৰি, পিছে তেতিয়ালৈ ৰেগিং পিৰিয়ড শেষ। কোনোবাজনে আন এজনক দেখুৱাই আদেশ দিব, 'সেই দাদাজনক এনেকৈ ক' চোন'। তেতিয়া নতুনসকলৰ অৱস্থা সেই তাহানিৰ পৰশুৰামৰ দৰে হৈছিল, যেতিয়া পিতৃ জমদগ্নি ঋষিয়ে মাতৃ ৰেণুকাক বধ কৰিবলৈ আজ্ঞা দিছিল। কিয়নো আমিও জানিছিলো সেই দাদাজনক কথাটো ক'লে তেওঁ শাস্তি দিব আৰু নক'লে এইজনে শাস্তি দিব, অর্থাৎ মাৰ খোৱাতো খাটাং, কিন্তু কোনজনৰ পৰা মাৰ খাম সেইটো মোৰ ওপৰত- এনে ক্ষেত্রত মই সেইজনক নির্বাচন কৰিছিলোঁ, যিজনে কম মাৰে বা যিজনৰ মাৰত কম দুখ পোৱা যায়।

মোৰ কলমৰ যাত্রা ঃ ৰেগিং চলি থকা সময়ত এদিন সন্ধিয়া এক প্রতিযোগিতা অনুষ্ঠিত হ'ল। যথাসময়ত প্রতিযোগিতাথলীলৈ মানে আমাৰ ৰান্ধনিশালৰ খোৱা ৰুমলৈ আহি আছিলো, বাটতে লগ পাই দাদা এজনে ক'লে- 'ভালকৈ নিলিখিবি, নহ'লে তামাম কামোৰ খাবি কিন্তু'। প্রতিযোগিতা আৰম্ভ হ'ল, সময় আধাঘণ্টা দিলে। আধাঘণ্টাৰ ভিতৰত এখন সুন্দৰকৈ প্রেমপত্র লিখিব লাগে, প্রথম হোৱাজনক এক সুন্দৰ পুৰস্কাৰ দিব। যিমান পাৰো বেয়াকৈ এক অর্থহীন খাপচৰা বাক্যৰে চিঠিখন লিখিলো নিম্ন বুনিয়াদীৰ ছাত্রৰ দৰে। জীৱনত সেয়াই আছিল হয়তো মোৰ আটাইতকৈ বেয়া বাক্যগাঁথনি তথা অশুদ্ধ বাক্যৰ লেখা, যিবোৰ বাক্য এটিৰ লগত আনটোৰ কোনো তাল-মিল নাছিল। এটা সময়ত প্রতিযোগিতা শেষ হ'ল, বিচাৰকে সকলোৰে প্রেমপত্রসমূহ বিচাৰ-বিবেচনা কৰি ১ম, ২য় আৰু ৩য় স্থান প্রাপ্তসকলৰ নাম ঘোষণা কৰিলে। যি কি নহওক পাছলৈ ১ম পুৰস্কাৰ পাওঁতাজনৰ অৱস্থা কি হ'ব পাৰে মই নকওঁ আপোনালোকেই অনুমান কৰি লওক। পাছে আচৰিত কথাটো হ'ল সেই বিচাৰক তিনিজনৰ এজন বিচাৰক দাদাই মোৰ ওচৰলৈ আহি কাণে কাণে ফুচ্‌ফুচাই ক'লে, 'তই কিন্তু চিটিং কৰিলি, ধৰা পৰিছ'। মই ভয়ে ভয়ে 'নাই কৰা দাদা' বুলি ক'লো- তেওঁ এটি মিচিকিয়া হাঁহি মাৰিলে। এই দাদাজন আছিল মোতকৈ এবছৰ ওপৰৰ আৰু আমাৰ 'দেৱালৰ স্বৰ' নামৰ ৰাল মেগজিনখনৰ সেইবাৰৰ সম্পাদক। পৰৱর্তী সময়ত এই দাদাজনে যেতিয়াই এই 'দেৱালৰ স্বৰ'ৰ নতুন সংখ্যা উলিয়াব লৈছিল, তেতিয়াই আৰম্ভণিৰ পৰা শেষলৈকে মোক তেওঁৰ ওচৰত ৰাখিছিল। লেখাবোৰ সুন্দৰকৈ লিখি সজাই তোলাৰ পিছত যিকণ স্থান ৰিক্ত হৈ থাকিছিল সেইখিনি স্থান কিবাকিবি লিখি পূৰণ কৰাৰ দায়িত্ব তেওঁ দাবী কৰি মোৰ ওপৰত ন্যস্ত ৰাখিছিল। সেইখিনি তেওঁ নিজেও কৰিবলৈ সক্ষম, কিন্তু তেওঁ নকৰে, মইহে কৰিব লাগিব বিনা অজুহাতে। সেয়ে হয়তো এতিয়া কিবাকিবি ভালে-বেয়াই লিখিবলৈ সক্ষম হ'লো, কিবা এটি লিখি এই স্মৃতিগ্রন্থলৈ পঠিয়াব পাৰিছোঁ।

এদিন কথা প্রসংগত দাদাজনক সুধিলো— আপুনি কেনেকৈ ৰেগিঙৰ লেখা প্রতিযোগিতাত মই চিটিং মানে ইচ্ছাকৃতভাৱে বেয়া লিখা বুলি ভাবিছিল। তাৰ উত্তৰত তেওঁ ক'লে— নির্ভুল বানানেৰে লিখা ভুল বাক্যগাঁথনিৰ বাবে।

ৰেগিঙত সুখ ঃ লাহে লাহে জ্যেষ্ঠ দাদাসকলৰ গালি, দম, চৰ, উপলুঙা, ধেমালি আদি সকলো সহজ হৈ পৰিছিল। এইবোৰে মনত কোনো বিশেষ ক্রিয়া নকৰা হৈছিল, চকুলৈ লোতক নিগৰি নহা হৈছিল এই কথা-কাণ্ডবোৰৰ বাবে। ৰেগিঙৰ সেই সময়ছোৱাত আটাইতকৈ সুখৰ শাস্তিটো আছিল বিছনাৰ তলত সোমাই শুই থাকিব পোৱাটো। এই শাস্তিৰ বাবে দুদিন আবেলিৰ ক্লাছো মিছ হৈছিল, কিয়নো দুপৰীয়া ভাত খাই অহাৰ পিছত সেই শাস্তি লাভ কৰি বিছনাৰ তলত সোমাই থাকোতে কেতিয়া টোপনিত লালকাল দিওঁ গমকে নাপাওঁ আৰু ছিনিয়ৰ দাদাসকলেও পাহৰি ওলাই গুচি গৈছিল। দিনৰ দিনটো হাজাৰ শাস্তি বা কঠিন পৰিস্থিতিৰ মাজতো চকুলো নোলোৱা মইজনৰ কিন্তু ৰাতি শুবলৈ বিছনাত উঠাৰ আগতে মানে ৰাতি প্রায় ১১.৩০-১২ মানৰ ভিতৰত সদায় ব্যতিক্রম হয়। এই সময়কণত ১০৬ নম্বৰ ৰুমৰ মোৰ ৰুমমেট দুয়োজন দাদা আহি মোৰ ওচৰত বহে, দিনটোৰ গোটেই কথাবোৰৰ গম লয় আৰু শেষত বৰ মৰমেৰে বুজনি, সাহস আৰু উৎসাহ দিয়ে। তেওঁলোকৰ এই মৰমবোৰে কিন্তু পঞ্জীভূত আটাইবোৰ চকুলো উলিয়াই লৈ আহিছিল সুখৰ পৰশে। এক ধনাত্মক মন লৈ নিদ্রাদেৱীৰ কোলাত ঢলি পৰিছিলোঁ আৰু পুৱা এক সপ্রতীভ মনেৰে আন এটি নতুন প্রত্যাহ্বানপূর্ণ দিনৰ বাবে সাজু হৈছিলোঁ।

নৱাগত আদৰণি ঃ তথাপিও ৰেগিঙৰ সময়ত আটাইতকৈ বেছি খং উঠিছিল সৰুফুটীয়া বা কেটেঙা-মেটেঙাকেইজনৰ পৰা মাৰ খালে, মনলৈ ভাব আহে এইটোক এক ঘোচা মাৰিলে ক'ত ছিটিকি পৰিব তাৰ ঠিকনা নাই, অথচ নীৰৱে সহ্য কৰাৰ বাহিৰে বিকল্প নাছিল। বিশ্বাস কৰক এই সৰুফুটীয়া বা কেটেং-মেটেং কেইজনৰ মৰাৰ উৎপাতটো বাকীবোৰতকৈ বেছি আছিল, হয়তো তেওঁলোকেও বুজিছিল জীৱনৰ সেই সময়কণৰ বাহিৰে আৰু কাহানিও মানুহতো বাদেই পঁইতাচোৰা এটিও মাৰি নাপাব। মাৰ খোৱা সময়কণত মনতে ভাবি থৈছিলো ৰেগিং শেষ হৈ লওক, তাৰ পিছত তহঁতক সুতে-মূলে ওভতাই দিম। লগতে সেই প্রথম যিজনৰ পৰা মাৰ খাইছিলো সেইজনৰ প্রতিও একেই মনোভাৱ পোষণ কৰি ৰাখিছিলোঁ। এনেকৈ চাওঁতে চাওঁতে এমাহ বিশ দিনৰ দিনাখন আমাৰ বহু আকাংক্ষিত দিনটো পাইছিলহি, মানে নৱাগত আদৰণি পর্ব হৈছিলহি। কি হ'ব কেনেকুৱা হ'ব সেইবোৰৰ একো আভাস মোৰ নাছিল, মাথোঁ এইবাবেই আকাংক্ষিত আছিল, কাৰণ সেইদিনাখন ৰেগিং নামৰ অত্যাচাৰৰ পৰা আমাৰ মুক্তি হ'ব। নানা হাঁহি-ধেমালি-আনন্দৰেই দিনটো পাৰ হৈছিল, ৰাতিৰ ভাত সাঁজ আমি নোখোৱালৈকে কোনো ছিনিয়ৰে খোৱা নাছিল। ডাইনিং টেবুলত সুন্দৰকৈ সকলোবোৰ সজাই আমাৰ ১৩জন নাৱাগতকে একেলগে লৈ গৈছিল আৰু আমাক খাবলৈ কৈছিল। আমি খাবলৈ আৰম্ভ কৰিছিলো, এনেতে দাদাবিলাকে এজন এজনকৈ কোনোবাই মাংস, আন কোনোবাই ভাজি অথবা ভাত এগৰাহ, কোনোবাই চালাদ অকণ খুৱাবলৈ ধৰিলে। দেখিলো ৰেগিঙৰ সময়ত যিকেইজনে বেছিকৈ অত্যাচাৰ কৰিছিল সেইকেইজনৰ আবদাৰ আটাইতকৈ বেছি। এসময়ত মোক হোষ্টেলত প্রথম মৰা দাদাজন ওচৰলৈ আহিল, গা-মূৰত মৰমেৰে বাঁওহাত বুলাই সোঁহাতেৰে ভাত-মাংস খুৱাই ক'লে, 'একো কথা ধৰি নাথাকিবি মনত, হয়তো মিছাকৈ নানা শাস্তি-কষ্ট দিলোঁ তহঁতক ৰেগিঙৰ নামত। আজিৰ পৰা তহঁতবোৰ মোৰ ভাই-বন্ধু হ'লি। যেতিয়াই প্রয়োজন হয় মোক তহঁতৰ কাষত পাবি। গতিকে আজিলৈকে দিয়া দুখ-কষ্টবোৰৰ বাবে মাফ কৰি দিবি'। কথাখিনিয়ে মোৰ অন্তৰ বাৰুকৈয়ে স্পর্শ কৰিলে, প্রথম দিনাখনতকৈও সজোৰে গংগা-যমুনাৰ ধল নামি আহিল দুচকুৰে। নিগৰি পৰিল দাদাজনৰ হাতত। নিমিষতে কর্পূৰৰ দৰে নাইকিয়া হৈ পৰিল ইমানদিনে মনত জমা কৰি থোৱা ক্ষোভ আৰু প্রতিশোধৰ মেটমৰা সম্ভাৰটো। আৰম্ভ হৈছিল আন এক অনন্য হোষ্টেলৰ সোণসেৰীয়া মধুৰ জীৱন। কিমান যে স্মৰণীয় ঘটনা, সেইবোৰ ক'লে বহু দীঘলীয়া হ'ব বাবে লিখাৰ পৰা বিৰত থাকিলো। এটা কথা কৈ থওঁ মাথোঁ ৰেগিঙত আটাইতকৈ অত্যাচাৰ কৰা দাদাকেইজনেই কিন্তু পিছৰ সময়খিনিত আটাইতকৈ বেছি মৰম কৰিছিল, আমাৰ কাৰোবাৰ অসুখ-আঘাত হ'লেই হুলস্থূল কৰি ঔষধ অনা, ডাক্তৰ অনা, প্রয়োজন হ'লে ৰুমলৈ খানা অনোৱা আদিত সদায় আগভাগ লৈছিল- ঠিক নিজৰ ককায়েকে ভায়েকৰ যতন লোৱাৰ দৰে।

অভাৱৰ অৱদান ঃ এক কথাত ক'বলৈ গ'লে কি ছাত্রাবাস, কি মহাবিদ্যালয় একোৱেই নাছিল আমাৰ সময়ত। ঠিক যেন আধুনিক আশ্রম এখনহে, য'ত থাকিছিল প্রায় তিনিকুৰি মধ্যবিত্ত বা নিম্নবিত্ত পৰিয়ালৰ পৰা অহা ছাত্র। তাৰ একমাত্র কাৰণটো হ'ল কলেজখনৰ জৰাজীর্ণ অৱস্থা দেখি অভিজাত পিতৃ-মাতৃয়ে পুত্রৰ নামভর্তি নকৰাইছিল অথবা দুই-চাৰিজনে কৰালেও আভিজাত্যৰ মানসিকতা থকা সন্তানসকলে কেইদিনমান থাকি কিবা এটা অজুহাতত কলেজ ত্যাগ কৰিছিল। গতিকে যিখিনি ছাত্র থাকি গৈছিল সেই খিনিৰ কাৰোৰে মানসিকতাত আভিজাত্যৰ ভেম বা অহমিকাবোধ নাছিল। 'টাইম পাছ'ৰ নামত আছিল এটি 'এমট্রন' টিভি, য'ত চলিছিল মাথোঁ এটাই চেনেল। ৰান্ধনি কেইজনৰ বাহিৰে দুজন ছাত্রৰ চাইকেল দুখন। একেদৰে একো বিশেষ নথকা কলেজ বা হোষ্টেলটোৱেই আমাৰ সময়ৰ প্রতিজন ছাত্রৰ মৰতৰ সৰগ। ৰাজ্য নাথকিলেও, ৰাজ সিংহাসন নাথাকিলেও আমি প্রতিজন ছাত্রই আছিলো ৰজাৰ দৰে আৰু ৰাজদৰবাৰ আছিল আমাৰ আড্ডাৰ বিশেষ ৰূমবোৰ। এতিয়া মই দৃঢ়তাৰে ক'ব পাৰো একো সা-সুবিধা নথকা মীন মহাবিদ্যালয়ৰ হোষ্টেলত সেই সময়ত থকা প্রতিজনৰে জীৱনৰ এক সোণালী অধ্যায় সেই সময়কণ। আমাৰ হোষ্টেল বা মহাবিদ্যালয়খনৰ আটাইতকৈ ধনাত্মক দিশটো হৈছে প্রতিভাৰ বিকাশ আৰু উৎকর্ষ সাধন। কোনোবা এজন ছাত্রৰ যদি একেবাৰে ন্যূনতম প্রতিভা বা আগ্রহ কিবা এটি বিষয়ত থাকে, তেন্তে সেই ছাত্রজন আগবাঢ়িবই লাগিব, কোনো বিকল্প নাই। ছিনিয়ৰসকলে সেইজনক যিমান পাৰি সিমান পার্গত কৰি তুলিবই তুলিব। এনে হোৱাৰ মূল কাৰণটো হ'ল আমি অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ বাকী মহাবিদ্যালয়সমূহৰ স'তে আন্তঃমহাবিদ্যালয় প্রতিযোগিতাত অংশ ল'ব লগা হোৱাতো। আমাৰ মুঠ ছাত্রই থাকে ৬০জন আৰু বাকী মহাবিদ্যালয়বোৰৰ এটা বর্ষৰ ক্লাছতেই তাতকৈ অধিক ছাত্র-ছাত্রী থাকে, তদুপৰি তেনেকুৱা ২য়, ৩য়, ৪র্থ বর্ষৰ স্নাতক; দুটা স্নাতকোত্তৰ, ডক্টৰেট কৰি থকাবোৰতো থাকেই। আকৌ আমাৰ কলেজত ছাত্রী নাছিলেই। গতিকে মাথোঁ যাঠিজন ছাত্রৰ পৰাই আমি বনাবলগীয়া হৈছিল ফুটবল, ক্রিকেট, ভলীবল আৰু কাবাদীৰ দল, বেডমিণ্টন, টেবুল টেনিছ, এথলেটিকছ (দৌৰবিদ, জাম্পাৰ, থ'ৱাৰ), গায়ক, তার্কিক আদিৰ প্রতিযোগী আৰু তাৰে মাজৰ পৰাই তেনে প্রতিযোগিতাত পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো প্রতিবাৰেই। গতিকে ৬০জনৰ যিয়ে যি অলপ-অচৰপ জানে তাৰে পৰাই আৰম্ভ হয় উৎকর্ষ সাধনৰ। আমাৰ মাজত লাজ, ভয়, সংকোচ কৰিবলৈ একো নাছিল, কিয়নো হাঁহোতা কোনো নাছিল, আছিল মাথোঁ উৎসাহ দিওঁতাহে। এমুঠিমান ল'ৰা অচিনাকি ঠাই এখনত ভয়ে ভয়ে থাকিব লগা হোৱা বাবেই ল'ৰাখিনিৰ মাজত আছিল সাংঘাতিক মিলা-প্রীতি আৰু আন্তৰিকতা- কোনোবা দুজন ছাত্রৰ মাজত কিবা বাক-বিতণ্ডা লাগিলেও সেয়া শত্রুতালৈ আমাৰ সময়ত কাহানিও ৰূপান্তৰ হোৱা নাছিল তথা যেনেকৈয়ে নহওক মিলামিছা কৰাই পুনৰ বন্ধুত্বলৈ অনোৱা হৈছিল।

হৃদয়ত ব্রহ্মপুত্র ঃ ছাত্রাবাসটোৰ নাম কোনে কেতিয়া কি ভাবি 'ব্রহ্মপুত্র ছাত্রাবাস' ৰাখিছিল নাজানো, কিন্তু যেন ১০০ শতাশংই সঠিক নামকৰণ কৰিছিল। যেনেদৰে ব্রহ্মপুত্র নদে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ উপনৈসমূহক নিজৰ বুকুত আশ্রয় দি সকলোকে একেলগে সমুদ্র অভিমুখে আগুৱাই লৈ যায়, ঠিক একেদৰেই আমাৰ 'ব্রহ্মপুত্র ছাত্রাবাস'-এও অসমৰ শদিয়াৰ পৰা ধুবুৰী যিকোনো স্থানৰ পৰা অহা ছাত্রক বুকুত আশ্রয় দি সকলোকে একেলগে আগুৱাই নিয়ে মীন শৈক্ষিক জগত তথা জীৱনৰ বাটত। হয়তো সময়ৰ কোবাল সোঁতত সেই তাহানিৰ ছাত্রাবাসৰ একোৱেই নাই, সলনি হৈছে স্থান, ঘৰৰ সলনি এতিয়া অট্টালিকা হ'ল, হয়তো... সলনি হ'ল আৰু বহুতো-তথাপিতো সলনি নহয়, সলনি হ'ব নোৱাৰে তাহানিৰ সেই ছাত্রসকলৰ হৃদয়ৰ 'ব্রহ্মপুত্র ছাত্রাবাস'-স্মৃতি হেৰাই নোযোৱালৈকে অথবা মৃত্যুৰ কোলাত শুই নপৰালৈকে।

ইং ১৯৯৩ত কেনেকুৱা আছিল আমাৰ সময়, আমাৰ ছাত্রাবাস আৰু ৰেগিং, তাৰেই এক চমু আভাস পাঠকক দিয়াৰ প্রয়াস। এতিয়াৰ ওখ ওখ অট্টালিকাবোৰ, ছাত্র-ছাত্রীৰে গিজ্‌গিজাই থকা পৰিপূর্ণ মহাবিদ্যালয়খনত এইবোৰ হয়তো সাধুকথাত পৰিণত হৈছে- সেয়ে এই প্রয়াস। অজানিত ভুল-ত্রুটিৰ বাবে ক্ষমাপ্রার্থী সকলোৰে ওচৰত।❖❖

মীন খণ্ডৰ লগত জড়িত তিনি দশকৰ অভিজ্ঞতা

ড° সঞ্জয় শর্মা
প্ৰাক্তন ছাত্ৰ (১৯৯৪ বৰ্ষ)
মীন উন্নয়ন বিষয়া তথা
ৰাজ্যিক মীন সমন্বয়ক, বিশ্ববেংক আঁচনি

১৯৯০ চনৰ ৩০ জানুৱাৰী। মীন খণ্ডৰ লগত জড়িত মোৰ প্ৰথমটো দিন - ৰহা মীন মহাবিদ্যালয়ত পদাৰ্পণৰ মোৰ প্ৰথমটো দিন। গুৱাহাটীৰ পৰা ৪০৭ত আহি (তেতিয়াৰ সহজলভ্য বাহন) মীন মহাবিদ্যালয়ৰ চৌহদত পদাৰ্পণ কৰাৰ আগতে নিজকে প্ৰতীয়মান কৰিব পৰা নাছিলো মীন বিজ্ঞানত চাৰি বছৰীয়া পাঠ্যক্ৰমৰ প্ৰাসংগিকতা। হোষ্টেল অধীক্ষক সুশান্ত বৰঠাকুৰ ছাৰৰ পাতনি ক্লাছত মীন খণ্ডৰ প্ৰসাৰতা আৰু অসমত ইয়াৰ ভৱিষ্যত সম্ভাৱনীয়তাৰ কথাখিনি শুনি যথেষ্ট আপ্লুত হৈ পৰিছিলো যিটো আজি বাস্তৱত পৰিণত হৈছে। কলেজত পঢ়ি থকা সময়ত ওচৰ-চুবুৰীয়া, শুভাকাংক্ষী আৰু পৰিয়ালৰ সদস্যক বিভিন্ন কৈফিয়ৎ দিবলগীয়া হৈছিল। যথেষ্ট সীমিত সা-সুবিধা আৰু দুবাৰকৈ বানে গৰকি যোৱা ৰহাৰ মীন মহাবিদ্যালয় চৌহদত অগ্ৰজ, অনুজ, সহপাঠী বন্ধু আৰু ৰহাৰ কিছু গণ্য-মান্য লোকৰ সহায়-সহযোগিতাত পাঠ্যক্ৰম সমাপ্ত কৰিছিলো। আজিয়ো মনত পৰে ৰান্ধনি নাথ দা, হীৰা আৰু সেনাপতিয়ে ৰন্ধা মুৰ্গীৰ মাংস আৰু দেওবাৰৰ পৰঠাখনৰ কথা। কলেজৰ পাছফালৰ গাঁও মোলানকাটালৈ যোৱা কলং নদীৰ দলংখনত থিয় হৈ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰা স্মৃতিবোৰে এতিয়াও আমনি কৰে।

মীন মহাবিদ্যালয়ৰ পাঠ্যক্ৰম সমাপ্ত কৰিয়েই যোৰহাটৰ মীন গৱেষণা কেন্দ্ৰত ডি আৰ ডি এৰ সৌজন্যত ট্ৰাইছেম প্ৰশিক্ষণৰ প্ৰশিক্ষক হিচাপে সেৱা প্ৰদানৰ সুবিধা পাইছিলো। এই প্ৰশিক্ষণত যোৰহাট, শিৱসাগৰ আৰু গোলাঘাট জিলাৰ প্ৰায় দুশ প্ৰশিক্ষাৰ্থীক ছমাহকৈ খুউব ওচৰৰ পৰা পোৱাৰ সৌভাগ্য হৈছিল। সাধাৰণতে মোৰ ধাৰণা আছিল উজনি অসমৰ যুৱক-যুৱতী মীন পালনৰ প্ৰতি সিমান আগ্ৰহী নহয়। কিন্তু দুবছৰীয়া অভিজ্ঞতাত এইটো মিছা বুলি প্ৰমাণিত হৈছিল। আটাইকেইজন শিক্ষাৰ্থীয়ে অতি নিয়াৰিকৈ প্ৰশিক্ষণ সমাপ্ত কৰি ঘৰতে সমন্বিত মীন পালনৰ জৰিয়তে নিজকে আত্মসংস্থাপনৰ ব্যৱস্থা কৰিছিল। এই ক্ষেত্ৰত মীন-গৱেষণা কেন্দ্ৰৰ প্ৰয়াত মীন বিজ্ঞানীদ্বয় ড° অজিত কুমাৰ ভাগৱতী আৰু ড° উত্তম কুমাৰ বৰুৱা ছাৰৰ কৰ্তব্যনিষ্ঠাক আজিয়ো শ্ৰদ্ধাৰে সোঁৱৰণ কৰো। উক্ত মীন বিজ্ঞানী দুগৰাকীয়ে বহু প্ৰচেষ্টাৰে প্ৰণয়ন কৰি উলিওৱা মীন বিজ্ঞানৰ সম্পূৰ্ণ বিজ্ঞানভিত্তিক পুথি দুখনৰো প্ৰস্তুতিৰ অভিজ্ঞতা লাভ কৰিছিলোঁ। ইয়ে হয়তো মোক মীন ভিত্তিক লিখা মেলাত আগ্ৰহ জন্মাইছিল আৰু সম্পূৰ্ণ ব্যৱহাৰিক জ্ঞানেৰে তিনিখনকৈ কিতাপ প্ৰণয়নত অনুপ্ৰেৰণা যোগাইছিল। সেই সময়ত আগশাৰীৰ মীন পালকৰ সংখ্যা যথেষ্ট কম আছিল যদিও প্ৰয়াত লুটফুৰ ৰহমান, বীৰেণ ভাগৱতী, আব্দুল হান্নান, দেৱজিত বৰ্মন, মনোহৰ বাৰ্মা আদি সফল মীন পালকসকলৰ মীন পামত মাছৰ প্ৰজনন সন্দৰ্ভত জ্ঞান আহৰণ কৰিছিলোঁ। ৰাজ্যখনত মীন খণ্ডৰ সম্প্ৰসাৰণত বহুকেইজন আগশাৰীৰ মীন পালকৰ ভূমিকা আছে আৰু তেওঁলোকক যথাসম্ভৱ সন্মান যাচিব লাগে। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মীন বিজ্ঞানৰ উত্তৰণ উপলব্ধি কৰিছিলো ২০০১ত কেন্দ্ৰীয় মীন শিক্ষা প্ৰতিষ্ঠান, মুম্বাইত দুবছৰীয়া পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈ। ড° এছ আপ্যায়নৰ দৰে স্বনামধন্য মীন বিজ্ঞানীৰ দক্ষতাৰ ফলত CIFA আৰু CIFEয়ে

পূর্ণতা পাইছিল। পাছলৈ তেওঁ ICARৰ সঞ্চালক প্রধানৰ পদ অলংকত কৰিছিল আৰু ভাৰতবর্ষৰ মীন গৱেষণা আৰু প্রশিক্ষণৰ এক বৈপ্লৱিক পৰিৱর্তন আনিছিল। ২০০৭ৰ পৰা অসমত সকলো সংশ্লিষ্ট চৰকাৰী অনুষ্ঠান-প্রতিষ্ঠানৰ মাজত যোগসূত্র স্থাপন হয় 'মীন মহোৎসৱ' উদ্‌যাপনৰ জৰিয়তে। এই মীন মহোৎসৱ ভাৰতৰ ভিতৰতে প্রথম অসমত আয়োজন কৰা হৈছিল আৰু পাঁচ বছৰ নিৰবচ্ছিন্নভাৱে মীন মহোৎসৱৰ আয়োজনে ৰাজ্যখনত মীন খণ্ডৰ সম্প্রসাৰণ আৰু প্রচাৰত এক বিশেষ প্রভাৱ পেলাইছিল। যিহেতু মীনখণ্ডৰ উন্নয়নৰ লগত আনুষংগিক বিভাগবোৰৰো অৰিহণা থাকে সেইবাবে তিনিদিনীয়াকৈ আয়োজন কৰা মীন মহোৎসৱৰ লগত ওতঃপ্রোতভাৱে জড়িত হৈ জ্ঞানৰ পৰিসৰ বঢ়াবলৈ সক্ষম হৈছিলোঁ। এই ক্ষেত্রত প্রধান ভূমিকা লৈছিল তেতিয়াৰ মীন আয়ুক্ত সচিব আৰু বর্তমান অসমৰ প্রধান সচিব শ্রীযুত পবন কুমাৰ বৰঠাকুৰ মহোদয়ে।

মীন বিভাগ, অসম গতিশীলতা লাভ কৰে অকল মীন স্নাতকক বিভাগটোত মকৰল কৰাৰ সিদ্ধান্তই। আজি ভাৰতৰ অন্যান্য ৰাজ্যৰ মীন বিভাগৰ সমান্তৰালভাৱে ৰাজ্যিক মীন বিভাগটো সমপর্যায়ৰ হৈ উঠিছে। সমান্তৰালভাৱে মীন মহাবিদ্যালয়খনৰ নতুন আন্তঃগাঁঠনি আৰু মীন বিভাগৰ লগত সু-সমন্বয়ে তথা কৃষি বিজ্ঞান কেন্দ্রসমূহৰ পাই অহা সহযোগিতা, প্রচাৰ মাধ্যমৰ সময়োপযোগী সহায় আৰু বে-চৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান, সমবায় সমিতি (মীন)ৰ কার্যপন্থী ব্যৱস্থাপনাৰ জৰিয়তে মীনখণ্ডৰ উন্নয়ন সম্ভৱ হৈছে। এই সকলোবোৰ সহায়-সহযোগে মোকো দিনটোৰ বেছিভাগ সময় মীনখণ্ডৰ লগত জড়িত হৈ থকাৰ প্রেৰণা দি আহিছে।

এতিয়া মই অনুভৱ কৰিছোঁ যদি মই মীন বিভাগৰ ছাত্র নহৈ বেলেগ জীৱিকাত গলোহেঁতেন তেন্তে হয়তো বর্তমানলৈকে প্রায় ৫০০০ জন নিবনুৱা যুৱক-যুৱতীক মীন পালনৰ প্রতি আগ্রহী কৰি স্বাৱলম্বী কৰি তুলিব নোৱাৰিলোহেঁতেন। ৰাজ্যখনৰ বিভিন্ন প্রান্তৰ জ্ঞাত-অজ্ঞাত ছাত্র-ছাত্রী, গৱেষক, নিবনুৱা যুৱক-যুৱতী, উদ্যোগী, প্রাক্তন চাকৰিয়াল আৰু ক'ভিড-১৯ত বাহিৰত চাকৰি হেৰুৱা কাৰিকৰী শিক্ষাৰে শিক্ষিত যুৱকসকলক উৎসাহ যোগোৱাৰ সুযোগটো নাপালোহেঁতেন। এই ক্ষেত্রত ভগৱানৰ আশীর্বাদক মূলধন হিচাপে লৈ অকল মাছকেইটাক লৈয়ে জীৱনটো কটাইছা বুলি কটাক্ষ কৰা পৰিয়ালৰ লোকেও বুজি পায় ৰাজ্যখনত মাছ পালনৰ সম্ভাৱনীয়তাৰ কথা। আজিৰ এই শুভ ক্ষণত মীন পালনৰ লগত তিনি দশকৰ অভিজ্ঞতা সতীর্থ এলুমনিৰ লগত ভগাই ল'বলৈ পাই ধন্য মানিছোঁ আৰু সকলোৰে আশীর্বাদ বিচাৰিছোঁ।❖❖



মীন মহাবিদ্যালয়, ব্রহ্মপুত্র হোষ্টেল আৰু কিছু নষ্টালজিয়া

লীলাকান্ত পায়েং
প্ৰাক্তন ছাত্ৰ (২০১১ বৰ্ষ)
মীন উন্নয়ন বিষয়া

হোষ্টেল অবিহনে জীৱন আধৰুৱা। হোষ্টেলৰ সেই মধুৰ স্মৃতিবোৰ কেতিয়াও আমি লিখি শেষ কৰিব নোৱাৰো। হোষ্টেলৰ এনে বহু পুৰণি মধুৰ স্মৃতিয়ে বহুজনক সজীৱ কৰি তোলে। হোষ্টেলত সময় অতিবাহিত কৰা জনেহেহোষ্টেল জীৱনৰ প্ৰকৃতি অৰ্থ বুজি পায়। আমি সদায় পুৰণি দিনৰ সুখ-দুখৰ স্মৃতিবোৰ মনত পেলাই ভাল পাওঁ। আমাৰ দিনৰ হোষ্টেলৰ মাদকতাই বহু পৃথক আছিল। মীন মহাবিদ্যালয়ৰ চৌহদত যিদিনা প্ৰৱেশ কৰিছিলোঁ, সেই দিনটো কেতিয়াও পাহৰিব নোৱাৰিম। পোনপ্ৰথমে হোষ্টেলৰ পৰিৱেশ বৰ আচহুৱা লাগিছিল। মনলৈ অকল এটাই চিন্তা আহিছিল হোষ্টেলত চাৰি বছৰ কেনেকৈ কটাম? তাতে বহুতৰ মুখত শুনিছিলোঁ যে ৰেগিং বহুত চলে, হোষ্টেলৰ খাদ্য গাহৰিৰ দানাতকৈও অতি বেয়া ইত্যাদি নানা কথা। ক'ৰ লাগিব হোষ্টেল মানে নতুন জীৱন। হোষ্টেল হৈছে ঐক্য মঞ্চৰ মিলন ক্ষেত্ৰ। ঠিক তেনেকুৱাই আছিল হোষ্টেল ব্ৰহ্মপুত্ৰ। নামেই যাৰ পৰিচয়। এদিন ময়ো হৈ পৰিছিলোঁ হোষ্টেল ব্ৰহ্মপুত্ৰৰ বাসিন্দা। মুকলি আকাশৰ তলত মুকলি মনেৰে আকাশত এক স্বাধীনচিতীয়া চৰাই। হোষ্টেল মানেই স্বাধীনতাৰ জীৱন।

২০০৬ৰ ৩১ জুলাই তাৰিখে পিঠিত বেগ আৰু হাতত বেডিং-পত্ৰ লৈ ভৰি দিছিলোঁ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰহাৰ মীন মহাবিদ্যালয় চৌহদৰ হোষ্টেল ব্ৰহ্মপুত্ৰত। কৰিড'ৰত নীলা আখৰেৰে লিখা আছিল 'হোষ্টেল ব্ৰহ্মপুত্ৰ'। হোষ্টেলৰ গঠন দেখিবলৈ ঠিক ইংৰাজী আখৰ 'ই'ৰ দৰে আছিল। তেনেই সৰু হোষ্টেল। হোষ্টেলৰ সন্মুখত দুজোপামান শিলিখা আৰু বকুলৰ গছ আছিল। মাজত ডাইনিং হল। হোষ্টেলটো তিনিটা ভাগত বিভক্ত— আপাৰ ব্লক, লৰাৰ ব্লক আৰু নিউ ব্লক। নিউ ব্লক অকল চতুৰ্থ বৰ্ষৰ আৱাসীৰ বাবে। হোষ্টেলৰ দেৱালবোৰ বহুদিন ধৰি মেৰামতি কৰা হোৱা নাছিল। সকলোবোৰ বস্তুৰেই পুৰণি আছিল। হোষ্টেলৰ পাছফালে কলং নৈখন। কলং নৈৰ সিপাৰে মোলানকাটা গাঁও। হোষ্টেলৰ চাৰিসীমাত কোনো ধৰণৰ বেৰ নাছিল। তাৰ সলনি তাঁৰৰ ফেঞ্চি দিয়া আছিল। কলং নৈৰ পাৰে পাৰে ওখ ওখ গছ। হোষ্টেলৰ সন্মুখত এখন ভলীবল গ্ৰাউণ্ড। হোষ্টেল ব্ৰহ্মপুত্ৰত পোনপ্ৰথমে আহি এনে লাগিছিল যে ক'তনো পঢ়িব আহিছোঁ! কিয়নো মীন মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ তেনে চিন্তা মনলৈ আহিছিল। এনে জৰাজীৰ্ণ পৰিৱেশত চাৰি বছৰ কেনেকৈ কটাম? পিছলৈ সেই চাৰি বছৰ চাৰি দিন যেন লাগিছিল। প্ৰথমতে হোষ্টেলত মন বহা নাছিল যদিও পিছলৈ হোষ্টেল জীৱন ভাল লগা হৈ পৰিছিল। সেই হোষ্টেলত পোনপ্ৰথমবাৰৰ বাবে ৰুমমেট পাইছিলোঁ। ৰুমমেট হৈছে হোষ্টেলৰ সুখ-দুখৰ সমভাগী, সি লাগিলে ছিনিয়ৰেই হওক বা জুনিয়ৰেই হওক। ব্ৰহ্মপুত্ৰ হোষ্টেলৰ ১০৭ নম্বৰ কোঠালিত চাৰিটামান ছিমেষ্টাৰ পাৰ কৰিছিলোঁ। তেতিয়া হোষ্টেলত ৰুমমেট হিচাপে পাইছিলোঁ তৃতীয় বৰ্ষৰ টেনজিঙ দা, দ্বিতীয় বৰ্ষৰ মানস দা আৰু মামুলি ফাষ্ট ইয়েৰ অৰূপ (তেতিয়া প্ৰথম বৰ্ষৰ আৱাসীৰ বাবে প্ৰচলিত বাক্য)। তেতিয়া কলেজত ইমান ছোৱালীৰ আগমন ঘটা নাছিল বাবে হোষ্টেল ব্ৰহ্মপুত্ৰ আৱাসীৰে ভৰি পৰিছিল। এটা কোঠাত লৰাৰ ব্লকত চাৰিজনকৈ, আপাৰ ব্লকত তিনিজনকৈ আৰু নিউ ব্লকত দুজনকৈ থাকিবলগীয়া হৈছিল।

তাহানি হোষ্টেল ব্ৰহ্মপুত্ৰত বহুতো নীতি-নিয়ম আছিল। তাহানি চিনাকি পৰ্ব যেন এক এৰাব নোৱাৰা অনুষ্ঠান। চিনাকি পৰ্বৰ বাবে এখন ডায়েৰী আৰু প্ৰতিজন ছিনিয়ৰৰ বাবে নিজৰ এখন ফটো। আচলতে নীতি-নিয়ম আৰু চিনাকি পৰ্বৰ যোগেদি আহি ফ্ৰেছমেন পাইছিলোঁ। চিনাকি পৰ্ব নোহোৱালৈকে হোষ্টেলৰ কোনো এজন ছিনিয়ৰৰ নাম উচ্চাৰণ কৰিব নোৱাৰিছিলোঁ। ছিনিয়ৰৰ ডাক-ঠিকনা, ঘৰ-দুৱাৰ, দেউতাকৰ নাম, গাৰ্লফ্ৰেণ্ডৰ নাম, পিন নম্বৰ, কলেজ বাছ আৰু জীপছী গাড়ীৰ নম্বৰ, প্ৰফেছাৰৰ নাম, হোষ্টেলৰ ৰুমৰ সংখ্যা, ভাত বনোৱা ৰান্ধনিকেইজনৰ নাম আদি মুখস্থ কৰিব লাগিছিল। যেতিয়া সকলোবোৰ মুখত আখৈ ফুটাদি ফুটিছিল তেতিয়াহে নামৰ পাছত দাদা লগাই মাতিব পাৰিছিলোঁ। তাৰ পিছতহে আমি ফ্ৰেছমেন পাইছিলোঁ। ছিনিয়ৰ শুই উঠাৰ আগতে বাথৰুম খালী কৰা, দুৱাৰ-খিৰিকীৰ বাবে নতুন পৰ্দা কিনি অনা, নতুন বাল্টি ক্ৰয় কৰা, প্ৰতিদিনে শুই উঠি ঝাৰু মৰা তাকো ছিনিয়ৰজন উঠাৰ পিছত, ছিনিয়ৰ ৰুমমেটৰ বাবে চাহ আনি দিয়া, ক্লাছলৈ গ'লে ফৰ্মেল ছাৰ্ট পিন্ধা, ডাইনিং টেবুলত লংপেণ্ট-ছাৰ্ট পিন্ধা, ভাত-পানী খাই উঠি খাই থকা ছিনিয়ৰৰ পৰা জুনিয়ৰলৈকে মাত লগাই উঠি অহা ইত্যাদি ক'ত যে নীতি-নিয়ম আছিল! ৰাতিপুৱা শুই উঠি নিউ ব্লকত ক'ত যে ফ্ৰেছমেন পাবলৈ ধৰ্ণা, প্ৰতিবাদ চলাইছিলোঁ! ফ্ৰেছমেনৰ বাবে ভিন্ন অভিনয় (টেপ অন কৰিলে ছিনিয়ৰে দিয়া ভিন্ন অভিনয় কৰিব লাগে), ছোৱালীৰ কেটৰাক, নাচ-গান কিমান যে প্ৰস্তুতি চলাবলগীয়া হৈছিল! চুলি দীঘল হোৱা বাবে চেলুনত গৈ দুবাৰকৈ চুলি কটাবলগীয়া হৈছিল। ফ্ৰেছমেনৰ আগনিশা কিমান যে অত্যাচাৰ চলিছিল! এতিয়াও আগৰ দৰে নৱাগত আদৰণী সভাৰ নিশা কোনোবা নতুন নৱাগতক গান গাবলৈ দিয়াটো এতিয়া মাথোঁ এক অলিক কল্পনা। ফ্ৰেছমেন হৈ যোৱাৰ পিছত কিছুমান নীতি-নিয়মৰ পৰা ৰেহাই পাইছিলোঁ।

তাহানি নতুনকৈ আগমন ঘটা আৱাসীবোৰক ভয় খুৱাবলৈ ছিনিয়ৰে বিভিন্ন ধৰণৰ ভূতৰ কাহিনীৰ প্ৰচলন চলাইছিল, যেনে- ফ্ৰেছমেনৰ ৰাতি ভূত দেখা পায়, কলঙৰ পাৰত শনিবাৰে বগা সাজ পিন্ধা বুঢ়ী এজনী ওলায়, ইত্যাদি। ছিনিয়ৰৰ এনে মুখৰোচক কাহিনী শুনি আমাৰ বেটছ্ব পৰাগ, হিমাংক, কপিল আৰু মৃদুলে বাথৰুম যাবলৈও ভয় কৰা হৈছিল। তাতে বাথৰুমৰ ওপৰত থকা শিলিখাৰ ফলবোৰ টিঙত পৰি খুঁটুক-খাটাক শব্দ কৰি থাকে। বেছিভাগ সময় কাৰেণ্ট নাথাকে। এবাৰ মাজনিশা এক বাজিছে। চকু মেলি দেখা পাওঁ সৰ্বেশ্বৰ মোৰ বিছনাত। মোৰ বিছনাত তাক দেখা পাই চঁক খাই উঠিলোঁ। তাক দেখি মই সুধিলো- 'কি হ'ল বে?' তাৰ বোলে হাগিব লাগিছে। খঙতে তাক ক'লোঁ- 'লাগিছে যদি যা। মোক কিয় জগাই আছ। হাগিব মোৰ লাগিছে নে তোৰ! কাৰেণ্ট নাছিল। অনিচ্ছা সত্ত্বেও হাতত মমবাতিডাল জ্বলাই লৈ আগবাঢ়িলোঁ। মই বাহিৰত পহৰা দি থাকিলোঁ। কছাৰীয়ে টয়লেটৰ ভিতৰত গানৰ কলি গুণগুণাবলৈ ধৰিলে আৰু মাজে মাজে মোৰ নাম ধৰি চিঞৰিবলৈ ধৰিলে। তাকে দেখি মোৰ মূৰটো গৰম হৈ গ'ল। মই ক'লো- 'তই সঁচাই অসভ্য ল'ৰা দে'। তেনেতে ডাঙৰকৈ টিঙত শব্দ হ'ল। শব্দ শুনি ভূত ভূত বুলি কছাৰীয়ে এনেকৈ দৌৰিলে যে মোৰো ভয় লাগিল আৰু ময়ো পিছে পিছে দৌৰিবলৈ ধৰিলোঁ। ৰুমত সোমাই তামৰ বাকছটো খুলি সি তাবিজ এটা উলিয়াই আনিলে। তাবিজটো হাতত লৈ বাবাই কৰাৰ দৰে 'ওম নমঃ শিৱায়ঃ, ওম নমঃ শিৱায়ঃ' গাবলৈ ধৰিলে। তাকে দেখি মই হাঁহিবলৈ ধৰিলোঁ। মোক এনেদৰে দেখি কছাৰীৰ মূৰ গৰম হ'ল। মই ক'লোঁ যে এনেকৈ গা-পা নোধোৱাকৈ জপ কৰিলে তাবিজটোৱে কাম দিয়ে বুলি তোক গুৱাহাটীৰ বাবাজনে কৈছিল নেকি? তই দেখোন ভয় নাখাবলৈ এইটো পিন্ধিছ, তেন্তে ইমান কিহৰ ভয়? মই অধিক জোৰত হাঁহি তাক ক'লোঁ যে তই সেই ধুৰন্ধৰ বাবাটোক পাঁচশ টকা দিয়াতকৈ মোক দিয়াহেঁতেন দিল ধাবাত গৈ পাৰ্টি কৰি আহিব পাৰিলোঁহেঁতেন। তোৰ দৰে বাবাই কিমানক ঠগন দিছে ঠিক নাই!

আপোনালোকৰ মনত পৰেনে বাৰু ৰাতিপুৱাৰ পৰা আবেলিলৈকে কৰা এনাটমী, একুৱাকালচাৰ, জেনেটিক্স, মাইক্ৰ'বায়লজী, টেক্সনমী, ডিজিছ্ব ক্লাছ। ক'ত যে আৰু কিমান ক্লাছ! মিড টাৰ্ম, এণ্ড টাৰ্ম, এছাইমেণ্ট, প্ৰেক্টিকেল, ছেমিনাৰ আৰু থিঅ'ৰিৰ পৰীক্ষাৰ দিনবোৰত নিস্তব্ধতাই আৱৰি পেলাইছিল। উজাগৰী নিশা কটাই টেক্সনমীৰ ছবি আঁকি থাকোঁতে কেতিয়ানো ৰাতিপুৱা হৈছিল গমকে পোৱা নাছিলোঁ। পৰীক্ষাৰ সময়বোৰত পাহৰি পেলাইছিলো প্ৰেমৰ পাঠ আওৰাবলৈ। এনে দিনত আলপিন এটা হোষ্টেলৰ ফ্লৰত পৰিলেও দেখোন নিস্তব্ধতা ভাঙি কোঠালিলৈকে শুনা পোৱা গৈছিল। ইমান বছৰে হোষ্টেলত থাকি দেখিছিলোঁ যে অনেক

আৱাসী পঢ়া-শুনাৰ নামত অধিক ছিৰিয়াহ আছিল। এনেকুৱা ছিনিয়ৰ-জুনিয়ৰ দেখিছিলোঁ যে দাড়ি, কমা পর্যন্ত মুখস্থ কৰি পৰীক্ষা বহিত লিখি আহিছিল। হোষ্টেল ব্রহ্মপুত্রত এনে কিছুমান আৱাসী আছিল যি বিন্দাজ। পঢ়া-শুনাক লৈ বা জীৱনক লৈ আক্ষেপ নাছিল। নাছিল সিহঁতৰ কোনো নম্বৰ কম অহাৰ দুখ বা প্রথম নহাৰ আক্ষেপ। সেই আৱাসীবোৰ কেতিয়াও শিক্ষাগুৰুৰ প্রিয়পাত্র নাছিল বা হ'বলৈ বিচৰাও নাছিল। ময়ো কেতিয়াও শিক্ষকৰ প্রিয় ছাত্র নাছিলোঁ বা হোষ্টেলৰ ভাল আৱাসী নাছিলোঁ। প্রকৃত অর্থত হোষ্টেল জীৱন জিনিব জনা কিছুমান আৱাসীয়ে হোষ্টেলত বিচৰণ কৰিছিল। ফুকন দা, প্রকাশ দা, আবু দা, টেনজিঙ দা, দীপাংক দা, ইনাম, অৰূপ, পৰাগ, মানস দা, টেমছু দা, প্রাণজিৎ (দুবছৰৰো অধিক সময় মোৰ ৰূমমেট আছিল) আদি সেউজীয়া হৃদয়ৰ গৰাকী আছিল। মই আৰু প্রকাশ দাই পৰীক্ষাত কম নম্বৰ পোৱা বাবে 'থ্রী ইডিয়ট'ৰ (অৱশ্যে তেতিয়ালৈকে চিনেমাখন ওলোৱা নাছিল) চিনেমাত দেখুওৱা তিনি বন্ধুৰ দৰে হোষ্টেলত ক'ত নিশা উজাগৰে পাৰ কৰিছিলো তাৰ হিচাপ নাছিল। নম্বৰৰ নামত, শৈক্ষিক বর্ষ নষ্ট হোৱাৰ নামত কলেজৰ তেতিয়াৰ অ'.এছ.ডি. কমলেশ্বৰ কলিতা ছাৰৰ লগত কিমান যে তর্কাতর্কি হৈছিল! তথাপিও কলিতা ছাৰ এজন সঁচাই ভাল শিক্ষাগুৰু আছিল।

প্রথম বর্ষত ক্লাছ শেষ হ'লে বাল্টিত পানী লৈ খেলপথাৰলৈ দৌৰ মাৰিছিলোঁ, তাকো ছিনিয়ৰ অহাৰ আগতে। তাহানি জোতাৰ অভাৱ হোৱা বাবে খালী ভৰিৰে খেল পথাৰত নামিবলগীয়া হৈছিল। নতুনকৈ অহাৰ পিছত এবাৰ ছিনিয়ৰ এজনে প্রথম বর্ষৰ সকলোকে খেলপথাৰত দৌৰিবলৈ দিছিল। মই ভাবিলো যে ল'ৰাজন তামাম ফুটবলাৰ। পিছে ছিনিয়ৰজনে ফুটবল খেলিব নাজানে। এইজন আন কোনো নহয়, পিছলৈ মোৰ ৰূমমেট হোৱা দীপাংক দা। এবাৰ তামাম বৰষুণ দিছে। কিন্তু চতুর্থ বর্ষৰ মেধি দাৰ জেদ - আজি খেলিবই লাগিব। প্রথম বর্ষৰ আমাক সকলোকে লৈ গ'ল। খেলপথাৰত বোকা আৰু পানী। ইফালে বিজুলী আৰু ঢেৰেকণি। বিজুলী আৰু ঢেৰেকণি অহাৰ লগে লগে মাটিত শুই পৰিছিলোঁ। খেলি থকাৰ মাজতে মেধি দা পিছলি গৈ কিবা কোমল বস্তু (গোবৰ) এটাৰ ওপৰত পৰিল। চাৰিওফালে ভেকেটা ভেকেটে গোন্ধ বিয়পি পৰিল। সকলোৰে মুখতঃ ছি ছি...। আন এদিন ডিফেণ্ডাৰৰ ৰূপত কন্দর্প। বল মোৰ ভৰিত নালাগি আগলৈ গ'ল। মই দূৰৰ পৰা চিঞৰিলো— 'কন্দর্প যেনে-তেনে বল ৰখা। ইফালৰ পৰা তাৰ চিঞৰ—'দাদা কিহেৰে ৰখাম। হাত নে ভৰি...?' আমাৰ হোষ্টেলত লাহে লাহে আত্মীয়তা আৰু আন্তৰিকতা বাঢ়ি আহে। কিমান অন্তৰংগ হ'লে অচিনাকি মানুহবোৰ আপোন হৈ পৰে সেই কথা হোষ্টেল ব্রহ্মপুত্রত শিকি পেলাইছিলোঁ। হোষ্টেলৰ ৰান্ধনি নাথ দা, পুলেন দা, হীৰা, সেনাপতি আৰু বৈশ্য দাৰ লগত এক সুন্দৰ সম্পর্ক গঢ়ি উঠিছিল। নিতৌ পুলেন আৰু নাথ দাৰ তর্কাতর্কি, কাজিয়া-পেচাল, কোঠালিৰ সন্মুখেদি সেনাপতিয়ে চিঞৰি যোৱা- 'বাহাৰ কা গ্লাছ অন্দাৰ সে নিকাল দৌ' ইত্যাদি কথাবোৰ আজিও কাণত বাজি উঠে। হোষ্টেলৰ যিকোনো খাদ্যপর্বত নাথ দাই বনোৱা মাংস এই জীৱনত জানো কেতিয়াবা পাহৰিব পাৰিম! নাথদাই 'কিচান' নামে�ৰে নামকৰণ কৰি মোৰ আচল নাম পাহৰি পেলাইছিল। অন্য কলেজ, বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ তুলনাত আমাৰ হোষ্টেলৰ খাদ্য যথেষ্ট উন্নত মানৰ বুলিব পাৰি। যিদিনা নিৰামিষ ভাত থাকে আৱাসীবোৰ খাবলৈয়ে নাযায়, কিন্তু যিদিনা মাছ-মাংস থাকে সেইদিনা ডাইনিং টেবুলত ঠাই নোপোৱা হৈছিল। দুখৰ অন্তনপৰা আবেলিবোৰত কলঙৰ ভগা দলংখনত দীপাংকৰ দা, প্রকশ দা, ইনাম, অৰূপ, পৰাগৰ লগত যে কিমান বহিছিলো! মোলানকাটা গাঁৱৰ কোনোবা গাভৰুৰ প্রেমত পৰা কথা সঁচাই পাহৰিব নোৱাৰি। ভেলেণ্টাইন দিৱসৰ আগদিনা মণ্টুদাই উজাগৰী নিশা কটাই কোনো প্রেয়সীৰ বাবে গ্রীটিংছ কার্ড নিজ হাতে বনাই প্রেয়সীক দিয়া উপহাৰৰ কথা মনত পৰে। হোষ্টেলৰ লৰাৰ ব্লক, আপাৰ ব্লক আৰু নিউ ব্লকত প্রেমৰ জুয়ে কিমানৰ যে দহিছিল হৃদয়! হোষ্টেল জীৱনৰ প্রেমক কিদৰে অস্বীকাৰ কৰোঁ। এই হোষ্টেলৰ পৰাই প্রেমৰ আৰম্ভণি হয়। এই প্রেমৰ পৰা যন্ত্রণা আৰু যন্ত্রণাৰ পৰা জীৱন। যন্ত্রণা নাথাকিলে ক'ত থাকিবনো হোষ্টেল জীৱনৰ অর্থ!

পঢ়া-শুনা পাহৰি নৱেম্বৰ মাহৰ কোনোবা এদিনৰ বাবে হ'লেও পিকনিকৰ নামত বলিয়া হৈছিলোঁ। গোটেই নিশা টোপনি ক্ষতি কৰি ৰাতিপুৱাতে পিকনিকৰ বাবে যাবলগীয়া হৈছিল। পিকনিকৰ সকলোবোৰ দায়িত্ব তৃতীয় বার্ষিকৰ আৱাসীৰ আছিল। ফাইনেল ইয়েৰৰ বিদায় নিশাৰ ফাংচনৰ

কথা পাহৰিব জানো পাৰি ! 'ফাইনেল ইয়েৰ নাইট' আয়োজন কৰিবৰ বাবে এমাহমান আগৰ পৰাই ৰহাৰ মানুহৰ পৰা পইচা কালেকচন কৰা কাম আৰম্ভ হৈছিল। সংগীত, নাচ-গান আদিৰে জীপাল হৈ উঠিছিল 'ফাইনেল ইয়েৰ নাইট'। আমন্ত্রণ কৰি অনা গায়কৰ সংগীতৰ লহৰত নাচি উঠিছিল সকলো আৱাসী। এই দিনটোত সকলোৱে প্রতিশ্রুতি দিছিল ইজনে সিজনক লগ পোৱাৰ কথা— বছৰেকত এবাৰ হ'লেও লগ কৰিম, মাজে মাজে এলুমনি মীট পাতিম বুলি। কোনে যে কিমান প্রতিশ্রুতি দিছিল! আজি দেখোন মনত পেলাবলৈ কাৰো হাতত সময় নাই। সময়ৰ চাকনৈয়াত এই সকলোবোৰ মিছা বুলি যেন প্রমাণ হ'ল। জনা মতে বর্তমান 'ফাইনেল ইয়েৰ নাইট' নাই। সম্ভৱতঃ অন্তিম 'ফাইনেল ইয়েৰ নাইট' ২০০৮ৰ ছাত্র গোটে কৰিছিল।

সময় আগবাঢ়িছিল। লাহে লাহে হোষ্টেল ব্রহ্মপুত্রৰ পৰিৱেশ সলনি হ'বলৈ ধৰিছিল। সম্ভৱতঃ ২০০৫ বর্ষৰ পৰা এই পৰিৱর্তন আহিবলৈ ধৰে। অদ্ভুত পৰিৱর্তন আহিছিল ২০০৯ বর্ষৰ পৰা। কাৰণ সেই বর্ষত ল'ৰাৰ সংখ্যাতকৈ ছোৱালীৰ সংখ্যা বেছি আছিল। লাহে লাহে হোষ্টেলত থকাৰ মাদকতা কমি আহিছিল। হোষ্টেলৰ নীতি-নিয়ম, আড্ডা আদি সকলোবোৰ অর্থহীন হৈ আহিছিল। আড্ডা, খেলা-ধূলাৰ ঠাইত ম'বাইল, লেপ্‌টপ আদিয়ে স্থান দখল কৰিবলৈ লৈছিল। কোঠালিয়ে কোঠালিয়ে আৱাসীবোৰ নিজক লৈ ব্যস্ত হৈ থাকিবলৈ লৈছিল আৰু এনে লাগিছিল যেন হোষ্টেল নহয়, অন্য কিবাহে। হোষ্টেলত পর্ব বা অন্য অনুষ্ঠান থাকিলে আৱাসীবোৰক জোৰ কৰি আনিবলগীয়া হৈছিল আৰু খেলা-ধূলা বুলিলে সাত জাঁপ মাৰিছিল। ❖❖



মনোজ দাস
প্রাক্তন ছাত্র (১৯৯২ বর্ষ)
মীন উন্নয়ন বিষয়া

মনত পৰে মীন মহাবিদ্যালয়লৈ

প্ৰতুল ডেকা
প্ৰাক্তন ছাত্ৰ (১৯৯৮ বৰ্ষ)
মীন উন্নয়ন বিষয়া আৰু মীন মন্ত্ৰীৰ সংলগ্ন
বিষয়া হিচাপে কৰ্মৰত, অসম চৰকাৰ

১৯৯৪ চন, তাৰিখটো মনত পৰা নাই। মই মোৰ পিতাৰ স'তে বহাৰ মীন মহাবিদ্যালয়লৈ যাত্ৰা কৰিছিলোঁ। (বৰ্তমান মোৰ পিতা স্বৰ্গগামী হৈছে)। নলবাৰী জিলাৰ বেলশৰ গাঁৱৰ পৰা আমাৰ যাত্ৰা আৰম্ভ হৈছিল ৰাতিপুৱা ৫ বজাত। নলবাৰী বাছষ্টেণ্ডৰ পৰা সদায় ৰাতিপুৱা বাছ এখন নগাঁৱলৈ অহা-যোৱা কৰিছিল। আমিও সেইখন বাছৰে যাত্ৰী হৈ ৰহাত অৱস্থিত মীন মহাবিদ্যালয়লৈ যাত্ৰা আৰম্ভ কৰিছিলোঁ। মীন মহাবিদ্যালয়ত নামভৰ্তি কৰাটো আছিল মই নিজে লোৱা সিদ্ধান্ত। অংক বিষয়ত অনাৰ্ছ লৈ দুবছৰ পঢ়ি পাৰ্ট ৰানৰ পৰীক্ষা আধাতে সাং কৰি মীন মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ ভৱিষ্যৎ কেনেকুৱা সেই বিষয়ে মোৰ জ্ঞান তেনেই সীমিত আছিল। মই এটা কথা জানিছিলোঁ যে মীন বিষয়টো এক নতুন বিষয়। ইয়াত পঢ়িলে ভৱিষ্যতে কিবা এটা কৰাৰ অৱকাশ আছে। সেয়ে কাৰো লগত বিশেষ আলোচনা নকৰি মই মীন মহাবিদ্যালয়লৈ গৈছিলোঁ।

অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মীন মহাবিদ্যালয়, ৰহাত নামভৰ্তিৰ বাবে মই যোৰহাটলৈ যাবলগীয়া হৈছিল। কৃষি, পশু চিকিৎসা বিজ্ঞান আৰু মীন বিষয়ৰ পাঠ্যক্ৰম গ্ৰহণ কৰিবলৈ অগ্ৰাধিকাৰ ভিত্তিত নম্বৰ অনুযায়ী নামভৰ্তি হৈছিল। মই মোৰ প্ৰথম পছন্দৰ বিষয় হিচাপে মীন মহাবিদ্যালয়ত স্থান পাইছিলোঁ। নামভৰ্তিৰ ছমাহ পিছত আমাৰ ক্লাছ আৰম্ভ হৈছিল। ব্ৰহ্মপুত্ৰ হোষ্টেলত চতুৰ্থ বৰ্ষৰ ছাত্ৰৰ লগত আমাক থাকিব দিয়া হৈছিল। বহুত ভয়ে ভয়ে ক্লাছ কৰিব যাব লগা হৈছিল। ৰাস্তাত ছিনিয়ৰ ল'ৰাক লগ পোৱা মানে কি হ'ব সেইটো নক'লেও সকলোৰে বোধগম্য। ১৯৯৪ বৰ্ষত মুঠ ছাত্ৰ আছিল ১৪জন (তেতিয়া ছোৱালীৰ নামভৰ্তি হোৱা নাছিল)। কিন্তু বিভিন্ন অজুহাতত আমি শেষত ৭জন থাকো। ভাৰতবৰ্ষৰ ভিতৰত ৭নং কলেজৰ ৭নং বেট্‌ছ আৰু আমি মাত্ৰ ৭জন। আমাৰ শ্ৰেণীত মাত্ৰ ৭জন ছাত্ৰ হোৱা বাবে সকলো ক্ষেত্ৰতে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। শিক্ষামূলক ভ্ৰমণৰ বাবে প্ৰত্যেক বছৰেই প্ৰতিটো শ্ৰেণীৰে ছাত্ৰসকলক দক্ষিণ ভাৰতৰ বিভিন্ন মীন মহাবিদ্যালয় তথা স্থানলৈ লৈ যোৱা হয়। পূৰ্বতে অইন বৰ্ষৰ ছাত্ৰৰ ক্ষেত্ৰত কোনো সমস্যাৰ সৃষ্টি হোৱা নাছিল, কিন্তু আমাৰ ক্ষেত্ৰত ই এক ডাঙৰ সমস্যাৰূপে থিয় দিছিল আৰু অৱশেষত বিভিন্ন ধৰণে চাপ সৃষ্টি কৰি আমি এই ভ্ৰমণ কৰিবলৈ সক্ষম হৈছিলোঁ। এনেদৰে পোৱা বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আমি ৭জনীয়া বেট্‌ছটোৱে ৪ বছৰীয়া পাঠ্যক্ৰম শেষ কৰিছিলোঁ। তাৰ পিছত আমি আমাৰ উপাৰ্জনৰ পথ বিচাৰি বিভিন্ন স্থানলৈ যাওঁ। আমাৰ বন্ধু সঞ্জীৱ প্ৰধান তেজপুৰৰ আছিল; স্নাতক ডিগ্ৰী শেষ হোৱাৰ পিছত তেওঁ লাইফ ইন্সিওৰেঞ্চ কোম্পানীৰ উন্নয়ন বিষয়া ৰূপে কাৰ্যনিৰ্বাহ কৰে। বন্ধু কিশোৰ কলিতা আছিল বৰপেটাৰ; তেওঁ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত মীন সম্প্ৰসাৰণ বিষয়া হিচাপে যোগদান কৰে। তপন তালুকদাৰ পাঠশালাৰ; তেওঁ হায়াৰ ছেকেণ্ডাৰী স্কুলত মীন বিষয়ৰ বিষয় শিক্ষক হিচাপে কৰ্মৰত। দীপাংকৰ তালুকদাৰ নলবাৰীৰ; এটা ব্যক্তিগত প্ৰতিষ্ঠানত কাম কৰিছিল যদিও বৰ্তমান তেওঁ মীন বিভাগৰ অধীনত বিশ্ব বেংকৰ প্ৰযুক্তি

বিশেষজ্ঞ হিচাপে কার্যনির্বাহ কৰি আছে। মুকুট বৰুৱা ছিপাঝাৰৰ; তেওঁ অন্ধ্রপ্রদেশৰ এখন ফার্মত কাম কৰিছিল আৰু পিছত মীন বিভাগত মীন সম্প্রসাৰণ বিষয়া হিচাপে যোগদান কৰিছিল। ৰফিকুল হক বিলাসীপাৰাৰ; তেওঁ ব্যক্তিগত বিদ্যালয়ত শিক্ষকতা আৰু বিভিন্ন কামত ব্যস্ত আছিল আৰু পিছত তেওঁ মীন বিভাগত মীন সম্প্রসাৰণ বিষয়া হিচাপে কার্যনির্বাহ কৰিছিল। মই যোৰহাটৰ মীন গৱেষণা কেন্দ্রত কনিষ্ঠ গৱেষক হিচাপে যোগদান কৰিছিলোঁ। সেই সময়তেই মই স্নাতকোত্তৰ ডিগ্রী অর্জন কৰি শিৱসাগৰৰ এখন বাগিচাত সহকাৰী পৰিচালক হিচাপে যোগদান কৰোঁ। প্রায় ৫ বছৰ চাকৰি কৰাৰ পিছত তাৰ পৰা মই অসম চৰকাৰৰ মীন বিভাগত যোগদান কৰোঁ। মীন বিভাগত বিভিন্ন পৰিসৰত কাম কৰি আজিৰ এই অৱস্থাত উপনীত হওঁ। আমাৰ মীন স্নাতকসকলে বহু কষ্ট কৰি মীন বিভাগত নিজৰ পৰিচয় দিবলৈ সক্ষম হৈছে। আমাৰ ৭জনীয়া বেচ্‌ছৰ ৩জনে মীন বিভাগত চাকৰি কৰাৰ বিপৰীতে বাকী ৪জন বিভিন্ন স্থানত কর্মৰত। সকলোৱে খুব সুন্দৰভাৱে নিজৰ নিজৰ স্থানত সুদক্ষতাৰে কাম কৰি আছে। ৰফিকুল হকে নিজৰ কর্মদক্ষতাৰে মীন বিভাগত অতি কম দিনৰ ভিতৰতে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছিল। তেওঁ মীন বিভাগত কাছাৰ জিলাৰ জিলা মীন উন্নয়ন বিষয়া হিচাপে কার্যনির্বাহ কৰি থকা অৱস্থাতে বিগত ২২/০৮/২০২২ তাৰিখে আমাক সকলোকে এৰি ইহলীলা সম্বৰণ কৰে। তেওঁৰ মৃত্যুত আমি এজন উদ্যমী মীন স্নাতকক হেৰুৱাৰ লগতে ব্যক্তিগতভাৱে এজন ভাল বন্ধুক হেৰুৱালোঁ। ভগৱন্তই তেওঁক নেদেখা স্থানত ভালে ৰাখক, তাকে প্রার্থনা জনাইছোঁ।

মীন মহাবিদ্যালয়ত থকা অৱস্থাতেই মোক ছাত্র সমাজে এক গুৰু দায়িত্ব অর্পণ কৰিছিল। মীন মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সাধাৰণ সম্পাদক ৰূপে মই প্রায় দুটা বছৰ কার্যনির্বাহ কৰিবলগীয়া হৈছিল। বিভিন্ন সমস্যাৰে জর্জৰিত আমাৰ ছাত্র সমাজৰ উন্নয়নৰ বাবে সকলোৰে সহায়ত কিবা এটা কৰিবলৈ চেষ্টা কৰিছিলোঁ, যিটো আজিও কৰি আছোঁ আৰু ভৱিষ্যতেও কৰি যাম। আজি আমি নিজৰ স্থানত দক্ষতা প্রদর্শনৰ মূলতেই হ'ল আমাৰ শিক্ষাগুৰুসকলৰ আশীর্বাদ, আমাৰ জ্যেষ্ঠসকলৰ শাসন আৰু আমাৰ ওপৰত থকা বিশ্বাস আৰু মৰম। মই এই চেগতে সকলোলৈকে মোৰ নমস্কাৰ জনাইছোঁ।❖❖



স্মৃতিৰ পৃষ্ঠাত আওবার্ণ বিশ্ববিদ্যালয়

ড° ৰাজদীপ দত্ত
প্ৰাক্তন ছাত্ৰ (২০০৩ বৰ্ষ)
সহকাৰী অধ্যাপক
মীন মহাবিদ্যালয়, ৰহা

২০২১ চনৰ দিপান্বিতাৰ সময়। মই কলেজ চুটি কৰি বন্ধ কাৰণে গুৱাহাটীলৈ গৈ আছো। তেনেতে অসম কৃষি বিশ্ববিদ্যালয়ৰ 'Nation Agricultural Higher Education Project' (NAHEP)ৰ ভাৰপ্ৰাপ্ত বিষয়া ড° কিশোৰ কুমাৰ শর্মা চাৰে ফোন কৰি জনালে মই 'Overseas faculty development programme'ৰ প্ৰশিক্ষণৰ বাবে নির্বাচিত হৈছো। তেওঁ মোক বিদেশৰ এখন ভাল বিশ্ববিদ্যালয় চাই যোগাযোগ কৰিবলৈ ক'লে। সেইমতে মই মোৰ বিভাগৰ কেইখনমান বছা বছা বিশ্ববিদ্যালয়ৰ অধ্যাপকলৈ ইমেইল যোগে পঠালো। তেনে এজন অধ্যাপক আছিল মার্কিন যুক্তৰাষ্ট্ৰৰ আলাবামা ষ্টেটত অৱস্থিত আওবার্ণ বিশ্ববিদ্যালয়ৰ 'School of Fisheries, Aquaculture & Aquatic Science'ৰ ‘প্ৰফেছাৰ এলান উইলছন’। তেখেতৰ গৱেষণাগাৰটো Wilson Lab বুলি জনাজাত। মই Wilson Labৰ website চাই গম পালোঁ তেখেতে জলজ অপকাৰী শেলাই আৰু limnologyৰ ওপৰত যথেষ্ট গৱেষণা কৰিছে। তেওঁৰ কেইখনমান গৱেষণা পত্ৰও পঢ়িলো। মোৰ বিষয়ৰ সৈতে তেওঁৰ গৱেষণাৰ যথেষ্ট সামঞ্জস্য আছিল। সেয়েহে মই পলম নকৰি তেওঁলৈ ইমেইল পঠালো। ইমেইলটো পঠোৱাৰ প্ৰায় ১৫-২০ মিনিটমানৰ ভিতৰতে Professor Wilsonৰ ৰিপ্লাই মেইল মোৰ ইনবক্সত হাজিৰ। মই যথেষ্ট আচৰিত হ'লো। ইমান ক্ষীপ্ৰ উত্তৰ মই আশা কৰা নাছিলোঁ। তেওঁ মোৰ CV চাই মোৰ সৈতে প্ৰশিক্ষণ সম্পর্কে আৰু কথা আলোচনা কৰিবলৈ Zoom মিটিঙ এখনৰ প্ৰস্তাৱ দিলে আৰু মোৰ সুবিধামতে তাৰিখ আৰু সময় সুধিলে। মই তৎক্ষণাৎ তেওঁক তাৰিখ আৰু সময় জনাই দিলোঁ। সেইমতে মোৰ Prof. Wilsonৰ সৈতে Zoom মিটিঙ হ'ল। তেওঁ প্ৰথমতে মোৰ গৱেষণাৰ বিষয়, প্ৰশিক্ষণৰ সময় আদি সম্পর্কে কথা পাতিলে আৰু তেওঁৰ গৱেষণাগাৰত মই কেনেকুৱা ধৰণৰ গৱেষণা কৰিব বিচাৰো জানিব খুজিলে। তাৰ পাছত তেওঁ নিজৰ গৱেষণা প্ৰকল্পসমূহৰ বিষয়ে মোক চমুকৈ ক'লে। তেওঁৰ লগত কথা পতাৰ পিছত তেওঁ মোক তেওঁৰ গৱেষণাগাৰত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ লগত কথা পতাৰ সুযোগ দিলে। তেওঁলোকেও মোক কিছু কথা সুধিলে আমাৰ ৰাজ্যৰ মীন খণ্ড সম্পর্কত আৰু মইও তেওঁলোকক গৱেষণাগাৰ তথা বিশ্ববিদ্যালয় সম্পর্কে কিছু কথা সুধিলোঁ। প্ৰায় ১ ঘণ্টামান সময় ধৰি মিটিঙখন চলিল। তাৰ পাছত Prof. Wilsonএ মোক আকৌ এটা ইমেইল কৰি জনালে যে তেওঁলোক মোৰ লগত কথা পাতি সন্তুষ্ট হৈছে। কিন্তু চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতে তেওঁ আকৌ এবাৰ মোৰ লগত Zoom মিটিঙ কৰিব বিচাৰে। সেইমতে আমি আকৌ এবাৰ Zoom মিটিঙৰ দিন-বাৰ-সময় চূড়ান্ত কৰিলো। দ্বিতীয়খন মিটিঙত তেওঁ মোক বিশেষকৈ মোৰ অনুপস্থিতিত মোৰ বিভাগৰ কামবোৰ কোনে চোৱাচিতা কৰিব তথা মোৰ গৱেষক ছাত্ৰ-ছাত্ৰীসকলক কোনে সহায় কৰিব এই সম্পর্কত কিছু কথা সুধিলে। দ্বিতীয় মিটিঙ খন মাত্ৰ ১০ মিনিটমানৰ ভিতৰতে শেষ হ'ল। মিটিঙৰ শেষ হোৱাৰ প্ৰায় ১০ মিনিট মানৰ ভিতৰতে Prof. Wilsonএ মোক ইমেইল যোগে জনালে যে মই তেওঁৰ গৱেষণাগাৰত প্ৰশিক্ষণ ল'ব পৰিম তথা গৱেষণা কৰিব পাৰিম। লগতে US Visa ৰ বাৰে তেওঁৰ পৰা যি যি লাগতিয়াল কাগজ-পাতি

লাগে তেওঁ পঠোৱাৰ ব্যৱস্থা কৰিব বুলি জনালে। সেইমতে মই তেওঁৰ পৰা এখন 'আমন্ত্রণী পত্র' লৈ আমাৰ বিশ্ববিদ্যালয় কর্তৃপক্ষক জমা দিলো আৰু US Visaৰ বাবে আৱেদন কৰিলো। US Visa পাবলৈ যথেষ্ট কষ্টকৰ। বহু চেষ্টাৰ মূৰত দুবাৰ কলিকতালৈ গৈ তাত অৱস্থিত মার্কিন দূতাবাসত সাক্ষাৎকাৰ দিয়াৰ পাছত যেনিবা ২০২১ৰ ফেব্রুৱাৰী মাহত Us Visa লাভ কৰিলোঁ। Visa পোৱাৰ পাছত মই Prof. Wilsonক মোৰ যাত্রা তথা প্রশিক্ষণৰ বিতং তথ্য জনাই দিলোঁ আৰু তেওঁ মোক সোনকালে গৈ গৱেষণাগাৰত যোগদান কৰাৰ পৰামর্শ দিলে। সেইমতে মই বিমানৰ টিকট ক্রয় কৰিলোঁ। মোৰ যাত্রাপথ আছিল গুৱাহাটীৰ পৰা দিল্লী হৈ মুম্বাই আৰু মুম্বাইৰ পৰা United Airlinesৰ বিমান যোগে NewYork। আওবার্ণ বিশ্ববিদ্যালয়ৰ নিকটৱর্তী বিমানবন্দৰটো হৈছে Atlanta। সেয়েহে মই আকৌ NewYorkৰ পৰা Atlanta যাবৰ বাবে টিকট ক্রয় কৰিলোঁ। মোৰ খোৱাৰ প্রস্তুতি আৰম্ভ হ'ল। পিছে মোৰ এই প্রস্তুতিত বাধা পেলালে ৰাছিয়া আৰু ইউক্রেইনৰ যুদ্ধই। যুদ্ধৰ বাবে Russian Airspace মার্কিন বৈমানিক কোম্পানীয়ে ব্যৱহাৰ নকৰাৰ সিদ্ধান্ত ল'লে আৰু United Airlinesএ তেওঁলোকৰ সকলো বিমানসেৱা অস্থায়ীভাৱে বাতিল কৰিলে। মোৰ মূৰত যেন সৰগ হে ভাগি পৰিল! এতিয়া কৰো কি? ই ফালে প্রায় ১০ দিনমানৰ ভিতৰত মই গৈ পোৱাটো আৱশ্যকীয় আছিল। মই সকলো কথা Professor ক জনাই দিলোঁ আৰু Travel agent জনৰ সৈতে আলোচনা কৰিলো কেনেকৈ যাব পাৰি সন্দর্ভত। তেওঁ সকলোবোৰ চালি-জাৰি চাই মোক জাপান হৈ যোৱাৰ পৰামর্শ দিলে আৰু জনালে এনে কৰিলে প্রায় সমান খৰচতে মই USA পামগৈ। সেইমতে মই Japan Airlinesৰ বিমান টিকট ক্রয় কৰিলোঁ। মই গুৱাহাটীৰ পৰা নতুন দিল্লীলৈ যাম আৰু তাৰ পৰা জাপান এয়াৰলাইন্সৰ বিমানত Tokyo হৈ NewYorkলৈ যাম। NewYorkৰ পৰা Delta Airlinesৰ বিমানসেৱাৰ যোগেৰে Atlanta যোৱাৰ ব্যৱস্থা কৰিলোঁ। এইদৰে মই ২০২১ৰ মার্চ মাহৰ ১৫ তাৰিখে গুৱাহাটীৰ পৰা দিল্লী পালোঁগৈ। তাত বিমান যাত্রাৰ বাবে অপৰিহার্য ক'ভিড টেষ্ট কৰি ৰিপোর্ট নিগেটিভ অহাত ১৬ মার্চ তাৰিখে নতুন দিল্লীৰ পৰা ট'কিঅ'লৈ ৰাওনা হ'লোঁ।

ট'কিঅ'ৰ পৰা প্রায় ১৬ ঘণ্টা বিমান যাত্রা কৰি অৱশেষত NewYorkত উপস্থিত হ'লোঁ। আমেৰিকাৰ সময় আমাৰ দেশৰ সময়তকৈ প্রায় ১০ ৰ পৰা ১২ ঘণ্টা পিছ পৰা। সেয়েহে মই ১৭ মার্চত NewYork পাইছিলোঁগৈ। NewYorkৰ পৰা প্রায় ২ ঘণ্টা ১০ মিনিট মানৰ বিমান যাত্রাৰ শেষত Atlanta এয়াৰপর্টত উপস্থিত হ'লোঁ। NewYork আৰু Atlanta দুয়োটা এয়াৰপর্ট যথেষ্ট বিশাল। দুয়োটা এয়াৰপর্টৰ ভিতৰত এটা টার্মিনেলৰ পৰা আনটোলৈ যাবলৈ মেট্র' ৰেল চলে। Atlanta এয়াৰপর্টৰ পৰা আওবার্ণ বিশ্ববিদ্যালয় যাবলৈ Groom transport নামৰ এটি প্রতিষ্ঠানৰ Share taxiৰ ব্যৱস্থা আছে। Atlanta এয়াৰপর্ট পাওঁতে ৰাতি প্রায় ১১ মান বাজিছিল। মই Groom transportৰ এখন টেক্সিৰে আওবার্ণ বিশ্ববিদ্যালয়লৈ যাত্রা কৰিছিলোঁ। আমেৰিকাত ৬টা টাইম জ'ন আছে। আটলান্টা Eastern Standerd Time জ'নত পৰে আনহাতে আওবার্ণ Central Standerd Time জ'নত পৰে। সেয়েহে আটলাণ্টাৰ পৰা আওৱার্ণ লৈ যাওঁতে মই ১ ঘণ্টা সময় পিছু�ৱাই গৈছিলো। ভৱিষ্যতে আমেৰিকা ভ্রমণৰ পৰিকল্পনা কৰা সকলে যাত্রাৰ সময়ত টাইম জ'ন সমূহৰ বিষয়ে জানি ল'লে কোনো অসুবিধাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা নাথাকে।

মই মাজনিশা গৈ আওবার্ণত উপস্থিত হৈছিলোঁ। আওবার্ণ বিশ্ববিদ্যালয়ত অধ্যয়নৰত ভাৰতীয় ছাত্র-ছাত্রীসকলে Indian Students' Association (ISA) নামৰ এটি অনুষ্ঠান চলায়। এই ISA Facebook পেজ তথা WhatsApp গ্রুপৰ জৰিয়তে মই ইউনিভার্চিটিৰ পৰা প্রায় ১.৫ কিঃমিঃ নিলগত এটা Shared এপার্টমেণ্ট ভাড়াত লৈছিলো।

ৰাতিটো বিশ্রাম লৈ পাছদিনাখন মই বিশ্ববিদ্যায়ৰ International officeত গৈ নিজৰ যাৱতীয় কাম-কাজবোৰ শেষ কৰিছিলোঁ। আমেৰিকাত চিকিৎসা যথেষ্ট ব্যয়বহুল; সেয়েহে মই প্রথম দিনাখনেই University Officeত নিজৰ Health insurance ক্রয় কৰিছিলোঁ। International Officeৰ যাৱতীয় কাম শেষ কৰি মই Prof. Wilsonক লগ কৰিবলৈ গ'লোঁ, আওবার্ণ বিশ্ববিদ্যালয়ৰ School of Fisheries, Aquaculture & Aquatic Scienceৰ ভৱনটো

Swingle Hall নামেৰে জনা যায়। এই Swingle Hallৰ তৃতীয় মহলাত Prof. Wilsonৰ গৱেষণাগাৰটো অৱস্থিত। ইতিমধ্যেই মই ইমেলযোগে Prof. Wilsonক আহি পোৱা খবৰ দিছিলোঁ। তেওঁ মোক জনাইছিল যে তেওঁ আবেলি ৪টালৈ গৱেষণাগাৰতে থাকিব।

সেইমতে দুপৰীয়া প্ৰায় ২ মান বজাত মই তাত উপস্থিত হৈছিলোগৈ। মোক দেখাৰ লগে লগে Professorএ মোক উষ্ম আদৰণি জনাইছিল। তেওঁ নিজেই মোক লগত লৈ গোটেই গৱেষণাগাৰটো ঘু�ৰাইছিল আৰু সকলোৰে সৈতে পৰিচয় কৰাই দিছিল। তেওঁ গৱেষণাগাৰৰ বাবে বিশেষভাৱে ডিজাইন কৰি প্ৰস্তুত কৰা ২টা টি-চার্ট মোক উপহাৰ স্বৰূপে দিছিল। তেওঁ মোক মোৰ কেবিনটো দেখু�ৱাই দিছিল তথা কাম কৰিবৰ কাৰণে এটা কম্পিউটাৰৰ ব্যৱস্থা কৰি দিছিল। তেওঁৰ গৱেষণাগাত ৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সেইসময়ত গৱেষণা কৰি আছিল। মই সকলোকে লগ পাই চিনাকি হ'লোঁ। মোৰেই সৌভাগ্য যে গোটেইকেইগৰাকী গৱেষক যথেষ্ট বন্ধুসুলভ আছিল আৰু প্ৰথম দিনাখনেই মোক আঁকোৱালি লৈছিল। সিদিনা শুক্ৰবাৰ হোৱাত Professor Wilsonএ মোক দুদিন জিৰণি লৈ সোমবাৰৰ পৰা গৱেষণাগাৰলৈ নিয়মিত ভাৱে অহাৰ পৰামৰ্শ দিলে।

সেইমতে পৰৱৰ্তী সোমবাৰৰ পৰা মই গৱেষণাগাৰলৈ নিয়মীয়াকৈ যাব আৰম্ভ কৰিলোঁ। প্ৰথম দুদিন মান Universityৰ I-card বনোৱা, কম্পিউটাৰৰ Access লাভ কৰা আদি কামসমূহ কৰোঁতে সময় গ'ল। Professor Wilsonৰ লেবত Ph.D. গৱেষক ছাত্ৰ আছিল Mathew, যাক সকলোৱে Matt বুলি সম্বোধন কৰিছিল। তেখেতে জলজ শেলুৱৈৰ Micronutrient cycleৰ ওপৰত গৱেষণা কৰিছিল। Matt যথেষ্ট অনুভৱী কাৰণ তেওঁ Professorৰ তত্বাৱধানতেই Master degree লাভ কৰিছিল। তাৰ উপৰিও Master degreeৰ গৱেষণা কৰি থকা দুগৰাকী ছাত্ৰী আছিল Suzanne আৰু Hannah। অতি সোনকালেই লেবৰ সকলো গৱেষকৰ সৈতে মোৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল। গৱেষণাগাৰত এসপ্তাহ কাম কৰিয়েই তাত কৰ্মৰত সকলোৰে কৰ্মসংস্কৃতি দেখি মই বুজি উঠিছিলো যে আমেৰিকা কিয় বিশ্বৰ আটাইতকৈ চহকী দেশ! Prof. Wilson যথেষ্ট কাঢ়া মানুহ। গৱেষণাগাৰৰ সকলোৱে তেখেতক সমীহ কৰি চলিছিল। আমাৰ দৈনিক কৰ্মসূচী আৰম্ভ হৈছিল ৰাতিপুৱা ৭.৪৫ বজাত। সেইমতে মই ৰাতিপুৱা ৬ টাতে উঠি সকলো কাম শেষ কৰি সদায় ৭.১৫ত ওলাই গৈছিলোঁ। Professor নিজেও আহি নিৰ্দিষ্ট সময়ৰ পূৰ্বেই উপস্থিত হৈছিল। তেওঁ যথেষ্ট সময়ানুবৰ্তিতা পছন্দ কৰা লোক তথা এই ক্ষেত্ৰত কোনো হীন-ডেঢ়ি সহ্য নকৰে। লেবৰ সকলোৱেই দৈনিক কৰ্মসূচী মানি চলিছিল আৰু আবেলি ৪.৪৫লৈকে নিজৰ দৈনিক কৰ্ম কৰি গৈছিল। দুপৰীয়া আহাৰ গ্ৰহণৰ কোনো সুকীয়া সময় নাছিল; সুবিধা অনুযায়ী আমি মাজতে আহাৰ গ্ৰহণ কৰিছিলোঁ। প্ৰতি সোমবাৰে দুপৰীয়া Labৰ Weekly meetingৰ দিন আছিল। তাত সপ্তাহটোৰ পৰিকল্পনা কৰা হৈছিল; তাৰোপৰি কাৰোবাৰ কিবা সমস্যা থাকিলে আলোচনা কৰা হৈছিল। ইয়াৰ উপৰিও Prof. Wilsonএ মাহেকত দুবাৰকৈ প্ৰতিগৰাকী গৱেষক ছাত্ৰ-ছাত্ৰীৰ সৈতে ব্যক্তিগতভাৱে তেওঁলোকৰ গৱেষণা প্ৰকল্পৰ অগ্ৰগতি সম্পৰ্কে আলোচনা কৰিছিল আৰু দিহা-পৰামৰ্শ আগবঢ়াইছিল। মোৰ প্ৰশিক্ষণৰ প্ৰথমছোৱাত মই Prof. Wilsonৰ শ্ৰেণীকোঠাত তেওঁৰ Class attend কৰাৰ সুযোগ পাইছিলো। তাৰ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে যথেষ্ট মত-বিনিময় কৰা দেখিবলৈ পাইছিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে Offline ক্লাচত কিবা কাৰণে আহিব নোৱাৰে তেওঁলোক Zoom linkৰ মাধ্যমেৰে ক্লাছ attend কৰিছিল। ইয়াৰোপৰি প্ৰতিটো ক্লাছ ৰেকৰ্ডিং কৰা হয় যাতে ছাত্ৰ-ছাত্ৰীসকলে বুজাত কিবা অসুবিধা হ'লে পিছত সেই ৰেকডিং চাব পাৰে। শিক্ষকসকলেও তেওঁলোকৰ শিক্ষণ পদ্ধতি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা feedback বিচাৰিছিল আৰু ছাত্ৰ-ছাত্ৰীসকলে মুকলিমূৰীয়াকৈ সেই feedback দিছিল। মই লাহে লাহে Labত ব্যৱহাৰ হৈ থকা বিভিন্ন প্ৰ'ট'কলসমূহ গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ পৰা শিকি-বুজি লৈছিলোঁ আৰু দিন বাগৰাৰ লগে লগে নিজেই সেই প্ৰ'ট'কলসমূহ কৰিব পৰা হৈছিলোঁ। অপকাৰী জলজ শেলুৱৈৰ গৱেষণাৰ বাবে প্ৰয়োজনীয় কেইবাটাও অত্যাধুনিক যন্ত্ৰ Professor Wilsonৰ গৱেষণাগাৰত আছিল। প্ৰশিক্ষণৰ সময়ত মই এই যন্ত্ৰ পাতিবোৰৰ বিষয়ে জনাৰ তথা ব্যৱহাৰ কৰাৰ সুযোগ পাইছিলো।

Prof. Wilson অপকাৰী জলজ শেলুৱৈৰ গৱেষণাৰ ক্ষেত্ৰত এজন আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বৈজ্ঞানিক আছিল। তেখেতৰ এই বিষয়ত কেইবাটাও আন্তঃৰাষ্ট্ৰীয় প্ৰকল্প চলি আছে। এনে এটি প্ৰকল্পৰ বাবে পানীৰ নমুনা সংগ্ৰহ কৰিবলৈ Professorএ তেওঁৰ লগত মোক লৈ গৈছিল। আমি পানীৰ নমুনাবোৰ পশ্চিম আলাবামাত অৱস্থিত কেটফিছ্ অৰ্থাৎ শিঙী, মাগুৰ জাতীয় মাছৰ ফাৰ্ম সমূহৰ পৰা সংগ্ৰহ কৰিছিলো। এই সুযোগতে মই কেটফিছ্ ফাৰ্ম সমূহ ওচৰৰ পৰা চোৱাৰ সুযোগ পাইছিলোঁ। ফাৰ্মসমূহত পূৰ্ণগহণ পদ্ধতিৰে আমেৰিকান কেটফিছ্ *Ictalurus punctatus* পালন কৰা হৈছিল। কেটফিছ্ ফাৰ্মসমূহ সম্পূৰ্ণ বৈজ্ঞানিক ভাৱে পৰিচালনা কৰা হয় আৰু পূৰ্ণগহণ পদ্ধতিৰ মীনপালনৰ বাবে অত্যাৱশ্যকীয় Aerator, Demand feeder আদিৰ ব্যৱস্থা আছিল। মোৰ প্ৰশিক্ষণৰ সময়ছোৱাত মই কেইবাবাৰো এই মীনপালকসকলৰ লগত মত বিনিময় কৰাৰ সুযোগ লাভ কৰিছিলোঁ।

প্ৰশিক্ষণৰ সময়ছোৱাত মই নিজে এটা গৱেষণা প্ৰকল্প তৈয়াৰ কৰি উলিয়াইছিলোঁ আৰু এই প্ৰকল্পত Prof. Wilsonৰ তত্বাৱধানত Mesocosm পৰীক্ষাৰ জৰিয়তে জলজ অপকাৰী শেলুৱৈ নিয়ন্ত্ৰণৰ বাবে কেইটামান নতুন কৌশল প্ৰয়োগ কৰিছিলোঁ। এই প্ৰকল্পটো ৰূপায়ণ কৰোঁতে মই হৃদয়ংগম কৰিছিলোঁ যে আমেৰিকানসকলে প্ৰতিটো কাম কৰোঁতে অতি নিখুঁত পৰিকল্পনা কৰে। পৰীক্ষাটোৰ লগত জড়িত প্ৰতিটো সৰু সৰু দিশৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল। এনেদৰে কৰা নিখুঁত পৰিকল্পনাই গৱেষণা এটাৰ সফলতাত বিশেষ অৰিহণা যোগায়। Sample collection, Sample processing, Data collection আদি সঠিক ভাৱে পৰিকল্পনা কৰি কৰা হৈছিল আৰু সেইকাৰণে খুব ইতিবাচক ফলাফল লাভ কৰিছিলোঁ।

মোৰ প্ৰশিক্ষণৰ প্ৰায় ২ মাহ মান যোৱাৰ পাছত আন এগৰাকী জাৰ্মান গৱেষিকা ছাত্ৰী Paula আমাৰ লেবলৈ আহিছিল। তেখেতেও ৩ মাহৰ এটি হ্ৰস্বকালীন প্ৰশিক্ষণৰ বাবে আহিছিল। Paula ভাৰতীয় সংস্কৃতি তথা যোগশিক্ষাৰ প্ৰতি যথেষ্ট আগ্ৰহী হোৱাৰ কাৰণে মোৰ পৰা এই বিষয়ে যথেষ্ট জানিব বিচাৰিছিল। মই মোৰ সীমিত জ্ঞানেৰে তাইৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ চেষ্টা কৰিছিলোঁ। পাশ্চাত্য দেশৰ এগৰাকী ছোৱালীয়ে আমাৰ সংস্কৃতি তথা যোগশিক্ষাৰ প্ৰতি দেখুওৱা এই ধাউতিয়ে মোক এফালে গৌৰৱান্বিত কৰিছিল আনহাতে, ভাবিবলৈ বাধ্য কৰিছিল আমি নিজৰ দেশত আপুৰুগীয়া সংস্কৃতি তথা শিক্ষা ব্যৱস্থাৰ প্ৰকৃত মূল্য অনুধাৱন নকৰি পাশ্চাত্য শিক্ষা-সংস্কৃতি অন্ধভাৱে অনুকৰণ কৰাৰ প্ৰতি আগ্ৰহী নেকি বাৰু?

মোৰ প্ৰশিক্ষণৰ শেষৰ ফালে আন এগৰাকী শ্ৰীলংকাৰ গৱেষিকা Sathyaই আমাৰ গৱেষণাগাৰত গৱেষণা সহকাৰী হিচাপে যোগদান কৰিছিল। তেওঁ মুখ্যতঃ আমাৰ লেবৰ GCMS (Gas Chromatography– Mass Spectrometry) যন্ত্ৰটোত কাম কৰিছিল। আমি দুয়ো এছীয়মূলৰ হোৱা বাবে প্ৰায়েই আমেৰিকান আৰু এছীয় মূলৰ শিক্ষা ব্যৱস্থাৰ ওপৰত যথেষ্ট বিশ্লেষণ কৰিছিলো। Sathya এবছৰৰ বাবে গৱেষণা সহকাৰী হিচাপে থকাৰ পৰিকল্পনা কৰিছিল। মোৰ গৱেষণাৰ ক্ষেত্ৰটো তেখেতৰ পৰা মই যথেষ্ট সহায় পাইছিলোঁ।

লেবৰ প্ৰতিগৰাকী সদস্যই এগৰাকীয়ে আনগৰাকীক গৱেষণাৰ বিভিন্ন কামত সহায়-সহযোগিতা আগবঢ়াইছিল। মইও ৬ মহীয়া প্ৰশিক্ষণৰ কালছোৱাত Prof. Wilson তথা তেওঁৰ গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন গৱেষণাৰ সৈতে জড়িত হৈ পৰিছিলোঁ। মোৰ গৱেষণা প্ৰকল্পটি ৰূপায়ণৰ ক্ষেত্ৰটো তেওঁলোকে পাৰ্যমানে সহায় কৰিছিল। মই ভাৰতলৈ ঘূৰি অহাৰ পাছতো ইমেইল যোগে তথ্যবোৰ আদান-প্ৰদান কৰি গৱেষণাপত্ৰ প্ৰকাশৰ যো-জা চলাই আছোঁ।

Prof. Wilsonৰ গৱেষণাগাৰটো যথেষ্ট পৰিপাটি। গৱেষণাৰ সৈতে জড়িত প্ৰতিটো পৰীক্ষা-নিৰীক্ষা কৰাৰ বাবে কিছুমান বিশেষ ঠাই নিৰ্দ্ধাৰণ কৰি থোৱা আছে। গৱেষণাগাৰটোৰ আন এটি উল্লেখনীয় দিশ হৈছে ইয়াৰ দৈনিক কাৰ্যসমূহ চলাই নিয়াত সহায় কৰিবলৈ বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতি ঘণ্টাৰ হিচাপত নিয়োগ কৰা হয়। সেইমতে স্নাতক ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ক্লাছ নথকা সময়ছোৱাত গৱেষণাগাৰৰ বিভিন্ন কাম যেনে reagent preparation, cleaning আদি কাম কৰে। এনেকুৱা প্ৰতিজন স্নাতক ছাত্ৰ-ছাত্ৰীৰ weekly availability schedule এখন

গৱেষণাগাৰৰ ন'টিচ ব'ৰ্ডত সদায় লগাই থোৱা হয়। গৱেষকসকলে তেওঁলোকৰ গৱেষণাত কিবা সহায়ৰ প্ৰয়োজন হ'লে এই স্নাতক সকলৰ সহায় ল'ব পাৰে। মই মোৰ গৱেষণাৰ সময়ছোৱাত কেইবাবাৰো এনেদৰে সহায় লৈছিলোঁ। উল্লেখযোগ্য যে আমেৰিকান ল'ৰা-ছোৱালীসকল খুউব সোনকালে মাক-দেউতাকৰ ছায়াৰ পৰা আঁতৰি আত্মনিৰ্ভৰশীল হ'বলৈ চেষ্টা কৰে। এইদৰে ঘণ্টা হিচাপত উপাৰ্জন কৰা ধনেৰে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ শিক্ষাৰ ব্যয় বহন কৰে। আমাৰ গৱেষণাগাৰৰ দৰে আন গৱেষণাগাৰ, অফিচ, দোকান, ৰেষ্টোৰা আদিতো ছাত্ৰ-ছাত্ৰীসকলে আজৰি সময়ত ঘণ্টা হিচাপত কাম কৰি নিজৰ পঢ়াৰ খৰচ নিজে উলিয়াই লয়।

Auburn Universityৰ School of Fisheries, Aquaculture & Aquatic Scienceৰ এক প্ৰাণকেন্দ্ৰ হৈছে Universityৰ পৰা প্ৰায় ১০ কিঃমিঃ নিলগত অৱস্থিত E.W. Shell Fisheries Centre। এইখন এখন বিশাল বৈজ্ঞানিক মীন পাম। এই বৈজ্ঞানিক মীনপামতেই গৱেষকসকলে তেওঁলোকৰ গৱেষণাৰ বিভিন্ন ক্ষেত্ৰভিত্তিক পৰীক্ষা-নিৰীক্ষা সমূহ সম্পন্ন কৰে। আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বৈজ্ঞানিক Claude E. Boydএও এই বৈজ্ঞানিক মীন পামতেই পৰীক্ষা-নিৰীক্ষা কৰি কেইবাটাও যুগান্তকাৰী প্ৰযুক্তি উদ্ভাৱন কৰিছিল। মোৰ প্ৰশিক্ষণৰ কালছোৱাত মই এই প্ৰযুক্তিসমূহৰ বিষয়ে জানিবলৈ সুযোগ পাইছিলোঁ। E.W. Shell Fisheries Centreত অত্যাধুনিক Aquaculture গৱেষণাৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা আছে। বিশ্বৰ কেইবাখনো দেশৰ গৱেষকসকলে ইয়াত তেওঁলোকৰ গৱেষণা চলাই আছে। মইও মোৰ গৱেষণা প্ৰকল্পৰ Mesocosm পৰীক্ষাটো এই Centreতেই কৰিছিলোঁ আৰু ইয়াৰ অত্যাধুনিক সা-সুবিধাবোৰ ব্যৱহাৰ কৰাৰ সুযোগ পাইছিলো।

Auburn Universityত কটোৱা প্ৰতিটো মুহূৰ্তই মোৰ বাবে সোণালী স্মৃতি। তাৰ মাজৰ কেইটামান স্মৰণীয় তথা আমোদজনক ঘটনা শেষত মই পাঠকসকলক জনাব বিচাৰিছোঁ।

- **ৰঙালী বিহু উদ্‌যাপন ঃ** মই যিহেতু মাৰ্চ মাহত আমেৰিকালৈ গৈছিলোঁ তাৰ প্ৰায় এমাহ পাছতেই ৰঙালী বিহু আহিল। মই আমাৰ গৱেষণাগাৰৰ সকলোৰে সৈতে মিলি ক্লাছৰুমতে ৰঙালী বিহু উদ্‌যাপন কৰিছিলোঁ। Professor Wilsonৰ পৰিবাৰ Christy তথা পুত্ৰ Cash আৰু জীয়ৰী Lilyয়েও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। ক্লাছৰুমৰ বিশাল স্ক্ৰীনত বিহুগান তথা নৃত্য লগাই তাৰ তালে তালে সকলোৱে বিহুনৃত্য কৰি আনন্দ কৰিছিলো। তেওঁলোকে আমাৰ বিহু নৃত্য দেখি যথেষ্ট অভিভূত হৈছিল আৰু প্ৰত্যেকেই ভৱিষ্যতে অসমলৈ আহি এই উৎসৱত অংশগ্ৰহণ কৰাৰ কথা কৈছিল।
- **Right Hand Drive :** আমেৰিকানসকলে Right Hand Drive নিয়ম মানি চলে। আমাৰ ইয়াত জন্মৰে পৰা Left Hand Drive নিয়মত চলাৰ পাছত হঠাৎ Right Hand Drive নিয়মে মোক প্ৰথমে বিপাঙত পেলাইছিল। মোৰ এতিয়াও মনত আছে, প্ৰথম দিনা Professor Wilsonৰ লগত Sampling কৰিব যোৱা দিনটো। মই আগতেই কৈ আহিছোঁ যে তেখেত যথেষ্ট সময়ানুৱৰ্তিতা মানি চলা লোক। সেয়েহে মোৰ লগৰ সকলো গৱেষকে আগতীয়াকৈ মোক সকিয়াই দিছিল যাতে নিৰ্ধাৰিত স্থানত নিৰ্ধাৰিত সময়তকৈ ৫ মিনিট পূৰ্বে উপস্থিত হওগৈ। নিৰ্দিষ্ট মইও সময়ৰ পূৰ্বেই উপস্থিত হৈছিলোঁ। যথাসময়ত Professor সেই স্থানত উপস্থিত হৈছিল। মই তেওঁৰ গাড়ী দেখিয়েই দৌৰি গৈ গাড়ীত উঠিছিলোঁ। তাৰ পাছত আমাৰ যাত্ৰা আৰম্ভ হৈছিল। এইদৰে কিছুসময় যোৱা পাছত Professor Wilsonএ মোক সুধিছিল মই কিয় ৰাস্তাৰ বাওঁফালে ৰৈ আছিলো ? তেওঁ মোক ৰাস্তাৰ সোঁফালেহে বিচাৰি আছিল। মই তেতিয়া তেওঁৰ আমাৰ দেশৰ Left Hand Drive নিয়মৰ কথা কওঁতে বুজি পালে।
- **MM/DD/YY :** আমেৰিকান সকলে তাৰিখ লিখোতে MM/DD/YY format মানি চলে। আনহাতে আমাৰ দেশত আমি DD/MM/YY formatত কাম কৰো। এই format সলনি হোৱাৰ ফলত মই কেইবাবাৰো অসুবিধাৰ সন্মুখীন হৈছিলোঁ। মই Visa আবেদন কৰোঁতে এই format সালসলনি হৈ মোৰ জন্ম তাৰিখটোৱেই ভুল হৈ গৈছিল। পিছত কোনোমতে

সেইটো শুদ্ধ কৰিলোঁ। সেইদৰে গৱেষণাগাৰত বিভিন্ন পৰীক্ষাৰ তথ্য-পাতি লওঁতে কেতিয়াবা অসুবিধাত পৰিছিলোঁ। কিন্তু লাহে লাহে নতুন formatত নিজক খাপ খুৱাই লৈছিলোঁ।

- **Mercury Tharmometer -** এপ্রিল মাহৰ কোনোবা এটা দিনৰ কথা। লাহে লাহে আওবার্ণৰ বতৰ গৰম হৈ আহিছিল। মই ৰাতিপুৱা খোজ কাঢ়ি Apartmentৰ পৰা লেবলৈ গৈছিলোঁ। সিদিনা যথেষ্ট গৰম হোৱাত মই খোজ কাঢ়ি ভাগৰি পৰিছিলোঁ। লেবত মোৰ আসন মেথিউ আৰু চুজানৰ ওচৰা-ওচৰিকৈ আছিল। লেবত উপস্থিত হৈ মোৰ মুখেৰে ওলাল — Today's mercury levels are rising like anything. মোৰ কথাটো ধৰিব নোৱাৰি তেওঁলোকে মোৰ ফালে ভেবা লাগি চালে। অলপ সময় পাছত কথাটো বুজি পাই চুজানে মোক হাঁহি ক'লে যে- মার্কিন যুক্তৰাষ্ট্ৰত উষ্ণতা জুখিবলৈ Mercury Tharmometer ব্যৱহাৰ নকৰে; সেয়েহে তেওঁলোকে মোৰ কথাটো ধৰিব নোৱাৰিলে।

- **Prepone :** আন এদিনৰ কথা। মই Hannah আৰু Suzanneৰ লগত গৱেষণা সম্পর্কে কিছু আলোচনা কৰি আছিলো। পিছদিনাখন এই সম্পর্কে আমি Prof. Wilsonৰ সৈতে সুকীয়া সুকীয়াকৈ মিটিং কৰা কথা আছিল। সেইমতে আমি নিজৰ সুবিধামতে সময়বোৰ লৈছিলো। এই সময়সূচী আমি Professorৰ ইমেইল যোগে আগদিনাই জনাব লাগিছিল। যিহেতু মোৰ কোনো ক্লাছ নাছিল সেয়েহে মই সোনকালে মিটিঙ শেষ কৰি বেলেগ কামত লাগিব বিচাৰিছিলো আৰু Suzanneক মোৰ মিটিঙখন Prepone কৰিবলৈ অনুৰোধ জনাই Professorক ইমেইল পঠোৱাৰ কথা কৈছিলোঁ। তেওঁ মোৰ মুখৰ পৰা Prepone শব্দটো শুনি সুধিলে এই শব্দৰ অর্থ কি আৰু তেওঁলোকে বোলে এই শব্দটো কেতিয়াও শুনাই নাই। মইও আচৰিত ইমান simple wordটো তেওঁলোকে নাজানে নেকি ! লগে লগে Suzanne এ Google কৰি চালে। Googleএ ক'লে আচলতে Prepone শব্দটো আমি ভাৰতীয় সকলে সৃষ্টি কৰি লোৱা শব্দহে; American Englishত তেনেকুৱা কোনো শব্দ নাই। তেতিয়াহে আমি সকলোৱে আচল কথাটো বুজি পাই আমোদ পালো।

- **Mennonites :** পশ্চিম আলাবামাত মেনানাইট ধর্মীয় বিশ্বাসৰ লোকসকলে বসবাস কৰে। মই Prof. Wilsonৰ সৈতে প্ৰথমবাৰ Samplingলৈ যাওঁতে এটি আমোদজনক ঘটনা ঘটিছিল। আমি গৈ থাকোতে Professorএ মোক কৈছিল যে Mennonites সকল অলপ সংৰক্ষণশীল মানসিকতাৰ মানুহ আৰু তেওঁলোকে ধর্মীয় ৰীতি-নীতি কঠোৰভাৱে পালন কৰে। তেওঁ মোক কৈছিল যে মেনানাইট মানুহৰ এখন বেকাৰী দোকানত কিছু খোৱা বস্তু ক্ৰয় কৰিব। তেওঁ মোক ফটো তুলিবলৈ হাক দিছিল কাৰণ তেওঁলোকৰ ধর্মত ফটো উঠা নিষেধ। মইও সেই কথা মানি নিজৰ স্মার্ট ফোনটো গাড়ীতে এৰি থৈ গৈছিলোঁ। বেকাৰীখন সৰু আছিল কিন্তু Professor Wilsonএ কোৱা মতে তাৰ সামগ্ৰীসমূহ যথেষ্ট সুস্বাদু। তেখেতে দোকানখনৰ পৰা কেইবাবিধো সামগ্ৰী ক্ৰয় কৰিলে। তাৰ পাছত আমি Mr. Clemmer নামৰ এগৰাকী মীনপালকৰ মীন পামত পানীৰ নমুনা সংগ্ৰহ কৰিবলৈ গ'লো। মই প্ৰথমবাৰ এখন অত্যাধুনিক Catfish Aquaculture Farm দেখি অভিভূত হ'লো। মীন পামখনৰ গৰাকী Mr. Clemmerও আমাক দেখি ওলাই আহিল। Professor Wilsonৰ লগত তেখেতৰ পুৰণা চিনাকি। গতিকে দুয়োজনে কথা পাতিব ধৰিলে। মই ফার্মখনৰ ফটো লোৱাত ব্যস্ত হৈ পৰিলোঁ। ফটো লৈ থাকোতে মই মীনপালকজনৰ লগত Professor Wilsonএ কথা পাতি থকা ফটো এখন Click কৰিলোঁ। লগে লগে Professorএ মোক জনালে যে Mr. Clemmer এজন Mennonite। মই তৎক্ষণাৎ নিজৰ ভুল বুজি পালোঁ আৰু ফটোখন দিলিট কৰিলোঁ। আজানিতে কৰাৰ ভুলৰ বাবে Mr. Clemmerক ক্ষমাও খুজিলো। তেওঁ হাঁহিমুখে নজনা কাৰণে কৰিছো বুলি কৈ কথাটো তাতে সামৰিলে।



♦ **আমেৰিকান ফুটবল ঃ** আমেৰিকাৰ সকলো ৰাজ্যতে আমেৰিকান ফুটবল যথেষ্ট জনপ্ৰিয়। Auburn University এই ক্ষেত্ৰত আৰু এখোপ চৰা। তেওঁলোকৰ নিজৰ University team আছে আৰু এখন বিশাল Stadium আছে যাক Jordan-Hare Stadium বুলি জনা যায়। আমেৰিকান ফুটবল আমাৰ দেশত খেলা ফুটবল খেলতকৈ সম্পূৰ্ণ পৃথক। এই খেলৰ নিয়মসমূহো বেলেগ। Auburn Universityৰ ফুটবল দলৰ খেল থকা দিনা সেই অঞ্চলৰ ল'ৰাৰ পৰা বুঢ়ালৈ সকলো লোক ষ্টেডিয়ামলৈ গৈ দলটোক উৎসাহ জনায়। ফুটবলৰ চিজন চেপ্টেম্বৰ মাহৰ পৰা আৰম্ভ হয় আৰু খেল সমূহ সাধাৰণতে শনিবৰীয়া বন্ধৰ দিনা দুপৰীয়া মানৰ পৰা আৰম্ভ হৈ ৰাতিলৈকে চলে। ফুটবল খেলৰ সময়ছোৱাত গোটেই Auburn চহৰত এক উৎসৱ মুখৰ পৰিৱেশ বিৰাজ কৰে। Auburn Universityৰ দল বিজয়ী হ'লে অনুৰাগীসকলে চহৰৰ গছসমূহত বগা Toilet পেপাৰৰ Roll বোৰ ওলোমাই ফুৰ্টি কৰা দেখা যায়। এইটো Auburnৰ স্বকীয় ফুৰ্টি কৰা ধৰণ বুলি জনা যায়। মই চেপ্তেম্বৰ মাহৰ প্ৰথম সপ্তাহত Jordan-Hareত Stadiumত Auburn University দলৰ এখন খেল উপভোগ কৰা সুযোগ পাইছিলো। খেলৰ সময়ছোৱাত Stadiumৰ পৰিৱেশ সঁচাই চাবলগীয়া। অনুৰাগীসকলে তেওঁলোকৰ দলক সমৰ্থন কৰি যথেষ্ট ৰঙ-তামাচা কৰে। খেলখন আৰম্ভ হোৱাৰ আগতে এটি ঈগল চৰাই উৰুৱাই দি খেলখন আৰম্ভ কৰা হয়। ঈগল চৰাইটোৱে গোটেই ষ্টেডিয়ামখনৰ এক পৰিক্ৰমা শেষ কৰি খেলপথাৰত নমাৰ পাছতেই খেল আৰম্ভ হয়। Auburn University দলৰ সমৰ্থক সকলে 'War Eagle' শ্লোগান চিঞৰি তেওঁলোকৰ দলটোক সমৰ্থন কৰে। সৌভাগ্যৱশতঃ মই উপভোগ কৰা খেলখনত Auburn University দল জয়ী হৈছিল আৰু সকলো সমৰ্থকে Stadiumত যথেষ্ট ফূৰ্তি কৰিছিল।

এইদৰে বহুতো স্মৃতি আৰু অভিজ্ঞতা বুকুত বান্ধি চেপ্তেম্বৰ মাহৰ শেষৰ ফালে মই আওৱাৰ্ণ বিশ্ববিদ্যালয়ৰ পৰা বিদায় লৈ স্বদেশলৈ ঘূৰি আহিলোঁ। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এই ছমহীয়া সোণালী স্মৃতি চিৰদিনলৈ মোৰ মানসপতত সজীৱ হৈ ৰ'ব। গৱেষণা তথা শিক্ষাৰ ক্ষেত্ৰত লাভ এই অভিজ্ঞতা মীন মহাবিদ্যালয় প্ৰয়োগ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব। এই অভিজ্ঞতা লাভৰ সুযোগকণ প্ৰদান কৰাৰ বাবে মই অসম কৃষি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।❖❖

বীৰেন্দ্ৰ নাথে যায় আগুৱাই

(শ্ৰদ্ধাৰ বীৰেন্দ্ৰ নাথ দত্তৰ আশু-আৰোগ্য কামনাৰে)



ধনজিৎ দত্ত
প্ৰাক্তন ছাত্ৰ (১৯৯৪ বৰ্ষ)
খণ্ড উন্নয়ন বিষয়া

মনডিঙাৰ পাল তুলি বতৰৰে গীত গায়
বীৰেন্দ্ৰ নাথে যায় আগুৱাই,
সুৰৰ ধল আনে পাৰ উপচায়।

আকাশে বতাহে সুৰ বিচাৰি বিচাৰি,
আহিনক আনে নৱকান্তৰে মিলি।
সৌ পথাৰৰ কঁহুৱা ফুল,
সজায় তেওঁ নীল আকাশত।
নীল আকাশৰ বগা ডাৱৰ,
দেখে তেওঁ সৌ পথাৰত।
গৰিমা শৰতৰ গীত গায় শুনাই
বীৰেন্দ্ৰ নাথে যায় আগুৱাই।

বকুলতল বালিঘৰ সাজি
বকুলৰ মালা গাঁঠি,
মন কোমলাই বহু পাহৱা গীত সুঁৱৰি।
জিলিৰ মাতে গভীৰ কৰা নিৰ্জনতাত,
আইৰ কথা ভাবি ভাবি
তুলসী তলৰ পবিত্ৰতা পায় বিচাৰি।

তেওঁৰ চোতালত ওমলেহি চাৰু ঘনচিৰিকা,
মুখত লয় দুডাল দুবৰি আৰু খৰিকা।
শিৰীষডালত লুকাই বহা চৰাইটিয়ে
গুণ্‌গুণাই নতুন সুৰৰ সমল দিয়ে।
বগলীয়ে তেওঁক বগা ফোঁট দি যায়,
বীৰেন্দ্ৰ নাথে তাকে লৈ যায় আগুৱাই।❖❖

সুবাসিত ব'হাগ

অশ্লেষা শ্ৰাৱণী
প্ৰাক্তন ছাত্ৰী (২০২২ বৰ্ষ)

সুবাসিত ব'হাগ পদুলি মুখত,
হালধীয়া চৌদিশৰ দালি,
আকৌ এজাক কেতেকী তাত
আৰু উৰি ফুৰা কুলিৰ মাত।
কৰ্মবীৰ খেতিয়কৰ সেউজীয়া ধাননি,
এইয়া মেলিছে ব'হাগে পাতনি।

ৰঙাৰ ৰঙ বিয়পিছে মুগাৰ সাজত,
চেনেহীৰ মৰম বলিছে গামোচাৰ ভাঁজত।
এৰি সূতাৰ চাদৰৰ বৰণ
তাত শালত শিপিনীয়ে তুলিছে ৰহণ,
এইয়া ব'হাগী আইৰ আগমন।

জেতুকা বুলা দুটি হাত
আইতাৰ হাঁহি ভৰা মৰমৰ মাত।
দূৰৈত বাজি উঠা গগনাৰ ৰিনিকী,
নাচনীৰ ক'তনো হ'ব গাতে তৰণী,
এইয়া মেলিছে ব'হাগে পাতনি।❖❖

সমন্বিত মীন পালন

ৰজিতা দেৱী
প্ৰাক্তন ছাত্ৰী (২০১১ বৰ্ষ)
মীন উন্নয়ন বিষয়া

একেডৰা মাটিতে
মাছৰ লগতে
কৰিবা অন্য শইচৰ খেতি,
তেনে বছৰৰ শেষত
পইচা আৰ্জি জ্বলাব পাৰিবা
ঘৰৰ চৌদিশে আলোক-বাতি।

এক হেক্টৰ পানীৰ বাবে
ৰাখিবা ২৪০ৰ পৰা ৩০০টি হাঁহ
অথবা ৪০টা গাহৰি,
হাঁহে বঢ়াব অক্সিজেন পানীত,
গাহৰিয়ে মাছৰ খাদ্য খৰচ কমাই দিব সাহ,
পালকে পাব আৰাম দুখ-ভাগৰ পাহৰি।

ধানৰ লগতো তিনি সুকীয়া পদ্ধতিত
কৰিব পাৰিবা
মাছৰ সমন্বিত পালন,
গ্ৰাছকাৰ্প অথবা চেনি পুঠি
নেৰাৰ কথাটো মনত ৰাখিবা
অন্যথা খেতিৰ কৰিব হৰণ-ভগন।



মাছৰ লগত কুকুৰা পালনত
হেক্টৰে প্ৰতি ৬০০ চৰাইৰ
ঘৰ বনাবা পাৰত,
গৰুৰ ক্ষেত্ৰত
দুজনী গাই বৰ্ণশংকৰে
গাখীৰ-গোবৰ দিব ঘৰ আৰু পামত।

সমন্বিত পালনত
আৰু সুমুৰাব পাৰি
ছাগলী, শাক-পাচলি,
উদ্যানশস্য কিম্বা কেঁচুসাৰ,
কথা থাকিল বছৰৰ শেষত
লাভ আহিব হালি-জালি।

আজিৰ সময় আহি পৰিছে
নৱ-নৱ কৌশল
মীন ক্ষেত্ৰত যোগ দিয়াৰ,
তেহে সকলোৱে হুমুনিয়াহ নেৰি
সমভাগী হ'ব
অসমীয়া সমাজ আগুৱাই নিয়াৰ।❖❖

নৈ খনৰ বুকুতেই মোৰ ঘৰ

বিপুল ফুকন
প্ৰাক্তন ছাত্ৰ (২০০৫ বৰ্ষ)
সহকাৰী অধ্যাপক
মীন মহাবিদ্যালয়, ৰহা

নৈ খনৰ বুকুতেই মোৰ ঘৰ
ঠিক বুকুতেই
দ' থিয়কৈ দ' য'ত
য'ত নৈ খনো ঠিকনা নেহেৰুৱাই
য'ত গৰান খহে
য'ত নাৱৰীয়াবোৰে ঘৰ নাসাজে
য'ত নাৱৰীয়াবোৰে ঘৰ নাসাজে
য'ত দেও লগা হাঁহিৰে
তৰাং অঘৰী ৰোৱনীয়ে বুকুৰ মেঠনী নখহায়।
নৰছে কথাৰ আলচ্
য'ত নৈ খন গভীৰতাৰ পৰা সীমাহীন নহয়
যি গভীৰতাত ডুব যাই সময়

নৈ খনৰ বুকুতেই মোৰ ঘৰ
ঠিক বুকুতেই
দ' থিয়কৈ দ' য'ত
য'ত গৰা নখহে
য'ত নৈখনে কেঁকুৰি নলয়
য'ত গভীৰ ক্ষীপ্ৰতাত যঁতি নাহে
য'ত ধুমুহাবোৰ যুদ্ধত মাৰ যায়
নৈৰ গভীৰতাত যি পৰাজিত হয়,

ঠিক বুকুতেই
দ' থিয়কৈ দ' য'ত
য'ত পিতাইৰ পৰা আইলৈ
আৰু আইৰ পৰা মোলৈ
সোঁতবোৰৰ বেগ সলনি নহয়
য'ত গৰা নখহে
য'ত কেঁকুৰি নলয়
ঠিক তাতেই মোৰ ঘৰ।❖❖



দোমোজাত

মূল ঃ গৌৰীশংকৰ বন্দোপাধ্যায় (বঙালী)
অনুবাদ ঃ **সৌমাৰজ্যোতি মেধি**
প্ৰাক্তন ছাত্ৰ (১৯৯২ বৰ্ষ)
('পিচিনা'ত পূৰ্বে প্ৰকাশিত)

ৰুদ্ধ দুৰাৰৰ সিপাৰে অপেক্ষা কৰি নাথাকিবা
ভিতৰলৈ আহা,
অভিমান আৰু অহংকাৰেৰে উপেক্ষা কৰিছা
ভাল নহয়,
প্ৰকৃত কথাৰ উমান পালে তুমি কি উত্তৰ দিবা
তুমি নাজানা,
কাঁইটীয়া পথ আৰু অন্তৰৰ নিষ্ঠুৰতাই
তোমাক সাহস যোগায়,
বন্ধ দুৰাৰৰ সিটো পাৰে ৰৈ নাথাকিবা
নিশব্দে,
শব্দ কৰিবলৈ শিকা।❖❖

হাঁহি

মধুস্মিতা কলিতা
প্রাক্তন ছাত্রী (২০১৭ বর্ষ)
মীন উন্নয়ন বিষয়া

প্রথম খণ্ড
মাংসপেশীবোৰ দুর্বল হৈ পৰিছে
হাঁহিলে গাল দুখন বিষায়,
মনো নাযায় হাঁহিবলৈ,
উদ্দেশ্যও নাই হঁহাৰ,
পাহৰি গৈছে হাঁহিবলৈ
ভাব হয় হাঁহিলে পাপ লাগিব,
মানুহে কি ভাবিব
ইমানবোৰ হৈ যোৱাৰ পাছতো,
মনে মনে ভাবিছে প্রমীলাই।



দ্বিতীয় খণ্ড
এক প্রাণোচ্ছল খোলা হাঁহি
হাঁহি হাঁহি বাগৰি পৰিছে
গাল দুখনো বিষাইছে প্রমীলাৰ,
চকু দুটাও সেমেকি উঠিছে,
তাই মন কৰিলে
তাইৰ হাঁহিৰ ব্যাধি বিয়পি পৰিছে,
সকলোৰে ওঁঠবোৰ কঁপিছে,
গালৰ মাংসপেশীবোৰৰ সম্প্রসাৰ
হয়, সকলোৱে হাঁহিছে
হাঁহিবলৈ আৰম্ভ কৰিছে,
ইমানবোৰ হৈ যোৱাৰ পাছতো
প্রমীলাই হাঁহিবলৈ শিকিছে,
হঁহাৰ উদ্দেশ্য বিচাৰিবলৈ শিকিছে,
আৰু আনকো হুঁহুৱাইছে,
হঁহাৰ সমল যোগাইছে।

আহক আমি সকলোৱে হাঁহিবলৈ শিকো।
হঁহাৰ উদ্দেশ্য বিচাৰিবলৈ শিকো।।❖❖

মীন মহাবিদ্যালয়

(সমবেত সংগীত)

লৰৰি আহিছো কাষলে তোমাৰ
আকৌ এবাৰ জীৱন জিনিম
আশীষ তোমাৰ শিৰত পিন্ধিম
পাহৰা নাই আমি সেই দিন
আছিলো তোমাতেই বিলীন
ধাৰ আমি কিসতে সুজিম
আজি মীন মহাবিদ্যালয়ৰ
মাটিত মিলিম।

তুমি আছিলা সৰু হৈ
কলঙৰ ইপাৰতে ৰৈ
তুমি ৰূপ সলালা প্ৰসাৰ লভিলা
জ্ঞানৰ ভঁৰাল চহকী কৰিলা
ক'ত সম্ভাৱনাৰ বাট ৰচিলা
বিজ্ঞানী বিষয়াৰ জন্ম দিলা
মহাবিদ্যালয়ৰ গৰিমা ৰাখিলা।

আজিৰ স্থান তোমাৰ অৱদান
লৈছিলা সাৱটি বহু কষ্টৰ ঘাম
পাৰিছো দিব জানো প্ৰতিদান
কৰিছা ছাগে সেয়ে অভিমান
অথলে নাযায় তোমাৰ অৱদান
আমি ৰাখিম তোমাৰ সন্মান
মীন মহাবিদ্যালয় তোমাক প্ৰণাম।❖❖

ENGLISH SECTION

From the Desk of Chief Editor

The Assam Technology of aquaculture

We, the first and second batches of B.F.Sc. of College of Fisheries (CoF), Raha, came out with great hope that we would be placed in high level posts of Department of Fisheries, Government of Assam immediately after completion of our degree programme. There were posts in the department, but there was no policy to recruit the B.F.Sc. people in the department. At that time the status of B.F.Sc. was same with the general B.Sc. graduates. There was no proper guideline to engage the fishery science graduates not only in the Department of Fisheries, but also in the other related sectors. There was no internet and online system of communication during those days. Still some of our friends got jobs in prawn firms of Andhra Pradesh with the blessings of the teachers of our college. Most of them were engaged in 'Samudra hatchery'. Until the alumni of CoF, Raha joined Samudra hatchery, the company recruited personnel mainly from Thailand. After joining in the Samudra hatchery our alumni impressed the company management with their dedication and hard work. The Samudra hatchery earned huge profit due to the innovative technique developed by the alumni of CoF, Raha in prawn seed production and they declared the technology as 'Assam Technology', which was really a great achievement and honour for our alumni. Although it was not recognised in black and white, 'Assam Technology' was a famous brand in the prawn seed industry of Andhra Pradesh. I think it could be patented, but there was no organized force from the alumni to think in that line. The alumni worked for around seven years in the prawn farms of Andhra Pradesh with great zeal. Some B.F.Sc. alumni of our college were engaged in post office, school (as vocational subject teacher), banks etc. I myself engaged in a fish farm at Makum. Interestingly the owner of the fish farm was a Chinese, but it was not a profit making farm. The owner was an engineer by profession and he had big industry of tea machinery production. Machines of his industry were exported to Africa, Uganda etc. Fish farming was just a hobby for him. We (I and Dr. Anupam Sharma) were not given salary; so I gave up the job and engaged as a vocational subject teacher at Panigaon HS school of Lakhimpur district in a non-sanctioned post. After a few months the post was filled up by a lady with M.Sc. Zoology degree and I had to leave the school. I then got a job as vocational subject teacher in another HS school nearby Khetri and worked there for a short period. I became a freelance journalist for some months and got the job of Sub-Editor of Asomiya Pratidin, a daily newspaper published from Guwahati where I got the great opportunity to work with Late Parag Kumar Das. Before that I also worked as a Sub-Editor in 'Nagarik' and

'Chitralekha'. The Chief Editor of Chitralekha was Nirupama Borgohain, the famous feminist writer. During our time some B.F.Sc. alumni were engaged as sales representatives; some were engaged in the NGO too. Thus we, the B.F.Sc. alumni of Raha, were engaged in different sectors, except the fisheries. Today I am happy to mention that those bad days are gone and now the B.F.Sc. alumni of Assam have been leading not only the Department of Fisheries of Assam, but also the various industries, institutions, colleges, research centres, national boards etc. along with getting selection as Agricultural Research Scientist, conducted by Indian Council of Agricultural Research. I may not be in the fishery field at present, but feel proud to be a B.F.Sc. of College of Fisheries, Raha. I also feel happy that the struggle we did for B.F.Sc. alumni in the beginning period was ended with great success. I was the President of 'Unemployed B.F.Sc. organization' in 1994-95. I had a meeting with Sjt. Hiteswar Saikia, then Chief Minister of Assam to talk about our problems with the help of Lakshyadhar Chowdhury, Ex Education Minister of Assam, and a great freedom fighter and writer. We struggled, sometimes got frustrated, many times rebuked by the government officials, but we did not give up our aims and objectives. The deep struggle phase is over; now we are heading towards getting rewards for our diehard efforts.

About 'Suhrid'

We were given the responsibility to edit the 'Suhrid' (The friend) by the organizing committee of the Alumni Meet. Actually other than me all are in the field of fisheries. They have tried a lot to extract your feelings and joys to reflect in the Suhrid. In Suhrid we tried to unite the write-ups which will make each alumnus nostalgic.

I think no need to bag pardon for any of our mistakes as because we are 'Suhrid', the friend with heart!

I want to convey my gratitude to the people who founded the College of Fisheries, Raha and the teachers who led and guided us towards successful and productive future.

From the desk of the 'Suhrid' I do offer my thanks to the contributors both in the way of intellectually and financially. The time was short but ambition was very high. Mr. Dipanjan Kashyap, Assistant Professor of AAU, Jorhat, Mr. Pratul Deka, Fisheries Development Officer, Mr. Leelakanta Payeng, Fisheries Development Officer and Mr. Amulya Kakati, Technical Officer of ICAR-CIFRI, Guwahati worked hard to make the souvenir most memorable. Actually Dipanjan deserves big round of applause for his sleepless efforts for bringing out this special issue of 'Suhrid'. The organizing committee is also very enthusiastic and helpful; I am grateful to all of them.

The Rumi Jumi Press has made our venture successful by their high technical support. We do acknowledge the workers of the press for their kind efforts to publish it in time.

Dr. Haricharan Das

CONTENTS

Articles

❖	Perspective Alumni	Dr. Omeo Kumar Dutta	1
❖	Design thinking for social innovation	Sarat Chandra Das	3
❖	National Agricultural Education Policy 2022-Some Highlights	Sagar C. Mandal	8
❖	Little something about Indian Classical Music	Akash Borah	13
❖	Cultural appropriation	Gargi Devi Mech	17

Fishery-based articles

❖	An insight into reservoir fisheries resources of India with special reference to North-East India	Simanku Borah	19
❖	Aqua-tourism: A new fisheries destination	Dr. Ramendra Ch. Barman	25
❖	Employment opportunities for fisheries students in ICAR	Dr. Pronob Das	29
❖	Fisheries Research Centre, AAU: Forty years of fisheries research and extension	Dr. Bibha Chetia Borah	35
❖	Live fish transportation: An effective means for increasing fish farmers' income	Dr. A. U. Muzaddadi	40
❖	Rethinking FISHVERSE: Over-exploitation of Global Wild Fisheries	Imran Hussain	46
❖	Fish habitat alteration and biodiversity conservation need: Special case of *Hakama Beel*	Dr. Kingshuk Chakraborty	49
❖	Entrepreneurship barriers in production and marketing of value added fish and fish products in Assam	Dr. P. C. Bhuyan	52
❖	Why Alumni Association of College of Fisheries-Raha (AACoF-R) matters?	Bhaskar Chakravarty	56

Cinema and Literature

- Decoding Intramural Divinity: Mahishasura Marddini — Dr. Dipsikha Bhagawati — 58
- Depiction of Women in Salmaan Rushdie's short story The Free Radio — Kakoli Kashyap — 63
- Indian English Literature to Bollywood: The trend of Adaptation — Aditya Kumar Baruah — 67

Northeast Collectives

- A glimpse of Nagaland — Imlichuba Imchen — 70
- Manipur: The land of Jewels — Kahetrimayum Samita Devi — 73
- Meghalaya: The Abode of Clouds — Pranjit Saikia — 78
- Christmas in Aizawl — Vanlalhmangaihzuala — 82
- Beautiful and mesmerizing Tripura — Diptanil Gope — 85
- Lwpum - A sustainable fishing method from Arunachal Pradesh — Rikki Bagra — 90
- Sikkim: A window of mighty Himalaya — Umesh Dahal — 92
- Tourist destinations in Dima Hasao of Assam — Kabin Medhi — 99

Memorabilia

- Brightening our lives with lantern — Rupam Sharma — 104
- For my Alma Mater — Ankhita Chutia — 106

Perceptions about life

- Learning and unlearning in your late teens — Akulina Hazarika — 108
- My lost childhood — Jebin Akhtar Ahmed — 110

Poem

- Summer Spell — Chayanika Das — 112
- Pradhan Mantri Matsya Sampada Yojana (PMMSY) guideline — 113
- Report of Secretary General of AACoF-R — 118

Perspective Alumni

Dr. Omeo Kumar Dutta
Retired Professor
College of Fisheries, AAU, Raha

Alumni the plural form of alumnus means pupil of a particular school, college or university - says oxford dictionary, while the Webster's dictionary indicates that the word comes from L. alere means to nourish and so anybody who has attended or graduated from a specified or implied school of thought may be included hereinto. Ancient Hindu texts indicate that *Rishis* and *Munis* in Bharatabarsa taught specific ideologies and techniques to lead a real human life and urged the graduates to guide the general folks for the common good of the society. Graduates of these gurukulom felt honoured to be responsible for the greater interest of the society. That's how the Hindu culture grew up in Bharatabarsa.

Advancement of human knowledge coupled with technological refinement in every aspect of scientific streams during the later part of twentieth century has changed the mindset of human worldwide; who knows to what extent human thought and action will proceed with the current trend of induction of artificial intelligence into our pursuit of knowledge. I still believe that truth is unique, from whatever angle you try to explicitly examine it. Pursuit of that truth is only possible when we at peace with mother nature; thats what leads us to positive success in life. Considering this point the management gurus across the globe extract the ideologies of the Bhagavad Gita to strengthen and stabilize the boiling mind set of the pupil who pursue that stream of knowledge. Management alumni in turn manage peaceful environment and strategies of every kind of business establishment now-a-days.

Perspective of any matter is relative to the target and target of alumni association is overall and mutual benefit

